অসমীয়া ভাষাৰ ব্যাকৰণ

ডঃ উপেন্দ্ৰনাথ গোস্বামী

Library Services

মণি-মাণিক প্ৰকাশ

পানবজাৰ গুৱাহাটী-১

ASAMIYA BHASHAR VYAKARAN A descriptive grammar of the Assamese written language by Dr Upendranath Goswami Retired Professor of Assamese Gauhati University and published by Sri Pankaj Kumar Dutta M Sc Mani Manik Prakash Panbazar Guwahati-781001 in the year 1981 Third edition September 1990 Price Rs 30 00

প্ৰকাশক ঃ

শ্ৰীপঙ্কজ কুমাৰ দত্ত

মণি-মাণিক প্ৰকাশ

পানবজাৰ

গুৱাহাটী—৭৮১০০১

প্ৰথম প্ৰকাশ ১৯৮১ চন

দ্বিতীয় প্ৰকাশ ঃ ১৯ ৯ চন (সংশোধিত)

তৃতীয় প্ৰকাশ ১৯৯০ চন

মূল্য ঃ ৩০ ০০ টকা

মুদ্ৰক ঃ

মণি-মাণিক প্ৰেছ

উজানবজাৰ

গুৱাহাটী – ৭৮১০০১

ভূমিকা

কোনো এটা ভাষা শিকিবলৈ বা শিকাবলৈ হ'লে সেই ভাষাটোৰ এখন ব্যাকৰণৰ আৱশ্যকতা দূৰ কৰিব নোৱাৰি। বৰ্তমান সময়ত কোনো এটা ভাষা কম সময়ত শিকাৰ আৰু শিকাবৰ বাবে ভাষা-বিজ্ঞানৰ সহায়েৰে ভাষাটোৰ বিশ্লেষণৰ ব্যৱস্থা কৰা হৈছে। প্ৰকৃতপক্ষে কোনো এটা ভাষাৰ ভাষাবৈজ্ঞানিক আলোচনাই সেই ভাষাটোৰ ব্যাকৰণ। এই ব্যাকৰণ কেইবা প্ৰকাৰৰ হ'ব পাৰে। কোনো এটা ভাষাৰ কোনো এক সময়ৰ গঠন পদ্ধতিৰ (সচৰাচৰ কথিত ভাষাৰ) তন্ন তন্ন বিচাৰৰ বিৱৰণক সেই ভাষাটোৰ বৰ্ণনাত্মক ব্যাকৰণ বোলে। কোনো এটা ভাষাই প্ৰাচীন কালৰ পৰা বিভিন্ন স্তৰৰ মাজেদি বিকশিত হৈ কেনেদৰে বৰ্তমানৰ ৰূপটো পালেহি তাৰ বিৱৰণ হ'ল ভাষাটোৰ ঐতিহাসিক ব্যাকৰণ। কোনো এটা ভাষাৰ মূল উৎস আৰু তাৰ পৰিবৰ্তিত আন আন ৰূপৰ সৈতে থকা সম্বন্ধৰ বিচাৰযুক্ত বিৱৰণ হ'ল ভাষাটোৰ তুলনাত্মক ব্যাকৰণ। কোনো দুটা ভাষাৰ প্ৰথমতে বৰ্ণনাত্মক ব্যাকৰণ ৰচনা কৰি পিছত ভাষাদুটাৰ মাজত থকা বিপৰীত বৈশিষ্ট্যবোৰৰ বিৱৰণসূচক ব্যাকৰণ-খনৰ নাম বিৰোধী ব্যাকৰণ। এনে ব্যাকৰণৰ দ্বাৰা এটা দ্বিতীয় ভাষা বা বিদেশী ভাষা শিকা আৰু শিকোৱাত সুবিধা হয়

অসমীয়া ভাষাৰ ক্ষেত্ৰতো অসমীয়া কথিত ভাষাৰ গঠন-পদ্ধতি দেখুৱাই ৰচনা কৰা এখন কথিত ভাষাৰ ব্যাকৰণ (ইয়াত কথিত শব্দৰ দ্বাৰা মান্য ভাষাৰ কথিত ৰূপক গুৰুত্ব দিয়ে) কথিত ভাষাৰে সৈতে লিখিত ভাষাৰ পাৰ্থক্যৰ নিৰ্দেশ আৰু সংস্কৃতীয়া প্ৰয়োগৰ বিৱৰণ সন্নিবিষ্ট এখন লিখিত ভাষাৰ ব্যাকৰণ, অসমীয়া ভাষাৰ প্ৰাচীন কালৰ ৰূপৰ পৰা আধুনিক ৰূপ পোৱা আৰু অসমীয়া ভাষাৰ

মূল উৎস সংস্কৃত আৰু তাৰ পৰিৱৰ্তিত ৰূপ পালি, প্ৰাকৃত আদি ভাষাৰ সৈতে সম্বন্ধিত ৰূপৰ বিৱৰণসহ এখন ঐতিহাসিক আৰু তুলনাত্মক ব্যাকৰণ পধানকৈ এই তিনি ধৰণৰ ব্যাকৰণৰ আৱশ্যক। অসমীয়া ভাষাৰ ঐতিহাসিক আৰু তুলনাত্মক ব্যাকৰণত সংস্কৃতৰ উপৰি কনকাণীয় ভাষা আৰবী পাৰছী, হিন্দী ইংৰাজী আদি ভাষাৰ সৈতে থকা সম্পৰ্কও বিবেচিত হব। অসমীয়াই হিন্দী বা ইংৰাজী আদি ভাষা শিকাৰ কাৰণে দুটা ভাষাৰ বিৰোধী ব্যাকৰণৰ আৱশ্যকতা ঘটাই দেখিছে। পাঠ্যক্ৰমৰ সন্দৰ্ভত অসমীয়া বৰ্ণনাত্মক ব্যাকৰণখন উচ্চ মাধ্যমিক স্তৰৰ অষ্টম শ্ৰেণীলৈকে চলাব পাৰি (প্ৰাথমিক স্তৰত কোনো ব্যাকৰণ পাঠ্যপুথি হিচাপে দিয়াৰ আৱশ্যকতা নাই) উচ্চ মাধ্যমিক স্তৰৰ নৱম দশম শ্ৰেণীত আৰু উচ্চতৰ-মাধ্যমিক স্তৰত লিখিত অসমীয়া ভাষাৰ ব্যাকৰণ আৰু বিশ্ববিদ্যালয়ৰ স্তৰত ঐতিহাসিক আৰু তুলনাত্মক ব্যাকৰণৰ অধ্যয়নৰ ব্যৱস্থা হ'ব লাগে।

অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণখন ইংৰাজীত ৰচনা কৰে বৃটিছ বেপটিষ্ট মিচনেৰি ৰবিনছন (১৮৩৯ খৃ)। পুথিখনৰ নাম আছিল এ গ্ৰামাৰ অৱ এছামিজ লেঙ্গুৱেজ। ১৮৪৬ চনত বেপ্টিষ্ট কৰ্মীসকলে ইউৰোপীয় বাসিন্দা সকলৰ সুবিধাৰ বাবে অসমীয়া ভাষাৰ ব্যাকৰণখন ৰচনা কৰিছিল 'অসম মিচনৰ অগ্ৰণী' নাথান ব্ৰাউনে ৰচনা কৰা ইংৰাজীত লেখা দ্বিতীয় ব্যাকৰণখনহে (১৮৪৮ খৃ) নিশ্চয়-ভাৱে উল্লেখযোগ্য। এইখনত পূব-অসমৰ কথিত অসমীয়া ভাষাটোৰ গঠন-পদ্ধতিৰ প্ৰতি প্ৰকৃত ৰূপ এটা সংৰক্ষিত হৈছে। ব্ৰাউনৰ 'গ্ৰামেটিকেল নোটচ অন দি এছামিজ লেঙ্গুৱেজ' এক মহৎ অৱদান। পিছত তিনিগৰাকী বৈয়াকৰণে অসমীয়াত ৰচনা কৰা পুথি তিনিখনে অসমীয়া ব্যাকৰণৰ ইতিহাসত উল্লেখযোগ্য স্থান পায়। সেইকেইখন হ'ল হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ব্যাকৰণ' (১৮৭৯ খৃ), সত্যনাথ বৰাৰ 'অসমীয়া ভাষাৰ বহল ব্যাকৰণ' (১৯২৫ খৃ), আৰু কালিৰাম মেধিৰ

'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' (১৯৩৬ খৃ)। এইকেইখন পুথিৰ উপৰিও সময়ে সময়ে স্কুলীয়া পাঠ্যপুথি হিচাপে কিছুমান ব্যাকৰণ লেখা হৈছে যদিও সেইবোৰৰ বেছি ভাগ ওপৰত উল্লেখ কৰা ব্যাকৰণ-কেইখনৰ ইফাল-সিফাল ৰূপ। আধুনিক দৃষ্টিভঙ্গীৰে চালে সেই ব্যাকৰণবোৰত কিছুমান ত্ৰুটি চকুত পৰিব। এই আটাইবোৰ ব্যাকৰণত অসমীয়া ভাষাৰ স্বকীয় ৰূপটোৰ বিশ্লেষণৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাই। পক্ষান্তৰে ব্যাকৰণ-ৰচনাৰ দ্বাৰা কোনো এটা ভাষাৰ গঠন-প্ৰণালীটোক তন্ন তন্নকৈ দেখুৱাই দিয়া হয়। ব্যাকৰণ শিক্ষাও এক প্ৰকাৰ খেল। গতিকে যিটো কথাক ভাষাটোৰ গঠনৰ দিনৰ পৰা দেখুৱাই দিব নোৱাৰি বা যিটো কথাৰ কোনো স্পষ্ট অৰ্থ বুজাত অসুবিধা হয় তেনে ধৰণৰ কথাই ব্যাকৰণত ঠাই পোৱা যুগুত নহয়। আমি সকলোৰে পৰা অসমীয়া শব্দ-বিভক্তিবোৰৰ বিষয়ে এনেদৰে মুখস্থ কৰি আহিছোঁ — প্ৰথমা অ এ ই, দ্বিতীয়া অক পঞ্চমী পৰা ইত্যাদি। যদি অসমীয়াত শব্দ বিভক্তিৰ প্ৰথমা অ, এ ই হয়, তেনেহ'লে সেই-কেইটাৰ ভিতৰত কোনটো কোন পৰিস্থিতিত ক'ত ব্যৱহাৰ হয় উদাহৰণেৰে সৈতে দেখুৱাব লাগিব। আচলতে অসমীয়াত প্ৰথমা-অ বিভক্তি নাই। প্ৰথমা এ বিভক্তিহে আছে এই এ মূল শব্দটো অকাৰান্ত আৰু আকাৰান্ত হ'লে -ই লৈ ৰূপান্তৰিত হয়, যেনে মানুহ-এ মানুহে, ল'ৰাই গৰুই। অসমীয়া শব্দৰ শ্ৰেণী বিভাগৰ ক্ষেত্ৰতো আমি অনেক সংজ্ঞা কিছুমান মুখস্থ কৰি আহিছোঁ। যেনে নাম মাত্ৰকে বিশেষ্য। ইয়াত 'নাম' শব্দটোৰ প্ৰকৃতাৰ্থ কি হয় তাৰ (স্কুলীয়া ল'ৰা-ছোৱালীৰ কথা এৰি ডাঙৰৰ সমস্যা) কোনো স্পষ্ট ধাৰণাৰ সৃষ্টি নহয়। নিষ্ঠুৰতা, সৌন্দৰ্য আদি শব্দ বিশেষ্য শব্দ। কিন্তু নিষ্ঠুৰতা বা সৌন্দৰ্য কি 'নাম' কোনোটো সম্ভৱ নহয়। অনেকে যি পদে কোনো পদৰ দোষ গুণ বুজায় তাক বিশেষণ শব্দ বুলি পঢ়ি আহিছে। আকাৰ বাচক বুলি ক'লে আকাৰ-শব্দটোৱে

ব্যক্তিৰ গুণ নে দোষ বুজাইছে কোনো টান। কিছুমানৰ কাৰণে আন্ধাৰ ৰাতিটো বেছি সুবিধাজনক। গতিকে আন্ধাৰটো গুণ। আকৌ আন্ধাৰ ৰাতি মুকুবিনা অ ক এতিয়া আন্ধাৰ হ'ল। এই বাক্যদুটাৰ প্ৰথমটোৰ আন্ধাৰ-শব্দটো বিশেষণ আৰু দ্বিতীয়টোত আন্ধাৰ শব্দটো বিশেষ্য-শব্দ। 'বিশেষ্যৰ সলনি যি পদ ব্যৱহাৰ হয় তাক সৰ্বনাম পদ বোলে। এই সংজ্ঞাটোৱেও সৰ্বনাম শব্দৰ প্ৰকৃত স্বৰূপ দাঙি ধৰিব নোৱাৰে। তেনেহ'লে কোন যায়? কোনোবা আহিছে। এই প্ৰয়োগদুটাত কোন আৰু কোনোবা কোন বিশেষ্যৰ সলনি ব্যৱহাৰ হৈছে? এনে ধৰণৰ আৰু অনেক দৃষ্টান্ত দাঙি ধৰিব পাৰি।

বৰ্তমান সময়ত আমি সম্পূৰ্ণ বৈজ্ঞানিকধৰণে ৰচনা কৰা ব্যাকৰণৰ শিক্ষণৰ ব্যৱস্থা হাতত লব লাগে। ওপৰৰ আলোচনাত তিনি ধৰণৰ অসমীয়া ব্যাকৰণৰ আৱশ্যকতাৰ কথা উনুকিওৱা হৈছে। এই ক্ষেত্ৰত আমি বিশেষ আগ বাঢ়িছো বুলি ক'ব পৰা হোৱা নাই। এই লেখকৰে 'অসমীয়া ভাষাৰ ৰূপ-কথা'ত অসমীয়া বৰ্ণনাত্মক আৰু তুলনাত্মক ব্যাকৰণ-ৰচনাৰ এটা ক্ষুদ্ৰ প্ৰচেষ্টা দাঙি ধৰা হৈছে। অসমীয়া লিখিত ভাষাৰ বা লিখিত মান্য ভাষাৰ ব্যাকৰণ হিচাপে 'অসমীয়া ভাষাৰ ব্যাকৰণ' এই পুথিখন যুগুত কৰা হৈছে। সম্পূৰ্ণ ভাষা-বৈজ্ঞানিক দৃষ্টিৰে বিচাৰ বিশ্লেষণ কৰা হেতুকে ই কিছু নতুন ৰূপ লৈছে। সচৰাচৰ আমাৰ ব্যাকৰণবোৰত বিশেষ্য বিশেষণ আদি শব্দবোৰৰ যেনে ধৰণৰ সংজ্ঞা আদি দিয়া হৈছে, সেইবোৰক তেনেধৰণে নাই দি ভাষাবৈজ্ঞানিক দৃষ্টিৰে কোনো ৰূপৰ আন ৰূপৰ লগত সংযোগ, সম্পৰ্ক, আৰু ৰূপবোৰৰ বাক্যত স্থান আদিৰ বিচাৰৰ দ্বাৰাহে সংজ্ঞা নিৰূপণ কৰা হৈছে।

অসমীয়া ভাষাৰ গঠন পদ্ধতি বিচাৰ কৰিলে এটা কথা স্পষ্টকৈ দেখা যায়। সেইটো হৈছে কায়াৰ লগত ছায়া থকাৰ দৰে অসমীয়া ভাষাৰ লগত জড়িত থকা সংস্কৃতীয়া ৰূপ এটা। সেই ৰূপটোৰ বিষয়ে

নাজানিলে অসমীয়া কথিত বা লিখিত কোনো এটা ৰূপকে সম্যকভাৱে জনাটো সম্ভৱ নহয়। সেইবাবে অসমীয়া ভাষাৰ সুকীয়া গঢ়টোৰ বিশ্লেষণ পুথিখনৰ প্ৰথম খণ্ডত আৰু সংস্কৃতীয়া ৰূপটোৰ বিৱৰণ দ্বিতীয় খণ্ডত সন্নিৱিষ্ট কৰা হৈছে। দুয়োটা গঢ়ৰ সমষ্টিৰে অসমীয়া ভাষাৰ সম্পূৰ্ণ গঢ়টো গঠিত।

পুথিখনৰ প্ৰথম প্ৰকাশটোৱে সহৃদয় পাঠকবৰ্গৰ সহাৰি পোৱাত পূৰ্বৰ ত্ৰুটি বিচ্যুতি কেতবোৰ আঁতৰাই সংশোধিত ৰূপত পুথিখন আকৌ আগ বঢ়োৱা হ'ল। এইখিনিতে পুথিখনৰ ৰচনা আৰু প্ৰকাশৰ ক্ষেত্ৰত বিশেষভাৱে উদগনি দিয়া উত্তৰ গুৱাহাটী শিক্ষক-প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পৰেশচন্দ্ৰ দেৱ শৰ্মা আৰু মণিমাণিক প্ৰকাশৰ গৰাকী শ্ৰীপঙ্কজ কুমাৰ দত্ত এম, এড দুইলৈ পুনৰ মোৰ কৃতজ্ঞতা জনালো।।

এপ্ৰিল ৯– চন　　　　　　　　　　　　শ্ৰীউপেন্দ্ৰনাথ গোস্বামী

সূচী-পত্র

প্রথম খণ্ড

(১)

ভাষা, ব্যাকরণ। ধ্বনি — স্বর ধ্বনি আর ব্যঞ্জন ধ্বনি, বিশিষ্ট ধ্বনি, বিশিষ্ট স্বর ধ্বনি, দ্বিস্বর-ধ্বনি, বিশিষ্ট ব্যঞ্জন ধ্বনি, শ্রুতি-ধ্বনি। বিশিষ্ট-ধ্বনি আর অক্ষর, ধ্বনি আর অক্ষরের বিশ্লেষণ।

পৃষ্ঠা ১—১০

(   )

রূপ, প্রত্যয়, ধাতু, শব্দ, পদ ও প্রাতিপদিক, প্রকৃতি, বিকার-রূপ এবং সন্ধি, ধ্বনি-সামঞ্জস্য, স্বর-সামঞ্জস্য, নিকটস্থ অক্ষর।

পৃষ্ঠা ১১—[illegible]

(৩)

শব্দের শ্রেণী বিভাগ — বিশেষ্য। বচন। বহু বচনের প্রত্যয়, লিঙ্গ। নির্দেশাত্মক প্রত্যয় — পুরুষবাচক-নির্দিষ্টতাবাচক প্রত্যয়, সাধারণ-বস্তুবাচক-নির্দিষ্টতাবাচক প্রত্যয়, অনির্দিষ্টতাবাচক প্রত্যয়। কারক আর শব্দ-বিভক্তি। শব্দ বিভক্তির বর্ণ-বিচার। বিশেষ্য-রূপের তুলনা।

পৃষ্ঠা [illegible]

(৪)

সর্বনাম, সর্বনাম শব্দের বৈশিষ্ট্য। সর্বনামের শ্রেণী — পুরুষবাচক, নির্দেশবাচক, সম্বন্ধবাচক, প্রশ্নবাচক, অনির্দিষ্টতাবাচক, বিকল্পবাচক আর সমষ্টিবাচক সর্বনাম। সর্বনাম-শব্দের রূপ। সংখ্যাবাচক শব্দ

(৪)

সংখ্যাবাচক বিশেষ্য-শব্দ, সংখ্যাবাচক বিশেষণ-শব্দ, পূরণবাচক সংখ্যা-বাচক শব্দ, আংশিক সংখ্যাবাচক শব্দ।

পৃষ্ঠা ৫৪ – ৭১

(৫)

ক্রিয়া আর ক্রিয়া-বিভক্তি। ক্রিয়াপদের রূপ। অনিয়মিত ধাতু। বিবিধ ধাতু পাঁচমিশালী ধাতু, নাম-ধাতু, ধ্বন্যাত্মক ধাতু, সংযুক্ত ধাতু। ক্রিয়ার নাম্যর্থক রূপ। তুমুনন্ত ক্রিয়া-রূপ। কৃদন্ত। সমাপিকা আর অসমাপিকা ক্রিয়া রূপ। সকর্মক আর অকর্মক ক্রিয়া-রূপ। ক্রিয়ার অবিচ্ছিন্নতা। স্বতঃসাপেক্ষতা। ক্রিয়ার বাচ্য। ক্রিয়া-বিশেষণ। ক্রিয়া-বিশেষণের তুলনা।

পৃষ্ঠা ৭২ – ১০০

(৬)

অব্যয়। পদ-সর্গ বিশেষ্যবাচক পদ সর্গ ক্রিয়াবাচক পদ সর্গ। বিবিধবিষয়ক অব্যয়। জোর বুঝানো রূপ: একবর্তী, ভাবুক, ভাঠি কোন ভাবেও। পুনরুক্তি।

পৃষ্ঠা ১০১ – ১১১

(৭)

শব্দ গঠন কৃৎ-প্রত্যয়, তদ্ধিত-প্রত্যয়, পূর্ব-প্রত্যয়, ধ্বন্যাত্মক শব্দ, প্রতিধ্বন্যাত্মক শব্দ, সংযুক্ত শব্দ।

পৃষ্ঠা ১১২ – ১৪৭

(৮)

বাক্য গঠন: ক্রিয়াবিহীন বাক্য, ক্রিয়াযুক্ত বাক্য। বিবিধ বাক্য: সরল বাক্য, মিশ্র বাক্য, সংযুক্ত বাক্য উপ-বাক্য, খণ্ড-বাক্য, অনুগামী খণ্ড বাক্য। উক্তি প্রত্যক্ষ উক্তি, পরোক্ষ-উক্তি।

পৃষ্ঠা ১৪৮ – ১৬০

দ্বিতীয় খণ্ড

(৯)

অসমীয়া ভাষাত সংস্কৃতীয়া ৰূপ। সংস্কৃতৰ বৰ্ণমালা. স্বৰ-বৰ্ণ, সৰল স্বৰ-বৰ্ণ গুণ স্বৰ-বৰ্ণ, বৃদ্ধি স্বৰ-বৰ্ণ, ব্যঞ্জন-বৰ্ণ। ণত্ব-বিধি, ষত্ব বিধি। সন্ধি স্বৰ-সন্ধি, ব্যঞ্জন-সন্ধি বিসৰ্গ-সন্ধি। সংখ্যাবাচক বিশেষ্য-শব্দ সংখ্যাবাচক বিশেষণ-শব্দ, বিশেষণৰ তুলনা, স্ত্ৰী-প্ৰত্যয়।

পৃষ্ঠা ১৬৭-১৮৬

(১০)

কৃৎ-প্ৰত্যয়। তদ্ধিত-প্ৰত্যয়। উপসৰ্গ

পৃষ্ঠা ১৮৭-২০১

পৰিশিষ্ট যতি-চিন পৃষ্ঠা ২০২

পাৰিভাষিক শব্দ-সূচী পৃষ্ঠা ২০৭

শুদ্ধ-পত্ৰ পৃষ্ঠা ২১৫

অসমীয়া ভাষাৰ ব্যাকৰণ

প্ৰথম খণ্ড

(১)

১ ভাষা : মানুহ সামাজিক প্ৰাণী তাতোকৈ ডাঙৰ কথা, মানুহ কথা-কোৱা প্ৰাণী। কথা বা ভাষাই মানুহক আন জীৱ-জন্তুৰ পৰা পৃথক কৰিছে। আন জীৱ-জন্তু বা চৰাই-চিৰিকতিৰ মাজত ইটোৰ মনোভাৱ সিটোক বুজাবলৈ যে একো মাধ্যম নাই এনে নহয়। সিহঁতেও ভোক খ শোক দুখ, আদি অনুভূতি আৰু জীৱনৰ প্ৰাথমিক অভাৱবোৰ বুজাবৰ কাৰণে কিছুমান মাত মাতে। কোনো বিপদ উপস্থিত হ'লে হৰিণা আৰু কিছুমান জন্তুৱে চিঞৰি চিঞৰি আনবোৰক বিপদৰ আগ-জাননি দিয়ে। মৌ মাখীবোৰে এক বিশেষ ধৰণৰ গতিৰ (নাচ) দ্বাৰা ইটোৱে সিটোক মৌ থকা ঠাইৰ সম্ভেদ জনায়। জীৱ-জন্তুবোৰৰ মনোভাৱৰ প্ৰকাশৰ বাবে ব্যৱহাৰ কৰা মাত বা গতিৰ কিন্তু কোনো নতুনত্ব দেখা নাযায়। চিৰকাল সিহঁতে একেধৰণে মনোভাৱ ব্যক্ত কৰি আহিছে। দুই-এবিধ জন্তু বা চৰায়ে কোনো এবিধ শিকোৱা কথা বা কাম হুবহু ক'ব নাইবা কৰিবও পাৰে। কিন্তু সিহঁতে শিকোৱা কথাকেইটাৰ বাহিৰে আন কোনো কথা নিজৰ পিনৰ পৰা উদ্ভাৱন কৰি প্ৰকাশ কৰিব নোৱাৰে। মানুহে হ'লে বিভিন্ন ধৰণৰ অসংখ্য ধ্বনি মুখেৰে উচ্চাৰণ কৰি সেইবোৰৰ সংযোগৰ দ্বাৰা নতুন নতুন ৰূপত মনোভাৱ ব্যক্ত কৰিব পাৰে। কোনো বিশেষ পৰিস্থিতিত মানুহে কিছুমান ধ্বনি উচ্চাৰণ কৰে আৰু তাৰ সমনীয়াসকলে সেই ধ্বনিবোৰ শুনি উপযুক্ত প্ৰত্যুত্তৰ দিয়ে। এনেদৰে ইটোৰ সিটোৰ মাজত সহযোগিতা স্থাপন হয়। মানুহে উচ্চাৰণ কৰা ধ্বনিবোৰৰ অৰ্থো

নিজৰ কোনো অৰ্থ নাই। সেই ধ্বনিবোৰৰ কোনো ধ্বনি বা ধ্বনিৰ সংযোগে কোনো এটা বস্তুৰ প্ৰতীকৰূপে কাম কৰে। এনেদৰে উচ্চাৰণ কৰা ধ্বনিৰ প্ৰতীকৰ সহায়ৰ ভাৱৰ প্ৰকাশৰ নাম ভাষা। ইয়াক এনেধৰণেও কব পাৰি যে কোনো এখন ঠাইৰ মানুহে উচ্চাৰণ কৰা স্পষ্ট ধ্বনিৰ প্ৰতীকৰ দ্বাৰা পৰস্পৰ সহযোগিতা কৰি দৈনন্দিন জীৱনৰ কাৰ্য চলোৱা প্ৰথাৰ নাম ভাষা।

২ **ব্যাকৰণ :** জগতৰ বিভিন্ন ঠাইত ভিন ভিন ভাষাৰ প্ৰচলন আছে। কিন্তু প্ৰত্যেক ভাষাৰে একোটা নিজৰ শৃংখলা আছে, প্ৰত্যেকৰে গঠনৰ কিছুমান প্ৰণালী আছে। ভাষা এটা বিশ্লেষণ কৰি তাৰ গঠনৰ প্ৰণালীৰ বিৱৰণ দাঙি ধৰিলে হয় ভাষাটোৰ ব্যাকৰণ। সংক্ষেপতে কোনো এটা ভাষাৰ গঠনৰ তন্ন তন্ন বিচাৰ আৰু তাৰ শৃংখলাবদ্ধ বিৱৰণ হ'ল সেই ভাষাটোৰ ব্যাকৰণ। সত্যনাথ বৰাৰ ভাষাত 'ব্যাকৰণ ভাষাৰ বিশ্লেষণ বা ভাঙনি। ই ভাষা এটা খণ্ড খণ্ড কৰি তাৰ গঠন প্ৰণালীটোক ভাঙি-ছিঙি ভিন ভিন কৰি দেখুৱাই দিয়ে আৰু সেই ভিন ভিন খণ্ডবিলাকৰ ভিন ভিন নাম দিয়ে।" ভাষা এটাৰ গঠনৰ বিশ্লেষণ মানে প্ৰথমতে ভাষাটোৰ বিশিষ্ট ধ্বনি তাৰ পাছত সেইবোৰৰ সংযোগ বা ৰূপ আৰু অৱশেষত ৰূপবোৰৰ সংযোগ বা বাক্যৰ গঠন আদিৰ বৰ্ণনা। এনে বৰ্ণনাৰ নাম ভাষাবৈজ্ঞানিক বৰ্ণনা। গতিকে কোনো এটা ভাষাৰ ভাষা-বৈজ্ঞানিক বৰ্ণনাক সেই ভাষাটোৰ ব্যাকৰণ বুলিও ক'ব পাৰি।

৩ **ধ্বনি :** সাধাৰণভাৱে ক'বলৈ হ'লে ভাষা বাক্যৰ সমষ্টি। একোটা বাক্য বিশ্লেষণ কৰিলে আমি কিছুমান ক্ষুদ্ৰ অংশ পাওঁ। একোটা অৰ্থ প্ৰকাশ কৰা একোটা ক্ষুদ্ৰ অংশই একোটা ৰূপ। একোটা ৰূপ আকৌ এটা নাইবা অধিক ধ্বনিৰ সংযোগত হৈছে। গতিকে ৰূপক বিশ্লেষণ কৰিলে আমি পাওঁ কিছুমান ধ্বনি, যেনে, কি হ'ল? এই বাক্যটোত কি এটা ৰূপ আৰু হ'ল এটা ৰূপ। কি ৰূপটো

ক্ + ই এই দুটা ধ্বনিৰ সমষ্টি আৰু হ'ল ৰূপটো হ + অ' + ল্ এই তিনিটা ধ্বনিৰ সমষ্টি। প্ৰত্যেক ভাষাত এনেদৰে কিছুমান ধ্বনি, ধ্বনি-সংযোগ, আৰু ৰূপ সংযোগৰ সহায়েৰে মানৱ-মনৰ ভাব প্ৰকাশিত হৈ আহিছে। এতিয়া প্ৰশ্ন হৈছে, ভাষাত ব্যৱহাৰ হোৱা ধ্বনিবোৰ কেনেকৈ উৎপন্ন হয়? এইবোৰৰ ধ্বনি-যন্ত্ৰৰ সহায়েৰে সৃষ্টি হয়। ধ্বনি-যন্ত্ৰই মানুহৰ শৰীৰৰ কোনো এঠাইত থকা এটা বিশেষ যন্ত্ৰক বুজায়।[1] মানুহৰ শৰীৰত থকা কেইবাটাও যন্ত্ৰই ধ্বনি উচ্চাৰণত সহায় কৰে। বাঁহী এটা মুখেৰে ফুৱাই অৰ্থাৎ বাঁহীটোৰ ভিতৰত বতাহ সুমুৱাই দি বেলেগ বেলেগ ফুটাবোৰত বিভিন্নধৰণে সেই বতাহক বাধা দিলে যিদৰে বিভিন্ন মাত ওলায়, সেইদৰে মানুহৰ হাওঁফাওঁৰ পৰা ওপৰলৈ অহা বতাহক মুখ আৰু নাকেদি ওলাই যাওঁতে কেইবাঠাইত বাধা দিয়াৰ ফলস্বৰূপ বিভিন্ন ধ্বনিৰ সৃষ্টি হয়।

৪ **স্বৰ-ধ্বনি আৰু ব্যঞ্জন ধ্বনি:** ধ্বনি-যন্ত্ৰৰ সহায়েৰে উচ্চাৰণ কৰা ধ্বনিবোৰক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি—স্বৰ-ধ্বনি আৰু ব্যঞ্জন-ধ্বনি। যেতিয়া হাওঁ-ফাওঁৰ পৰা অহা বতাহ মুখৰ ভিতৰত কোনো ঠাইতে বাধা নোপোৱাকৈ বা ঘঁহনি নোখোৱাকৈ অনায়াসে মুখেদি ওলাব পাৰে, তেতিয়া জিভাৰ বিভিন্ন অংশৰ বাধা পৰিবৰ্তিত হৈ হোৱা ধ্বনি স্বৰ-ধ্বনিৰূপে পৰিচিত হয়। মুখৰ ভিতৰত সম্পূৰ্ণ বা আংশিকৰূপে বাধা পাই হোৱা ধ্বনিৰ নাম ব্যঞ্জন-ধ্বনি। স্বৰ-ধ্বনিক একেলেথাৰিয়ে উচ্চাৰণ কৰি থাকিব পাৰি, ব্যঞ্জন-ধ্বনিক হ'লে নোৱাৰি। উদাহৰণস্বৰূপে আমি অ, আ, ই আদিবোৰ উচ্চাৰণ কৰি বহুত সময় থাকিব পাৰোঁ। কিন্তু ক, প, ত আদিবোৰ বহুত সময় থাকিব নোৱাৰোঁ। অৱশ্যে ঘঁহনি খাই হোৱা ব্যঞ্জন-ধ্বনিক

---

[1] "আমাৰ মুখখনো এক ৰকম বাদ্য-যন্ত্ৰ"—কালিদাস শেঠি।

বহুত সময় উচ্চাৰণ কৰি থাকিব পৰা যায় , যেনে, অসমীয়া ভাষাৰ চ, জ, স, হ, ধ্বনি। স্বৰ আৰু ব্যঞ্জন-ধ্বনিৰ ভিতৰত আন এটা পাৰ্থক্য আছে। দূৰৰ পৰা স্বৰ ধ্বনি ব্যঞ্জন-ধ্বনিতকৈ স্পষ্টৰূপে শুনা যায়। কিছুমান বতাহ নাকেদি আৰু কিছুমান বতাহ মুখেদি ওলাই গৈ হোৱা ধ্বনি অনুনাসিক ধ্বনি। অসমীয়াত এই ধ্বনি বুজাবলৈ স্বৰ ধ্বনিৰ ওপৰত চন্দ্ৰবিন্দু (ँ) ব্যৱহাৰ কৰা হয়।

৫ **বিশিষ্ট-ধ্বনি :** কোনো এটা ভাষাত ব্যৱহাৰ হোৱা ধ্বনি-বোৰক আকৌ কিছুমান বিশিষ্ট-ধ্বনিত ভাগ কৰা হয়। সুকীয়াভাৱে অৰ্থ প্ৰকাশ কৰা কোনো ধ্বনিৰ সমষ্টিৰ কোনো এটা ধ্বনিৰ ঠাইত যদি আন এটা ধ্বনি ব্যৱহাৰ কৰা হয় আৰু সেইটোৰ পৰা নতুন ধ্বনি সমষ্টিটোৱে এটা ভিন্ন অৰ্থ প্ৰকাশ কৰে তেতিয়া হ'লে সেই ধ্বনিদুটাক বিশিষ্ট-ধ্বনি বুলিব যেনে 'তল' এই ধ্বনি সমষ্টিটোত ত্‌ অ-ল্‌ এই তিনিটা ধ্বনি আছে। ইয়াৰ প্ৰথম আৰু তৃতীয় ধ্বনি-দুটা একে ৰাখি দ্বিতীয় -অ ধ্বনিৰ ঠাইত যদি -আ-ধ্বনি বহুৱাই দিয়া হয় তেতিয়া তাল এই ধ্বনি-সমষ্টিটো পোৱা হ'ব আৰু সিয়ে এটা ভিন্ন অৰ্থ প্ৰকাশ কৰিব। এনে পৰিস্থিতিত অসমীয়া অ আৰু আ দুটা বিশিষ্ট-ধ্বনি।

৫.১ বিশিষ্ট স্বৰ ধ্বনি অসমীয়া ভাষাত আঠোটা বিশিষ্ট স্বৰ-ধ্বনি আছে। সেইকেইটা হ'ল অ, আ ই উ, এ, এ', অ', ও। স্বৰৰ অনুনাসিকতাও অসমীয়াত বিশিষ্ট-ধ্বনি কাৰণ একে ধ্বনি-সমষ্টিৰ স্বৰ ধ্বনিটো অনুনাসিক হ'লে অৰ্থটোৰ পাৰ্থক্যই দেখা দিয়ে, যেনে, কাহ উঠে, কিন্তু কাঁহৰ বাচন। অসমীয়া বিশিষ্ট স্বৰ-ধ্বনিবোৰৰ ব্যৱহাৰ তলৰ উদাহৰণৰ পৰা বুজা যাব

অ	তল	/এ/	বেল [স্কুল বা কলেজৰ]
/আ/	তাল	/এ'	বে ল [গছৰ]
/ই/	কিল	অ'/	ব'ল [বাওঁ ব'ল]
/উ/	বুল	/ও/	বোল ৰং

৫২ দ্বিস্বৰ ধ্বনি : অসমীয়াত কিছুমান দ্বিস্বৰ-ধ্বনি[1] আছে। সচৰাচৰ ব্যৱহাৰ হোৱা দ্বিস্বৰ-ধ্বনিকেইটামান এনেকুৱা : অই, আই, আউ, ইউ, উই, এই এউ, অ'ই, অ'উ। উদাহৰণ ভই, ভাই, নাউ (নাও), ঘিউ জুই সেই, নেউল, নৈ, মৌ।

৫৩ বিশিষ্ট ব্যঞ্জন ধ্বনি : বিশিষ্ট ব্যঞ্জন ধ্বনি অসমীয়াত একৈশটা ক, খ, গ ঘ, ঙ, চ জ ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম ৰ ল স হ। 'ঙ'ও বাহিৰে আটাইকেইটা ব্যঞ্জন ধ্বনিৰ শব্দৰ আৰম্ভণি মাজ আৰু শেষত ব্যৱহাৰ হ'ব পাৰে। 'ঙ' শব্দৰ আৰম্ভণিত ব্যৱহৃত নহয়।

উদাহৰণ :

/ক/	কাল	/চ/	চাল	/ধ/	ধান	/ভ/	ভাত
/খ/	খাল	/জ/	জাল	/ন/	নাক, গুন	/ম/	মাক
/গ/	গাল, গা	/ত/	তাপ	/প/	পাত	/ৰ/	ৰং
/ঘ/	ঘা	/থ/	থাপ	/ফ/	ফাট	/ল/	লং
/ঙ/	ৰঙ	/দ/	দান	/ব/	বাট	/স/	সাত
						/হ/	হাত

---

১ উশাহৰ এক টানত দুটা স্বৰ ধ্বনি একেলগে উচ্চাৰণ কৰোঁতে যদি এটা অক্ষৰত পৰিণত হয়, তেতিয়া সেইটোৰ নাম দ্বি-স্বৰ। কোনো ধ্বনি সমষ্টিৰ এটা আনটো বা আনবোৰতকৈ যদি বেছি মুখৰ [স্পষ্ট] হয়, তেনেহ'লে মুখৰ আৰু মুখৰ নোহোৱা ধ্বনিকেইটা লগ লাগি একোটা অক্ষৰত পৰিণত হয়। এটা অক্ষৰৰ ভিতৰত আটাইতকৈ মুখৰ ধ্বনিটোক আক্ষৰিক ধ্বনি বোলে। ই সচৰাচৰ স্বৰ-ধ্বনিয়ে হয়। অনাক্ষৰিক স্বৰ-ধ্বনিক অৰ্ধস্বৰ বুলি কোৱা হয়। য় আৰু ৱ এই দুটা ধ্বনি অৰ্ধস্বৰ। ইহঁত ই আৰু উ স্বৰ-ধ্বনি দুটাতকৈ জিভাৰ বেছি উচ্চতাত উচ্চাৰিত হোৱা ধ্বনি। দ্ৰষ্টব্য : লেখকৰ ভাষা-বিজ্ঞান।

৫ ঃ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰ আৰু ব্যঞ্জন-ধ্বনি কেইটাক তলত দিয়াধৰণে তালিকাভুক্ত কৰিব পাৰি

ক) স্বৰ-ধ্বনি ঃ

	সম্মুখ	কেন্দ্ৰীয়	পশ্চ
উচ্চ	ই		উ
উচ্চ মধ্য	এ		ও
উচ্চ-নিম্ন-মধ্য	এ		অ'
নিম্ন মধ্য			অ
নিম্ন		আ	

খ) ব্যঞ্জন-ধ্বনি ঃ

	ওষ্ঠ্য	দন্তমূলীয়	কণ্ঠ্য	কণ্ঠনালীয়
স্পৰ্শ অল্প-প্ৰাণ	প ব	ত দ	ক গ	
মহাপ্ৰাণ	ফ ভ	থ ধ	খ ঘ	
নাসিক্য	ম	ন	ঙ	
পাৰ্শ্বিক		ল		
কম্পিত		ৰ		
উষ্ম		চ জ	স	হ

৬ শ্ৰুতি-ধ্বনি ঃ অসমীয়াত য় আৰু ৱ শ্ৰুতি ধ্বনিৰূপে ব্যৱহৃত হয়। ওচৰাউচৰীকৈ থকা দুটা ধ্বনি উচ্চাৰণ কৰি এটাৰ

পৰা আনটোলৈ যাওঁতে মাজতে হঠাৎ এটা নতুন ধ্বনি উচ্চাৰিত
হয়। এয়ে শ্ৰুতি-ধ্বনি। অসমীয়াত ওচৰাউচৰীকৈ থকা দুটা স্বৰ ধ্বনিৰ
আগৰটো ই আৰু পিছৰটো অ, আ, এ হ'লে দুয়োটা ধ্বনিৰ মাজত
আপোনা-আপুনি য় উচ্চাৰিত হ'ব। আগৰটো উ বা ও হ'লে আপোনা-
আপুনি ৱ উচ্চাৰিত হ'ব। অ-অ নাইবা আ-অৰ মাজতো য় লেখা
যায়। সেইকাৰণে দি-অ, দিয়, দি-আ, দিয়া, দি-এ, দিয়ে হৰি-এ,
হৰিয়ে যদু-এ, যদুৱে, লো-এ, লোৱে, ক-অ, কয়, খা-অ, খায়
আদি ৰূপ পোৱা যায়। ই-ও ৰ মাজত য় উচ্চাৰিত নহয়, যেনে,
হৰি-ও, হৰিও সি-ও, সিও। একেলগে তিনিটা স্বৰ-ধ্বনিৰ সংযোগ
ঘটিলে মাজত থকা ই স্বৰ-ধ্বনি অনাক্ষৰিক হয় আৰু তাক য় শ্ৰুতি-
ধ্বনিৰে বুজোৱা হয়, যেনে, আই-এ, আয়ে জুই-এ, জুয়ে মই-ও,
ময়ো, ভই-এ, ভয়ে, দুই-ও, দুয়ো। একেলগে লগ-লগা তিনিটা
স্বৰধ্বনিৰ মাজৰটো ও হ'লে সি ৱলৈ ৰূপান্তৰিত হয়, যেনে,
নাও-এ, নাৱে গাওঁ-এ, গাৱেঁ, নাও-ও, নাৱো ভেওঁ-এই ভেৱেঁই।

৭ **বিশিষ্ট-ধ্বনি আৰু আখৰ**: লেখোতে সংস্কৃতৰ বৰ্ণ-
মালাৰ অনুকৰণত অসমীয়াত বহুতো আখৰ ব্যৱহাৰ কৰা হয় যদিও
সেই আটাইবোৰৰ ধ্বনি-গুণ অসমীয়াত নাই। সংস্কৃতৰ ঋ
অসমীয়াত ৰি ৰূপেহে উচ্চাৰিত হয়। অসমীয়াত ই আৰু ঈ, উ
আৰু ঊৰ হ্ৰস্ব আৰু দীৰ্ঘ উচ্চাৰণ নাই। অসমীয়াত এ আৰু
এʼ এই বিশিষ্ট-ধ্বনিদুটা বুজাবলৈ বেলেগ বৰ্ণ বা আখৰ নাই।
দুয়োটাকে এ আখৰেৰে লেখা হয় যেনে, বেল (ফুল বা কলেজৰ),
বেল (গছৰ)। কিছুমান শব্দ অসমীয়াত ঢ় আখৰেৰে লেখা হয়।
উচ্চাৰণত হ'লে সেইবোৰৰ ৰ নাইবা 'ৰ' আৰু 'হ'ক সংযুক্ত কৰি
উচ্চাৰণ কৰা শুনা যায়, যেনে, বুঢ়া শব্দটো বুৰা বা বুৰ্হা হৈ
উচ্চাৰিত হয়। ভুঞা, কেঞা আদি কেইটামান শব্দত ব্যৱহাৰ হোৱা
'ঞ'ৰো উচ্চাৰণ 'ই'হে হয়। আন ব্যঞ্জন-ধ্বনিৰ লগত যুক্ত এটোৱে

'ন'ৰ ৰূপ লয়, যেনে, যাচঞা, বাঞ্ছা শব্দ জাচনা, বানচা হৈ উচ্চাৰিত হ'ব। সংস্কৃতৰ 'য়' ধ্বনিটো অসমীয়া শব্দৰ আৰম্ভণিত 'জ' ৰূপে আৰু আন ঠাইত 'ই' ৰূপ উচ্চাৰিত হয়, যেনে, সং যোগ, জয় অসমীয়াত জোগ আৰু জই হৈছে। অসমীয়াৰ বিশিষ্ট স্বৰ আৰু ব্যঞ্জন ধ্বনিবোৰ বিভিন্ন আখৰেৰে কেনেদৰে বুজোৱা হয় তলৰ বিৱৰণে নিৰ্দেশ দিব।

বিশিষ্ট স্বৰ আৰু ব্যঞ্জন ধ্বনি	অসমীয়া আখৰ
অ	অ
আ	আ
ই	ই, ঈ
উ	উ, ঊ
এ	এ
এ	এ
অ	অ
ও	ও
ক	ক
খ	খ
গ	গ
ঘ	ঘ
ঙ	ঙ
চ	চ, ছ (শ, ষ, স)
জ	জ, ঝ, য, হ্য
ঞ	ঞ, ং, ই

বিশিষ্ট ব্যঞ্জন-ধ্বনি	অসমীয়া আখৰ
থ	থ, ঠ
দ	দ, ড
ধ	ধ, ঢ
ন	ন ণ
প	প
ফ	ফ
ব	ব
ভ	ভ
ম	ম
ৰ	ৰ, ড়
ল	ল
স	শ, ষ, স
হ	হ,

৮ **ধ্বনি আৰু আখৰৰ বিশ্লেষণ :** একোটা শব্দ কি কি ধ্বনিৰে গঠিত হৈছে আৰু সেই ধ্বনিবোৰক কি কি আখৰেৰে লেখা হৈছে সেইটোও চাবলগীয়া। অসমীয়াত কিছুমান শব্দৰ শেষত স্বৰ-ধ্বনি থকাৰ নিচিনা লেখা হয় যদিও সেই শব্দবোৰ ব্যঞ্জনান্ত-ৰূপেহে উচ্চাৰিত হয় যেনে, ঘৰ = ঘ + অ + ৰ , আম = আ + ম , কঁঠাল = ক + অঁ + ঠ্ + আ + ল্ নাৰায়ণ = ন + আ + ৰ + আ + য় + অ + ণ্ । অসমীয়াত কিছুমান শব্দ আছে সেইবোৰৰ শেষত ব্যঞ্জন থাকিলেও সেই ব্যঞ্জনৰ পাছত 'অ' ধ্বনি এটা উচ্চাৰিত হয় , যেনে, পাৰ = প + আ + ৰ্ + অ , পাৰ = প্ + আ + ৰ্ + অ । সেইদৰে মাছ, বাটি, পাত, কাছ, পদ, ভল, এবাৰ, বাৰ, তেল, পোতল, বোল,

সোতৰ, ওঠৰ, ভাদ, হেৰ, শ, ন । * শেষত একেলগে দুটা বা অধিক ব্যঞ্জন-ধ্বনি ব্‌জোৱা আখৰ থকা শব্দ কিছুমান অকাৰান্তৰূপে উচ্চাৰিত হয় , যেনে, কৃষ্ণ চন্দ্ৰ, ছত্ৰ, সত্ত্ব মহত্ত্ব, বংশ কংস, শব্দ, যন্ত্ৰ, বস্ত্ৰ, ৰাষ্ট্ৰ, পুত্ৰ, ছাত্ৰ ।

* দ্ৰষ্টব্য ঃ লেখকৰ অসমীয়া ভাষাৰ ৰূপ-কথা ; পৰিশিষ্ট ঃ অসমীয়া ভাষাৰ উচ্চাৰণ প্ৰণালী।

(২)

৯ ৰূপ কোনো বিশিষ্ট-ধ্বনি বা বিশিষ্ট-ধ্বনিৰ সমষ্টিয়ে কোনো এটা অৰ্থ প্ৰকাশ কৰিলে তাক ৰূপ বোলে। অসমীয়া ভাষাত ই এইটো কৰিছে এই কথাষাৰত 'ই' এই বিশিষ্ট-ধ্বনিটোৱে এটা অৰ্থ প্ৰকাশ কৰিছে। গতিকে ই এটা বিশিষ্ট-ধ্বনিৰে গঠিত এটা ৰূপ। সচৰাচৰ এটাতকৈ অধিক বিশিষ্ট-ধ্বনিৰে একোটা ৰূপ গঠিত হয়। কোনো বিশিষ্ট-ধ্বনি বা বিশিষ্ট-ধ্বনিৰ সমষ্টিয়ে যেতিয়া স্বাধীনভাৱে কোনো অৰ্থ প্ৰকাশ কৰে, তেতিয়া সেইটোক মুক্ত-ৰূপ আৰু কোনো বিশিষ্ট-ধ্বনি বা বিশিষ্ট-ধ্বনিৰ সমষ্টিয়ে স্বাধীনভাৱে অৰ্থ প্ৰকাশ নকৰি আন স্বাধীন ৰূপৰ লগত যোগ হৈ অৰ্থ প্ৰকাশ কৰিলে সেইটোক যুক্ত-ৰূপ বোলা হয়। অসমীয়া ঘৰ এটা স্বাধীন বা মুক্ত ৰূপ। ঘৰ টো, ঘৰ-বোৰ আদিৰ টো আৰু বোৰ হ'ল যুক্ত ৰূপ।

১০ প্ৰত্যয় যুক্ত ৰূপক এটা সাধাৰণ শব্দৰে বুজাবলৈ হ'লে প্ৰত্যয় বুলি কব পাৰি। যুক্ত-ৰূপ এটা মুক্ত-ৰূপৰ পাছত লগ লাগিব পাৰে। তেতিয়া তাক পৰ-প্ৰত্যয় বুলিব। মুক্ত-ৰূপৰ আগত লগ লগা প্ৰত্যয়ৰ নাম পূৰ্ব প্ৰত্যয়। মুক্ত-ৰূপ আৰু যুক্ত-ৰূপৰ মাজত লগ লগা প্ৰত্যয়ৰ নাম মধ্য-প্ৰত্যয়। উদাহৰণস্বৰূপ বেগ-আই, বেগাই শব্দটোৰ বেগ অংশ মুক্ত-ৰূপ আৰু আই হ'ল পৰ-প্ৰত্যয়। বে-হুৰকাৰ-ঈ বেহুৰকাৰী শব্দটোৰ বে-পূৰ্ব-প্ৰত্যয় আৰু ঈ পৰ-প্ৰত্যয়। কিতাপ খনৰ খন পৰ-প্ৰত্যয়। কিন্তু কিতাপ-কেই-খনৰ কেই মধ্য-প্ৰত্যয়। মানুহ-বোৰ আৰু মানুহ-কেইজন-বোৰৰ বোৰ পৰ-প্ৰত্যয় আৰু কেইজন মধ্য-প্ৰত্যয়। প্ৰত্যয়বোৰক বিভক্তিমূলক আৰু ব্যুৎপত্তিমূলক এই দুটা ভাগতো ভগোৱা হয়। ল'ৰা, ল'ৰা-বোৰ, বা, বা-লৌ বেগ, বেগ-আই, বেগাই এই উদাহৰণবোৰৰ বোৰ আৰু লৌ বিভক্তি মূলক প্ৰত্যয় আৰু আই ব্যুৎপত্তিমূলক প্ৰত্যয়। বিবোৰ প্ৰত্যয়ৰ সংযোজন ফলত শব্দবোৰৰ এটা শ্ৰেণীৰ পৰা আন এটা শ্ৰেণীলৈ

পৰিৱৰ্ত্তন হয়, সেইবোৰকে সচৰাচৰ ব্যুৎপত্তিমূলক প্ৰত্যয় বোলা হয়, যেনে, বেগ শব্দটো বিশেষ্য শব্দ। ইয়াৰ লগত আই পৰ-প্ৰত্যয় যোগ দি হোৱা বেগাই শব্দটো ক্ৰিয়াবিশেষণ-শব্দ। কিন্তু এই নিয়মটো সকলোতে প্ৰযোজ্য নহয়। ধান অনি, ধাননি এই শব্দটোৰ অনি প্ৰত্যয় ব্যুৎপত্তিমূলক যদিও ধান আৰু ধাননি দুয়োটা শব্দই বিশেষ্য-শব্দ। গতিকে যিবোৰ প্ৰত্যয়ৰ দ্বাৰা এক শ্ৰেণী শব্দৰ পৰা আন এক শ্ৰেণী বা সেই শ্ৰেণী শব্দৰ আন এটা ৰূপ সজাব পাৰি সেয়ে ব্যুৎপত্তিমূলক প্ৰত্যয়। বাকীবোৰ বিভক্তিমূলক প্ৰত্যয়। ব্যুৎপত্তি-মূলক প্ৰত্যয় লগ লগাৰ ফলত মূল শব্দটোৰ অৰ্থৰ সলনি হয় বিভক্তিমূলক প্ৰত্যয়ত হ'লে নহয়। ব্যুৎপত্তিমূলক প্ৰত্যয়ক তিনিটা ভাগত ভগাব পাৰি পূৰ্ব-প্ৰত্যয়, মুখ্য বা কৃৎ-প্ৰত্যয় আৰু গৌণ বা তদ্ধিত-প্ৰত্যয়।

উদাহৰণ :

পূৰ্ব-প্ৰত্যয় অ-বতৰ, অ বাট, অনা-কটা আও-মৰণ, বে-আইনী ইত্যাদি।

মুখ্য বা কৃ প্ৰত্যয় বান্ধ অনি বান্ধনি নাম অনি নামনি হাঁহ ই হাঁহি ইত্যাদি।

গৌণ বা তদ্ধিত প্ৰত্যয় তল-অতীয়া তলতীয়া বন অৰীয়া বনৰীয়া খৰ আং খৰাং (খৰা) ইত্যাদি।

১০। অসমীয়াত বিভক্তিমূলক প্ৰত্যয়বোৰ তলত দিয়া ধৰণৰ

ক] বহুবচনাত্মক প্ৰত্যয়।

খ] স্ত্ৰী প্ৰত্যয়।

গ] নিৰ্দিষ্টতাবাচক প্ৰত্যয়।

ঘ] পুৰুষবাচক—নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু সম্বোধনবোধক-নিৰ্দিষ্টতাবাচক প্ৰত্যয়।

ঙ] অনির্দিষ্টতাবাচক প্ৰত্যয় ।

চ] কাৰক আৰু সম্বন্ধপদৰ চিনাকি দিয়া শব্দ-বিভক্তি ।

ছ] কালৰ নির্দেশ বুজোৱা ক্রিয়া বিভক্তি ।

জ] পাঁচনি ধাতু আৰু নাম-ধাতুৰ ৰূপ দিয়া পাঁচনী প্ৰত্যয় আৰু নাম ধাতুৰ প্ৰত্যয়

ঝ] ধ্বন্যাত্মক ধাতুৰ ৰূপ দিয়া ধ্বন্যাত্মক ধাতুৰ প্ৰত্যয় ।

ঞ] কৃদন্ত-প্ৰত্যয় ।

ট] অসমাপিকা ক্রিয়া ৰূপৰ প্ৰত্যয় ।

ঠ] পূৰণবাচক—সংখ্যাবাচক শব্দ-ৰূপৰ প্ৰত্যয় ।

ড] জোৰ বুজোৱা ৰূপৰ প্ৰত্যয় ।

১১ ধাতু, শব্দ-মূল বা প্ৰাতিপদিক, প্ৰকৃতি : যি ৰূপৰ পাছত ক্রিয়া-বিভক্তি লগ লাগে তাক ধাতু বোলে । খা খাঁ, খা ইছি, খা-ম আদিৰ খা অংশ ধাতু । ধাতুৰ বাহিৰে প্ৰত্যয় যোগ হোৱা আন ৰূপক শব্দ মূল বা প্ৰাতিপদিক আৰু প্ৰকৃতি আদি নামেৰে বুজোৱা হয় । কোনো মুক্ত-ৰূপৰ পাছত কোনো প্ৰত্যয় লগ লাগিলে মুক্ত-ৰূপটোক শব্দ-মূল বা প্ৰাতিপদিক আৰু কোনো মুক্ত-ৰূপৰ পাছত কোনো প্ৰত্যয় লগ লাগি পিছত হোৱাটোৰ এটা মুক্ত-ৰূপৰ নিচিনা ব্যৱহাৰ হ'লে তাক প্ৰকৃতি বোলে । মানুহ-এ, মানুহে মানুহ-বোৰ-এ, মানুহবোৰে । এই শব্দকেইটাত মানুহ শব্দ মূল বা প্ৰাতিপদিক আৰু মানুহবোৰ প্ৰকৃতি ।

১২ তির্যক ৰূপ : কেতিয়াবা কোনো প্ৰাতিপদিক, প্ৰকৃতি বা ধাতুৰ পাছত কোনো প্ৰত্যয় যোগ হ'লে পূৰ্বৰ প্ৰাতিপদিক, প্ৰকৃতি বা ধাতুৰ ধ্বনিবোৰৰ সালসলনি ঘটে । এনে সালসলনি হোৱা ৰূপক তির্যক-ৰূপ বোলে । উদাহৰণ : বাঘ + নী বাঘি + নী, বাঘিনী, চোৰ + নী, চুৰ + নী, চুৰনী চিৰকাল + ঈয়া, চিৰকল + ঈয়া, চিৰকলীয়া, ধাৰ + উৱা ধৰ + উৱা, ধৰুৱা, মানুহ্ + ক, মানুহক ;

মানুহবোৰ্ + ক, মানুহবোৰক খা + আ, খো + আ খোৱা ইত্যাদি।

১৩ শব্দ ধ্বনিবোৰ মুক্ত নাইবা মুক্ত আৰু যুক্ত-ৰূপ লগ লাগি হোৱা ৰূপৰ পাছত কোনো এষাৰ কথা, উক্তি বা বাক্যত স্বাভাৱিকভাৱে অলপ বোৱা যায়, সেইবোৰক শব্দ বোলে। মই ঘৰলৈ যাওঁ। এই কথাষাৰি কওতে মই, ঘৰলৈ, আৰু যাওঁ এই তিনি ঠাইত অলপ বোৱা হৈছে। গতিকে ইয়াত মই ঘৰলৈ আৰু যাওঁ এই তিনিটা শব্দ আছে। ইয়াৰ প্ৰথমটো মুক্ত-ৰূপেৰে গঠিত। দ্বিতীয় আৰু তৃতীয় শব্দ দুটা মুক্ত ৰূপ আৰু যুক্ত-ৰূপেৰে গঠিত। অকল মুক্ত ৰূপেৰে গঠিত শব্দবোৰক অকল শব্দ বুলি ক'ব পাৰি। মুক্ত-ৰূপ আৰু যুক্ত-ৰূপ লগ লাগি হোৱা শব্দ মিশ্ৰ-শব্দ। মুক্তই মুক্তই লগ লাগি, মুক্ত শব্দৰ লগত মিশ্ৰ শব্দ লগ লাগি নাইবা মিশ্ৰ-শব্দৰ লগত মিশ্ৰ-শব্দ লগ লাগি হোৱা শব্দ সংযুক্ত-শব্দ। ওপৰত উল্লেখ কৰা মই হ'ল শব্দ ঘৰলৈ, আৰু যাওঁ মিশ্ৰ-শব্দ। সংযুক্ত-শব্দবোৰ এনেকুৱা গুৰু-শিষ্য ভল-সৰা হাত-কটা, নেজাল-ভৰা ইত্যাদি।

১৪ সন্ধি "সংস্কৃতত সন্ধি বুলিলে যি বুজায়, অসমীয়াতো সন্ধিৰ অৰ্থ ঠিক তেনে বুলি ধৰিলে ভুল হ'ব। কিন্তু কোনো কোনো ঠাইত অসমীয়াত সন্ধি যে হয় তাত সন্দেহ নাই।"[৪] অসমীয়াত প্ৰাতিপদিক, প্ৰকৃতি বা ধাতুৰ পাছত কোনো প্ৰত্যয় যোগ হ'লে, অৰ্থাৎ প্ৰাতিপদিক প্ৰকৃতি বা ধাতুৰ শেষত থকা স্বৰ-ধ্বনিৰ লগত প্ৰত্যয়ৰ আৰম্ভণিত থকা স্বৰ-ধ্বনি লগ লাগিলে (ক) প্ৰত্যয়ৰ আৰম্ভণিৰ স্বৰ ধ্বনি লোপ পায় যদি দুয়োটা স্বৰ ধ্বনি একে হয়, জোৰ-বুজোৱা

৩ "ওচৰাউচৰি দুটা বৰ্ণৰ মিলন বা স্বল্পায়াসসাধ্য উচ্চাৰণ-উপযোগী মিলনৰ নাম সন্ধি" —কালিৰাম মেধি।

৪ কালিৰাম মেধি : অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব।

ৰূপৰ বাহিৰে) (খ) কেতিয়াবা প্ৰাতিপাদিক, প্ৰকৃতি বা ধাতুৰ শেষৰ স্বৰ-ধ্বনিৰ আন স্বৰ-ধ্বনিলৈ পৰিৱৰ্তন হৈ আৰু কেতিয়াবা পৰিৱৰ্তন নোহোৱাকৈ দ্বিস্বৰ ধ্বনিত পৰিণত হয়, (গ) দুয়োটা স্বৰ-ধ্বনিৰ মাজলৈ শ্ৰুতি-ধ্বনিৰ আগমন হয়, (ঘ) কোনো পৰিৱৰ্তন নোহোৱাকৈ স্বৰ-ধ্বনি দুটা ওচৰাউচৰীকৈ ব্যৱহাৰ হয়, আৰু (ঙ) তিনিটা স্বৰ-ধ্বনি একে লগ হ'লে আৰু মাজৰটো ও হ'লে সেই ও ৱ লৈ ৰূপান্তৰিত হয়। মাজৰটো ই হ'লে সি য় লৈ ৰূপান্তৰিত হয়। এইবোৰ অসমীয়া স্বৰ-সন্ধি।

উদাহৰণ

ক) অকলা + আলি = অকলালি

ওজা + আলি = ওজালি

ল'ৰা + আলি = ল'ৰালি

সোৰোপা + আলি = স্োৰোপালি

পূজা + আৰী = পূজাৰী

না + আছে = নাছে

দি + ইছোঁ = দিছোঁ

জী + ইছোঁ = জীছোঁ

নে + এৰে = নেৰে

ডুবে + এ = ডুবে

পাতে + এ = পাতে

খো + উ = খোঁ

শো + ও = শোঁ

কিন্তু লো + ও = লোও

মনো + ও = মনোও

খ) ক (ক্ + অ) + ই, (ক্ + অ') + ই = কৈ

ল + ই = লৈ

ক + ইছোঁ = কৈছোঁ
ক + ইছিলোঁ = কৈছিলোঁ
খা + ইছোঁ = খাইছোঁ
খা + ইছিলোঁ = খাইছিলোঁ
বো, ক + ইছোঁ = কইছোঁ
বো ক + ইছিলোঁ = কইছিলোঁ

গ) ক + অ = কয়
খ + অ = খায়
দি + আ = দিয়া
জী + আ = জীয়া
ছোৱালী + এ = ছোৱালীয়ে
নিগনি + এ = নিগনিয়ে
পিতৃ (পিতৃবি) + এ = পিতৃয়ে
হাবি + অনি = হাবিয়নি
গৰু + এ = গৰুৱে
ডল + অনি = ডলৱনি
মৈ + এ = মেয়ে
মুদৈ + এ = মুদৈয়ে
লো + এ = লোৱে
বৌ + এ = বৌৱে
কপৌ + এ = কপৌৱে

ঘ) গাখ + ই = গাখই
গাখ + ও = গাখও
পাব + ও = পাবও
লবা + ই = লবাই
লবা + ও = লবাও

হৰি + ও = হৰিও
সি + ও = সিও
তুমি + ও = তুমিও
আমি + ও = আমিও
ছোৱালী + ও = ছোৱালীও
বন্ধু + ও = বন্ধুও
পিতৃ + ও = পিতৃও
মানে + ও = মানেও
তাৰৈ + ও = তাৰৈও
মানা + ও = মানাও
ঢৌ + ও = ঢৌও

ঙ) নাও + এ = নাৱে
গাওঁ + এ = গাৱেঁ
নাও + অৰীয়া = নাৱৰীয়া
গাওঁ + অলীয়া = গাৱঁলীয়া
মই + ও = ময়ো
ভই + এ = ভয়ে

১৪। নাস্তি অৰ্থ বুজাবলৈ অসমীয়াত ধাতুৰ আগত ন (ন + অ) পূৰ্ব-প্ৰত্যয় লগ লাগে আৰু ইয়াৰ 'অ'স্বৰ-ধ্বনিটোৰ ধাতুটোত থকা প্ৰথম স্বৰ ধ্বনি অনুযায়ী পৰিবৰ্তন হয়। ই এক প্ৰকাৰ অসমীয়া স্বৰ-সন্ধি।

উদাহৰণ:

ন—মৰ—এ = নমৰে
ন—মাৰ্—এ = নামাৰে, নেমাৰে
ন—মিল্—এ = নিমিলে

ন—শুন্—এ=নুশুনে

ন—মেল্—এ=নেমেলে

ন—বোল্—এ=নোবোলে

ন—আহ্—এ=না—আহ—এ=নাহে

ন—এৰ—এ=নে—এৰ—এ=নোৰ

১৪ ২ প্রাতিপদিক, প্রকৃতি বা ধাতুৰ শেষৰ ব্যঞ্জন-ধ্বনি প্রত্যয়ৰ আৰম্ভণিত থকা স্বৰ-ধ্বনিৰ লগত লগ লাগে যেনে, মানুহ+এ= মানুহে মানুহবোৰ+এ=মানুহবোৰে ধৰ+ইলোঁ=ধৰিলোঁ, শুন্+ইছিলোঁ=শুনিছিলো। নাম+অনি=নামনি বুজ+অনি= বুজনি, বিচ+অনি=বিচনি ঘৰ+উৱা=ঘৰুৱা জাপান+ঈ= =জাপানী, দীঘল+ঈ=দীঘলী ইত্যাদি। ধাতুৰ শেষত থকা নাসিক্য ধ্বনিৰ (ন, ম, ঙ) পাছত প্রত্যয়ৰ অনুনাসিক ধ্বনিৰ লোপ হয়, যেনে, জান+ওঁ=জানো, শুঙ+ওঁ=শুঙো। এইবোৰ অসমীয়া ব্যঞ্জন-সন্ধি।

১৫ ধ্বনিসাপেক্ষতা কিছুমান যুক্ত ৰূপ ধ্বনিসাপেক্ষ। সেই ৰূপবোৰ মুক্ত-ৰূপৰ শেষত থকা ধ্বনিৰ ওপৰত নির্ভৰ কৰে। অসমীয়াত ক্রিয়াটো সকর্মক হ'লে কর্তাৰ পাছত 'এ' শব্দ-বিভক্তিটো যোগ হয়, যেনে, ৰাম্-এ, ৰামে খায়। সেইদৰে হৰিয়ে খায়, যদুৱে খায়, পিতৃয়ে খায়। কিন্তু লৰা-ই খায়, পাৰ-ই খায়। অর্থাৎ অকাৰ আৰু আকাৰ শেষত থকা মুক্ত-ৰূপৰ পাছত এ শব্দ-বিভক্তি ইলৈ ৰূপান্তৰিত হয়। তেনেকৈ মই ক'-ম, মই খা-ম, মই দি-ম, মই (বো) ক-ম। কিন্তু মই ধৰ-ই-ম, ধৰিম, মই শুন্-ই-ম, শুনিম ইত্যাদি। অর্থাৎ ব্যঞ্জন শেষত থকা (ব্যঞ্জনান্ত) ধাতুৰ পাছত ভৱিষ্যত কালৰ ক্রিয়া-বিভক্তিৰ আগত এটা -ই-ধ্বনিৰ আগমন হয়। এয়ে ধ্বনিসাপেক্ষতা।

১৬ ৰূপসাপেক্ষতা: কিছুমান যুক্ত-ৰূপ কিছুমান যুক্ত-ৰূপৰ

পাছতহে লগ লাগে। সেইবোৰ কিয় তেনেকৈ লগ লাগে তাৰ একো যুক্তি বিচাৰি পোৱা নাযায়। সেইবোৰ তেনেকৈ লগ লগাৰ এটা বিশেষ নিয়ম আছে বুলি কোৱা টান হৈ পৰে। যেনে, হাত-খন, চকী-খন, নাক টো, মুখ-টো, কলম-টো, পেন্সিল-ডাল, হাতী-টো, মাখী টো। আচলতে হাতৰ লগত চকীৰ কোনো সম্বন্ধ নাই, হাতীৰ লগতো মাখীৰ কোনো সাদৃশ্য নাই। কিন্তু পেন্সিল আৰু কলমৰ মাজত বিশেষ একো পাৰ্থক্য নাই। এই প্ৰত্যয়বোৰ কিছুমান বিশেষ ৰূপৰ পাছতহে যোগ হয়। এয়ে ৰূপসাপেক্ষতা।

১৭ নিকটস্থ অঙ্গ ৰূপৰ ৰূপৰ লগত সংযোগ, সিহঁতৰ ক্ৰম, আৰু ৰূপৰ ৰূপৰ মাজত সম্পৰ্ক এই আটাইখিনি লগ লাগি একোটা বাক্য হয়। বাক্যত কিছুমান ৰূপৰ কিছুমান ৰূপৰে সৈতে এটা ঘনিষ্ঠ সম্পৰ্ক ৰক্ষিত হয়। সেই সম্পৰ্কৰ বিষয়ে নাজানিলে বাক্যটোৰ দ্বাৰা বুজোৱা অৰ্থখিনি স্পষ্ট হৈ নুঠে। বাক্যত ব্যৱহাৰ হোৱা শব্দাবলক যদি বাক্যটোৰ অঙ্গ বুলি কোৱা হয়, বাক্যটোত ব্যৱহাৰ হোৱা যিটো শব্দৰ যিটো শব্দৰ লগত সম্পৰ্ক ঘনিষ্ঠ সিহঁতক নিকটস্থ অঙ্গ বুলিব লাগিব। ডুই-থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে। এই বাক্যটোক প্ৰথমতে দুটা ভাগত ভাগ কৰিব পাৰি (ক) ডুই-থকা শিয়াল আৰু (খ) হাঁহ ধৰিব নোৱাৰে। প্ৰথম অংশক আকৌ ডুই-থকা আৰু শিয়ালে এই দুটা অংশত ভগাব লাগিব। দ্বিতীয় অংশক ধৰিব নোৱাৰে আৰু হাঁহ ধৰিব নোৱাৰে এই দুটা অংশত ভাগ কৰিব লাগিব। গতিকে নিকটস্থ অঙ্গহিচাপে ভাগ কৰিলে ডুই-থকা শিয়ালে, ধৰিব নোৱাৰে, হাঁহ ধৰিব নোৱাৰে, ডুই-থকা শিয়ালে, হাঁহ ধৰিব নোৱাৰে এইদৰে নিকটস্থ-অঙ্গবোৰ হ'ব পৈ। নিকটস্থ অঙ্গৰ সম্পৰ্কখিনিক তলত দিয়া চিত্ৰত দেখুৱাব পাৰি:



১৭। অসমীয়াত বিশেষণ আৰু ক্ৰিয়াবিশেষণ-শব্দৰ নিৰ্ণয়ত নিকটস্থ অঙ্গই বিশেষভাৱে সহায় কৰে। ওপৰৰ বাক্যটোৰ শুই-থকা আৰু শিয়াল এই শব্দ দুটা নিকটস্থ অঙ্গ। শিয়াল শব্দটো বিশেষ্য-শব্দ। ইয়াৰ লগত বিশেষভাৱে সম্পৰ্ক ৰক্ষা কৰা হেতুকে শুই থকা শব্দটোৱে বিশেষণ শব্দৰূপে দেখা দিছে। আৰু তুমি আহিবা। তুমি সোনকালে আহিবা। ইয়াৰ দ্বিতীয় বাক্যটোত সোনকালে আৰু আহিবা এই শব্দদুটা নিকটস্থ অঙ্গ। আহিবা শব্দটো ক্ৰিয়া-শব্দ। ক্ৰিয়াৰ লগত বিশেষ সম্পৰ্ক ৰক্ষা কৰা হেতুকে সোনকালে শব্দটো ক্ৰিয়াবিশেষণ-শব্দ হ'ল। জীৱনৰ প্ৰতি মানুহৰ বৰ মৰম। এই বাক্যটোৰ নিকটস্থ অঙ্গ বিচাৰ কৰিলে এনে ধৰণৰ হ'ব যে জীৱনৰ প্ৰতি বৰ মৰম মানুহৰ বৰ মৰম জীৱনৰ প্ৰতি, মানুহৰ বৰ মৰম। বৰ শব্দটো মৰম এই বিশেষ্য শব্দটোৰ আগত বহি তাৰে সৈতে ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰিছে। গতিকে বৰ শব্দটো ইয়াত বিশেষণ শব্দ।

(৩)

১৮ **শব্দৰ শ্ৰেণী বিভাগ :** কেতিয়াবা এটা শব্দেৰে কিন্তু সচৰাচৰ এটাতকৈ বেছি শব্দ লগ লাগি একোটা মনোভাৱ প্ৰকাশ কৰিলে একোটা বাক্য হয়। বাক্যত ব্যৱহাৰ হোৱা সমস্ত শব্দ-বোৰৰ বিশেষ এটা ক্ৰম থাকে আৰু শব্দবোৰৰ পাছত কোনো প্ৰত্যয়

আদিও লগ লাগে। শব্দবোৰৰ পাছত লগ লগা প্ৰত্যয় আৰু শব্দবোৰৰ ক্ৰম অনুযায়ী সিহঁতক কিছুমান শ্ৰেণীত ভাগ কৰিব পাৰি। সচৰাচৰ সেইবোৰক বিশেষ্য বিশেষণ আদি শব্দৰ বুজোৱা হয়। অসমীয়া ভাষাত এনে শব্দবোৰ হ'ল বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া, ক্ৰিয়া বিশেষণ আৰু অব্যয়।

১৯ বিশেষ্য: যিবোৰ শব্দৰ পাছত শব্দ-বিভক্তি যোগ হয় সেইবোৰ বিশেষ্য-শব্দ। মূল শব্দ আৰু শব্দ বিভক্তিৰ মাজত বচন আৰু লিঙ্গবাচক প্ৰত্যয় নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু পুৰুষবাচক নিৰ্দিষ্টতাবাচক প্ৰত্যয়ো লগ লাগিব পাৰে যেনে, মানুহ-এ>মানুহে, মানুহ বোৰ-এ> মানুহবোৰে, নিলাজ-ঈ এ>নিলাজীয়ে, মানুহ-জন-এ>মানুহজনে, ভনী-এক-এ>ভনীয়েক ইত্যাদি। অসমীয়া বিশেষ্য-শব্দ কিছুমান এনেকুৱা মানুহ গৰু হাতী, ঘোঁৰা জোন বেলি, তৰা আকাশ বতাহ, শিল বৰষুণ, জুই, পানী নদী পৰ্বত গছ, লতা ব্ৰহ্মপুত্ৰ, নীলাচল অৰুণাচল, গুৱাহাটী কলিকতা, দিল্লী বোম্বাই, ৰাম, হৰি, কৃষ্ণ, বিষ্ণু গোপাল যদু মধু, হৰ পাৰ্বতী পোহৰ আন্ধাৰ জোনাক, দিন, ৰাতি জন্ম মৃত্যু জীৱন, মৰণ স্বাস্থ্য সৌন্দৰ্য মাধুৰ্য মুক্তি যুক্তি, সাধুতা, ভদ্ৰতা, সততা, নিস্তব্ধতা নিৰ্জনতা, মহত্ব গুৰুত্ব পণ্ডিতালি, ছুৱালি, বেজালি ওজালি মইমতালি শয়ন, ভোজন, পিন্ধন, উৰণ। খোৱা, শোৱা, পিন্ধা, অহা যোৱা, মা দেউতা ভাই, ভনী বন্ধু, বৰুৱা, শইকীয়া, গোস্বামী, হাজৰিকা, শৰ্মা ইত্যাদি।

১৯১ বিশেষ্য-শব্দবোৰৰ শেষত স্বৰ ধ্বনি আৰু ব্যঞ্জন-ধ্বনি থাকিব পাৰে। অৰ্থাৎ বিশেষ্য-শব্দবোৰ স্বৰান্ত আৰু ব্যঞ্জনান্ত হ'ব পাৰে। স্বৰ-ধ্বনিৰ ক্ষেত্ৰত শব্দৰ শেষত ব্যৱহাৰ হোৱা বিশিষ্ট স্বৰ-ধ্বনিবোৰ হ'ল অ, আ, ই, উ এ, ও। একাৰান্ত অসমীয়া শব্দৰ সংখ্যা অতি তাকৰ। 'মানে' এনে এটা শব্দ। কিন্তু আন ঠাইৰ মানুহৰ নামৰ শেষত একাৰ থকা শব্দ দুই এটা পোৱা যায়, যেনে,

পাওঁ, ভূবে আদি। বিশেষ্য-শব্দবোৰৰ শেষত থকা দ্বিস্বৰ-ধ্বনিবোৰ হ'ল আই, উই, ইউ, (অ'ই) ঐ, (অউ) ঔ, (আ-উ) আও আদি। শব্দ-বিভক্তি যোগ হ'লে দ্বিস্বৰ-ধ্বনিবোৰৰ শেষত ই থকা শব্দবোৰৰ কৰ্তাকাৰকৰ ৰূপৰ বাহিৰে বাকীবোৰ ৰূপ ইকাৰান্ত শব্দৰ দৰে হ'ব। দ্বিস্বৰ-ধ্বনিবোৰৰ শেষত উ থকা শব্দবোৰৰ উকাৰান্ত শব্দৰ নিচিনা ব্যৱহাৰ হ'ব। ঐ আৰু ঔ কাৰান্ত শব্দবোৰৰ ইকাৰান্ত আৰু উকাৰান্ত শব্দৰ নিচিনা ৰূপ হ'ব। আটাইবোৰ ব্যঞ্জন-ধ্বনিৰে শব্দৰ শেষত ব্যৱহাৰ হ'ব পাৰে।

২০ বচন : বিশেষ্য-শব্দবোৰৰ সচৰাচৰ এটাক বুজাবলৈ ব্যৱহাৰ হোৱা ৰূপ হ'ল একবচনৰ ৰূপ আৰু দুটাতকৈ অধিকক বুজাবলৈ ব্যৱহাৰ হোৱা ৰূপ হ'ল বহুবচনৰ ৰূপ। দুটাক বুজাবলৈ হ'লে এটা বুজোৱা ৰূপৰ পাছত দুই বুজোৱা সংখ্যাবাচক শব্দৰ লগত নিৰ্দিষ্টতাবাচক প্ৰত্যয় লগ লগাব লাগে যেনে, মানুহ, মানুহ-দু-জন, কিতাপ, কিতাপ-দু খন ছোৱালী, ছোৱালী দু-জনী। একবচনৰ ৰূপৰ পৰা বহুবচনৰ ৰূপ পাবলৈ কিছুমান প্ৰত্যয় যোগ দিয়া হয় যেনে, মানুহ, মানুহ-বোৰ দেউতা, দেউতা হঁত। বহুবচনাত্মক প্ৰত্যয়-বোৰে নিৰ্দিষ্টতাও এটাও প্ৰকাশ কৰে যেনে এই পাৰৰ মানুহবোৰ ভাল। বহুবচনাত্মক ৰূপে বিনয় অৰ্থত একবচনৰ ভাৱ বহন কৰে যেনে, কথাটো শুনি আমি (মই) ভাল পোৱা নাই। সভ্ৰীয়া পৰিৱেশত এনে ধৰণৰ ব্যৱহাৰ প্ৰচুৰ পৰিমাণে আছে। এটা, দুটা বা তাতোকৈ অধিক আদি ভাগত ভাগ কৰিব নোৱৰা ৰূপ কিছুমানৰ পাছতো বহুবচনৰ প্ৰত্যয় যোগ হয়, যেনে, মৰম, মৰম-বোৰ পানী, পানী-বোৰ।

২০১ বহুবচনৰ প্ৰত্যয় : অসমীয়াত বহুবচনৰ প্ৰত্যয়বোৰ প্ৰধানকৈ হ'ল, -বোৰ, -বিলাক, -হঁত, -লোক, -সকল, -মখা, আৰু -গোপা। তলত প্ৰত্যেকৰে উদাহৰণ দিয়া হ'ল.

—বোৰ,-বিলাক ঃ প্ৰাণী আৰু অপ্ৰাণীবাচক শব্দৰ পাছত -বোৰ আৰু -বিলাক প্ৰত্যয় লগ লাগে যেনে, পানী-বোৰ ঘৰ বোৰ, গৰু-বোৰ, হুমুনিয়াহ-বোৰ, বেদনা বোৰ খৰিয়াল-বোৰ, দল-বোৰ, চাউল-বোৰ, ঘৰ-বিলাক চাউল-বিলাক, চৰাই-বিলাক। মানুহৰ ক্ষেত্ৰত -বোৰ লগ লগালে নিম্ন ভাৱ বা অমান্য অৰ্থ আৰু-বিলাক লগ লগালে উচ্চ ভাব বা মান্য অৰ্থ প্ৰকাশ কৰে যেনে ল'ৰা-বোৰ, মানুহ-বোৰ ল'ৰা-বিলাক, মানুহ বিলাক। কিন্তু চোৰ-বোৰ ডকাইত-বোৰ।

—হঁত কোনো ব্যৱসায়, জাতি, দল বা পৰিয়ালৰ অন্তৰ্ভুক্ত ভাব বুজাবলৈ হ'ল হঁত ব্যৱহাৰ কৰা হয়, যেনে, কঁহাৰ হঁত, ছাত্ৰ হঁত, গোপাল-হঁত। সম্বন্ধ-বুজোৱা বিশেষ্য শব্দৰ পাছত সম্মান অৰ্থত হঁত লগ লাগে যেনে, দেউতা-হঁত, দেউতাৰা-হঁত, মা-হঁত, মাৰা হঁত। সৰ্বনামৰ পাছত -হঁত লগ লগাই কেৱল বহুবচনৰ অৰ্থ প্ৰকাশ কৰা হয় যেনে ই-হঁত সি হঁত, (তই) ত হঁত। জন্তু বুজোৱা শব্দৰ পাছত হঁত ব্যৱহাৰ কৰি মানুহৰ ক্ষেত্ৰত প্ৰয়োগ কৰিলে গালি বুজায় যেনে কুকুৰ হঁত, গৰু-হঁত।

—লোক ঃ সচৰাচৰ সম্মানসূচক সৰ্বনামৰ পাছত -লোক এই প্ৰত্যয়ৰ ব্যৱহাৰ হয় যেনে তুমি, কিন্তু তোমা লোক, এওঁ-লোক, তেওঁ-লোক। কেতিয়াবা বিশেষ্য-শব্দৰ পাছতো লোকৰ ব্যৱহাৰ হোৱা দেখা যায়, যেনে ছাত্ৰ লোক।

—সকল ঃ বিশেষ্য আৰু সৰ্বনাম-শব্দৰ পাছত বেছি সম্মান বুজাবলৈ -সকল যোগ দিয়া হয় যেনে, আপুনি, কিন্তু আপোনা-লোক, আপোনা-সকল ছাত্ৰবন্ধু সকল মন্ত্ৰী-সকল, ডা-ডাঙৰীয়া-সকল, আই-সকল।

—মখা ঃ সামূহিকভাৱে হীন অৰ্থত -মখা ব্যৱহাৰ কৰা হয়, যেনে, ল'ৰা-মখা, গৰু-মখা।

—সোপা : হীন অৰ্থত ব্যৱহাৰ হয় যেনে আত্ম-সম্মান সোপা, মেডেল সোপা।

২০ ২ বহুবচন আৰু সম্ভ্ৰম অৰ্থত -বৰ্গ, বৃন্দ, -মণ্ডলী, -ৰাজি, -ৰাশি, -আৱলী সমূহ আদিৰ প্ৰয়োগ আছে যেনে পাঠক বৰ্গ সুধী-বৃন্দ, শিক্ষক মণ্ডলী, গ্ৰন্থ ৰাজি গুণ ৰাশি, (ৰচনা আৱলী) ৰচনাৱলী (ভাষণ-আৱলী) ভাষণাৱলী (গ্ৰন্থ আৱলী) গ্ৰন্থাৱলী, প্ৰজা সমূহ, ৰাজ্য-সমূহ, ভাষণ-সমূহ পৰীক্ষা সমূহ।

২০ ৩ কিছুমান শব্দৰ বহুবচনৰূপ ব্যৱহাৰ হয় যেনে, ৰাইজ। কেতিয়াবা একবচনৰ ৰূপেও বহুবচনৰ অৰ্থ প্ৰকাশ কৰে যেনে, 'ডাঙৰৰ ডাঙৰ ভেম' গৰুৱে ঘাঁহ খায়।

২১ লিঙ্গ বিশেষ্য শব্দবোৰৰ ভিতৰত কিছুমান বিশেষ্য শব্দই পুৰুষ বা মতাক বুজায় আৰু কিছুমান বিশেষ্য শব্দই স্ত্ৰী বা মাইকীক বুজায়। পুৰুষ বুজোৱা শব্দবোৰ পুংলিঙ্গ আৰু স্ত্ৰী বুজোৱা শব্দবোৰ স্ত্ৰীলিঙ্গ। পুৰুষ স্ত্ৰী নাইবা মতা মাইকীৰ ধাৰণা সৃষ্টি কৰা ৰূপক লিঙ্গ বোলে। অসমীয়াত মাত্ৰ প্ৰাণী বুজোৱা শব্দহে লিঙ্গ-ভেদ আছে। "বাস্তৱিকতে অসমীয়া ভাষাত লিঙ্গ দুটাহে—পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ। অচেতন পদাৰ্থ বা যাৰ পুৰুষ স্ত্ৰী চিনিব নোৱাৰি তেনে প্ৰাণীক ক্লীৱলিঙ্গত ধৰা হয়। কিন্তু সেই সেই বস্তু বুজোৱা শব্দৰ কোনো বিশেষ আকৃতি নাই আৰু বেলেগ ৰূপো নাই। পুংলিঙ্গৰ আকৃতিয়ে তাৰ আকৃতি আৰু পুংলিঙ্গৰ ৰূপেই তাৰো ৰূপ।"[৫]

২১ ১ লিঙ্গ ভেদ বুজাবলৈ অসমীয়াত তিনিটা উপায় অৱলম্বন কৰা হয়

৫ কালিৰাম মেধি 'অসমীয়া' ব্যাকৰণ আৰু ভাষাতত্ত্ব

(ক) কিছুমান পুৰুষ আৰু স্ত্ৰী-বুজোৱা শব্দ বা কেইটামান নিৰ্দিষ্টতাবাচক প্ৰত্যয় ব্যৱহাৰ কৰি। কোনো বিশেষ্য শব্দৰ আগত মহিলা শব্দ ব্যৱহাৰ কৰি স্ত্ৰীবাচক ৰূপ সজোৱা উদাহৰণো পোৱা যায় যেনে, মহিলা কৰ্মি, মহিলা শিল্পী, মহিলা প্ৰাৰ্থী।

(খ) ভিন ভিন শব্দ ব্যৱহাৰ কৰি।

(গ) কিছুমান প্ৰত্যয় যোগ দি। এই প্ৰত্যয়বোৰক স্ত্ৰী-প্ৰত্যয় বোলে।

উদাহৰণ ঃ

(ক) মূল শব্দৰ আগত মতা আৰু মাইকী শব্দ লগ লগোৱা হয় নইবা পাছত নিৰ্দিষ্টতাবাচক টো, জন আৰু -জনী প্ৰত্যয় যোগ দিয়া হয়

পুংলিঙ্গ	স্ত্ৰীলিঙ্গ
মতা মানুহ	মাইকী মানুহ
মতা কুকুৰা	মাইকী কুকুৰা
মতা হাঁহ	মাইকী হাঁহ
মতা ম'হ	মাইকী ম'হ
মতা মকৰা	মাইকী মকৰা
কুকুৰা-টো	কুকুৰা-জনী
মানুহ-টো	মানুহ-জনী
মানুহ-জন	মানুহ জনী
গৰু-টো	গৰু-জনী
ম'হ টো	ম'হ-জনী

(খ) পুংলিঙ্গ	স্ত্ৰীলিঙ্গ
ককা	আইতা
ককাই	নবৌ
কোৱা	কাউৰী
গোহাঁই, গগৈ	আইচু
ছাৰ	বাইদেউ
জেঠপেহা	জেঠাই
জোঁৱাই	জী
ডেকা	গাভৰু
তাঁৱৈ	আমৈ
দদাই/খুৰা	খুৰী
দঁতাল, মখনা	মাখুন্দী
দমৰা	কাচলী, চেঁউৰী
দৰা	কইনা
দাদা	বৌ
দেওৰ	ননন্দ
নাচনিয়াৰ	নাচনী
পতি	পত্নী
পিতা	মাতা
পুৰুষ	মহিলা
পৈ, পিৰি	বৈণী
পো	বোৱাৰী
বলদ	গাই
বন্দী	বেটী
বোপা	আইটি, আইদেউ

পুংলিঙ্গ	স্ত্ৰীলিঙ্গ
বোপাই	আই
বোন্দা	জঁাই
ভাই	ভনী
ভিন'দেউ	বাইদেউ
মতা	মাইকী
মুনিহ	তিৰোতা
ৰজা	ৰাণী
ল'ৰা	ছোৱালী
শৰ	ভেলেণ্ডী
শহৰ	শাহু
শিক্ষক	শিক্ষয়িত্ৰী
সভাপতি	সভানেত্ৰী
স্বামী	স্ত্ৰী

(গ) অসমীয়া স্ত্ৰী প্ৰত্যয় চাৰিটা —ঈ, -অনী, -নী, আৰু ৰ' । (আকৌ দ্ৰষ্টব্য ‘ সংস্কৃত স্ত্ৰী-প্ৰত্যয়, পৰি ৮৮)। অসমীয়া স্ত্ৰী-প্ৰত্যয়কেইটা ৰূপসাপেক্ষ। -ঈ প্ৰত্যয় যোগ হোৱাৰ ক্ষেত্ৰত শব্দবোৰৰ তিনি ধৰণৰ পৰিৱৰ্তন ঘটে

(১) কিছুমান ব্যঞ্জনান্ত শব্দৰ পাছত—ঈ লগ লাগিলে মূল শব্দটোৰ কোনো পৰিৱৰ্তন নহয় যেনে, নিলাজ, নিলাজ-ঈ, নিলাজী। তেনেকৈ ডম, ডমী, পিশাচ, পিশাচী, বান্দৰ, বান্দৰী, শিয়াল, শিয়ালী, চৈতন, চৈতনী, বামুণ, বামুণী, ৰাক্ষস, ৰাক্ষসী, ইত্যাদি। কেতিয়াবা মূল শব্দটোৰ ওকাৰৰ ঠাইত উকাৰ হয়, যেনে, কোঁৱৰ, কুঁৱৰী।

(২) কিছুমান আকাৰান্ত পুলিঙ্গ-ৰূপৰ আকাৰৰ পৰিৱৰ্তে ঈকাৰ হয় আৰু মূল শব্দটোৰ ওকাৰৰ ঠাইত উকাৰ হয়, যেনে:

পুংলিঙ্গ	স্ত্রীলিঙ্গ
পেহা	পেহী
বুঢা	বুঢী
বেঙা	বেঙী
ফেঁটা	ফেঁটী
কুঁজা	কুঁজী
কেঁচা	কেঁচী
মেনা	মেনী
মামা	মামী
খুৰা	খুৰী
বগা	বগী
ক'লা	কলী
মুগা	মুগী
গো'ৰলা	গো'ৰলী
পেটুলা	পেটুলী
সৈহুলা	সৈহুলী
কান্দুৰা	কান্দুৰী
দন্দুৰা	দন্দুৰী
আ'পান পেটা	আ'পান পেটী
নাও-পেটা	নাও-পেটী
শালিকা	শালিকী
ঘোঁৰা	ঘুঁৰী
বোন্দা	বুন্দী
খোৰা	খুৰী
খোনা	খুনী
লো'হাৰা	লুহুৰী
লোথামা	লুথুমী
ভো'কালা	ভেকুলী

(৩) কেতিয়াবা আকাৰন্ত শব্দৰ আকাৰৰ ঠাইত ঈকাৰ বহে আৰু শব্দটোৰ আৰম্ভণিত থকা অকাৰ আকাৰত পৰিণত হয়, যেনে

পুংলিঙ্গ	স্ত্ৰীলিঙ্গ
অজলা	আজলী
আঁকৰা	আঁকৰী
অন্ধলা	আন্ধলী
উজলা-দঁতা	উজলা-দাঁতী
কজলা	কাজলী
কণা	কাণী
খঁৰা নকা	খাঁৰী নাকী
পঠা	পাঠী
পগলা	পাগলী
মহা	মাহী

—অনী কিছুমান শব্দৰ পাছত —অনী যোগ হয় যেনে

পুংলিঙ্গ	স্ত্ৰীলিঙ্গ
কমাৰ	কমাৰণী
গিৰীহঁত	গিৰীহঁতনী
মুকন	মুকননী
বামুণ	বামুণনী
ভকত	ভকতনী
হিন্দু	হিন্দুনী

—নী. কিছুমান পুংলিঙ্গ শব্দৰ পাছত —নী যোগ হয়। নী যোগ হ'লে কিছুমান শব্দৰ একোটা দ্বিৰ্থক-ৰূপবো সৃষ্টি হয়। উদাহৰণ :

পুংলিঙ্গ	স্ত্ৰীলিঙ্গ
গৃহস্থ	গৃহস্থনী
কলিতা	কলিতানী
বৰুৱা	বৰুৱানী
খাচিয়া	খাচিয়ানী
নাতি	নাতিনী
ভাৰবীয়া	ভাৰবীয়াণী
ডাঙৰীয়া	ডাঙৰীয়াণী
শইকীয়া	শইকীয়ানী
হাজৰিকা	হাজৰিকাণী
মিতা	মিতিনী
ধোবা	ধুবুনী
চোৰ	চুৰুণী
ভূত	ভতুনী
গোসাঁই	গোসানী
ৰাক্ষস	ৰাক্ষসি-নী
যখ	যখি-নী
বাঘ	বাঘি-নী
হাঁহ	হাঁহি নী
পিশাচ	পিশাচি-নী
নাগ	নাগি নী

—ৰী : কিছুমান শব্দৰ পাছত -ৰী যোগ হয় আৰু পূৰ্বৰ ৰূপৰ একোটা ভিন্ন ৰূপৰ সৃষ্টি হয় যেনে

পুংলিঙ্গ	স্ত্ৰীলিঙ্গ
কলা	কাল ৰী
ডেকা	ডেকে-ৰী
বেঙা	বেঙ্‌ৰী

২১২ অসমীয়াত অকল স্ত্ৰীবাচক আৰু অকল পুৰুষবাচক শব্দ কিছুমানো আছে। অকল স্ত্ৰীবাচক শব্দবোৰ এনেকুৱা : নাৰুতী, ফুলতী, বোৱনী, বোৱনী, পোহাৰী, শিপিনী, বাংচালী, বচকী, দাউনী (দাৱনী), আয়তী, মৰতী, লগৰী, ধাই, ডাইনী, লাগী, এলাগী, পোৱাতী, লাহতী ইত্যাদি। অকল পুৰুষ-বুজোৱা শব্দবোৰ এনে ধৰণৰ . ভতুৱা, বঁৰলা।

২১৩ কিছুমান শব্দ আছে সেইবোৰৰ বাক্যত ব্যৱহাৰ আৰু সেইবোৰৰ লগত যোগ হোৱা আন প্ৰত্যয় আদিৰ সহায়ত পুৰুষ নে স্ত্ৰী বুজিব পাৰি যেনে, বান্ধনিটো, বান্ধনীজনী। লেখোঁতে এনে শব্দাবাৰক পুৰুষ হ'লে 'ই' আৰু স্ত্ৰী হ'লে 'ঈ'ৰ লেখা হয়, যেনে বান্ধনি বান্ধনী সখি, সখী।

২২ **নিৰ্দিষ্টতাবাচক প্ৰত্যয় :** নিৰ্দিষ্টকৈ বুজাবলৈ বিশেষ্য শব্দৰ পাছত কিছুমান প্ৰত্যয় যোগ দিয়া হয়। এইবোৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়। এই প্ৰত্যয়বোৰ বিশেষ্য-শব্দৰ উপৰি বিশেষণ, সংখ্যাবাচক শব্দ নাইবা প্ৰথম আৰু দ্বিতীয় পুৰুষৰ বাহিৰে আন কিছুমান সৰ্বনামৰ পাছত যোগ হয়। শব্দ-বিভক্তি যোগ হ'ল সেইবোৰৰ পাছতহে হয়। এই প্ৰত্যয়বোৰ কপসাপেক্ষ। বিশেষ্য, বিশেষণ, সৰ্বনাম আৰু সংখ্যাবাচক শব্দৰ পাছত যোগ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ এনেকুৱা মানুহ-টো, হাত-খন কপাল-খন ভাল-খিনি, বেয়া-খিনি, এই-খিনি সেই-খন এটা দু-টা তিনি-টা। শব্দ বিভক্তি যোগ হ'লে শব্দ-বোৰ এনেকুৱা হয় মানুহ-টো ৰ, হাত-খন-ৰ, কপাল-খন-ৰ ভাল-খিনি-ৰ, বেয়া-খিনি ৰ সেই খন ৰ এ-টা-ৰ, দু টা-ৰ, তিনি-টা ৰ। সংখ্যাবাচক শব্দৰ পাছত নিৰ্দিষ্টতাবাচক প্ৰত্যয় লগ লাগি হোৱা মিশ্ৰ শব্দটো কোনো বিশেষ্য-শব্দৰ আগত বহিলে, শব্দ-বিভক্তি সেই মিশ্ৰ শব্দৰ লগত যোগ নহৈ বিশেষ্য শব্দটোৰ পাছতহে হ'ব, যেনে, এটা চাকি,

এটা চাকিৰ। বিশেষ্য শব্দটো আগত থাকিলে শব্দ-বিভক্তি সেই মিশ্ৰশব্দটোৰ পাছত লগ লাগিব, যেনে চাকি এটা চাকি এটাৰ।

২২। বহুবচনত একেবোৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়েই যোগ হয়। তেতিয়া মূল-শব্দৰ পাছত মধ্য-প্ৰত্যয় 'কেই' লগ লাগে যেনে, ল'ৰা ল'ৰা-টো, ল'ৰা-দুটা, ল'ৰাজন, লৰা-দুজন, লৰা-কেই-টা ল'ৰা-কেই জন।

২৩ নিৰ্দিষ্টতাবাচক প্ৰত্যযৰ কেতবোৰ তলত উল্লেখ কৰা হ'ল

(১) —আখি কল-আখি

(২) কঠা চাউল কঠা

(৩) —কণ, ক্ষুদ্ৰাৰ্থে-কণি লৰা-কণ, পোনা কণ, লোণ কণ, তেল-কণ ল'ৰা কণি

(৪) —কাচলি বদ কাচলি

(৫) —কুৰা জুই কুৰা

(৬) —কোছা চাবি কোছা চুলি-কোছা

(৭) —খন ক্ষুদ্ৰাৰ্থে খনি পুথি-খন, স্কুল খন, হাত খন, আকাশ খন, নৈ খন চালনী খন সৌ খন খেন্দিমেলি খন পুথি খনি

(৮) —খিনি পানী খিনি এই-খিনি, ভাল খিনি

(৯) —খিলা পাণ খিলা কাগজ-খিলা পাত খিলা

(১০) —গছ ক্ষুদ্ৰাৰ্থে গছি, জৰী-গছ, বস্তি গছ চাকি-গছি

(১১) —গৰাকী (সন্মান নাইবা বিশেষ অৰ্থত ব্যবহাৰ হয়) মানুহ-গৰাকী ঘৈণী গৰাকী

(১২) —গাল ভাত-গাল মাহ গাল

(১৩) —ঘটি. পানী ঘটি

(১৪) —ঘৰ: মানুহ-ঘৰ

(১৫) —চকল: আম চকল, মাছ-চকল

(১৬) —চটা, ক্ষুদ্ৰাৰ্থে-চটি বাঁহ-চটা, কাঠ-চটা, পাট-চটা, মেঘ-চটা , কাঠ-চটি, পাট-চটি

(১৭) —চপৰা মাটি চপৰা

(১৮) —চমকা মাটি-চমকা

(১৯) —চলা, ক্ষুদ্ৰাৰ্থে চলি , পাট-চলা পাট-চলি

(২) —চলু . পানী চলু

(২১) —চাব কোৰ-চাব

(২২) —চাম লেখক চাম

(২৩) —চিৰা মাহ-চিৰা

(২৪) —চিলিম ভাং-চিলিম

(২৫) —চোলকা অমৃত চোলকা

(২৬) —ছটা ক্ষুদ্ৰাৰ্থ ছাটি বশ্মি ছটা ব'দ-ছাটি বতাহ ছাটি

(২৭) —ছালি তামোল-ছালি

(২৮) —ছোৱা কাল-ছোৱা, সময়-ছোৱা

(২৯) —জন (সম্মানাৰ্থে) জন আৰু জনা-(অধিক মানাৰ্থে) জন ঈ, জনী (স্ত্ৰীবাচক) মানুহ-জন বজা জনা গাভৰু-জনা মানুহ-জনী

(৩০) —জাউৰি গালি-জাউৰি

(৩১) —জাক চৰাই-জাক

(৩২) —জোকা বেঙনা জোকা

(৩৩) - জোপা ক্ষুদ্ৰাৰ্থে জুপি লাও জোপা তুলসী-জুপি

(৩৪) —টো, সংখ্যাবাচক শব্দৰ পাছত -টা ক্ষুদ্ৰাৰ্থ -টি লবা-টো, মানুহ-টো পুথুৰী-টো এক, এ-টা দুই, দু-টা পাঁচ, পাঁচা-টা সাত, সাতা-টা , আঠ, আঠো-টা , দহ, দাহা-টা , লবা টি , পাঁচ, পাঁচ-টি সাত, সাতু-টি, দহ, দহু-টি ।

(৩৫) —টাঁৰ, ক্ষুদ্ৰাৰ্থে টাঁৰি চুলি-টাঁৰ, বাঢনী-টাঁৰ, চুলি-টাঁৰি

(৩৬) —টুকুৰা মাছ-টুকুৰা, মাংস-টুকুৰা

(৩৭) টোপা, ক্ষুদ্ৰাৰ্থে টুপি পানী-টোপা চকুলো টুপি

(৩৮) —ডবা সৰিয়হ-ডবা

(৩৯) —ডাল বাঁহ-ডাল জৰী-ডাল

(৪০) —ডোখৰ কাঠ ডোখৰ, সময়-ডোখৰ

(৪১) —থান কাপোৰ-থান

(৪২) —থোকা কল থোকা

(৪৩) —থোপা ফুল-থোপা আঙুৰ থোপা

(৪৪) —দল ডেকা-দল

(৪৫) —দোঙা পানী-দোঙা

(৪৬) —ধাৰ, ক্ষুদ্ৰাৰ্থে-ধাৰি মালা-ধাৰ, মালা-ধাৰি

(৪৭) —ধোকা পানী-ধোকা

(৪৮) পাট ক্ষুদ্ৰাৰ্থে-পাটি কাঁড-পাট শৰ-পাট, বঠা-পাট,

(৪৯) —পাব কুঁহিয়াৰ পাব

(৫০) —পাহ ফুল-পাহ

(৫১) —পালি মচ্ছা-পালি, দৰৱ-পালি

(৫২) —পদ অলঙ্কাৰ পদ

(৫৩) —ফাকি কথা-ফাকি, কবিতা-ফাকি

(৫৪) —ফেৰা, ক্ষুদ্ৰাৰ্থে ফেৰি লোণ ফেৰা -চেনি-ফেৰা পুণ্য-ফেৰা, বিবেচনা ফেৰা, খাতি-ফেৰা, সময়-ফেৰা, চেনি-ফেৰি

(৫৫) —ভাগ, ক্ষুদ্ৰাৰ্থে-ভাগি পূজা ভাগ পূজা ভাগি

(৫৬) —মুঠা, ক্ষুদ্ৰাৰ্থে মুঠি ফুল-মুঠা, চাউল-মুঠা, ভাত মুঠা, ভাত-মুঠি, চাউল-মুঠি

(৫৭) —বোৰ, ক্ষুদ্ৰাৰ্থে-বুৰি   পাৰ-বোৰ, জোতা-বোৰ, কেঁক-বোৰ, চাকৈ-চকোৱা-বোৰ, পানৈ-বুৰি, চকু-বুৰি,

(৫৮) —লদা   গোবৰ-লদা

(৫৯) —ৰাৰ ক্ষুদ্ৰাৰ্থে-ৰাৰি   মাত-ৰাৰ, মাত-ৰাৰি

(৬০) — সাজ   ভাও-সাজ কাপোৰ-সাজ

(৬১) —সুত   বেত-সুত

(৬২) —হাল, ক্ষুদ্ৰাৰ্থে-হালি   গৰু-হাল, মানুহ-হাল, বুঢা-বুঢ়ী-হাল, পাৰ-হালি

২৩। ক্ষুদ্ৰাৰ্থে ব্যৱহাৰ হোৱা ৰূপবোৰে বেছি মৰমৰ অৰ্থও বুজায়। মানুহ-বুজোৱা শব্দৰ পাছত -ডাল আৰু -পাট ব্যৱহাৰ কৰিলে নিন্দা অৰ্থ প্ৰকাশ কৰে যেনে, এই মানুহ-ডাল নোদেখিছ আপদ ডাল আহিল, মোৰ ঝি-পাতহে লবা।

২৪ **পুৰুষবাচক-নিৰ্দিষ্টতাবাচক প্ৰত্যয় :** অসমীয়া ভাষাৰ সম্বন্ধ বুজোৱা আই, বোপাই মা দেউতা আদি শব্দৰ পাছত কিছুমান প্ৰত্যয় যোগ দিয়া হয়। সিহঁত সেই শব্দবোৰৰ লগত থকা পুৰুষবাচক সৰ্বনাম-শব্দবোৰৰ প্ৰথম, দ্বিতীয় বা তৃতীয় পুৰুষ অনুযায়ী ভিন ভিন হয়, যেনে, মোৰ মা, তোৰ মা-ৰ, তোমাৰ মা-ৰা, তাৰ মা-ক, আপোনাৰ মা-ক। এনে প্ৰত্যয়বোৰক পুৰুষবাচক-নিৰ্দিষ্টতাবাচক প্ৰত্যয় বোলা হৈছে। এই প্ৰত্যয়বোৰ হ'ল

(ক) —০ (একো যোগ নহয়) -এৰ, -এৰ-আ, -এক।

(খ) —সম্বন্ধ-বুজোৱা শব্দটো আকাৰান্ত হ'লে প্ৰত্যয়বোৰৰ ৰূপ এনেকুৱা হ'ব : -০(একো যোগ নহয়),-ৰ,-ৰ-আ, -ক।

উদাহৰণ :

প্ৰত্যয	—০	—এৰ —ৰ	—এৰ-আ —ৰ আ	—এক —ক
সম্বন্ধ	মোৰ	তোৰ	তোমাৰ	তাৰ
বুজোৱা শব্দ				
বোপাই	বোপাই	বোপাই > বাপেৰ বা বাপেৰ	বাপাই > বাপ এৰ আ বাপেৰা	বোপাই বাপ-এক বা বাপেক
ভাই	ভাই	ভাই এৰ ভায়েৰ	ভাই এৰ আ ভায়েৰা	ভাই এক ভায়েক
শাহু	শাহু	শাহু এৰ শাহুৱেৰ	শাহু-এৰ আ শাহুৱেৰা	শাহু-এক, শাহুৱেক
জী	জী	জী এৰ জীয়েৰ	জী এৰ-আ, জীয়েৰা	জী-এক, জীয়েক
শহুৰ	শহুৰ	শহুৰ এৰ শহুৰেৰ	শহুৰ এৰ আ শহুৰেৰা	শহুৰ এক, শহুৰেক
দেউতা	দেউতা	দেউতা-ৰ	দেউতা ৰ-আ দেউতাৰা	দেউতা-ক
মা	মা	মা-ৰ	মা-ৰ-আ, মাৰা	মা ক

২৪। **সম্বোধনবোধক-নিৰ্দিষ্টতাবাচক প্ৰত্যয :** কোনো লোকক সম্বোধন কৰি মাতিবলৈ হ'লে যিজনক মাতিব তেওঁৰ সৈতে মতাজনৰ সম্বন্ধ কেনেকুৱা, অৰ্থাৎ মতাজন তেওঁৰ সমনীয়া নে তেওঁতকৈ ডাঙৰ, নে তেওঁতকৈ সৰু আদি অৰ্থ অনুযায়ী সম্বোধন-বুজোৱা ৰূপৰ পাছত কিছুমান প্ৰত্যয় লগ লাগে। এইবোৰ সম্বোধনবোধক-নিৰ্দিষ্টতাবাচক প্ৰত্যয়। ওপৰত উল্লেখ কৰা সম্বন্ধ বুজালে সম্বোধনৰ কাৰণে অকল

'হে' ৰূপটো ব্যৱহাৰ কৰা হয় যেনে, হে ভগৱান হে, হৰি। সম্বোধনবোধক-নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ উদাহৰণ

(ক) হে ৰ, হে-ৰৌ (মান সকাটাক মাতিবলৈ)
(খ) হে-ৰা (মান সমানজনক মাতিবলৈ)
(গ) হ বি (মান ডাঙৰজনক মাতিবলৈ)
(ঘ) হে বে হে-ৰই (মৰমৰ মান সকাটাক মাতিবলৈ)

২৫ অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ঃ মাত্ৰ এক সংখ্যাৰ কোনো জীৱ-জন্তু বা ... বুজাবলৈ ... নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰৰ আগত এ লগ লগোৱা হয়; যেনে মানুহ এ-জন বা এ-জন মানুহ ... এখন বা এখা ... চৰাই এ-টা বা এ-টা চৰাই। ... অনিৰ্দিষ্টতা বুজাবলৈ তলত দিয়া প্ৰত্যয়বোৰ যোগ দিব লগীয়া হয়

(ক) -মান নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ পাছত মান প্ৰত্যয় লগ লগালে অনিৰ্দিষ্টতা বুজায়; যেনে এখন-মান কাপোৰ, কাপোৰ এখন-মান; দুজন-মান মানুহ মানুহদুজন-মান কেইদাল-মান সূতা, সূতাকেইদালচা-মান।

(খ) -চেৰেক, -দিয়েক ইহঁতো নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ পাছত লগ লাগে, যেনে জন-চেৰেক লোক, লোকজন-চেৰেক কণ-চেৰেক দামুৰি, দামুৰিকণ-চেৰেক; খন চেৰেক পুথি পুথিখন-চেৰেক, গুটি-দিয়েক চিতা, চিতাগুটি দিয়েক, মুঠি-দিয়েক চাউল চাউলমুঠি-দিয়েক, জন-দিয়েক পণ্ডিত, পণ্ডিতজন-দিয়েক। তেনেকৈ গোটা-চেৰেক কথা, পাত-দিয়েক চৰ। 'মাহ-চেৰেকলৈ' 'দিন চেৰেকৰ পিছত', 'আৰাৰ-চেৰেক ক'ম' আদিৰ প্ৰয়োগো হয়।

(গ) -বা বহুবচনাত্মক কেই-ৰূপৰ পাছত -বা প্ৰত্যয় লগ লগাই কোনো বিশেষ্য-শব্দৰ আগত ব্যৱহাৰ কৰিলে অনিৰ্দিষ্টতা বুজায়,

যেনে, কেই-বা দিনো হ'ল, কেই বা ঘণ্টাও অপেক্ষা কৰিলোঁ। 'কেইবা'ৰ পাছত নিৰ্দিষ্টতাবাচক প্ৰত্যয় লগ লগালেও অনিৰ্দিষ্টতাৰ অৰ্থ প্ৰকাশ কৰিব, যেনে, কেইবা-টাও কথা, কেইবা-জনো মানুহ।

২৫১ কোনো বিশেষ্য শব্দৰ আগত দুটা ভিন্ন সংখ্যাবাচক শব্দ ব্যৱহাৰ কৰি অনিৰ্দিষ্টতা বুজাব পাৰি যেনে তেওঁ তিনি-চাৰি দিনৰ পাছত আহিব, তেওঁ দুই-এদিনত আহি পাব। কেতিয়াবা বিশেষ্য শব্দটোৰ পাছত মান প্ৰত্যয় লগ লগোৱা হয়, যেনে, কামটো শেষ কৰিবলৈ পাঁচ দুদিন মান লাগিব। বহু-বচনৰ প্ৰত্যয় বোৰৰ আগত-কেত—বোৰ দিও অনিৰ্দিষ্ট ভাব প্ৰকাশ কৰিব পাৰি যেনে মানুহ কেত-বোৰ কেতবাৰ মানুহ উদাহৰণ কেতবোৰ, কেতবাৰ উদাহৰণ। নিৰ্দিষ্টতাবাচক প্ৰত্যয়যুক্ত নাইবা পূৰণবাচক সংখ্যাবাচক দুটা ৰূপৰ মাজত কি ৰূপটো ব্যৱহাৰ কৰিও অনিৰ্দিষ্টতা বুজোৱা উদাহৰণ আছে, যেনে দুডাল কি এডাল (পকা চুলি), এবাৰ কি দুবাৰ (আহি)।

২৬ **কাৰক আৰু শব্দ-বিভক্তি:** বাক্যত ভিন ভিন শব্দৰ সংযোগ ঘটে। সেই শব্দবোৰৰ মাজত পৰস্পৰৰ একোটা সম্পৰ্কও স্থাপন হয়। এনে অৱস্থাত বিশেষকৈ ক্ৰিয়া শব্দৰ লগত কিছুমান আন শব্দৰ সম্বন্ধ স্পষ্ট হৈ উঠে যেনে ৰামে খায় ৰামে হৰিক মাতে, যদুৱে চিঠিৰ জনাইছে, সীতালৈ আনিছোঁ, মধুৰ পৰা শুনিলোঁ, ৰামৰ হাতত আছে। এই বাক্যবোৰত খায়, মাতে, জনাইছে আনিছোঁ, শুনিলোঁ, আৰু আছে ক্ৰিয়াকেইটাৰে সৈতে ৰাম হৰি চিঠি সীতা, মধু, আৰু হাত শব্দৰ অন্বয় হৈছে বা সম্পৰ্ক স্পষ্টতাৰে স্থাপন হৈছে। ক্ৰিয়াৰ লগত বিহৰ অন্বয় হয়, সেইটোৱে কাৰক। ওপৰত উল্লেখ কৰা বাক্যকেইটাত ক্ৰিয়াৰ লগত ক্ৰমে কৰ্তা কৰ্ম, কৰণ, নিমিত্ত, অপাদান, আৰু অধিকৰণৰ সম্পৰ্ক দেখা গৈছে। সেই অনুযায়ী

অসমীয়াত কাৰক হয় ৭ৈগ ছটা : কৰ্তা-কাৰক, কৰ্ম-কাৰক, কৰণ-কাৰক, নিমিত্ত-কাৰক, অপাদান-কাৰক অধিকৰণ-কাৰক।

২৬১ এতিয়া আন এটা বাক্য চোৱা যাওক। এইটো ৰামৰ ঘৰ। এই বাক্যটোত ঘৰ শব্দৰ লগত ৰাম শব্দৰ এটা সম্পৰ্ক আছে। কিন্তু ঘৰ শব্দটো ক্ৰিয়া শব্দ নহয়। এইদুটা শব্দৰ সম্পৰ্কক সম্বন্ধ -পদ বোলে। যিহৰ দ্বাৰা কাৰক আৰু সম্বন্ধ-পদৰ 'বোধ' জন্মে বা যিহৰ দ্বাৰা কাৰক আৰু সম্বন্ধ পদক চিনিব পাৰি, সেইটোৱে শব্দ-বিভক্তি। অসমীয়াত শব্দ বিভক্তি ছবিধ প্ৰথমা দ্বিতীয়া, তৃতীয়া চতুৰ্থী ষষ্ঠী আৰু সপ্তমী। সেইকেইটা তলত দিয়া ধৰণৰ

প্ৰথমা — এ
দ্বিতীয়া — ক
তৃতীয়া — ৰে
চতুৰ্থী — লৈ
ষষ্ঠী - ৰ
সপ্তমী — ত

২৬২ যদিও বেছি ভাগ অসমীয়া ব্যাকৰণত পঞ্চমী বিভক্তিৰ কথা কোৱা হৈছে, দৰাচলতে অসমীয়াত পঞ্চমী বিভক্তি নাই। পৰা এটা পৰ-সৰ্গহে। ষষ্ঠী ৰ-বিভক্তি যোগ হোৱাৰ পাছতহে এইটো বহে, যেনে ৰাম ৰ পৰা, গছ-ৰ পৰা ইত্যাদি। অসমীয়া ভাষাত অপাদান কাৰক আছে কিন্তু পঞ্চমী বিভক্তি নাই।

২৭ কাৰকৰ সম্পৰ্ক বুজাবলৈ অসমীয়াত দুটা উপায় গ্ৰহণ কৰা হয় (ক) শব্দ-বিভক্তি যোগ দি, আৰু (খ) শব্দ-বিভক্তিৰ পাছত

৬ "পৰাও বাস্তৱিকতে বিভক্তি নহয়। যৌগিক বিভক্তি পৰিত্যাগ কৰিলে অসমীয়া পঞ্চমী বিভক্তি নাথাকে।"— অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব।

পৰ-সৰ্গ ব্যৱহাৰ কৰি। এই পৰ-সৰ্গবাৰ সম্বন্ধ পদৰ বিভক্তি 'ৰ' ৰ পাছত লগ লাগে। উদাহৰণ মানুহে কথা কয়, মানুহে মানুহক ভাল পায়, কিছুমান হাবিত বাঘ থাকে, গছৰ পৰা পাত সৰে।

২৮ অসমীয়াত শব্দ-বিভক্তিবোৰ কোনো কোনো ক্ষেত্ৰত ৰূপসাপেক্ষ আৰু কোনো কোনো ক্ষেত্ৰত ধ্বনি সাপেক্ষ। ক্ৰিয়াটো সকৰ্মক হ'লে কৰ্তা-কাৰকত প্ৰথমা-এ বিভক্তি যোগ হয়। ক্ৰিয়াটো অকৰ্মক হ'লে কোনো বিভক্তি যোগ নহয়, যেনে (ৰাম-এ) ৰামে খায়, সিহঁতে খায় ৰাম যায় সিহঁত যায়। কিন্তু কিছুমান অকৰ্মক ক্ৰিয়া থাকিলেও কৰ্তা-কাৰকত-এ বিভক্তি লগ লাগে যেনে, (ৰাম এ) ৰামে কান্দে, ৰামে কান্দে লৰাই ওমলে মেঘে গাজে, ভেকুলীয়ে টোৰাটোবায় পেটে খলখলায় বাতৰিপাতে বিতিয়ায়। এটা বাক্যত যদি এটা সকৰ্মক অসমাপিকা আৰু এটা অকৰ্মক সমাপিকা ক্ৰিয়া থাকে, তেনেহ'লে কৰ্তা-কাৰকত বিকল্পে প্ৰথমা বিভক্তি যোগ হয় যেনে, গোপালে তাৰ দিনৰ পাঠ পঢ়ি পঢ়াশালিলৈ যায় বা গোপাল তাৰ দিনৰ পাঠ পঢ়ি পঢ়াশালিলৈ যায়। শব্দটো অকাৰান্ত বা আকাৰান্ত হ'লে প্ৰথমা-এ বিভক্তি ইলৈ ৰূপান্তৰিত হয় যেনে, লৰাই খায়, ল'ৰামথা-ই খায়, পাৰই খায়। ব্যঞ্জনান্ত আৰু আওকাৰান্ত শব্দৰ পাছত দ্বিতীয়া, চতুৰ্থী, ষষ্ঠী, আৰু সপ্তমী বিভক্তি যোগ হ'লে মূল শব্দটোৰ এটা তিৰ্যক-ৰূপ হয় আৰু সেইটো অকাৰান্ত হয়। তৃতীয়া বিভক্তি যোগ হোৱাৰ আগতে হ'লে ব্যঞ্জনান্ত আৰু আওকাৰান্ত শব্দৰ তিৰ্যক-ৰূপটো একাৰান্ত হয়। উদাহৰণঃ (ৰাম্-অ) ৰাম-ক, (ৰাম-অ) ৰাম-লৈ, (ৰাম-অ) ৰাম-ৰ, (ৰাম্-অ) ৰাম-ত, (ৰাম্-এ) ৰামে-ৰে। আকৌ (নাও-অ) নাৱ-ক, (নাও-অ) নাৱ-লৈ, (নাও-অ) নাৱ-ৰ, (নাও-অ) নাৱ-ত, (নাও-এ) নাৱে-ৰে। বহু-বচনৰ ব্যঞ্জনান্ত শব্দবোৰৰ ক্ষেত্ৰতো শব্দ বিভক্তি যোগ হোৱাৰ সময়ত একে ধৰণৰ পৰিৱৰ্তন হ'ব, যেনে (মানুহবোৰ-অ) মানুহবোৰ-ক, (মানুহবোৰ্-অ) মানুহবোৰ-লৈ, (মানুহবোৰ্-অ) মানুহবোৰ-ৰ, (মানুহবোৰ্-অ)

মানুহবোৰ-ত, (মানুহবোৰ-এ) মানুহবোৰে-ৰ। শেষত অকাৰ থকা যুক্ত-ব্যঞ্জনযুক্ত শব্দবোৰৰ তৃতীয়া বিভক্তি যোগ হোৱাৰ আগত এটা একাৰান্ত দ্বৈবিক ৰূপ হব যেনে, শব্দ, শব্দ ই, শব্দত, শব্দে ৰে ছন্দ ছন্দে ৰে ইত্যাদি।

২৯ কৰ্তা কাৰকৰ প্ৰথমা বিভক্তিৰ কিছুমান বিশেষ ব্যৱহাৰ আছে। কোনো কোনো ক্ষেত্ৰত এইটোৱে কৰণ কাৰকৰ তৃতীয়া বিভক্তিৰূপে অপাদান-কাৰকৰ পঞ্চমী বিভক্তিৰূপে, আৰু অধিকৰণ কাৰকৰ সপ্তমী বিভক্তিৰূপে কাম কৰে। উদাহৰণ • (হাত এ) হাতে কটা সূতা ৰামৰ (মুখ এ) মুখে শুনিলোঁ। কথাটো সকলোৰে (মুখ-এ) মুখে (মুখ-এ) মুখে। আৰু বিনা (দুখ-এ) দুখই মুক্তিৰ দাবী বিন (মেঘ এ) মেঘে বজ্ৰপাত (মাহেক এ) মাহেকে (পৰ-এ) পৰে। এইবোৰত-এ বিভক্তিয়ে সপ্তমীৰ কাম কৰিছে। ব্যক্তিবাচক ৰূপৰ বাহিৰে বিশেষভাৱে সুবুদ্ধাৰে কৰ্ম কাৰকৰ দ্বিতীয়া বিভক্তি -ক যোগ নহয় যেনে ৰামে ভাত খালে, ৰামে হৰিক মাতিলে। কিন্তু ৰামে এইখিনি (ভাত-ক এ) ভাতক খালে।

৩০ সম্বন্ধ পদ-বুজোৱা ষষ্ঠী বিভক্তি '-ৰ' ৰ পাছত দ্বাৰা, দ্বাৰায়, হতুৱাই এইবিলাক পৰ সৰ্গ বহুৱাই কৰণ-কাৰকৰ ভাৱ প্ৰকাশ কৰিব পাৰি যেনে, গোপাল-ৰ দ্বাৰা দ্বাৰায় হতুৱাই কামটো কৰাম। ষষ্ঠী 'ৰ'ৰ পাছত পৰা পৰ সৰ্গ ব্যৱহাৰ কৰি অপাদান অৰ্থ প্ৰকাশ কৰা হয়, যেনে, ঘৰ-ৰ পৰা গছ-ৰ পৰা।

৩১ যাৰ বা যিহৰ দ্বাৰা ক্ৰিয়া সম্পন্ন হয় অথবা যি বা যিহে আনক ক্ৰিয়াত প্ৰবৰ্তিত কৰায়, সেইটোৱে কৰ্তা কাৰক। কৰ্তা কাৰকত প্ৰথমা বিভক্তি হয়। সম্বোধনাতো প্ৰথমা বিভক্তি হয় আৰু সি শূন্য-বিভক্তিযুক্তহে হয়। অৰ্থাৎ তাৰ পাছত কোনো শব্দ বিভক্তিৰ চিন নাথাকে, যেনে, লৰাইঁত, তুই থকা শিয়ালে ঠাই ধৰিব নোৱাৰে। ৰেখ ধনৰৰ। পাৰস্পৰিক কাৰ্য বুজাবলৈ প্ৰথমা বিভক্তি যোগ হয়,

যেনে, গৰুৱে গৰুৱে যুঁজ লাগিছে। ধন্য শব্দৰ সংযোগত প্ৰথমা বিভক্তি হয়, যেনে ধন্য ৰাম। যি বা যিহকে কৰা যায় অৰ্থাৎ 'ক্ৰিয়াৰ যি ব্যাপ্য' সেইটোৰ নাম কৰ্ম-কাৰক। কৰ্মকাৰকত দ্বিতীয়া বিভক্তি হয়। ধিক শব্দৰ যোগত দ্বিতীয়া বিভক্তি হয় যেনে, তেনে মানুহক ধিক ; ধিক তোৰ জীৱন। কিছুমান ক্ৰিয়াৰ দুটা কৰ্ম থাকে। ক্ৰিয়াৰ লগত প্ৰধানভাৱে সম্বন্ধ থকাটো প্ৰত্যক্ষ কৰ্ম আৰু অপ্ৰধান-ভাৱে সম্বন্ধ থকাটো পৰোক্ষ কৰ্ম। মই তাক ভাত খুৱালো। এই বাক্যত ভাত প্ৰত্যক্ষ আৰু তাক পৰোক্ষ কৰ্ম। কেতিয়াবা এক ধাতুৰ পৰা হোৱা বিশেষ্য শব্দটো সেই ধাতুৰ ক্ৰিয়া-ৰূপৰ কৰ্ম হয়। ইয়াক সম্বন্ধী কৰ্ম বোলে যেনে মাত নামাতিবি। ইয়াত মাত শব্দটো সম্বন্ধী কৰ্ম। ক্ৰিয়া-নিষ্পত্তিৰ সৰ্বপ্ৰধান উপায় হল কৰণ-কাৰক। ইয়াক এনেধৰণেও ক'ব পাৰি 'যাৰ বা যিহৰ দ্বাৰায় কৰ্তাই ক্ৰিয়া সম্পন্ন কৰে' সেইটোৱে কৰণ-কাৰক। কৰণ কাৰকত তৃতীয়া বিভক্তি হয়, যেনে, কটাৰীৰে আমোল কাটিলে। সংস্কৃত ব্যাকৰণত সম্প্ৰদান কাৰক এটা আছে। কাৰবাক কোনো এটা বস্তু দিয়াটোৱেই সম্প্ৰদান। সম্প্ৰদান-কাৰকত সংস্কৃতত চতুৰ্থী বিভক্তি হয় যেনে, দৰিদ্ৰায় ধনং দদাতি। অসমীয়াত কিন্তু সম্প্ৰদান কাৰক নাই। কাৰবাক কোনো বস্তু দিয়া অৰ্থত কৰ্ম-কাৰকেই হয়, যেনে, ভিখাৰীক চাউল দিছে। অসমীয়াত অৰ্থে প্ৰতি, অভিমুখ, নিমিত্ত আদি অৰ্থত ক্ৰিয়াৰ লগত কিছুমান শব্দৰ সম্পৰ্ক ঘটে। এইটোক নিমিত্ত-কাৰক বোলা বেছি যুক্তিসঙ্গত। নিমিত্ত-কাৰকত চতুৰ্থী বিভক্তি হয় যেনে, তাঙৰলৈ ভক্তি-ভাৱ ৰাখিবা। তেওঁ গুৱাহাটীলৈ গ'ল। এইটো ৰামলৈ আনিছো। যাৰ বা যিহৰ পৰা বিশ্লেষ বা পৃথক হয় সেইটো অপাদান-কাৰক। সংস্কৃতত অপাদান-কাৰকত পঞ্চমী বিভক্তি হয়। অসমীয়াত পঞ্চমী বিভক্তি নাই। ষষ্ঠী বিভক্তি 'ৰ'ৰ পাছত পৰা পৰ-সৰ্গ যোগ দিলেহে অপাদান-

কাৰক সিদ্ধ হয়। স্থান, কাল, আৰু পাত্ৰ বিহৰে আধাৰ বা আশ্ৰয়ত ক্ৰিয়া সম্পাদিত হয়, সেইটোৰ নাম অধিকৰণ-কাৰক। অধিকৰণ-কাৰকত সপ্তমী বিভক্তি হয়, যেনে, তেওঁ শিৱসাগৰত জন্মিছিল। তেওঁ যোৱা মাহত আহিছিল। সাপত বিশ্বাস নাই। হেতু অৰ্থতো সপ্তমী বিভক্তি হয়, যেনে, আনন্দত নাচিছে। বিনা, বিনে, নিপুণ পাৰ্গত আদি শব্দৰ সংযোগত পূৰ্ববৰ্তী বা পৰবৰ্তী শব্দত সপ্তমী বিভক্তি হয় যেনে হৰিত বিনে গতি নাই, বিনা ধানে কোনো কথা নিসিক্ত বিনা মেঘে বজ্ৰপাত; বিনা মুল্যে; বিনা মাছুলে। বিনা দোষত, বিনা কথাত; সাহিত্যত নিপুণ ব্যাকৰণত পাৰ্গত। যাৰ বা যিহৰ লগত সম্বন্ধ পৰিলক্ষিত হয় সেইটো সম্বন্ধ-পদ। সম্বন্ধ-পদত ষষ্ঠী বিভক্তি হয়; যেনে, এওঁ গছৰ ডাঙৰীয়া; তেওঁ স্কুলৰ শিক্ষক। তলৰ খণ্ড বাক্যবোৰত শব্দ-বিভক্তিবোৰৰ সুকীয়া প্ৰয়োগ লক্ষ্য কৰিবলগীয়া: উদাহৰণস্বৰূপে সাৰ ভৰি সাৰ; দোপক দোপে; দিনক দিনে; কোৰত কোৰ।

৩২ **শব্দ-বিভক্তিবোৰৰ ব্যৱহাৰ**: ভিন ভিন স্বৰান্ত আৰু ব্যঞ্জনান্ত শব্দবোৰৰ পাছত-সম্বন্ধ-পদ আৰু বিভিন্ন কাৰকত ছটা শব্দ-বিভক্তি কেনেদৰে লগ লাগে আৰু সেইবোৰ লগ লাগিলে মূল শব্দবোৰৰ কোন ধৰণৰ পৰিবৰ্তন ঘটে তলত দিয়া শব্দৰূপাবোৰ স্পষ্টকৈ বুজাত সহায় কৰিব।

ব্যঞ্জনান্ত 'মানুহ' শব্দ

	এক-বচন	বহু বচন
কৰ্তা-কাৰক	মানুহ-এ, মানুহে	মানুহবোৰ-এ, মানুহবোৰে; মানুহবিলাক্-এ, মানুহবিলাকে
কৰ্ম-কাৰক	মানুহ-ক	মানুহবোৰ-ক; মানুহবিলাক-ক
নিমিত্ত-কাৰক	মানুহ-লৈ	মানুহবোৰ-লৈ; মানুহবিলাক-লৈ
সম্বন্ধ-পদ	মানুহ ৰ	মানুহবোৰ-ৰ; মানুহবিলাক-ৰ
অধিকৰণ-কাৰক	মানুহ-ত	মানুহবোৰ-ত; মানুহবিলাক-ত
কৰণ-কাৰক	মানুহ-ৰে	মানুহবোৰে-ৰে; মানুহবিলাকে-ৰে

অকাৰান্ত 'গাধ' শব্দ

এক-বচন		বহু-বচন
কৰ্তা-কাৰক	গাধ-ই	গাধবোৰ-এ, গাধবোৰে
কৰ্ম-কাৰক	গাধ-ক	গাধবোৰ-ক
নিমিত্ত-কাৰক	গাধ-লৈ	গাধবোৰ-লৈ
সম্বন্ধ-পদ	গাধ-ৰ	গাধবোৰ-ৰ
অধিকৰণ কাৰক	গাধ-ত	গাধবোৰ-ত
কৰণ-কাৰক	গাধ-ৰে	গাধবোৰ-ৰে

অকাৰান্ত ৰাষ্ট্ৰ শব্দ

এক-বচন		বহু-বচন
কৰ্তা কাৰক	ৰাষ্ট্ৰ-ই	ৰাষ্ট্ৰবোৰ-এ, ৰাষ্ট্ৰবোৰে
কৰ্ম-কাৰক	ৰাষ্ট্ৰ-ক	ৰাষ্ট্ৰবোৰ-ক
নিমিত্ত-কাৰক	ৰাষ্ট্ৰ-লৈ	ৰাষ্ট্ৰবোৰ-লৈ
সম্বন্ধ-পদ	ৰাষ্ট্ৰ-ৰ	ৰাষ্ট্ৰবোৰ-ৰ
অধিকৰণ-কাৰক	ৰাষ্ট্ৰ-ত	ৰাষ্ট্ৰবোৰ-ত
কৰণ কাৰক	ৰাষ্ট্ৰে-ৰে	ৰাষ্ট্ৰবোৰ-ৰে

অ'কাৰান্ত 'ল'ৰা' শব্দ

এক-বচন		বহু-বচন
কৰ্তা-কাৰক	ল'ৰা-ই	ল'ৰাবোৰ-এ, ল'ৰাবোৰে, ল'ৰাবিলাক-এ, ল'ৰাবিলাকে
কৰ্ম কাৰক	ল'ৰা-ক	ল'ৰাবোৰ-ক, ল'ৰাবিলাক-ক
নিমিত্ত-কাৰক	ল'ৰা-লৈ	ল'ৰাবোৰ-লৈ, ল'ৰাবিলাক-লৈ
সম্বন্ধ পদ	ল'ৰা-ৰ	ল'ৰাবোৰ-ৰ, ল'ৰাবিলাক-ৰ
অধিকৰণ-কাৰক	ল'ৰা-ত	ল'ৰাবোৰ-ত, ল'ৰাবিলাক-ত
কৰণ-কাৰক	ল'ৰা-ৰে	ল'ৰাবোৰে-ৰে, ল'ৰাবিলাকে-ৰে

ইকাৰান্ত 'নিগনি' শব্দ

এক-বচন		বহু-বচন
কৰ্তা-কাৰক	নিগনি এ, নিগনিয়	নিগনিবোৰ এ, নিগনিবোৰ
কৰ্ম কাৰক	নিগনি ক	নিগনিবোৰ-ক
নিমিত্ত-কাৰক	নিগনি-লৈ	নিগনিবোৰ লৈ
সম্বন্ধ পদ	নিগনি ৰ	নিগনিবোৰ-ৰ
অধিকৰণ কাৰক	নিগনি ত	নিগনিবোৰ-ত
কৰণ-কাৰক	নিগনি-ৰে	নিগনিবোৰে-ৰে

ঈকাৰান্ত 'ছোৱালী' শব্দ

এক-বচন		বহু-বচন
কৰ্তা-কাৰক	ছোৱালী এ, ছোৱালীয়	ছোৱালীবোৰ -এ, ছোৱালীবোৰ, ছোৱালীবিলাক-এ ছোৱালীবিলাক
কৰ্ম-কাৰক	ছোৱালী-ক	ছোৱালীবোৰ-ক ছোৱালীবিলাক ক
নিমিত্ত কাৰক	ছোৱালী-লৈ	ছোৱালীবোৰ-লে, ছোৱালীবিলাক লৈ
সম্বন্ধ-পদ	ছোৱালী-ৰ	ছোৱালীবোৰ-ৰ ছোৱালীবিলাক ৰ
অধিকৰণ কাৰক	ছোৱালী-ত	ছোৱালীবোৰ ত ছোৱালীবিলাক ত
কৰণ কাৰক	ছোৱালী ৰে	ছোৱালীবোৰ-ৰে ছোৱালীবিলাক ৰে

উকাৰান্ত 'গৰু' শব্দ

এক-বচন		বহু-বচন
কৰ্তা-কাৰক	গৰু-এ, গৰুৱে	গৰুবোৰ এ, গৰুবোৰ
কৰ্ম-কাৰক	গৰু-ক	গৰুবোৰ-ক
নিমিত্ত-কাৰক	গৰু-লৈ	গৰুবোৰ-লৈ
সম্বন্ধ-পদ	গৰু-ৰ	গৰুবোৰ-ৰ
অধিকৰণ-কাৰক	গৰু-ত	গৰুবোৰ-ত
কৰণ-কাৰক	গৰু-ৰে	গৰুবোৰে-ৰে

উকাৰান্ত 'উল্' শব্দ

এক-বচন		বহু-বচন
কৰ্তা-কাৰক	উল্-এ, উল্‌য়ে	উল্‌বোৰ-এ, উল্‌বোৰে
কৰ্ম-কাৰক	উল-ক	উল্‌বোৰ-ক
নিমিত্ত-কাৰক	উল্-লৈ	উল্‌বোৰ-লৈ
সম্বন্ধ-পদ	উল্-ৰ	উল্‌বোৰ-ৰ
অধিকৰণ কাৰক	উল-ত	উল্‌বোৰ-ত
কৰণ-কাৰক	উল্-ৰে	উল্‌বোৰে-ৰে

ঋকাৰান্ত 'পিতৃ' শব্দ

এক-বচন		বহু বচন
কৰ্তা-কাৰক	পিতৃ-এ, পিতৃয়ে	পিতৃসকল-এ, পিতৃসকলে
কৰ্ম-কাৰক	পিতৃ-ক	পিতৃসকল ক
নিমিত্ত-কাৰক	পিতৃ-লৈ	পিতৃসকল-লৈ
সম্বন্ধ-পদ	পিতৃ-ৰ	পিতৃসকল-ৰ
অধিকৰণ কাৰক	পিতৃ-ত	পিতৃসকল-ত
কৰণ কাৰক	পিতৃ-ৰে	পিতৃসকলে-ৰে

একাৰান্ত 'মানে' শব্দ

এক-বচন		বহু-বচন
কৰ্তা-কাৰক	মানে-এ, মানে	মানেবোৰ-এ মানেবোৰে
কৰ্ম-কাৰক	মানে-ক	মানেবোৰ-ক
নিমিত্ত-কাৰক	মানে-লৈ	মানেবোৰ-লৈ
সম্বন্ধ-পদ	মানে-ৰ	মানেবোৰ-ৰ
অধিকৰণ-কাৰক	মানে-ত	মানেবোৰ-ত
কৰণ-কাৰক	মানে-ৰে	মানেবোৰে-ৰে

একাৰান্ত 'ভুবে' শব্দ

এক-বচন		বহু-বচন
কৰ্তা-কাৰক	ভুবে-এ ভুবে	ভুবেবিলাক-এ, ভুবেবিলাকে
কৰ্ম-কাৰক	ভুবে-ক	ভুবেবিলাক-ক
নিমিত্ত-কাৰক	ভুবে লৈ	ভুবেবিলাক-লৈ
সম্বন্ধ-পদ	ভুবে-ৰ	ভুবেবিলাক-ৰ
অধিকৰণ-কাৰক	ভুবে-ত	ভুবেবিলাক-ত
কৰণ-কাৰক	ভুবে-ৰে	ভুবেবিলাক ৰে

ঐকাৰান্ত 'মুদৈ' শব্দ

এক-বচন		বহু-বচন
কৰ্তা-কাৰক	মুদৈ-এ, মুদৈয়ে	মুদৈবিলাক এ, মুদৈবিলাকে
কৰ্ম-কাৰক	মুদৈ-ক	মুদৈবিলাক ক
নিমিত্ত-কাৰক	মুদৈ-লৈ	মুদৈবিলাক-লৈ,
সম্বন্ধ-পদ	মুদৈ-ৰ	মুদৈবিলাক ৰ
অধিকৰণ-কাৰক	মুদৈ-ত	মুদৈবিলাক-ত
কৰণ-কাৰক	মুদৈ-ৰে	মুদৈবিলাকে-ৰে

ওকাৰান্ত 'লো' শব্দ

এক-বচন		বহু-বচন
কৰ্তা-কাৰক	লো-এ, লোৱে	লোবোৰ এ, লোবোৰে
কৰ্ম-কাৰক	লো-ক	লোবোৰ-ক
নিমিত্ত কাৰক	লো-লৈ	লোবোৰ লৈ
সম্বন্ধ পদ	লো-ৰ	লোবোৰ-ৰ
অধিকৰণ কাৰক	লো-ত	লোবোৰ-ত
কৰণ-কাৰক	লো-ৰে	লোবোৰে-ৰে

ঔকাৰান্ত 'কপৌ' শব্দ

	এক বচন	বহু-বচন
কৰ্তা-কাৰক	কপৌ এ, কপৌয়	কপৌবোৰ -এ, কপৌবোৰে
কৰ্ম-কাৰক	কপৌ-ক	কপৌবোৰ-ক
নিমিত্ত-কাৰক	কপৌ-লৈ	কপৌবোৰ-লৈ
সম্বন্ধ-পদ	কপৌ-ৰ	কপৌবোৰ-ৰ
অধিকৰণ-কাৰক	কপৌ-ত	কপৌবোৰ-ত
কৰণ-কাৰক	কপৌ-ৰে	কপৌবোৰ-ৰে

আওকাৰান্ত 'নাও শব্দ

	এক-বচন	বহু-বচন
কৰ্তা-কাৰক	নাও-এ, নাৱে	নাওবোৰ -এ নাওবোৰে
কৰ্ম-কাৰক	নাৱ-ক	নাওবোৰ-ক
নিমিত্ত-কাৰক	নাব-লৈ	নাওবোৰ-লৈ
সম্বন্ধ-পদ	নাৱ-ৰ	নাওবোৰ-ৰ
অধিকৰণ-কাৰক	নাৱ-ত	নাওবোৰ-ত
কৰণ-কাৰক	নায়ে-ৰে	নাওবোৰে-ৰে

স্বিস্বৰান্ত 'আই শব্দ

	এক-বচন	বহু-বচন
কৰ্তা-কাৰক	আই-এ, আয়ে	আইসকল্-এ, আইসকলে
কৰ্ম-কাৰক	আই-ক	আইসকল-ক
নিমিত্ত-কাৰক	আই-লৈ	আইসকল-লৈ
সম্বন্ধ-পদ	আই-ৰ	আইসকল-ৰ
অধিকৰণ-কাৰক	আই-ত	আইসকল-ত
কৰণ-কাৰক	আই-ৰে	আইসকলে-ৰে

দ্বিস্বৰান্ত 'জুই' শব্দ

এক-বচন		বহু-বচন
কৰ্তা-কাৰক	জুই-এ, জুয়ে	জুইবোৰ্-এ, জুইবোৰে
কৰ্ম-কাৰক	জুই-ক	জুইবোৰ-ক
নিমিত্ত-কাৰক	জুই-লৈ	জুইবোৰ-লৈ
সম্বন্ধ-পদ	জুই-ৰ	জুইবোৰ-ৰ
অধিকৰণ-কাৰক	জুই-ত	জুইবোৰ-ত
কৰণ-কাৰক	জুই-ৰে	জুইবোৰে-ৰে

দ্বিস্বৰান্ত 'ঘিউ' শব্দ

এক বচন		বহু-বচন
কৰ্তা কাৰক	ঘিউ-এ, ঘিউয়ে	ঘিউবোৰ এ, ঘিউবোৰে
কৰ্ম-কাৰক	ঘিউ-ক	ঘিউবোৰ-ক
নিমিত্ত-কাৰক	ঘিউ-লৈ	ঘিউবোৰ-লৈ
সম্বন্ধ পদ	ঘিউ-ৰ	ঘিউবোৰ-ৰ
অধিকৰণ-কাৰক	ঘিউ-ত	ঘিউবোৰ ত
কৰণ কাৰক	ঘিউ-ৰে	ঘিউবোৰে-ৰে

অনুস্বাৰান্ত 'শিং' শব্দ

এক-বচন		বহু বচন
কৰ্তা-কাৰক	শিং-এ, শিঙে	শিংবোৰ এ, শিংবোৰে
কৰ্ম-কাৰক	শিঙ-ক	শিংবোৰ-ক
নিমিত্ত-কাৰক	শিঙ-লৈ	শিংবোৰ-লৈ
সম্বন্ধ-পদ	শিঙ-ৰ	শিংবোৰ-ৰ
অধিকৰণ-কাৰক	শিঙ-ত	শিংবোৰ-ত
কৰণ-কাৰক	শিঙে-ৰে	শিংবোৰে-ৰে

৩৩ এইখিনিলৈকে পোৱা প্ৰাতিপদিক আৰু প্ৰকৃতিৰ পাছত ব্যৱহাৰ হোৱা প্ৰত্যয়বোৰক খণ্ড খণ্ড ভাৱে তলত দিয়াধৰণে দেখুৱাব পাৰি

মানুহ মানুহ

মানুহে মানুহ-এ

মানুহবোৰ মানুহ-বোৰ

মানুহবোৰে মানুহ-বোৰ এ

মানুহকেতবোৰ মানুহ-কেত-বোৰ

মানুহকেতবোৰে মানুহ-কেত বোৰ-এ

মানুহজন মানুহ-জন

মানুহজনে মানুহ-জন-এ

মানুহহুজন . মানুহ-হু-জন

মানুহহুজনে মানুহ-হু-জন-এ

মানুহকেইজন . মানুহ-কেই-জন

মানুহকেইজনে মানুহ-কেই-জন-এ

মানুহকেইজনমান মানুহ-কেই-জন-মান

মানুহকেইজনমানে মানুহ-কেই-জন-মান-এ

মানুহকেইজনীমানে মানুহ-কেই-জন-ঈ-মান-এ

নাতিনীকেইজনীমানে নাতি-নী-কেই-জন-ঈ-মান-এ

নাতিনীয়েককেইজনীমানে নাতি-নী-এক-কেই-জন-ঈ-মান-এ

৩৪ **বিশেষণ** বাক্যত ব্যৱহাৰ হওঁতে কিছুমান শব্দ সচৰাচৰ বিশেষ্য-শব্দৰ আগত বহে আৰু বিশেষ্য-শব্দটোৰ লগত এটা বিশেষ সম্বন্ধ স্থাপন কৰে। এনে শব্দবোৰ বিশেষণ-শব্দ। এইখন ভাল কিতাপ। তেওঁলোক ভাতৰ মানুহ। এই বাক্যদুটাত ভাল আৰু ভাতৰ শব্দ দুটাই ক্ৰমে কিতাপ আৰু মানুহ এই বিশেষ্য-শব্দদুটাৰ আগত বহি সেই শব্দদুটাৰে সৈতে ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিছে।

গতিকে ভাল, ডাঙৰ এই শব্দদুটা বিশেষণ-শব্দ (দ্ৰষ্টব্য পৰি (১৭,১৭ ১)। কোনো কোনো ক্ষেত্ৰত বিশেষণ শব্দটো বিশেষ্য-শব্দটোৰ পাছতো বহিব পাৰে, তথাপি বিশেষ্য আৰু বিশেষণ-শব্দদুটাৰ মাজত সম্পৰ্ক থাকিবই, যেনে, সি এটা সৰু ঘৰত থাকে। তাৰ ঘৰটো সৰু। ইয়াত সৰু শব্দটো বিশেষণ আৰু ঘৰ শব্দটো বিশেষ্য-শব্দ। কেতিয়াবা বিশেষণ-শব্দ এটাৰ বিশেষ্যশব্দৰূপে ব্যৱহাৰ হ'ব পাৰে। ধনী মানুহৰ কথা সুকীয়া। ধনীয়ে দুখীয়াৰ কথা কি বুজিব ? এই বাক্যদুটাৰ প্ৰথমৰ ধনী শব্দটো বিশেষণ আৰু দ্বিতীয় ধনী শব্দটো বিশেষ্য-শব্দ। কেতিয়াবা একেটা শব্দই এঠাইত বিশেষ্য আৰু আন ঠাইত বিশেষণশব্দৰূপে ব্যৱহাৰ হ'লে আৰু শব্দটো ইকাৰান্ত হ'লে, বিশেষ্য-ৰূপটো ইকাৰান্তভাৱে ৰাখি বিশেষণৰ ৰূপটো ঈকাৰান্ত-ৰূপে লেখা হয়, যেনে, আৰতিণি কিন্তু আৰতুণী গীত। এই নীতিটো সকলোৱে সকলো ক্ষেত্ৰতে ব্যৱহাৰ নকৰে। আচলতে সকলোতে নীতিটো মানি লোৱাটোহে ভাষাটোৰ লেখন-পদ্ধতিৰ শৃঙ্খলাৰ খাতিৰত ভাল। সেই অনুযায়ী মুকলি, কিন্তু মুকলী ঠাই; নামনি, কিন্তু নামনী অসম আদি ৰূপ হ'ব।

৩৪ ১ কিছুমান বিশেষণ-শব্দৰ পাছত বিশেষ্য-শব্দৰ লগত ব্যৱহাৰ হোৱা বহু-বচনৰ প্ৰত্যয় বা নিৰ্দিষ্টতাবাচক প্ৰত্যয়, স্ত্ৰী-প্ৰত্যয়, আৰু শব্দ-বিভক্তি লগ লগাই সেইবোৰক বিশেষ্যশব্দৰূপে ব্যৱহাৰ কৰিব পাৰি; যেনে, ভাল-বোৰ, বেয়া-বোৰ, ভাল-টো, বেয়া-টো, ভাল-খিনি, বেয়া-খিনি, বগা, বগী, ক'লা, ক'লী; বুঢ়া, বুঢ়ী, (ভাল-এ) ভালে ভাল-ক পায়, ভাল-ৰ ভালখিনি দিয়া ইত্যাদি। বিশেষণ-শব্দটো বিশেষ্য-শব্দটোৰ পাছত বহিলে স্ত্ৰীলিঙ্গ-ৰূপৰ শব্দটো পুংলিঙ্গ-ৰূপত ব্যৱহাৰ হয়, যেনে, ধুনীয়া ছোৱালী, কিন্তু ছোৱালীজনী ধুনীয়া। বগী গাই, কিন্তু গাইজনী বগা। ভাষাৰ সৌষ্ঠৱ বঢ়োৱাৰ কাৰণে নাইবা পৰম্পৰা অনুসৰণ

কৰা বাবে কেতিয়াবা কোনো কোনোৱে নিৰ্জীৱ বস্তুতো সজীৱতা আৰোপ কৰে আৰু তাৰ আগত বহা বিশেষণ-শব্দক স্ত্ৰীবাচক ৰূপত ব্যৱহাৰ কৰে, যেনে, পুৱতী নিশা, বোৱতী সুঁতি, বেগৱতী নদী, অচলা ভক্তি, নিলাজী ধৰিত্ৰী, সুন্দৰী পৃথিৱী, হিতৈষিণী সভা ইত্যাদি। পৰম্পৰা অনুযায়ী কেতিয়াবা স্ত্ৰীবাচক ৰূপৰ আগত বহা বিশেষণ-শব্দটো স্ত্ৰীবাচক হয়, যেনে, বিদুষী মহিলা, বিশিষ্টা মহিলা ইত্যাদি। কেতিয়াবা ক্ৰিয়া-বিশেষণৰ ৰূপ এটাও বিশেষণ-হিচাপে ব্যৱহাৰ হোৱা দেখা যায়, যেনে, 'অতিকৈ চেনেহৰ মুগাৰে মহুৰা'। তেনেকৈ বিশেষণৰ ৰূপ এটাও ক্ৰিয়া-বিশেষণৰূপে ব্যৱহাৰ হ'ব পাৰে, যেনে তেওঁ ভাল জানে, বেছি নকওঁ, অতিপাত গৰম। সচৰাচৰ ব্যৱহাৰ হোৱা বিশেষণ-শব্দকেইটামান এনেকুৱা, বগা, ক'লা, ৰঙা, নীলা, হালধীয়া, ৰঙচুৱা, ভাল, বেয়া, ধুনীয়া, ওখ, চাপৰ, ডাঙৰ, দীঘল সৰু, বেকা, পোণ, চুটি (চুটী), সঁচা, মিছা, ভোদা, চুপত, চেঁচা বৰ (বৰ পো, বৰ জী), সৰহ, কম বেছি (বেছি কথা, কম বাম), অতি (ভক্তি, বৃষ্টি) অতিপাত (বৰষুণ)।

৩৪২ কিছুমান সৰ্বনাম-শব্দ আৰু সৰ্বনাম-মূলৰ পৰা কিছুমান গুণবাচক আৰু কিছুমান পৰিমাণবাচক বিশেষণ-শব্দ সৃষ্টি হয়। উদাহৰণ

(ক) গুণবাচক বিশেষণ এনে এনে-কুৱা
ত্-এনে, তেনে, তেনে-কুৱা
য-এনে, যেনে, যেনেকুৱা,
যেনে তেনে (যেনে চোৰ তেনে টাঙন)
ক্-এনে, কেনে, কেনে-কুৱা

(খ) পৰিমাণবাচক বিশেষণ. ই-মান, সি-মান, কি-মান,
বি-মান, যিমান সিমান
(যিমান দান সিমান পুণ্য)

৩৫ বিশেষণৰ তুলনা এটা বা এজনক আন এটা বা আন এজনৰ লগত তুলনা কৰিবলৈ হ'লে যাৰ লগত তুলনা কৰা হয়, সেই শব্দটোৰ অধিকৰণ-কাৰকৰ ৰূপৰ লগত 'কৈ' যোগ দি পাছত বিশেষণ-শব্দটো বহুৱাব লাগে, যেনে, ৰাম হৰিতকৈ সক বা হৰিতকৈ ৰাম সক, গোপাল যদুতকৈ ডাঙৰ বা যদুতকৈ গোপাল ডাঙৰ। আন বহুতৰ মাজৰ পৰা এটা বা এজনৰ তুলনা দাঙি ধৰিবলৈ হ'লে, আটাই, সকলো আদি শব্দৰ অধিকৰণ-কাৰকৰ ৰূপৰ পাছত 'কৈ' লগ লগাই বিশেষণ শব্দটো পাছত দিব লাগে, যেনে, সি আটাইতকৈ সক বা সি আটাইবোৰতকৈ সক বা আটাই-তকৈ সি সক বা আটাইবোৰতকৈ সি সক, সি সকলোতকৈ সক।

৩৬ সৰ্বনাম ঃ বিশেষ্য-শব্দৰে সৈতে কোনো কোনো ক্ষেত্ৰত সাদৃশ্য দেখা গ'লেও কিছুমান স্বকীয়া বৈশিষ্ট্যযুক্ত শব্দক সৰ্বনাম-শব্দ বুলিবলগীয়া হয়। বিশেষ্য-শব্দৰ নিচিনা এই শব্দবোৰৰ বহু-বচনৰ ৰূপ পাবলৈ হ'লে বিশেষ্য-শব্দৰ পাছত লগ লগা আটাইবোৰ বহু-বচনৰ প্ৰত্যয় লগ লগাব লাগে। সিহঁতে কিন্তু অকল বহু-বচনৰ অৰ্থহে প্ৰকাশ কৰে। এই প্ৰত্যয়বোৰ ৰূপসাপেক্ষ, যেনে, যি-বোৰ, যি-বিলাক, সি-হঁত, তেওঁ-লোক, তেখেত-সকল ইত্যাদি। বিশেষ্য-শব্দৰ পাছত লগ লগা নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ -টো, -জন, -জনী কিছুমান সৰ্বনাম-শব্দৰ পাছত লগ লাগে, যেনে, ই-টো, সি-টো, এই-টো, সেই-টো, সৌ-টো, যি-টো, কোন-টো, কোনো-টো। এইবোৰৰ লগত -জন আৰু -জনীও লগ লাগিব। বিশেষ্য-শব্দৰ নিচিনা কিছুমান সৰ্বনাম-শব্দৰ পাছত নিৰ্দিষ্টতাবাচক প্ৰত্যয় -টো -জন, -জনীৰ সংযোগৰ দ্বাৰা পুৰুষবাচক শব্দক স্ত্ৰীবাচক কৰা হয়। কিছুমান সৰ্বনাম-শব্দৰ পুৰুষ আৰু স্ত্ৰীবাচক ভিন্ন শব্দ ব্যৱহাৰ কৰিও লিঙ্গৰ প্ৰভেদ দেখুওৱা হয়, যেনে, ই কিন্তু এই, সি, কিন্তু তাই। কিছুমান শব্দ পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ দুয়োটা ৰূপতে একে হৈ থাকে যেনে, মই, তই, তুমি, আপুনি, তেওঁ, তেখেত, এওঁ, এখেত যি, কোন, কোনো, কোনোবা কেও আদি। ই আৰু সি সৰ্বনাম-শব্দদুটাৰ পুংলিঙ্গৰ উপৰি ক্লীবলিঙ্গতো ব্যৱহাৰ হয়। অপ্ৰাণীবাচক শব্দবোৰকে ক্লীবলিঙ্গ বুলি ভাবিব লাগে। কাৰকৰ সম্পৰ্কৰ ক্ষেত্ৰত সৰ্বনামবোৰে বিশেষ্য-শব্দৰ নীতি অনুসৰণ কৰে। অৰ্থাৎ কাৰকৰ সম্পৰ্ক বুজাবলৈ বিশেষ্য-শব্দৰ পাছত ব্যৱহাৰ হোৱা একে শব্দ-বিভক্তি আৰু শব্দ-বিভক্তিৰ পাছত ব্যৱহাৰ হোৱা একে পৰ-সৰ্গ যোগ হয়, যেনে, সিহঁত্-এ, সিহঁতে, সিহঁত-ক, সিহঁত-লৈ, সিহঁত-ৰ, সিহঁত-ত, সিহঁত-ৰ পৰা, সিহঁত-ৰ দ্বাৰা।

৩৭ সৰ্বনাম-শব্দবোৰৰ নিজস্ব বৈশিষ্ট্যবোৰ তলত দিয়া ধৰণৰ ঃ

(ক) কিছুমান সৰ্বনাম-শব্দৰ এক-বচন আৰু বহু-বচনৰ ৰূপ স্বকীয়া, যেনে, মই, কিন্তু আমি। কিছুমান সৰ্বনাম-শব্দৰ অকল

এক-বচনৰ ৰূপহে পোৱা যায় যেনে এইয়া, সেইয়া, সৌৱা, কেও, একো, কিছু।

(খ) কিছুমান সৰ্বনামৰ বিভিন্ন পুৰুষৰ বিভিন্ন ৰূপ আছে। এনে সৰ্বনামবোৰৰ তিনিটা পুৰুষ প্ৰথম, দ্বিতীয়, আৰু তৃতীয়। যি কয় সি প্ৰথম পুৰুষ। মই প্ৰথম পুৰুষৰ সৰ্বনাম। যাক কোৱা যায় সি দ্বিতীয় পুৰুষ। তই, তুমি, আপুনি দ্বিতীয় পুৰুষৰ সৰ্বনাম। বাকী সি, তাই, তেওঁ, তেখেত আদি তৃতীয় পুৰুষৰ সৰ্বনাম।*

(গ) দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সৰ্বনামবোৰৰ তুচ্ছ, মান্য আৰু অধিক মান্য এই তিনিটা মৰ্যাদা আছে। সেইবোৰ এনেকুৱা তই (তুচ্ছ), তুমি (মান্য), আপুনি (অধিক মান্য) সি, তাই (তুচ্ছ), তেওঁ (মান্য), তেখেত (অধিক মান্য), ই, এই (তুচ্ছ), এওঁ (মান্য) এখেত (অধিক মান্য)। কোনো কোনোৱে 'আপুনি'ক তৃতীয় পুৰুষৰ সৰ্বনাম বুলি কয়, কিয়নো ইয়াৰ লগত তৃতীয় পুৰুষৰ ক্ৰিয়াহে যোগ হয়, যেনে, সি যাব, আপুনি যাব। মৰ্যাদাৰ ফালৰ পৰা 'আপুনি' অধিক মান্যাৰ্থৰ সৰ্বনাম। গতিকে 'ব্যৱহাৰত ই (আপুনি) দ্বিতীয় পুৰুষ যেন'।[৭]

(ঘ) ব্যঞ্জনান্ত সৰ্বনাম-শব্দবোৰৰ ব্যঞ্জনান্ত বিশেষ্য-শব্দবোৰৰ নিচিনা পৰিবৰ্তন হয়, যেনে, সিহঁত, সিহঁতে-এ, সিহঁতে, সিহঁত-ক, সিহঁত-লৈ আদি। ইকাৰান্ত আৰু অইকাৰান্ত সৰ্বনাম-শব্দবোৰৰ কৰ্ম-কাৰক, নিমিত্ত-কাৰক, সম্বন্ধ-পদ, আৰু অধিকৰণ-কাৰকত একোটা তিৰ্যক-ৰূপ হ'ব, যেনে মই, মো-ক, মো-লৈ, মো-ৰ, মো-ত, সি, তা-ক, তা-লৈ, তা-ৰ, তা-ত, ইত্যাদি। তই সৰ্বনাম-শব্দটোৰ বহু-বচনৰ প্ৰত্যয় লগ লাগিলে এটা তিৰ্যক-ৰূপ হয়, যেনে, তই কিন্তু ত-হঁত। তুমি আৰু আপুনি শব্দৰ পাছত বহু-বচনৰ প্ৰত্যয় লোক বা

---

* "Persons refer to the three possible subjects of speech the person speaking (first person), the person spoken to (second person) anyone or anything else (third person)—Understanding Grammar

৭ সত্যনাথ বৰা : বহল ব্যাকৰণ

সকল দ্বিৰ্বক-ৰূপ এটাৰ পাছতহে লগ লাগে, যেনে, আপোনা-লোক আপোনা-সকল, তোমা-লোক।

(ঙ) স্বৰান্ত সৰ্বনাম-শব্দবোৰ সকৰ্মক ক্রিয়াৰ কৰ্তা হ'লেও সেইবোৰৰ পাছত কৰ্তা-কাৰকৰ প্রথমা বিভক্তি -এ যোগ নহয়। যেনে, সি যায়, সি খায়।

(চ) পুৰুষ আৰু স্ত্রীবাচক সৰ্বনামবোৰৰ লগত কাৰকৰ তৃতীয়া বিভক্তি -ৰে যোগ নহয়। কিন্তু বিশেষ্য-শব্দৰ নিচিনা পৰ-সৰ্গৰ ব্যৱহাৰৰ দ্বাৰা কৰণ-কাৰকৰ ভাব প্রকাশ কৰা হয় যেনে তা-ৰ দ্বাৰা, তোমা-ৰ দ্বাৰা, সিহঁত ৰ দ্বাৰা ইত্যাদি। সৈতে পৰ-সৰ্গৰ যোগত বিশেষ্য-শব্দৰ নিচিনা সৰ্বনাম-শব্দবোৰৰ পাছত কৰণ-কাৰকৰ-ৰে বিভক্তি যোগ হয় যেনে তা-ৰে সৈতে সিহঁত-ৰে সৈতে। কেতিয়াবা অকল -ৰে বিভক্তি যোগ দিও এই অৰ্থ প্রকাশ কৰা হয়, যেনে, মোৰে অৰ্থাৎ মোৰে সৈতে।

(ছ) সৰ্বনাম-শব্দবোৰ এক সীমিত সংখ্যাৰ।

(জ) সৰ্বনাম-শব্দৰহে কিছুমান ক্লীৱলিঙ্গৰ ৰূপ পোৱা যায় যেনে যিহ কিহ, কি, কিছু।

৩৮ সৰ্বনামবোৰৰ তালিকা ঃ

(১) পুৰুষবাচক

এক-বচন	বহু-বচন
১ম পুৰুষ পুং + স্ত্রী মই	আমি
২য় পুৰুষ (তুচ্ছ) পু + স্ত্রী তই	ত-হঁত তোমা-লোক
(মান্য) পু + স্ত্রী তুমি	আপোনা-লোক, আপোনা-সকল
(অধিক মান্য) পুং + স্ত্রী আপুনি	
৩য় পুৰুষ (তুচ্ছ) পুং সি স্ত্রী তাই	(পু + স্ত্রী) সি-হঁত
(মান্য) পুং + স্ত্রী তেওঁ	তেওঁ-লোক, তেওঁ-বিলাক
(অধিক মান্য) পুং + স্ত্রী তেখেত	তেখেত-সকল

(২) নিশ্চয়ৱাচক : (ক) নিকটৱৰ্ত্তী

এক-বচন			বহু-বচন
তুচ্ছ	পুং	ই	(পুং + স্ত্রী) ই-হঁত
	স্ত্রী	এই	এই-বোৰ, ই-বোৰ
	ক্লীৱ	এইটো	
		এইয়া	
মান্য	পুং + স্ত্রী	এওঁ	এওঁ-লোক এওঁ-বিলাক
অধিক মান্য	পুং + স্ত্রী	এখেত	এখেত-সকল

নিশ্চয়ৱাচক (খ) দূৰৱৰ্ত্তী

এক-বচন			বহু-বচন
তুচ্ছ	পুং	সি	(পুং + স্ত্রী) সি হঁত
	স্ত্রী	তাই	
	ক্লীৱ	সেইটো	সেই-বোৰ, সি-বোৰ
		সেইয়া	
মান্য	পুং + স্ত্রী	তেও	তেওঁ-লোক, তেওঁ-বিলাক
অধিক মান্য	পুং + স্ত্রী	তেখেত	তেখেত-সকল

নিশ্চয়ৱাচক (গ) অধিক দূৰৱৰ্ত্তী

এক-বচন	বহু-বচন
সৌ-টো	সৌ-বোৰ
সৌৱা	

(৩) সম্বন্ধৱাচক

এক-বচন		বহু-বচন
পুং + স্ত্রী	যি	যি-বোৰ, যি-বিলাক, যি-সকল
ক্লীৱ	যিহ	যি-বোৰ

(৪) প্ৰশ্নৱাচক

এক-বচন		বহু-বচন
পুং + স্ত্ৰী	কোন	কোন-বোৰ, কোন-বিলাক,
		কোন কোন
ক্লীৱ	কি	কি-বোৰ, কি কি
	কিহ	কি-বোৰ

(৫) অনিৰ্দিষ্টতাৱাচক

এক-বচন		বহু-বচন
পুং + স্ত্ৰী	কোনো	কোনো কোনো
	কোনোবা	কোনোবা কোনোবা
	কেও	
ক্লীৱ	একো	
	কিছু	

(৬) নিজৱাচক

এক-বচন		বহু-বচন
পুং + স্ত্ৰী	নিজ	নিজ নিজ

(৭) সমষ্টিৱাচক

এক-বচন		বহু-বচন
পুং + স্ত্ৰী + ক্লীৱ	সকলো	সকলোবোৰ সকলো-বিলাক
	আটাই	আটাই-বোৰ, আটাই-বিলাক

৩৯ **সৰ্বনাম-শব্দবোৰৰ ৰূপ :** সম্বন্ধ-পদ আৰু বিভিন্ন কাৰকত শব্দ-বিভক্তি আৰু সেইবোৰৰ পাছত লগ লগা পৰ-সৰ্গবোৰ যোগ হ'লে সৰ্বনাম-শব্দবোৰৰ কেনে পৰিৱৰ্তন ঘটে, তলত দিয়া সৰ্বনাম-শব্দ-ৰূপবোৰে বুজাত সহায় কৰিব .

মই	এক-বচন	বহু-বচন
কৰ্ত্তা-কাৰক	মই	আমি
কৰ্ম্ম-কাৰক	মো-ক	আমা-ক
নিমিত্ত-কাৰক	মো-লৈ	আমা-লৈ
সম্বন্ধ-পদ	মো-ৰ	আমা ৰ
অধিকৰণ-কাৰক	মো-ত	আমা-ত
কৰণ-কাৰক	মো-ৰ-দ্বাৰা	আমা-ৰ দ্বাৰা
অপাদান-কাৰক	মো-ৰ পৰা	আমা-ৰ পৰা

তই	এক-বচন	বহু-বচন
কৰ্ত্তা-কাৰক	তই	তহঁত্-এ, তহঁতে
কৰ্ম্ম-কাৰক	তো-ক	তহঁত-ক
নিমিত্ত-কাৰক	তো-লৈ	তহঁত-লৈ
সম্বন্ধ-পদ	তো-ৰ	তহঁত-ৰ
অধিকৰণ-কাৰক	তো-ত	তহঁত-ত
কৰণ-কাৰক	তো-ৰ দ্বাৰা	তহঁত-ৰ দ্বাৰা
অপাদান-কাৰক	তো-ৰ পৰা	তহঁত-ৰ পৰা

তুমি	এক-বচন	বহু-বচন
কৰ্ত্তা-কাৰক	তুমি	তোমালোক-এ, তোমালোকে
কৰ্ম-কাৰক	তোমা-ক	তোমালোক-ক
নিমিত্ত-কাৰক	তোমা-লৈ	তোমালোক-লৈ
সম্বন্ধ-পদ	তোমা-ৰ	তোমালোক-ৰ
অধিকৰণ-কাৰক	তোমা-ত	তোমালোক-ত
কৰণ-কাৰক	তোমাৰ দ্বাৰা	তোমালোক-ৰ দ্বাৰা
অপাদান-কাৰক	তোমা-ৰ পৰা	তোমালোক-ৰ পৰা

আপুনি	এক-বচন	বহু বচন
কৰ্ত্তা কাৰক	আপুনি	আপোনালোক্-এ, আপোনালোকে, আপোনাসকল্-এ, আপোনাসকলে
কৰ্ম-কাৰক	আপোনা-ক	আপোনালোক-ক, আপোনাসকল-ক
নিমিত্ত-কাৰক	আপোনা-লৈ	আপোনালোক-লৈ, আপোনাসকল-লৈ
সম্বন্ধ-পদ	আপোনা-ৰ	আপোনালোক-ৰ, আপোনাসকল-ৰ
অধিকৰণ-কাৰক	আপোনা-ত	আপোনালোক-ত, আপোনাসকল-ত
কৰণ-কাৰক	আপোনা-ৰ দ্বাৰা	আপোনালোক-ৰ দ্বাৰা, আপোনাসকল-ৰ দ্বাৰা
অপাদান-কাৰক	আপোনা-ৰ পৰা	আপোনালোক-ৰ পৰা, আপোনাসকল-ৰ পৰা

সি	এক-বচন	বহু-বচন
কৰ্তা-কাৰক	সি	সিহঁত-এ, সিহঁতে
কৰ্ম-কাৰক	তা-ক	সিহঁত-ক
নিমিত্ত-কাৰক	তা-লৈ	সিহঁত-লৈ
সম্বন্ধ-পদ	তা-ৰ	সিহঁত-ৰ
অধিকৰণ-কাৰক	তা-ত	সিহঁত-ত
কৰণ-কাৰক	তা-ৰ দ্বাৰা	সিহঁত-ৰ দ্বাৰা
অপাদান-কাৰক	তা-ৰ পৰা	সিহঁত-ৰ পৰা

তাই	এক-বচন	বহু-বচন
কৰ্তা-কাৰক	তাই	সিহঁত-এ, সিহঁতে
কৰ্ম-কাৰক	তাই-ক	সিহঁত-ক
নিমিত্ত-কাৰক	তাই-লৈ	সিহঁত-লৈ
সম্বন্ধ-পদ	তাই-ৰ	সিহঁত-ৰ
অধিকৰণ-কাৰক	তাই-ত	সিহঁত-ত
কৰণ-কাৰক	তাই-ৰ দ্বাৰা	সিহঁত-ৰ দ্বাৰা
অপাদান-কাৰক	তাই-ৰ পৰা	সিহঁত-ৰ পৰা

তেওঁ	এক-বচন	বহু-বচন
কৰ্ত্তা কাৰক	তেওঁ	তেওঁলোক্-এ, তেওঁলোকে তেওঁবিলাক্-এ, তেওঁবিলাকে
কৰ্ম-কাৰক	তেওঁ-ক	তেওঁলোক-ক, তেওঁবিলাক-ক
নিমিত্ত কাৰক	তেওঁ-লৈ	তেওঁলোক-লৈ, তেওঁবিলাক-লৈ
সম্বন্ধ পদ	তেওঁ-ৰ	তেওঁলোক-ৰ, তেওঁবিলাক-ৰ
অধিকৰণ কাৰক	তেওঁ-ত	তেওঁলোক-ত, তেওঁবিলাক-ত
কৰণ কাৰক	তেওঁ-ৰ দ্বাৰা	তেওঁলোক ৰ দ্বাৰা, তেওঁবিলাক-ৰদ্বাৰা
অপাদান-কাৰক	তেওঁ-ৰ পৰা	তেওঁলোক-ৰ পৰা, তেওঁবিলাক-ৰপৰা

তেখেত	এক বচন	বহু-বচন
কৰ্ত্তা-কাৰক	তেখেত-এ, তেখেতে	তেখেতসকল-এ, তেখেতসকলে
কৰ্ম-কাৰক	তেখেত-ক	তেখেতসকল-ক
নিমিত্ত-কাৰক	তেখেত-লৈ	তেখেতসকল-লৈ
সম্বন্ধ-পদ	তেখেত-ৰ	তেখেতসকল-ৰ
অধিকৰণ-কাৰক	তেখেত-ত	তেখেতসকল-ত
কৰণ-কাৰক	তেখেত ৰ দ্বাৰা	তেখেতসকল-ৰ দ্বাৰা
অপাদান-কাৰক	তেখেত-ৰ পৰা	তেখেতসকল-ৰ পৰা

ই	এক-বচন	বহু-বচন
কৰ্ত্তা-কাৰক	ই	ইহঁত্-এ, ইহঁতে
কৰ্ম-কাৰক	ইয়া-ক	ইহঁত-ক
নিমিত্ত-কাৰক	ইয়া-লৈ	ইহঁত-লৈ
সম্বন্ধ-পদ	ইয়া-ৰ	ইহঁত-ৰ
অধিকৰণ-কাৰক	ইয়া-ত	ইহঁত-ত
কৰণ-কাৰক	ইয়া-ৰ দ্বাৰা	ইহঁত-ৰ দ্বাৰা
অপাদান-কাৰক	ইয়া-ৰ পৰা	ইহঁত-ৰ পৰা

এই	এক-বচন	বহু-বচন
কৰ্ত্তা-কাৰক	এই	ইহঁত্-এ, ইহঁতে
কৰ্ম্ম-কাৰক	এই-ক	ইহঁত-ক
নিমিত্ত-কাৰক	এই-লৈ	ইহঁত-লৈ
সম্বন্ধ-পদ	এই-ৰ	ইহঁত-ৰ
অধিকৰণ-কাৰক	এই-ত	ইহঁত-ত
কৰণ-কাৰক	এই-ৰ দ্বাৰা	ইহঁত-ৰ দ্বাৰা
অপাদান-কাৰক	এই-ৰ পৰা	ইহঁত-ৰ পৰা

এইটো	এক-বচন	বহু-বচন
কৰ্ত্তা-কাৰক	এইটো-এ, এইটোৱে ,	এইবোৰ্-এ, এইবোৰে , ইবোৰ -এ, ইবোৰে
কৰ্ম্ম-কাৰক	এইটো-ক	এইবোৰ-ক, ইবোৰ-ক
নিমিত্ত-কাৰক	এইটো-লৈ	এইবোৰ-লৈ, ইবোৰ-লৈ
সম্বন্ধ-পদ	এইটো-ৰ	এইবোৰ-ৰ, ইবোৰ-ৰ
অধিকৰণ কাৰক	এইটো-ত	এইবোৰ-ত, ইবোৰ-ত
কৰণ-কাৰক	এইটো-ৰ দ্বাৰা	এইবোৰ-ৰ দ্বাৰা, ইবোৰ-ৰ দ্বাৰা
অপাদান কাৰক	এইটো-ৰ পৰা	এইবোৰ-ৰ পৰা, ইবোৰ-ৰ পৰা

এওঁ	এক-বচন	বহু-বচন
কৰ্ত্তা-কাৰক	এওঁ	এওঁলোক্-এ, এওঁলোকে , এওঁবিলাক্ এ, এওঁবিলাকে
কৰ্ম্ম-কাৰক	এওঁ-ক	এওঁলোক-ক, এওঁবিলাক-ক
নিমিত্ত-কাৰক	এওঁ-লৈ	এওঁলোক-লৈ, এওঁবিলাক-লৈ
সম্বন্ধ-পদ	এওঁ-ৰ	এওঁলোক-ৰ, এওঁবিলাক-ৰ
অধিকৰণ-কাৰক	এওঁ-ত	এওঁলোক-ত, এওঁবিলাক-ত
কৰণ-কাৰক	এওঁ-ৰ দ্বাৰা	এওঁলোক-ৰ দ্বাৰা, এওঁবিলাক-ৰ দ্বাৰা
অপাদান-কাৰক	এওঁ-ৰ পৰা	এওঁলোক-ৰ পৰা, এওঁবিলাক-ৰ পৰা

এখেত	এক-বচন	বহু-বচন
কৰ্ত্তা-কাৰক	এখেত-এ, এখেতে	এখেতসকল্‌-এ, এখেতসকলে
কৰ্ম-কাৰক	এখেত-ক	এখেতসকল-ক
নিমিত্ত-কাৰক	এখেত-লৈ	এখেতসকল-লৈ
সম্বন্ধ-পদ	এখেত-ৰ	এখেতসকল-ৰ
অধিকৰণ-কাৰক	এখেত-ত	এখেতসকল-ত
কৰণ-কাৰক	এখেত-ৰ দ্বাৰা	এখেতসকল-ৰ দ্বাৰা
অপাদান-কাৰক	এখেত-ৰ পৰা	এখেতসকল-ৰ পৰা

য	এক-বচন	বহু-বচন
কৰ্ত্তা-কাৰক	যি	যিবোৰ-এ, যিবোৰে যিবিলাক্‌-এ, যিবিলাকে, যিসকল এ, যিসকলে
কৰ্ম-কাৰক	যা-ক	যিবোৰ-ক, যিবিলাক-ক, যিসকল-ক
নিমিত্ত-কাৰক	যা-লৈ	যিবোৰ-লৈ, যিবিলাক-লৈ যিসকল-লৈ
সম্বন্ধ পদ	যা ৰ	যিবোৰ-ৰ, যিবিলাক-ৰ, যিসকল-ৰ
অধিকৰণ-কাৰক	যা-ত	যিবোৰ-ত, যিবিলাক-ত, যিসকল-ত
কৰণ-কাৰক	যা-ৰ দ্বাৰা	যিবোৰ-ৰ দ্বাৰা, যিবিলাক-ৰ দ্বাৰা, যিসকল-ৰ দ্বাৰা
অপাদান-কাৰক	যা-ৰ পৰা	যিবোৰ-ৰ পৰা, যিবিলাক-ৰ পৰা, যিসকল-ৰ পৰা

ঘিহ	এক-বচন	বহু-বচন
কৰ্তা-কাৰক	ঘিহ্-এ, ঘিহে	ঘিবোৰ্-এ ঘিবোৰে
কৰ্ম-কাৰক	ঘিহ-ক	ঘিবোৰ-ক
নিমিত্ত-কাৰক	ঘিহ-লৈ	ঘিবোৰ-লৈ
সম্বন্ধ-পদ	ঘিহ-ৰ	ঘিবোৰ-ৰ
অধিকৰণ-কাৰক	ঘিহ-ত	ঘিবোৰ ত
কৰণ কাৰক	ঘিহ-ৰ দ্বাৰা	ঘিবোৰ-ৰ দ্বাৰা
অপাদান-কাৰক	ঘিহ-ৰ পৰা	ঘিবোৰ-ৰ পৰা

কোন	এক-বচন	বহু-বচন
কৰ্তা কাৰক	কোন এ, কোনে	কোনবোৰ-এ কোনবোৰ কোনবিলাক্-এ, কোনবিলাক, কোন্-এ কোন-এ, কোন কোনে
কৰ্ম-কাৰক	কা-ক	কোনবোৰ-ক, কোনবিলাক-ক কা-ক কা-ক
নিমিত্ত-কাৰক	কা-লৈ	কোনবোৰ-লৈ কোনবিলাক-লৈ কা-লৈ কা লৈ
সম্বন্ধ-পদ	কা-ৰ	কোনবোৰ-ৰ, কোনবিলাক-ৰ কা-ৰ কা-ৰ
অধিকৰণ-কাৰক	কা ত	কোনবোৰ-ত, কোনবিলাক-ত, কা-ত কা-ত
কৰণ-কাৰক	কা-ৰ-দ্বাৰা	কোনবোৰ-ৰ দ্বাৰা, কোনবিলাক-ৰ দ্বাৰা, কা-ৰ কা-ৰ দ্বাৰা
অপাদান-কাৰক	কা ৰ পৰা	কোনবোৰ-ৰ পৰা, কোনবিলাক-ৰ পৰা, কা-ৰ কা-ৰ পৰা

কিহ	এক-বচন	বহু-বচন
কৰ্তা-কাৰক	কিহ্-এ, কিহে	কিবোৰ্-এ, কিবোৰে
কৰ্ম-কাৰক	কিহ-ক	কিবোৰ-ক
নিমিত্ত-কাৰক	কিহ-লৈ	কিবাৰ লৈ
সম্বন্ধ-পদ	কিহ ৰ	কিবোৰ-ৰ
অধিকৰণ-কাৰক	কিহ-ত	কিবোৰ-ত
কৰণ-কাৰক	কিহ-ৰ দ্বাৰ	কিবাৰ-ৰ দ্বাৰা
অপাদান-কাৰক	কিহ-ৰ পৰা	কিবোৰ-ৰ পৰা

কোনো	এক-বচন	বহু-বচন
কৰ্ত্তা-কাৰক	কোনা-এ,	কোনো-এ কোনো এ কোনাৱে
	কোনাৱে	কোনাবে কোনো কোনোৱে
কৰ্ম-কাৰক	কোনো-ক	কোনো কোনো-ক
নিমিত্ত কাৰক	কোনে -লৈ	কোনা কোনো-লৈ
সম্বন্ধ-পদ	কোনো-ৰ	কোনা কোনা-ৰ
অধিকৰণ-কাৰক	কোনা-ত	কোনা কোনো-ত
কৰণ-কাৰক	কোনো ৰ দ্বাৰা	কোনা কোনো-ৰ দ্বাৰা
অপাদান-কাৰক	কোনো-ৰ পৰা	কোনো কোনা-ৰ পৰা

কোনোবা	এক-বচন	বহু-বচন
কৰ্তা কাৰক	কোনোবা-ই	কোনাবা-ই কোনাবা-ই
		কোনোবা কোনাবা-ই
কৰ্ম-কাৰক	কাৰবা-ক	কাৰবা-ক-কাৰবা ক, কাৰবা
		কাৰবা-ক
নিমিত্ত-কাৰক	কাৰবা-লৈ	কাৰবা কাৰবা-লৈ
সম্বন্ধ পদ	কাৰবা-ৰ	কাৰবা কাৰবা-ৰ
অধিকৰণ কাৰক	কাৰবা-ত	কাৰবা কাৰবা-ত
কৰণ-কাৰক	কাৰবা-ৰ দ্বাৰা	কাৰবা কাৰবা-ৰ দ্বাৰা
অপাদান-কাৰক	কাৰবা-ৰ পৰা	কাৰবা কাৰবা-ৰ পৰা

নিজ	এক বচন	বহু-বচন
কৰ্ত্তা-কাৰক	নিজ এ, নিজে	নিজ-এ নিজ-এ, নিজে নিজে
কৰ্ম-কাৰক	নিজ-ক	নিজ-ক নিজ-ক
নিমিত্ত-কাৰক	নিজ-লৈ	নিজ-লৈ নিজ-লৈ
সম্বন্ধ-পদ	নিজ-ৰ	নিজ-ৰ নিজ-ৰ
অধিকৰণ-কাৰক	নিজ-ত	নিজ-ত নিজ-ত
কৰণ-কাৰক	নিজ-ৰ দ্বাৰা	নিজ-ৰ নিজ-ৰ দ্বাৰা
অপাদান-কাৰক	নিজৰ-পৰা	নিজ-ৰ নিজ-ৰ পৰা

সকলো	এক-বচন	বহু-বচন
কৰ্ত্তা-কাৰক	সকলো-এ, সকলোৱে	সকলোবোৰ-এ, সকলোবোৰে, সকলোবিলাক্-এ, সকলোবিলাকে
কৰ্ম-কাৰক	সকলো-কে (ক-এ)	সকলোবোৰ-ক, সকলোবিলাক-ক
নিমিত্ত-কাৰক	সকলো-লৈ	সকলোবোৰ-লৈ, সকলোবিলাক-লৈ
সম্বন্ধ-পদ	সকলো-ৰে (ৰ-এ)	সকলোবোৰ-ৰ, সকলোবিলাক-ৰ
অধিকৰণ-কাৰক	সকলো-তে (ত-এ)	সকলোবোৰ-ত, সকলোবিলাক ত
কৰণ-কাৰক	সকলো-ৰে দ্বাৰা	সকলোবোৰ-ৰ দ্বাৰা, সকলো-বিলাক-ৰ দ্বাৰা
অপাদান-কাৰক	সকলো-ৰে পৰা	সকলোবোৰ-ৰ পৰা, সকলো-বিলাক-ৰ পৰা

আটাই	এক-বচন	বহু-বচন
কৰ্তা কাৰক	আটাই-এ, আটায়ে	আটাইবোৰ-এ, আটাইবোৰে, আটাইবিলাক-এ, আটাইবিলাকে
কৰ্ম কাৰক	আটাই-কে	আটাইবোৰ-ক, আটাইবিলাক-ক
নিমিত্ত-কাৰক	আটাই-লৈ	আটাইবোৰ-লৈ, আটাইবিলাক-লৈ
সম্বন্ধ পদ	আটাই-ৰে	আটাইবোৰ-ৰ, আটাইবিলাক-ৰ
অধিকৰণ-কাৰক	আটাই-তে	আটাইবোৰ-ত, আটাইবিলাক-ত
কৰণ-কাৰক	আটাই-ৰে দ্বাৰা	আটাইবোৰ-ৰ দ্বাৰা, আটাই-বিলাক-ৰ দ্বাৰা
অপাদান কাৰক	আটাই-ৰে পৰা	আটাইবোৰ-ৰ পৰা, আটাই-বিলাকৰ পৰা

একো	এক-বচন
কৰ্তা-কাৰক	একো-এ, একোৱে
কৰ্ম-কাৰক	একো কে
নিমিত্ত-কাৰক	একো-লৈ
সম্বন্ধ পদ	একো-ৰে
অধিকৰণ-কাৰক	একো-তে
কৰণ-কাৰক	একো-ৰে দ্বাৰা
অপাদান-কাৰক	একো-ৰে পৰা

৩৯। এইটো, এইবোৰ, ইবোৰৰ নিচিনা সেইটো, সৌটো, সেই-বোৰ, সিবোৰ, সৌবোৰৰ ৰূপ হ'ব। এইয়া, সেইয়া, সৌয়া, কি, কি কি, কেও, কিছুৰ আন কোনো বেলেগ ৰূপ নহয়। মান্যার্থত এখেতৰ ঠাইত অ'ত আৰু তেখেতৰ ঠাইত ত'ত শব্দৰ ব্যৱহাৰ পোৱা যায়। অ'ভৰ অ'ত, অ'লৈ, অ'ৰ, অ'ৰ পৰা, আৰু ত'ভৰ ত'ত, ত'লৈ ত'ৰ, ত'ৰ পৰা আদি ৰূপহে আছে।

৪৹ সংখ্যাবাচক শব্দ : যিবোৰ শব্দৰ পাছত বচন আৰু লিঙ্গ-বাচক প্ৰত্যয় যোগ নহয়, কিন্তু শব্দ-বিভক্তি আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয় যোগ হয় সেইবোৰ সংখ্যাবাচক শব্দ। সংখ্যাবাচক শব্দবোৰে বস্তুৰ লেখ বুজায়, যেনে এক, দুই, তিনি, চাৰি ইত্যাদি। শব্দ-বিভক্তি লগ লাগিলে শব্দবোৰ এনে ধৰণৰ হয়, যেনে, এক-ৰ দুই-ৰ, এক-লৈ, দুই-লৈ, পাঁচ-লৈ আদি। নিৰ্দিষ্টতাবাচক প্ৰত্যয় লগ লাগিলে এক, দুই, আৰু ছয় এই সংখ্যাবাচক শব্দকেইটাৰ শেষৰ ধ্বনি লোপ হয়, যেনে, এক-টা, এটা, দুই-টা, দুটা, ছয়-টা, ছটা। তেনেকৈ এজন, দুজন, ছজন; এখন, দুখন, ছখন ইত্যাদি। এক, দুই আৰু ছয় শব্দকেইটা আন শব্দৰ লগত যুক্ত হ'লেও সিহঁতৰ শেষৰ ধ্বনি লোপ পায়; যেনে, এক টকা, এ-টকা; এক শ, এ-শ, দুই টকা, দু টকা, দুই শ, দু-শ; ছয় টকা, ছ-টকা, ছয় শ, ছ-শ। সাত শব্দৰ ধ্বনিও কেতিয়াবা লোপ হয়, যেনে, সাত দিনীয়া, সা-দিনীয়া। দুই শব্দৰ পাছত লগ লগা শব্দৰ আৰম্ভণিত ওকাৰ থাকিলে দুইৰ ঠাইত দো ৰূপ হয় গৈ; যেনে, দুই মোন, দো-মোন; দুই পোণ, দো-পোণ, দুই ছোৱা, দো-ছোৱা। এক শব্দবো কিছুমান স্বকীয়া ৰূপ আছে; যেনে, এক অনা, এক অংশ, কিন্তু এক আবাৰ, এ-ৰাৰ। সংখ্যাবাচক শব্দবোৰক দুই ভাগত ভগাব পাৰি। তাৰে এটা সংখ্যাবাচক বিশেষ্য-শব্দ, আৰু আনটো সংখ্যাবাচক বিশেষণ-শব্দ।

৪৹১ সংখ্যাবাচক বিশেষ্য-শব্দ :

১ এক
২ দুই
৩ তিনি
৪ চাৰি
৫ পাঁচ
৬ ছয়
৭ সাত
৮ আঠ
৯ ন
১০ দহ
১১ এঘাৰ
১২ বাৰ
১৩ তেৰ
১৪ চৈধ্য

১৫ পোন্ধৰ
১৬ যোল
১৭ সোতৰ
১৮ ওঠৰ
১৯ উনৈশ, উনৈছ
২০ বিশ, বিছ
২১ একৈশ, একৈছ
২২ বাইশ বাইছ
২৩ তেইশ, তেইছ
২৪ চৌৱিশ, চৌৱিছ
২৫ পঁচিশ, পঁচিছ
২৬ ছাব্বিশ, ছাব্বিছ
২৭ সাতাইশ, সাতাইছ
২৮ আঠাইশ, আঠাইছ
২৯ উনত্ৰিশ, উনত্ৰিছ
৩০ ত্ৰিশ ত্ৰিছ
৩১ একত্ৰিশ, একত্ৰিছ
৩২ বত্ৰিশ, বত্ৰিছ
৩৩ তেত্ৰিশ, তেত্ৰিছ
৩৪ চৌত্ৰিশ, চৌত্ৰিছ
৩৫ পঁয়ত্ৰিশ, পঁয়ত্ৰিছ
৩৬ ছয়ত্ৰিছ ছয়ত্ৰিছ
৩৭ সাতত্ৰিশ, সাতত্ৰিছ
৩৮ আঠত্ৰিশ, আঠত্ৰিছ
৩৯ উনচল্লিশ উনচল্লিছ
৪০ চল্লিশ, চল্লিছ
৪১ একচল্লিশ, একচল্লিছ
৪২ বিয়াল্লিশ, বিয়াল্লিছ
৪৩ তিয়াল্লিশ, তিয়াল্লিছ
৪৪ চৌৱাল্লিশ, চৌৱাল্লিছ
৪৫ পঞ্চল্লিশ, পঞ্চল্লিছ
৪৬ ছয়চল্লিশ, ছয়চল্লিছ
৪৭ সাতচল্লিশ, সাতচল্লিছ
৪৮ আঠচল্লিশ, আঠচল্লিছ
৪৯ উনপঞ্চাশ, উনপঞ্চাছ
৫০ পঞ্চাশ পঞ্চাছ
৫১ একান্ন
৫২ বান্ন
৫৩ তেৰন
৫৪ চৌৱন
৫৫ পঁচপন
৫৬ ছাপন
৫৭ সাতাপন
৫৮ আঠান্ন
৫৯ উনষাঠি
৬০ ষাঠি
৬১ এষষ্টি
৬২ বাষষ্টি
৬৩ তেষষ্টি
৬৪ চৌষষ্টি
৬৫ পঁয়ষষ্টি
৬৬ ছয়ষষ্টি
৬৭ সাতষষ্টি
৬৮ আঠষষ্টি
৬৯ উনসত্তৰ
৭০ সত্তৰ
৭১ একসত্তৰ
৭২ বাসত্তৰ
৭৩ তেসত্তৰ
৭৪ চৌসত্তৰ
৭৫ পঁয়সত্তৰ
৭৬ ছয়সত্তৰ

৭৭ সাতসত্তৰ
৭৮ আঠসত্তৰ
৭৯ উনাশী
৮০ আশী
৮১ একাশী
৮২ বিৰাশী
৮৩ তিৰাশী
৮৪ চৌৰাশী
৮৫ পঁচাশী
৮৬ ছয়াশী
৮৭ সাতাশী
৮৮ আঠাশী
৮৯ উনানব্বৈ
৯০ নব্বৈ
৯১ একানব্বৈ
৯২ বিৰানব্বৈ
৯৩ তিৰানব্বৈ
৯৪ চৌৰানব্বৈ
৯৫ পঁচানব্বৈ
৯৬ ছিয়ানব্বৈ
৯৭ সাতানব্বৈ
৯৮ আঠানব্বৈ
৯৯ নিৰানব্বৈ
১০০ এ-শ, শ
১,০০০ হাজাৰ
১০,০০০ অযুত
১০০,০০০ লাখ
১০,০০০০০ নিযুত
১০০,০০০০০ কোটি

৪০২ **সংখ্যাৱাচক বিশেষণ-শব্দ :**—অসমীয়া ভাষাত সংখ্যাৱাচক বিশেষণ-শব্দৰ বিশেষ ৰূপ নাই বুলিয়ে ক'ব পাৰি। মাত্ৰ পহিলা, দোছোৰা, চ'থা এই শব্দকেইটাৰ বাহিৰে সংখ্যাৱাচক বিশেষণ-হিছাপে তেনে অসমীয়া শব্দ ব্যৱহাৰ হোৱা দেখা নাযায়। অৱশ্যে সংস্কৃতমূলক সংখ্যাৱাচক বিশেষণ-শব্দবোৰক অসমীয়াতো ব্যৱহাৰ কৰা হয় যেনে, প্ৰথম, প্ৰথমা ; দ্বিতীয়, দ্বিতীয়া ; তৃতীয়, তৃতীয়া ইত্যাদি (দ্ৰষ্টব্য : পৰি ৮৬১)।

৪০৩ **পূৰণৱাচক-সংখ্যাৱাচক শব্দ :** অসমীয়াত সংখ্যাৱাচক শব্দৰ পূৰণৱাচক অৰ্থত ব্যৱহাৰ কৰিবলৈ স্বকীয়া শব্দ নাই। সেই অৰ্থ প্ৰকাশ কৰিবলৈ সংখ্যাৱাচক বিশেষ্য-শব্দৰ পাছত বাৰ বা গুণ এই ৰূপদুটা লগ লগাব লাগে ; যেনে, এক বাৰ, এ-বাৰ ; দুই বাৰ দু-বাৰ, হাজাৰ-বাৰ এক গুণ, এ গুণ ; দুই গুণ, দু-গুণ।

৪০৪ **আংশিক-সংখ্যাৱাচক শব্দ :** এই শব্দবোৰ এনেকুৱা ; পোৱা, আধা, ডেড়, আঢ়ৈ ছাঢ়ে, পৌনে ($\frac{1}{4}, \frac{1}{2}, 1\frac{1}{2}, 2\frac{1}{2}, +\frac{1}{2}, -\frac{1}{4}$)।

৪১ **ক্রিয়া আৰু ক্রিয়া-বিভক্তি :** যিবোৰ শব্দৰ পুৰুষ, কাল, আৰু ভাৱ অনুযায়ী পৰিৱৰ্তন ঘটে সেইবোৰ ক্রিয়া-শব্দ। বচন অনুযায়ী ক্রিয়া শব্দৰ কোনো পৰিৱৰ্তন নহয়, যেনে, মই খাওঁ, আমি খাওঁ, মানুহে খায়, মানুহবোৰে খায়, সি খায়, সিহঁতে খায়। কোনো কাৰ্য-সম্পাদনত প্ৰকাশ পোৱা কৰ্তাৰ মনোভাৱক ভাব বোলে। অসমীয়াত ক্রিয়াৰ ভাৱ দুটা নিৰ্দেশক ভাব আৰু অনুজ্ঞা-ভাৱ। নিৰ্দেশক ভাৱে কোনো এক সময়ৰ কোনো এটা কাৰ্য মাত্ৰ প্ৰকাশ কৰে। অনুজ্ঞা-ভাৱত আদেশ, অনুমতি, অনুৰোধ, আশীৰ্বাদ, ইচ্ছা আদি অৰ্থ প্ৰকাশিত হয়। কোনো কাৰ্য সম্পন্ন হোৱাৰ বিভিন্ন সময়ৰ নাম কাল। অসমীয়াত পাঁচটা কাল আছে বৰ্তমান, ভূত ভৱিষ্যত পূৰ্ণ বৰ্তমান, আৰু পূৰ্ণভূত। বৰ্তমান-কালত নিৰ্দেশক ভাৱৰ দুটা ৰূপ পোৱা যায়। তাৰে এটাক নিত্য বৰ্তমান আৰু আনটোক তাৎকালিক বৰ্তমান বুলিব পাৰি। 'মই ভাত খাওঁ'—এই বাক্যটোৰ দ্বাৰা দুটা অৰ্থ প্ৰকাশিত হ'ব পাৰে। প্ৰথমতে মই সদায় ভাত খাওঁ ৰুটী বা আন আহাৰ নাখাওঁ এয়ে নিত্য বৰ্তমান। আন এটা পৰিস্থিতি এনেকুৱা আন কেইবাজনো মানুহ আছে। মোৰ হয়তো কৰবালৈ যোৱাৰ সময় হৈছে। এনেতে মই যদি কওঁ 'মই ভাত খাওঁ' তেতিয়া সেইটোক তাৎকালিক বৰ্তমান বুলিব। বহুদিনৰ আগতে হোৱা ঘটনা বুজাবলৈ কেতিয়াবা বৰ্তমান-কাল বা পূৰ্ণ বৰ্তমান-কালো ব্যৱহৃত হয়, যেনে, ১৮২৬ চনত অসম-দেশ ইংৰাজৰ হাতলৈ যায়। ব্যাসে লেখিছে। ক্রিয়া-শব্দবোৰ লক্ষ্য কৰিলে এটা কথা চকুত পৰে। বিভিন্ন ক্রিয়াবোৰৰ কোনো এটা অংশ সদায় একেধৰণ থাকে। ক্রিয়াৰ সেই অংশটোক ক্রিয়াৰ মূল বা ধাতু বোলে। খা-ওঁ, খা-লোঁ খা-ম খা-ইছোঁ, খা-ইছিলোঁ—এই উদাহৰণবোৰৰ পৰা অপৰিৱৰ্তিত 'খা' অংশটোক খা ধাতু বুলিব লাগিব। ধাতুৰ পাছত কিছুমান প্ৰত্যয় লগ লগাই বিভিন্ন কালৰ নিৰ্দেশ বুজোৱা হয়। এইবোৰৰ নাম ক্রিয়া-বিভক্তি। ক্রিয়া-বিভক্তিবোৰ আকৌ ধ্বনিসাপেক্ষ। অৰ্থাৎ ধাতুবোৰ স্বৰান্ত নে ব্যঞ্জনান্ত, স্বৰান্ত হ'লেও অন্তত কি স্বৰ-ধ্বনি আছে সেই অনুযায়ী ক্রিয়া-বিভক্তিবোৰৰ ৰূপৰ সলনি

ঘটিব। উদাহৰণঃ সি কৰে, সি খায়। কিন্তু সি (দি-এ) দিয়ে, সি (বো-এ) বোয়ে, সি (ধৰ-এ) ধৰে। মই ক'-ম, মই খা-ম, মই দি-ম, মই ক-ম, মই (ধৰ্-ই-ম) ধৰিম।

৪১১ অনুজ্ঞা-ভাৱত মান্যার্থত ব্যৱহাৰ হোৱা দ্বিতীয় পুৰুষৰ ক্রিয়া-ৰূপবোৰ নির্দেশক ভাৱৰ দ্বিতীয় পুৰুষৰ মান্যার্থক ক্রিয়া-ৰূপ বোৰেই সৈতে একে। ভৱিষ্যত-কালৰ দ্বিতীয় আৰু তৃতীয় পুৰুষৰ ৰূপবোৰো অনুজ্ঞা-ভাৱত ব্যৱহাৰ হয়, যেনে, 'তুমি সিহঁতৰ ঘৰলৈ যাবা।' এই বাক্যটোৱে অনুৰোধ বা আদেশৰ অর্থ প্রকাশ কৰিছে।

৪১২ ক্রিয়া-বিভক্তিবোৰ যোগ হ'লে অসমীয়া সন্ধিৰ নিয়ম অনুসৰি সম্ভৱ-স্থলত সন্ধি হ'ব। বৰ্তমান-কালত ইকাৰান্ত, ওকাৰান্ত, আৰু ব্যঞ্জনান্ত ধাতুৰ পাছত তৃতীয় পুৰুষত নিৰ্দেশক ভাৱত যোগ হোৱা -এ আৰু অনুজ্ঞা-ভাৱত যোগ হোৱা -অক বিভক্তি অকাৰান্ত আৰু আকাৰান্ত ধাতুৰ পাছত ক্রমে-য় আৰু-ওক হ'ব গৈ। বৰ্তমান-কালৰ নির্দেশক ভাৱত দ্বিতীয় পুৰুষৰ মান্যার্থত ক্রিয়া বিভক্তি লগ লাগিলে অকাৰান্ত আৰু আকাৰান্ত ধাতুবোৰৰ তির্যক ওকাৰান্ত ৰূপ হ'ব, যেনে, ক- আ, কো-আ (কোৱা), খা-আ, খো-আ (খোৱা)। বৰ্তমান-কালৰ অনুজ্ঞা-ভাৱত দ্বিতীয় পুৰুষৰ তুচ্ছার্থত মূল-ধাতুৰ ৰূপবোৰে অনুজ্ঞাৰ ৰূপহিছাপে ব্যৱহৃত হয়। কিন্তু ইকাৰান্ত ধাতুবোৰ একাৰান্ত হয়, যেনে, ক, খা, বো, ধৰ, দে। অকাৰান্ত আৰু ওকাৰান্ত ধাতুৰ বৰ্তমান-কালৰ বাহিৰে আন কালত ক্রমে অকাৰান্ত আৰু উকাৰান্ত তির্যক-ৰূপ হ'ব যেনে, ক'-লোঁ, ক লোঁ, ক'-ম, ক-ম ইত্যাদি। ব্যঞ্জনান্ত ধাতুবোৰৰ ভূত আৰু ভৱিষ্যত-কালত ক্রিয়া-বিভক্তিবোৰৰ আগত -ই-এটাৰ আগম হয় যেনে, ধৰ্-ই-লোঁ, ধৰিলোঁ, ধৰ্-ই-ম, ধৰিম। দ্বিতীয় পুৰুষৰ অধিক মান্যার্থৰ ৰূপ আপুনি-শব্দৰ লগত তৃতীয় পুৰুষৰ ক্রিয়া-ৰূপহে যোগ হ'ব, যেনে সি খায়, আপুনি খায়, সি খাব, আপুনি খাব। অকাৰান্ত 'ক ধাতুৰ ভূত-কালৰ তৃতীয় পুৰুষত ক'লে ৰূপ হয়। কিন্তু হ, ৰ আদি অকাৰান্ত ধাতুৰ এই ক্ষেত্ৰত হ'ল, ৰ'ল আদি ৰূপহে হয়। ওমল আৰু ওপজ্ ধাতুৱে বৰ্তমান-কালৰ বাহিৰে আন কালত উমল্ আৰু উপজ্ এই তির্যক-ৰূপ দুটা গ্রহণ

কৰে। ওপজ ধাতুৰ ভূত-কালৰ তৃতীয় পুৰুষত উপজিল ৰূপহে হয়। কোনো কোনোৱে অনুজ্ঞাৰ মান্যাৰ্থত ব্যৱহাৰ হোৱা ক্ৰিয়া-বিভক্তি '-আ' ৰ ঠাইত -আঁ লেখে আৰু উচ্চাৰণো কৰে। ভূত-কাল, পূৰ্ণ বৰ্তমান-কাল, আৰু পূৰ্ণ ভূত-কালৰ প্ৰথম পুৰুষৰ লোঁ, -ইলোঁ, -ইছোঁ, -ইছিলোঁৰ অনুনাসিকতাও কিছুমানে ব্যৱহাৰ নকৰে।

৪২ বিভিন্ন কাল, পুৰুষ, আৰু ভাৱ অনুযায়ী ক্ৰিয়া-বিভক্তি-বোৰক তলত দিয়াধৰণে দেখুৱাব পাৰি

ক্ৰিয়া-বিভক্তি

কাল	প্ৰথম পুৰুষ	দ্বিতীয় পুৰুষ তুচ্ছ	দ্বিতীয় পুৰুষ মান্য	তৃতীয় পুৰুষ
বৰ্তমান-কাল	ওঁ	অ	আ	এ
ভূত-কাল	লোঁ	লি	লা	লে
ভৱিষ্যত-কাল	ম	বি	বা	ব
পূৰ্ণ বৰ্তমান-কাল	ইছোঁ	ইছ	ইছা	ইছে
পূৰ্ণ ভূত কাল	ইছিলোঁ	ইছিলি	ইছিলা	ইছিল

৪৩ বিভিন্ন ধাতুৰ পাছত ক্ৰিয়া বিভক্তিবোৰ লগ লাগিলে ক্ৰিয়াবোৰে কেনে ৰূপ লয় তলৰ তালিকাৰ পৰা স্পষ্টকৈ বুজা যাব.

(ক) অকাৰান্ত ক ধাতু

বৰ্তমান-কাল	
(১) নিৰ্দেশক ভাৱ :	
১ম পুৰুষ	মই ক-ওঁ
২য় পুৰুষ (তুচ্ছ)	তই (ক-অ) কয়
(মান্য)	তুমি (ক>কো-আ) কোৱা
৩য় পুৰুষ	সি ক-য়

(২) অনুজ্ঞা-ভাব :	
২য় পুৰুষ (তুচ্ছ)	তই ক
(মান্য)	তুমি (ক>কো-আ) কোৱা
৩য় পুৰুষ	সি ক-ওক
ভূত কাল	
১ম পুৰুষ	মই ক'-লোঁ।
২য় পুৰুষ (তুচ্ছ)	তই ক'-লি
(মান্য)	তুমি ক'-লা
৩য় পুৰুষ	সি ক'-লে
ভবিষ্যত-কাল	
১ম পুৰুষ	মই ক'-ম
২য় পুৰুষ (তুচ্ছ)	তই ক' বি
(মান্য)	তুমি ক' বা
৩য় পুৰুষ	সি ক'-ব
পূৰ্ণ বৰ্ত্তমান-কাল	
১ম পুৰুষ	মই (ক'-ইছোঁ) কৈছোঁ।
২য় পুৰুষ (তুচ্ছ)	তই (ক'-ইছ) কৈছ
(মান্য)	তুমি (ক'-ইছা) কৈছা
৩য় পুৰুষ	সি (ক'-ইছে) কৈছে
পূৰ্ণভূত-কাল .	
১ম পুৰুষ	মই (ক'-ইছিলোঁ) কৈছিলোঁ।
২য় পুৰুষ (তুচ্ছ)	তই (ক'-ইছিলি) কৈছিলি
(মান্য)	তুমি (ক'-ইছিলা) কৈছিলা
৩য় পুৰুষ	সি (ক'-ইছিল) কৈছিল

(খ) আকাৰান্ত খা ধাতু

বৰ্তমান-কাল	
(১) নিৰ্দেশক ভাৱ	
১ম পুৰুষ	মই খা-ওঁ
২য় পুৰুষ (তুচ্ছ)	তই (খা অ) খাব
(মান্য)	তুমি (খা > খো-আ) খোৱা
৩য় পুৰুষ	সি খা-য়
(২) অনুজ্ঞা-ভাৱ ঃ	
২য় পুৰুষ (তুচ্ছ)	তই খা
(মান্য)	তুমি (খা > খো-আ) খোৱা
৩য় পুৰুষ	সি খা-ওক
ভূতকাল	
১ম পুৰুষ	মই খা-লোঁ
২য় পুৰুষ (তুচ্ছ)	তই খা-লি
(মান্য)	তুমি খা-লা
৩য় পুৰুষ	সি খা-লে
ভৱিষ্যত-কাল.	
১ম পুৰুষ	মই খা-ম
২য় পুৰুষ (তুচ্ছ)	তই খা-বি
(মান্য)	তুমি খা-বা
৩য় পুৰুষ	সি খা-ব
পূৰ্ণ বৰ্তমান-কাল.	
১ম পুৰুষ	মই খা-ইছোঁ
২য় পুৰুষ (তুচ্ছ)	তই খা-ইছ
(মান্য)	তুমি খা-ইছা
৩য় পুৰুষ	সি খা-ইছে

পূৰ্ণ-ভূত-কাল	
১ম পুৰুষ	মই খা-ইছিলোঁ।
২য় পুৰুষ (তুচ্ছ)	তই খা-ইছিলি
(মান্য)	তুমি খা-ইছিলা
৩য় পুৰুষ	সি খা-ইছিল

(গ) ইকাৰান্ত দি ধাতু

বৰ্তমান-কাল	
(১) নিৰ্দেশক-ভাব	
১ম পুৰুষ	মই দি-ওঁ
২য় পুৰুষ (তুচ্ছ)	তই (দি-অ) দিয়
(মান্য)	তুমি (দি-আ) দিয়া
৩য় পুৰুষ	সি (দি-এ) দিয়ে
(২) অনুজ্ঞা-ভাব	
২য় পুৰুষ (তুচ্ছ)	তই দে
(মান্য)	তুমি (দি-আ) দিয়া
৩য় পুৰুষ	সি (দি-অক) দিয়ক
ভূত-কাল	
১ম পুৰুষ	মই দি-লোঁ।
২য় পুৰুষ (তুচ্ছ)	তই দি-লি
(মান্য)	তুমি দি-লা
৩য় পুৰুষ	সি দি-লে
ভবিষ্যত-কাল :	
১ম পুৰুষ	মই দি-ম
২য় পুৰুষ (তুচ্ছ)	তই দি-বি
(মান্য)	তুমি দি-বা
৩য় পুৰুষ	সি দি-ব

পূৰ্ণ বৰ্তমান-কাল ঃ	
১ম পুৰুষ	মই (দি-ইছোঁ) দিছোঁ
২য় পুৰুষ (তুচ্চ)	তই (দি-ইছ) দিছ
(মান্য)	তুমি (দি-ইছা) দিছা
৩য় পুৰুষ	সি (দি-ইছে) দিছে
পূৰ্ণ ভূত-কাল	
১ম পুৰুষ	মই (দি-ইছিলোঁ) দিছিলোঁ
২য় পুৰুষ (তুচ্চ)	তই (দি ইছিলি) দিছিলি
(মান্য)	তুমি (দি-ইছিলা) দিছিলা
৩য় পুৰুষ	সি (দি-ইছিল) দিছিল

(ঘ) ঈকাৰান্ত জী ধাতু

বৰ্তমান-কাল ঃ	
(১) নিৰ্দেশক-ভাব	
১ম পুৰুষ	মই জী-ওঁ
২য় পুৰুষ (তুচ্চ)	তই (জী-অ) জীয়
(মান্য)	তুমি (জী-আ) জীয়া
৩য় পুৰুষ	সি (জী-এ) জীয়ে
(২) অনুজ্ঞা-ভাব ঃ	
২য় পুৰুষ (তুচ্চ)	তই জী
(মান্য)	তুমি (জী-আ) জীয়া
৩য় পুৰুষ	সি (জী-অক) জীয়ক
ভূত-কাল ঃ	
১ম পুৰুষ	মই জী-লোঁ
২য় পুৰুষ (তুচ্চ)	তই জী-লি
(মান্য)	তুমি জী-লা
৩য় পুৰুষ	সি জী-লে

ভৱিষ্যত-কাল	
১ম পুৰুষ	মই জী-ম
২য় পুৰুষ (তুচ্ছ)	তই জী-বি
(মান্য)	তুমি জী-বা
৩য় পুৰুষ	সি জী ব
পূৰ্ণ বৰ্ত্তমান-কাল	
১ম পুৰুষ	মই (জী-ইছোঁ) জীছোঁ
২য় পুৰুষ (তুচ্ছ)	তই (জী-ইছ) জীছ
(মান্য)	তুমি (জী-ইছা) জীছা
৩য় পুৰুষ	সি (জী ইছে) জীছে
পূৰ্ণ ভূত-কাল	
১ম পুৰুষ	মই (জী-ইছিলোঁ) জীছিলোঁ
২য় পুৰুষ (তুচ্ছ)	তই (জী-ইছিলি) জীছিলি
(মান্য)	তুমি (জী-ইছিলা) জীছিলা
৩য় পুৰুষ	সি (জী-ইছিল) জীছিল

(৬) ওকাৰান্ত বো ধাতু

বৰ্ত্তমান-কাল	
(১) নিৰ্দেশক ভাব	
১ম পুৰুষ	মই (বো-ওঁ) বোঁ
২য় পুৰুষ (তুচ্ছ)	তই (বো-অ) বোৱ
(মান্য)	তুমি (বো-আ) বোৱা
৩য় পুৰুষ	সি (বো-এ) বোৱে
(২) অনুজ্ঞা-ভাব	
২য় পুৰুষ (তুচ্ছ)	তই বো
(মান্য)	তুমি (বো-আ) বোৱা
৩য় পুৰুষ	সি (বো-অক) বোৱক

ভূত-কাল	
১ম পুৰুষ	মই ক-লোঁ
২য় পুৰুষ (তুচ্চ)	তই ক-লি
(মান্য)	তুমি ক লা
৩য় পুৰুষ	সি ক-লে
ভৱিষ্যত-কাল	
১ম পুৰুষ	মই ক-ম
২য় পুৰুষ (তুচ্চ)	তই ক-বি
(মান্য)	তুমি ক-বা
৩য় পুৰুষ	সি ক-ব
পূৰ্ণ বৰ্ত্তমান-কাল .	
১ম পুৰুষ	মই ক-ইছোঁ
২য় পুৰুষ (তুচ্চ)	তই ক-ইছ
(মান্য)	তুমি ক-ইছা
৩য় পুৰুষ	সি ক-ইছে
পূৰ্ণ ভূত-কাল	
১ম পুৰুষ	মই ক-ইছিলোঁ
২য় পুৰুষ (তুচ্চ)	তই ক-ইছিলি
(মান্য)	তুমি-ক-ইছিলা
৩য় পুৰুষ	সি ক-ইছিল

(চ) ব্যঞ্জনান্ত ধৰ ধাতু

বৰ্ত্তমান-কাল .	
(১) নিৰ্দ্দেশক ভাৱ	
১ম পুৰুষ	মই (ধৰ-ওঁ) ধৰোঁ
২য় পুৰুষ (তুচ্চ)	তই (ধৰ্-অ) ধৰ
(মান্য)	তুমি (ধৰ্-আ) ধৰা
৩য় পুৰুষ	সি (ধৰ্-এ) ধৰে

(২) অনুজ্ঞা-ভাব	
২য় পুৰুষ (তুচ্ছ)	তই ধৰ
(মান্য)	তুমি (ধৰ্-আ) ধৰা
৩য় পুৰুষ	সি (ধৰ্-অক) ধৰক
ভূত কাল	
১ম পুৰুষ	মই (ধৰ্-ই লোঁ) ধৰিলোঁ
২য় পুৰুষ (তুচ্ছ)	তই (ধৰ্-ই-লি) ধৰিলি
(মান্য)	তুমি (ধৰ্-ই-লা) ধৰিলা
৩য় পুৰুষ	সি (ধৰ ই-লে) ধৰিলে
ভৱিষ্যত-কাল	
১ম পুৰুষ	মই (ধৰ্-ই-ম) ধৰিম
২য় পুৰুষ (তুচ্ছ)	তই (ধৰ ই-বি) ধৰিবি
(মান্য)	তুমি (ধৰ্-ই বা) ধৰিবা
৩য় পুৰুষ	সি (ধৰ -ই-ব)
পূৰ্ণ বৰ্তমান-কাল	
১ম পুৰুষ	মই (ধৰ্-ইছোঁ) ধৰিছোঁ
২য় পুৰুষ (তুচ্ছ)	তই (ধৰ্-ইছ) ধৰিছ
(মান্য)	তুমি (ধৰ -ইছা) ধৰিছা
৩য় পুৰুষ	সি (ধৰ্ ইছে) ধৰিছে
পূৰ্ণ ভূত-কাল	
১ম পুৰুষ	মই (ধৰ্-ইছিলোঁ) ধৰিছিলোঁ
২য় পুৰুষ (তুচ্ছ)	তই (ধৰ্-ইছিলি) ধৰিছিলি
(মান্য)	তুমি (ধৰ -ইছিলা) ধৰিছিলা
৩য় পুৰুষ	সি (ধৰ -ইছিল) ধৰিছিল

৪৩। আকাৰান্ত যা ধাতুটোৰ অলপ ব্যতিক্রম আছে। বৰ্তমান আৰু ভৱিষ্যত-কালত আকাৰান্ত ধাতুৰ নিচিনাই ইয়াৰ ৰূপ হ'ব। আন কালবোৰত ইয়াৰ অকাৰান্ত ধাতুৰ নিচিনা ৰূপ হ'ব। কিন্তু ভূত-কালৰ তৃতীয় পুৰুষত যা ধাতুৰ ক্রিয়া-ৰূপটো গ'ল হ'ব। তলত ধাতুটোৰ ৰূপ দিয়া হ'ল।

আকাৰান্ত যা ধাতু

বৰ্তমান কাল :	
(১) নিৰ্দেশক ভাব :	
১ম পুৰুষ	মই যা-ওঁ
২য় পুৰুষ (তুচ্ছ)	তই (যা-অ) যায়
(মান্য)	তুমি (যা>যো-আ) যোৱা
৩য় পুৰুষ	সি যায়
(২) অনুজ্ঞা-ভাব	
২য় পুৰুষ (তুচ্ছ)	তই যা
(মান্য)	তুমি (যা>যো-আ) যোৱা
৩য় পুৰুষ	সি যা-ওক
ভৱিষ্যত-কাল :	
১ম পুৰুষ	মই যা-ম
২য় পুৰুষ (তুচ্ছ)	তই যা-বি
(মান্য)	তুমি যা-বা
৩য় পুৰুষ	সি যা-ব
ভূত কাল :	
১ম পুৰুষ	মই গ'-লোঁ
২য় পুৰুষ (তুচ্ছ)	তই গ'-লি
(মান্য)	তুমি গ'-লা
৩য় পুৰুষ	সি গ'-ল

পূৰ্ণ বৰ্ত্তমান-কাল॰	
১ম পুৰুষ	মই (গ'-ইছোঁ) গৈছোঁ
২য় পুৰুষ (তুচ্ছ)	তই (গ'-ইছ) গৈছ
(মান্য)	তুমি (গ'-ইছা) গৈছা
৩য় পুৰুষ	সি (গ'-ইছে) গৈছে
পূৰ্ণ ভূত-কাল॰	
১ম পুৰুষ	মই (গ'-ইছিলোঁ) গৈছিলোঁ
২য় পুৰুষ (তুচ্ছ)	তই (গ'-ইছিলি) গৈছিলি
(মান্য)	তুমি (গ'-ইছিলা) গৈছিলা
৩য় পুৰুষ	সি (গ'-ইছিল) গৈছিল

৪৪ **অনিয়মিত-ধাতু:** কিছুমান ধাতু আছে। সেইবোৰৰ লগত কোনো ক্ৰিয়া বিভক্তি যোগ নহয়। কিছুমান ধাতুৰ কেইটামান কাল, ভাব, আৰু পুৰুষতহে ৰূপ হয় বা ক্ৰিয়া-বিভক্তি যোগ হয়। এনে ধৰণৰ ধাতুবোৰক অনিয়মিত ধাতু বোলা হৈছে। এই ধাতুবোৰ হ'ল নাই, বল, থাক, আৰু আছ। নাই ধাতুৰ পাছত কোনো ক্ৰিয়া-বিভক্তি যোগ নহয়। বৰ্ত্তমান-কালৰ নিৰ্দেশক ভাৱৰ সকলো পুৰুষত ইয়াৰ ব্যৱহাৰ হয়, যেনে, মই নাই, আমি নাই, তই নাই, তুমি নাই, সি নাই, আপুনি নাই ইত্যাদি। বল্ ধাতুৰ বৰ্ত্তমান কালৰ অনুজ্ঞা-ভাৱত ব্যৱহাৰ হয়, যেনে, তই ব'ল, তুমি ব'ল্-আ, ব'লা, সি ব'ল্-অক, ব'লক, আপুনি ব'লক। থাক্ ধাতুৰ সকলো পুৰুষত বৰ্ত্তমান, ভূত, আৰু ভৱিষ্যত কালত ৰূপ হয়। যেনে, মই থাকোঁ, তই থাক, তুমি থাকা, সি থাকে, তই থাক্, তুমি থাকা, সি থাকক, মই থাকিলোঁ তই থাকিলি, তুমি থাকিলা, সি থাকিল, মই থাকিম, তই থাকিবি, তুমি থাকিবা, সি থাকিব। আছ্ ধাতুৰ বৰ্ত্তমান-কালৰ নিৰ্দেশক ভাৱত সকলো পুৰুষত আৰু ভূত-কালত

ৰূপ হয়, যেনে, মই আছোঁ, তই আছ, তুমি আছা, সি আছে মই আছিলোঁ, তই আছিলি, তুমি আছিলা, সি আছিল।

৪৫ বিবিধ ধাতু: ধাতুৰ কেইবা প্ৰকাৰো আছে। কিছুমান ধাতুৰ পাছত পোণপটীয়াভাৱে বিভিন্ন ক্ৰিয়া বিভক্তিবোৰ লগ লগাব পাৰি। এনে ধাতুবোৰক মুখ্য ধাতু বোলে যেনে, কৰ-ওঁ, কৰোঁ, ক-ওঁ, খা ওঁ, দি-ওঁ ইত্যাদি। মুখ্য ধাতু, বিশেষ্য আৰু বিশেষণ-শব্দ, ধ্বন্যাত্মক শব্দ মূল আদিৰ পাছত কোনো প্ৰত্যয় যোগ দি নতুনকৈ যিবোৰ ধাতুৰ সৃষ্টি কৰা হয়, নাইবা কোনো বিশেষ্য, বিশেষণ, ক্ৰিয়া-ৰূপ বা কৃদন্ত-ৰূপৰ পাছত কোনো মুখ্য ধাতু ব্যৱহাৰ কৰি যিবোৰ ধাতুৰ সৃষ্টি কৰা হয় তেনে ধাতুবোৰক গৌণ ধাতু বোলে, যেনে, (খা+আ) খুৱা ওঁ, (ভুকু-আ) ভুকুৱা-ওঁ, (ভাগ>ভগ আ) ভগা-ওঁ, (তপত-আ) তপতা-ওঁ, (দপ-দপ-আ) দপ-দপা-ওঁ, (জমা কৰ-ওঁ) জমা কৰোঁ, খাই পেলা-ওঁ, (ক'ব পাৰ্‌ ওঁ) ক'ব পাৰোঁ, (ধৰা পৰ্‌-ওঁ) ধৰা পৰোঁ ইত্যাদি। গৌণ ধাতু কেইবা প্ৰকাৰো হ'ব পাৰে, যেনে (ক) পাঁচনি-ধাতু (খ) নাম-ধাতু (গ) ধ্বন্যাত্মক ধাতু, (ঘ) সংযুক্ত ধাতু। তলত প্ৰত্যেকৰে গঠন-পদ্ধতিৰ আলোচনা কৰা হ'ল।

(ক) পাঁচনি ধাতু: আনক পাঁচি বা আনৰ হতুৱাই কোনো কাম কৰোৱা অৰ্থত মুখ্য ধাতু বা নাম-ধাতুৰ পাছত -আ, -ওৱা, আৰু -উৱা, প্ৰত্যয় যোগ দিলে এবিধ ধাতুৰ সৃষ্টি হয়। ইয়াৰ নাম পাঁচনি-ধাতু। ক্ৰিয়া-বিভক্তিবোৰ পাঁচনি-ধাতুৰ পাছত লগ লাগিব, যেনে, খা-ওঁ, (খা>খু-আ) খুৱা-ওঁ। পাঁচনি-ধাতুবোৰৰ আকাৰান্ত মুখ্য ধাতুবোৰৰ নিচিনা বিভিন্ন কালত ৰূপ হ'ব। কোনো কোনো ক্ষেত্ৰত মুখ্য ধাতুৰ পাছত দুটা ভিন্ন প্ৰত্যয় যোগ দি দুটা পাঁচনি-ধাতু কৰা হয়। তেতিয়া সেই দুটাৰ অৰ্থবো সামান্য পৰিৱৰ্তন ঘটে। যেনে, পঢ়, (পঢ়্-আ) পঢ়া, (পঢ়্-উৱা) পঢ়ুৱা, কৰ্,

(কৰ-আ) কৰা, (কৰ্-ওৱা) কৰোৱা। এইবোৰ ৰূপৰ অৰ্থবাৰ এনে ধৰণৰ হয় গৈ, যেনে, পঢ়োঁ (নিজে পঢ়োঁ), পঢ়াওঁ (নিজে আনক পঢ়াওঁ), পঢ়ুৱাওঁ (আনৰ পঢ়া-খৰচ বহন কৰোঁ)। কৰোঁ (নিজে কৰোঁ), কৰাওঁ (আনৰ হতুৱাই কৰাওঁ), কৰোৱাওঁ (আনৰ হতুৱাই আনৰ দ্বাৰা কৰাওঁ)। পাঁচনি-প্ৰত্যয়বোৰ ৰূপসাপেক্ষ। কোনো কোনো ক্ষেত্ৰত পাঁচনি-প্ৰত্যয় যোগ হ'লে মুখ্য ধাতুবাৰৰ একোটা তিৰ্যক-ৰূপ হয়। উদাহৰণ.

(১) -আ ওলা > *উলি-আ, উলিয়া
ওলট্ > ওলোট্-আ, ওলোটা
ওলম > ওলোম্-আ, ওলোমা
ক > কো-আ, কোৱা
কৰ্-আ, কৰা
কিলা > কিলো-আ, কিলোৱা
খা > খু-আ, খুৱা
গা > গো-আ, গোৱা
চল্-আ, চলা
দি-আ, দিয়া
ধো > ধু-আ, ধুৱা
নি-আ, নিয়া
পেলা > পেলো-আ, পেলোৱা
পলা > পলু-আ, পলুৱা
বাহ্ > বহ্-আ, বহা
বাখ্ > বখ্-আ, বখা
ল > লো-আ, লোৱা

*> এই চিনটোৱে এটা ৰূপৰ পৰা পৰিৱৰ্তন হোৱা কথাটো বুজায়।

লেখ-আ, লেখা
লিখ-আ, লিখা
শো>শু আ, শুৱা
শিক-আ, শিকা
সোমা>সুমু-আ, সুমুৱা

(২) -ওৱা . কৰ্-ওৱা, কৰোৱা
বাধ>বধ-ওৱা, বধোৱা

(৩) উৱা কান্দ্>কন্দ-উৱা, কন্দুৱা
দেখ্-উৱা, দেখুৱা
নাচ্>নচ-উৱা, নচুৱা
পক্-উৱা, পকুৱা
বহ-উৱা, বহুৱা
সৰ্ উৱা, সৰুৱা
সাৰ্>সৰ্-উৱা, সৰুৱা
হাঁহ>হঁহ্-উৱা, হঁহুৱা

(খ) **নাম-ধাতু** বিশেষ্য আৰু বিশেষণ শব্দৰ পাছত-আ, -ইয়া, আৰু -উৱা প্ৰত্যয় লগ লগাই কিছুমান ধাতু সজাব পাৰি। এনে ধাতুবোৰক নাম-ধাতু বোলে। ক্ৰিয়া-বিভক্তি এইবোৰৰ পাছত যোগ দিব লাগে, যেনে, কিল, (কিল-আ) কিলা ওঁ, কিলা-লেঁা, কিলা-ইছো ইত্যাদি। নাম-ধাতু সজোৱা প্ৰত্যয়বোৰ ৰূপসাপেক্ষ। এইবোৰ লগ লগালে মূল-ৰূপৰ কোনো কোনো ক্ষেত্ৰত ভিৰ্যক ৰূপ হয়। উদাহৰণ

(১)-আ : আঙুলি-আ আঙুলিয়া
এঠা-আ, এঠা
উধ-আ,-উধা

কিল-আ, কিলা
খীৰ-আ, খীৰা
গুলী-আ, গুলীয়া
টোপনি-আ, টোপনিয়া
ডাবি>ডবি-আ, ডবিয়া
তপত-আ, তপতা
দলি-আ , দলিয়া
পিক-আ, পিকা
পোণ-আ, পোণা
বহল-আ, বহলা
বোল-আ, বোলা
ভাগ>ভগ-আ, ভগা
ভুকু-আ, ভুকুৱা
মাৰি>মৰি-আ, মৰিয়া
মেৰ-আ, মেৰা
লাখি>লখি-আ, লখিয়া
সুহুৰি-আ, সুহুৰিয়া
হুকি-আ, হুকিয়া

(২)-ইয়া . গাল>গল-ইয়া, গলিয়া
গোব>গুব-ইয়া, গুবিয়া
চৰ-ইয়া, চৰিয়া
টাঙন>টঙন-ইয়া, টঙনিয়া
বিড-ইয়া, বিডিয়া

(৩)-উৱা : আগ-উৱা, আগুৱা
পাছ-উৱা, পাছুৱা
পিছ-উৱা, পিছুৱা

(গ) **ধ্বন্যাত্মক ধাতু** কিছুমান ধ্বনি-সংযোগ উচ্চাৰণ কৰাৰ লগে লগে একোটা অৰ্থ স্পষ্ট হৈ উঠে, যেনে, মৰ-মৰ কল-কল টপ-টপ, গুন গুন, ফিৰফিৰীয়া (কাপোৰ), কিনকিনীয়া (বৰষুণ), কেঁকায়, বেবায, কল কলকৈ, গুন-গুনকৈ ইত্যাদি। এনে শব্দবোৰ বিশ্লেষণ কৰিলে এটা শব্দ মূল পোৱা যায়। তাৰ পাছত বিভিন্ন প্ৰত্যয় লগ লগাই বিভিন্ন আন শব্দ সজাব পাৰি। ওপৰত উল্লেখ কৰা শব্দবোৰৰ শব্দ মূলবোৰ এনে ধৰণৰ হ'ব মৰ মৰ, কল-কল, টপ টপ, গুন-গুন, ফিৰ ফিৰ, কিন-কিন, কেঁক, বেব। এনে শব্দবোৰৰ কিছুমানৰ পাছত-আ প্ৰত্যয় লগ লগাই একোটা ধাতু-ৰূপ কৰিব পাৰি। এনে ধাতুবোৰক ধ্বন্যাত্মক-ধাতু বোলে। ক্ৰিয়া-বিভক্তিবোৰ সেই ধাতুবোৰৰ পাছত লগ লাগিব, যেনে, গুন-গুন-আ, গুন-গুনা, গুন-গুনা-ওঁ গুন-গুনা ইছো, গুন-গুনা-ম, কেঁক্-আ, কেঁকা, কেঁকাওঁ, কেঁকা-ইছাঁ, কেঁকা ম ইত্যাদি। ধ্বন্যাত্মক ধাতু আনকেইটামান এনেকুৱা দেদ-আ, দেদা, বেব-আ, বেবা, ফোপ-আ, ফোপা, দপ দপ-আ, দপ-দপা, ধৰ-ফৰ-আ, ধৰ-ফৰা, কেন-কেন-আ, কেন-কেনা, পেন পেন-আ, পেন-পেনা, ফুচ-ফুচ-আ, ফুচ-ফুচা ইত্যাদি। দুই এটা ধ্বন্যাত্মক মুখ্য ধাতুও পোৱা যায়, যেনে, ভুক, ভুক-এ, ভুকে, ভুক ইলে, ভুকিলে ইত্যাদি।

(ঘ) **সংযুক্ত-ধাতু**. কিছুমান ধাতু কিছুমান (১) বিশেষ্য বা বিশেষণ-শব্দ (২) ক্ৰিয়াৰ অসমাপিকা ৰূপ (৩) ক্ৰিয়াৰ ভৱিষ্যত কালৰ তৃতীয় পুৰুষৰ ৰূপ, (৪) ক্ৰিয়াৰ ভূতকালিক কৃদন্ত-ৰূপ, আৰু (৫) তুমুনন্ত ক্ৰিয়া ৰূপৰ পাছত লগ লাগি বিভিন্ন অৰ্থ প্ৰকাশ কৰে। এনে ধৰণৰ ধাতুবোৰ সংযুক্ত ধাতু। তলত প্ৰত্যেকৰে উদাহৰণ দিয়া হ'ল।

(১)

আ. আশা পাল্, আশ বাঢ়্, আৱত্ত কৰ, আমনি কৰ্, আঁঠু কাঢ়্

ই. ইতিকিং কৰ

উ উপক্ৰম কৰ্, উন্নতি কৰ

এ এছাৰি জোকাৰ

ক. কথা ক, কাষ চাপ্, কোঁচ পাত্, কঠ-চাৰি পাৰ্, কোৰ-কুঠাৰ পাৰ,

খ. খ, উঠ, খং কৰ্, খোজ কাঢ, খাম বান্ধ্

গ গালি খা, গালি পাৰ, গুটি লাগ, গুটি ধৰ, গধূলি হ, গুণ দি

ঘ ঘেৰ দি

চ চাকি লগা, চাকৰ ৰা, চাউল কাঁৰ্, চমু কৰ্, চুটা কৰ,

ছ ছল কৰ

জ জুই লাগ, জুই উঠ, জুই ধৰ, জাৰ পলা জুই ফুৱা, জুৰ ল জৰ উঠ জমা কৰ, জঁট লাগ, জুম বান্ধ

ট টোপনি যা, টোপনি মাৰ্, টকা হ, টকা কৰ

ঠ ঠেহ পাত

ড ডকা-হকা দি

ঢ: ঢেঁকী দি, ঢাপলি মেল্

ত তাঁত মেল, তাঁত ব

থ থিয় দি, থিয় হ, থাপ মাৰ

দ দন্দ লাগ, দন্দ ভাগ, দন্দ কৰ্, দোকান দি, ভাবি-ছকি খা, দ'ম বান্ধ

ধ ধান দা, ধিকাৰ লাগ, ধিকাৰ ছাৰ, ধান ৰান্, ধুন মাৰ, ধুন-পেচ কৰ

ন: নাম ধৰ্, নাম পাত, নাও বা, নাম কাঢ্, নাম বাখ্, নাম কৰ্, নাম ল

প: পিয়াহ গুচ, পিয়াহ পলা, পোহ-পাল দি, পোতক ভোল, পাত ধৰ্, পাত ওলা, পানী কাট্, পাছ কৰ্

ফ ফুল তোল, ফাকি দি, ফেৰ মাৰ্, ফিতাহি মাৰ্
ব ববযুণ আন, বাট বুল, বজাৰ কৰ্, বতাহ দি
ভ ঃ ভোক গুচ, ভোক পলা, ভোজ পাত, ভোজ দি, ভয় কৰ্, ভয় লাগ্, ভয় ভাগ্, ভাগৰ লাগ,
ম মাত মাত্, মাৰ খা, মিতিৰ পাত্, মিতিৰ কৰ্, মেঘ দি, মন বান্ধ্, মন মেল্
য যোজনা দি
ৰ ৰেহ-ৰূপ চা
ল . লাজ লাগ্, লাজ ভাগ্, লগ কৰ, লবচৰ কৰ্, লাজ গুচ্
শ ঃ শাম কাট্, শেষ কৰ্, শপত খা, শত্ৰু শাল
ষ ষাঁঠ লাগ্
স সম্বন্ধ ছিগ্, সাজ লাগ, সৈ ল, সৈ কাট্, সান্দহ থুন্দ্, সকাহ পৰ্, সকাহ পা, সেওঁতা ফাল
হ . হাঁহি মাৰ্, হুমুনিয়াহ পেলা, হুমুনিয়াহ কাঢ় হাক দি
ক্ষ ক্ষমা কৰ্

(২)

উঠি যা	পেলাই দি
কৈ চা	বহি থাক্
খাই পেলা	বাগৰি পৰ
দেখুৱাই দি	বাছি ল
দৌৰি যা	বাখি থ
পৰি যা	লৈ যা

(৩)

ক'ব পাৰ	দিব পাৰ,
ক'ব দি	নিব খোজ

খাব পাৰ্ যাব খোজ্
খাব পা যাব দি

(৪)

অহা-যোৱা কৰ্, গোৱা কৰ, দেখা কৰ্, ধৰা পৰ্, মৰা পৰ

(৫)

খাবলৈ ধৰ্, পঢ়িবলৈ এৰ্, যাবলৈ পাহৰ্

৪৬ **ক্ৰিয়াৰ নাস্ত্যৰ্থক ৰূপ :** নাস্তি অৰ্থ বুজাবলৈ অসমীয়াত ক্ৰিয়া-শব্দৰ আগত নাস্ত্যৰ্থক 'ন' যোগ হয়, আৰু ধাতুটোৰ প্ৰথম স্বৰ ধ্বনি অনুযায়ী 'ন'ৰ 'অ' স্বৰ-ধ্বনিৰ পৰিৱৰ্তন হয়। উদাহৰণ.

ন-মৰ -এ, নমৰে
ন-মাৰ্-এ, নামাৰে, নেমাৰে
ন-দি-এ, নিদিয়ে
ন-শুন -এ, নুশুনে
ন-দেখ্-এ, নেদেখে
ন-খোজ এ, নোখোজে
ন-পাৰ -এ, না-পাৰে>না-আৰে>নো-আৰে>নোৱাৰে
ন-আহ্-এ, না আহে>নাহে
ন-এৰ্-এ, নে এৰে>নেৰে
কিন্তু ন-জী-এ, নিজীয়ে
ন-গৈছিল, নগৈছিল

৪৭ **তুমুনন্ত ক্ৰিয়া-ৰূপ :** ক্ৰিয়াৰ ভবিষ্যত কালৰ তৃতীয় পুৰুষৰ ৰূপৰ পাছত পৰ-সৰ্গ লৈ লগ লগাই তুমুন অৰ্থ প্ৰকাশ কৰা হয়। উদাহৰণ : খাব-লৈ, ক'ৰ-লৈ, শুনিব-লৈ ইত্যাদি।

৪৮ **কৃদন্ত :** কোনো এটা ক্ৰিয়া সম্পন্ন কৰাজনক নাইবা কোনো এটা ক্ৰিয়া কৰি থকা অৱস্থা বুজাবলৈ ধাতুৰ পাছত ক্ৰমে -ওঁতা আৰু -ওঁতে প্ৰত্যয় যোগ দিয়া হয়। ইয়াৰ নাম বৰ্তমানকালিক

কৃদন্ত , যেনে, খা-ওঁতা , (কৰ ওঁতা) কৰোঁতা , (বাধ্-ওঁতা) বাধোঁতা (থাক-ওঁতে) থাকোঁতে, (ধৰ ওঁতে) ধৰোঁতে। ধাতুৰ পাছত -আ প্ৰত্যয় লগ লগাই যি শব্দ পোৱা যায় তাক বিশেষণৰূপে ব্যৱহাৰ কৰিব পাৰি। এনে শব্দবোৰ ভূতকালিক কৃদন্ত-শব্দ। -আ প্ৰত্যয় যোগ হোৱাৰ পাছত ধাতুটোৰ আন ধাতুৱে বৰ্তমান-কালৰ নিৰ্দেশক ভাৱত দ্বিতীয় পুৰুষত (মান্যাৰ্থত) লোৱা ৰূপৰ নিচিনা ৰূপ হ'ব, যেনে, ক > কো-আ, কোৱা (কথা) , খা > খো আ, খোৱা (বস্তু) , কৰ্ আ, কৰা (কাম)। এনেদৰে গঠিত শব্দবোৰৰ বিশেষ্যশব্দৰূপেও ব্যৱহাৰ হ'ব পাৰে , যেনে, যোৱা-ৰ পৰা, যোৱা-ত। ভৱিষ্যত কালৰ তৃতীয় পুৰুষৰ ক্ৰিয়া-ৰূপৰ পাছত -লগীয়া প্ৰত্যয় লগ লগাই এবিধ মিশ্ৰ-শব্দৰ সৃষ্টি কৰিব পাৰি। এই শব্দবোৰ বিশেষণশব্দৰূপে ব্যৱহৃত হয়। এইবোৰক ভৱিষ্যৱাচক কৃদন্ত শব্দ বোলা হৈছে। উদাহৰণ ক'ব লগীয়া (কথা), কৰিব লগীয়া (কাম)। ভৱিষ্যত কালৰ তৃতীয় পুৰুষৰ ক্ৰিয়া-ৰূপৰ পাছত লাগ ধাতুৰ তৃতীয় পুৰুষত বৰ্তমান, ভৱিষ্যত, আৰু পূৰ্ণ ভূত কালৰ ৰূপ সংযোগ কৰিলে এক প্ৰকাৰ বাধ্যতা-সূচক ভাৱ প্ৰকাশিত হয়। উদাহৰণ খাব লাগে, খাব লাগিব, খাব লাগিছিল।

৪৯ **সমাপিকা আৰু অসমাপিকা ক্ৰিয়া-ৰূপ :** ক্ৰিয়াৰ যি ৰূপৰ পৰা কোনো কাম শেষ হোৱা বুজা যায় সি সমাপিকা ক্ৰিয়া, যেনে, মই ভাত খালোঁ। ক্ৰিয়াৰ যি ৰূপৰ পৰা কামৰ শেষ নপৰা অৰ্থ বুজা যায় সি অসমাপিকা ক্ৰিয়া, যেনে, মই ভাত খাই । ক্ৰিয়াৰ অসমাপিকা ৰূপে বাক্যৰ দুটা অংশ সংযোগ কৰে। ক্ৰিয়াৰ অসমাপিকা ৰূপ পাবলৈ হ'লে ধাতুৰ পাছত -ই, -লে বা -ইলে,-লত বা -ইলত প্ৰত্যয় যোগ দিব লাগে।

—ই . -ই প্ৰত্যয় যোগ দিয়াৰ পাছত সন্ধৰ-স্থলত সন্ধি আৰু ধাতুবোৰৰ

তিৰ্যক-ৰূপো হয়, যেনে,-(ক-ই) কৈ, খা-ই, (দি-ই) দি, (শো-ই) শুই, (কৰ -ই) কৰি, (যা-ই) গৈ ইত্যাদি।

—লে/ইলে স্বৰান্ত ধাতুৰ পাছত -লে আৰু ব্যঞ্জনান্ত ধাতুৰ পাছত -ইলে প্ৰত্যয যোগ হয়। সিহঁতৰ ৰূপ ধাতুবোৰৰ ভূত-কালৰ-ৰূপৰ নিচিনা হয়, যেনে, ক'লে, খালে, দিলে, কলে, ধৰিলে আদি। যা ধাতুৰ পাছত -লে প্ৰত্যয় যোগ হ'লে ৰূপটো গ'লে হয়। -লে/ইলে প্ৰত্যয়ান্ত অসমাপিকা ক্ৰিয়া-ৰূপ সংযোগ হোৱা বাক্যৰ সমাপিকা ক্ৰিয়াটো বৰ্ত্তমান-কাল, ভৱিষ্যত-কাল নাইবা পূৰ্ণ ভূত-কালৰ হ'ব। উদাহৰণ: মই ক'লে তেওঁ শুনে। মই ক'লে তেওঁ শুনিব। মই ক'লে তেওঁ শুনিছিল।

—লত/ইলত স্বৰান্ত ধাতুৰ পাছত -লত আৰু ব্যঞ্জনান্ত ধাতুৰ পাছত -ইলত প্ৰত্যয় যোগ হয়, যেনে, ক, ক'লত, খা, খালত, দি, দিলত শো, শুলত, আহ্, আহিলত। এই প্ৰত্যয়ান্ত অসমাপিকা ক্ৰিয়া-ৰূপ সংযোগ হোৱা বাক্যৰ সমাপিকা ক্ৰিয়াটো ভূত-কালৰ হ'ব। উদাহৰণ সি ক লত তেওঁ শুনিলে। মই আহিলত তেওঁ গ'ল।

৫০ **সকৰ্মক আৰু অকৰ্মক ক্ৰিয়া-ৰূপ:** কৰ্ত্তাৰ বাহিৰে আন শব্দৰ লগত বিশেষ সম্পৰ্ক স্থাপন হোৱা ক্ৰিয়া-ৰূপটোৱে সকৰ্মক ক্ৰিয়া। তেওঁ মোক কিতাপখন দিলে। এই বাক্যটোক কেবাটাও ক্ষুদ্ৰ অংশত ভাগ কৰিব পাৰি, যেনে, তেওঁ, দিলে, তেওঁ কিতাপখন দিলে, তেওঁ মোক দিলে। এতিয়া দিলে ক্ৰিয়া-ৰূপটো কিতাপখন আৰু মোক এই শব্দদুটাৰ লগত বিশেষভাৱে সম্বন্ধিত। সেইকাৰণে দিলে ক্ৰিয়াটোক সকৰ্মক ক্ৰিয়া বুলিব লাগিব। কিতাপখন আৰু মোক ইয়াৰ কৰ্ম। এই ক্ৰিয়াটো দ্বিকৰ্মক। অৰ্থাৎ ইয়াৰ দুটা কৰ্ম আছে। কিতাপখন প্ৰত্যক্ষ কৰ্ম আৰু মোক পৰোক্ষ কৰ্ম। যিবোৰ ক্ৰিয়া-ৰূপৰ কৰ্ত্তাৰ বাহিৰে আনৰ লগত সম্পৰ্ক স্থাপন নহয়, সেইবোৰ অকৰ্মক ক্ৰিয়া-ৰূপ। ক্ৰিয়াৰ সকৰ্মক ৰূপক চিনিবলৈ আন

উপায়ো গ্ৰহণ কৰা হয়। ক্ৰিয়া-ৰূপটোৰ পৰা কি আৰু কাক এই প্ৰশ্ন দুটাৰ উত্তৰ পালে ক্ৰিয়া ৰূপটো সকৰ্মক হয়। ওপৰৰ বাক্যটোৰ দিলে ক্ৰিয়া-ৰূপটোৱে দুয়োটা প্ৰশ্নৰ উত্তৰ দিয়ে। কোনো অকৰ্মক ক্ৰিয়া-ৰূপৰ পৰা পাঁচনী ক্ৰিয়া ৰূপ উলিয়ালে সেই ক্ৰিয়া ৰূপটো সকৰ্মক হয় গৈ, যেনে, মই শুলোঁ, কিন্তু মই কেঁচুৱাটো শুৱালোঁ। কিছুমান অকৰ্মক ক্ৰিয়া-ৰূপৰ পৰা কিছুমান সকৰ্মক ক্ৰিয়া-ৰূপ পাব পাৰি। তেতিয়া মূল ধাতুবোৰৰ তিৰ্যক-ৰূপ একোটা হ'ব গৈ। উদাহৰণ

অকৰ্মক ক্ৰিয়া-ৰূপৰ ধাতু	**সকৰ্মক ক্ৰিয়া ৰূপৰ ধাতু**
ফাট	ফাল্
ছিগ	ছিঙ
ভাগ	ভাঙ
থাক্	থ
মৰ	মাৰ
চৰ	চাৰ
গুচ	গুচা
জ্বল	জ্বাল
বুৰ	বুৰা
সিজ	সিজা
গল	গুল

৫১ **ক্ৰিয়াৰ অবিচ্ছিন্নতা ঃ** কোনো কাৰ্য চলি থকা অৰ্থ প্ৰকাশ কৰিবলৈ হ'লে -ই প্ৰত্যয়ৰ যোগৰ দ্বাৰা সিদ্ধ হোৱা ক্ৰিয়াৰ অসমাপিকা ৰূপৰ পাছত আছ আৰু থাক্ এই অনিয়মিত ধাতুদুটাৰ ৰূপ যোগ দিব লাগে। উদাহৰণ মই কামটো কৰি আছোঁ। মই কামটো কৰি আছিলোঁ। মই কামটো কৰি থাকোঁ। মই কামটো কৰি থাকিলোঁ। মই কামটো কৰি থাকিম।

৫২ ছৰ্তসাপেক্ষতা কেতিয়াবা কোনো এটা কাৰ্য সম্পন্ন হোৱাটো আন এটা কাৰ্যৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। এনে পৰিস্থিতি বুজাবলৈ হ'লে কোনো এটা বাক্য দুটা অংশত বিভক্ত হয়। তাৰ প্ৰথম অংশত ক্ৰিয়াৰ ভূতকালিক কৃদন্ত-ৰূপৰ পাছত পৰ-সৰ্গ হেঁতেন যোগ দিব লাগে আৰু দ্বিতীয় অংশত ভূত-কালৰ ক্ৰিয়া-ৰূপৰ পাছতো হেঁতেন যোগ হয়; যেনে, তুমি কোৱাহেঁতেন, সি আহিলহেঁতেন। ইয়াৰ নাম ছৰ্তসাপেক্ষতা। সচৰাচৰ অসমীয়া ব্যাকৰণবোৰত ইয়াক সম্ভাব্য ভূত-কাল আখ্যা দিয়া হৈছে। দৰাচলতে ইয়াক কালৰ ভিতৰত ধৰিব নোৱাৰি, কাৰণ ধাতুৰ পাছত ক্ৰিয়া-বিভক্তি যুক্ত হৈহে বিভিন্ন কালৰ নিৰ্দেশ দাঙি ধৰে। হেঁতেন এটা পৰ-সৰ্গহে। ই ধাতুৰ পাছত লগ নালাগে। ছৰ্তসাপেক্ষতা বুজাবলৈ আন এটা উপায়ো আছে। বাক্যৰ প্ৰথম অংশত ক্ৰিয়াৰ অসমাপিকা -লে বা -ইলে প্ৰত্যয় যোগ হোৱা ৰূপ প্ৰয়োগ কৰি দ্বিতীয় অংশত ভূত-কালৰ ক্ৰিয়া-ৰূপৰ পাছত পৰ-সৰ্গ হেঁতেন যোগ দিব লাগে, যেনে, তুমি ক'লে সি আহিলহেঁতেন। মই শুনিলে গ লোহেঁতেন।

৫৩ ক্ৰিয়াৰ বাচ্য: বাচ্য শব্দৰ অৰ্থ ক'বলগীয়া। ক্ৰিয়াৰ বাচ্য মানে বাক্য এটাত ক্ৰিয়াই ক'বলগীয়া কথা। বাক্যত ক্ৰিয়াই প্ৰধানকৈ কৰ্তাৰ কথা, কৰ্মৰ কথা, আৰু ক্ৰিয়াৰ নিজৰ কথা বৰ্ণনা কৰে। কৰ্তাৰ কথা বৰ্ণিত হ'লে কৰ্তৃ-বাচ্য, কৰ্মৰ কথা বৰ্ণিত হলে কৰ্ম-বাচ্য, আৰু ক্ৰিয়া-ৰূপৰ বৰ্ণনা থকা বাক্য ভাব-বাচ্যৰ। গোপালে কিতাপ পঢ়িছে। জ্বৰ হ'লে পা নোখোৱে। ইয়াৰ পৰা দেখা যায়। এইকেইটা ক্ৰমে কৰ্তৃ-বাচ্য, কৰ্ম-বাচ্য, আৰু ভাব-বাচ্যৰ উদাহৰণ। অসমীয়াত ক্ৰিয়াৰ কৰ্ম-বাচ্য আৰু ভাব বাচ্যৰ ৰূপ পাবলৈ হ'লে কিছুমান সুকীয়া পদ্ধতি অনুসৰণ কৰিব লাগে। প্ৰথমতে কৰ্ম-বাচ্যৰ কথাকে চোৱা যাওক। কোনো কোনো ক্ষেত্ৰত বাক্যত কৰ্মটোৰ উল্লেখ থাকিলে -ই প্ৰত্যয়ান্ত অসমাপিকা ক্ৰিয়া ৰূপ ব্যৱহাৰ কৰিব

লাগে ; যেনে, বতাহ চকুৰে নেদেখি। কাবো মাত ক'তো শুণুনি। কেতিয়াবা আকৌ কৰ্মৰ উল্লেখ থকা বাক্যত (কৰ্মৰ উল্লেখ নাথাকিলেও) বৰ্তমান কালৰ নিৰ্দেশক ভাৱৰ তৃতীয় পুৰুষৰ ক্ৰিয়া ব্যৱহাৰ কৰিব লাগে ; যেনে, অব হ'ল গা নোধায়ে। কাপোৰখনে শুণুৱায়। ভূত-কালিক কৃদন্ত-ৰূপৰ পাছত 'হ' বা 'যা' ধাতুৰ পৰা উৎপন্ন ক্ৰিয়াৰ ব্যৱহাৰৰ দ্বাৰা বাক্যত ক্ৰিয়াৰ নিজৰ কথা বৰ্ণিত হয়। এয় ভাৱ-বাচ্য। উদাহৰণ কিতাপখন পঢ়া হ'ল। গুৰু-সেবা কৰা হ'ল। কথাটো জনাবা হ'ল। কামটো কৰা হৈছিল। ভক্তি কৰিলে ঈশ্বৰক পোৱা যায়। সময়ত দেখা যাব।

৫৪ ক্ৰিয়া-বিশেষণ : বাক্যত ব্যৱহাৰ হওঁতে কিছুমান শব্দ সচৰাচৰ বিশেষণ-শব্দ, ক্ৰিয়া-শব্দ, কৃদন্ত-শব্দ, তুমুনন্ত ক্ৰিয়া-শব্দৰ আগত বহে, আৰু সেই শব্দবোৰৰ সৈতে বিশেষ সম্বন্ধ স্থাপন কৰে। এনে শব্দবোৰ ক্ৰিয়া-বিশেষণ-শব্দ। সি বৰ ভাল লৰা। তুমি আজি আহিবা। আজি-কালি এযাৰ ভালকৈ মাতোঁতা নাই। তাক ভালকৈ পঢ়িবলৈ ক'বা। এই বাক্যকেইটাত বৰ, আজি, ভালকৈ, এই শব্দ-কেইটাই ক্ৰমে ভাল, আহিবা, মাতোঁতা, আৰু পঢ়িবলৈ এই শব্দবোৰৰ আগত বহি সেইবাবোৰৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিছে। গতিকে বৰ, আজি, আৰু ভালকৈ ক্ৰিয়া-বিশেষণ-শব্দ। (দ্ৰষ্টব্য পৰি ১৭, ১৭ ; নিকটস্থ অঙ্ক)। কিছুমান ক্ৰিয়া-বিশেষণে ক্ৰিয়া-বিশেষণ-শব্দৰ আগত বহি সেইটোৰ লগত সম্বন্ধ স্পষ্ট কৰি তোলে, যেনে, সি বৰ বেগাই গৈছে। তুমি অতি সোনকালে আহিবা। ইয়াত বৰ আৰু অতি শব্দদুটাই বেগাই আৰু সোনকালে ক্ৰিয়া-বিশেষণ-শব্দদুটাৰ আগত বহি সিহঁতেৰে সৈতে ঘনিষ্ঠ সম্পৰ্ক দেখুৱাইছে। কেতিয়াবা কিছুমান বিশেষণ শব্দও আন বিশেষণ-শব্দৰ আগত বহি সেই বিশেষণ-শব্দবোৰেৰে সৈতে ঘনিষ্ঠ সম্পৰ্ক প্ৰকাশ কৰে। সেইবোৰ শব্দকো সেই ক্ষেত্ৰত ক্ৰিয়া-বিশেষণ-শব্দ বুলি ক'ব লাগিব, যেনে, এনে বেয়া

কথা, এনেকুৱা টান পুথি। ইয়াত এনে আৰু এনেকুৱা শব্দদুটা বিশেষণ-শব্দ যদিও ক্রিয়াবিশেষণৰূপেহে ইহঁতৰ ব্যৱহাৰ হৈছে। কেতিয়াবা বিশেষণ-শব্দ এটা ক্রিয়া-ৰূপৰ আগত বহি তাৰে সৈতে সম্বন্ধিত হয় আৰু সি তেতিয়া ক্রিয়াবিশেষণৰূপে কাম কৰে যেনে, তুমি লঘোণে ভাল আছা। ইয়াত ভাল শব্দটো ক্রিয়া-বিশেষণ হৈছে। সন্ধ্যা লাগোঁ লাগোঁ হৈছে। এই বাক্যটোত হৈছে ক্রিয়াৰ লগত বিশেষভাৱে সম্পর্ক ৰখা হেতুকে লাগোঁ লাগোঁ এই ক্রিয়াৰূপাত্মক শব্দটো ক্রিয়া-বিশেষণ-শব্দ। * -কৈ, -ভাৱে, -ৰূপে, -দৰে আদি প্রত্যয়ৰ দ্বাৰাও ক্রিয়া-বিশেষণ-শব্দ কিছুমানক চিনিব পাৰি, যেনে, ভাল-কৈ, ভাল-ভাৱে, ভাল-দৰে, এনে-ৰূপে, ইত্যাদি। কিছুমান প্রত্যয় যোগ দি বিশেষ্য, সংখ্যাৱাচক শব্দ, ধ্বন্যাত্মক শব্দ-মূল, বিশেষণ, ক্রিয়া-বিশেষণ, সর্বনাম, আৰু সর্বনাম-শব্দ-মূলৰ পৰা কিছুমান ক্রিয়াবিশেষণ-শব্দ সজাব পাৰি

(ক) বিশেষ্য, সংখ্যাৱাচক শব্দ, ধ্বন্যাত্মক শব্দ-মূল আদিৰ পৰা ক্রিয়া-বিশেষণ-শব্দ উৎপন্ন কৰা প্রত্যয় আৰু প্রত্যয়ৱাচক ৰূপ।

(১) —আই বেগ-আই, বেগাই, টপৰ-আই, টপৰাই গিৰিস-আই, গিৰিসাই, ফুচ-ফুচ-আই, ফুচ-ফুচাই, জক-মক-আই জক-মকাই।

(২) —ই শ-ই শ-ই, শই শই।

(৩) —এ মন-এ মন-এ, মনে মনে, দিন-এ দিন-এ, দিনে দিনে, বাৰ-এ বাৰ-এ, বাৰে বাৰে, ভাল

---

*—"An adverb is a word used to qualify any parts of speech except a noun or pronoun."—J. C. Nesfield

-এ কুশল-এ, ভালে-কুশলে ; ভাল-এ ভাল-এ, ভালে ভালে ; কাগজ-এ কলম-এ, কাগজে-কলমে ; দিন-এ ৰাতি-এ, দিনে-ৰাতিয়ে ; টান-এ, আপদ-এ, টান-আপদে ; বিপদ-এ আপদ-এ, বিপদে- আপদে ; বাহিৰ-এ ভিতৰ-এ, বাহিৰে-ভিতৰে ; সোনকালে-এ, সোনকালে ; হাজাৰ-এ হাজাৰ-এ, হাজাৰে হাজাৰে ; লাখ-এ, লাখ-এ, লাখে লাখে, বখলাবখল-এ, বখলাবখলে ;

(৪) —কৰে থপৰ-কৰে, টুক-টুক-কৰে, সৰৌপ-সৰৌপ-কৰে, ফেক-ফেক-কৰে (হাঁহি), ফচ-কৰে, ভোঁ-ভোঁ-কৰে, হুক-হুক-কৰে, সাউত-কৰে।

(৫) —কৈ লৰালৰি-কৈ, এটা-কৈ, এটি-দুটি-কৈ, এচকল-দুচকল-কৈ এখন-কৈ, এটকা-কৈ, এখোজ-দুখোজ-কৈ, দপ-দপ-কৈ, কাউ-বাউ কৈ, আমন-জিমন-কৈ, থুনুক-থানাক-কৈ, চুচুক-চামাক-কৈ, ঘানাক-ঘুনুক-কৈ, থবক-বৰক-কৈ, টিমিক-চামাক-কৈ, হুবাও-বাও-কৈ, মৰৌজীওসোঁআধি-কৈ, খিতিঙালি-কৈ, পখালি-কৈ।

(৬) —ক্ৰমে আহ্বান-ক্ৰমে।

(৭) —ত আগ-ত, পাছ-ত।

(৮) —নিৰ্বিশেষে . জাতি-ধৰ্ম-নিৰ্বিশেষে।

(৯) – স্বৰূপে উত্তৰ-স্বৰূপে।

(খ) বিশেষণ আৰু সৰ্বনামৰ পৰা ক্ৰিয়া-বিশেষণ কৰিব পৰা প্ৰত্যয় :

(১)—ই শুদা-ই কেঁচা-ই।

(২)—কৈ ন-কৈ, এনে-কৈ, তেন-কৈ, কেনে-কৈ, যেন-কৈ, এনেকুৱা-কৈ, তেনেকুৱা-কৈ, কেনেকুৱা-কৈ, যেনেকুৱা-

কৈ, পোণপটীয়া-কৈ, ইমান-কৈ, সিমান-কৈ, কিমান-কৈ, যিমান-কৈ, ভাল-কৈ, বেয়া-কৈ, ধুনীয়া-কৈ, গুধ-কৈ, খাটাং-কৈ, সেইনিচিনা-কৈ, পিঠাগুৰিযেন-কৈ।

(৩)—দৰে এনে-দৰে, তেনে-দৰে, কেনে-দৰে, যেনে-দৰে, ভাল-দৰে, কি-দৰে, যি-দৰে, এই-দৰে, সেই-দৰে।

(৪)—ভাৱে ভাল-ভাৱে, সহজ-ভাৱে, স্বাভাৱিক-ভাৱে, সৰ্বতো-ভাবে, আনুষ্ঠানিক-ভাৱে।

(৫)—ৰূপে ভাল-ৰূপে কি-ৰূপে, পৰিপাটী-ৰূপে, সুন্দৰ-ৰূপে, জীৱন্ত-ৰূপে, সুচাৰু-ৰূপে।

(গ) ক্রিয়া বিশেষণৰ পৰা ক্রিয়া-বিশেষণ কৰা প্রত্যয় .

(১) কৈ অথনি-কৈ।

(২)—লৈ আজি-লৈ, (কালি-লৈ) কাই-লৈ, পৰহি-লৈ।

(ঘ) ক্রিয়াৰ পৰা ক্রিয়া-বিশেষণ কৰা প্রত্যয়

(১)—মানে থাকে-মানে 'থকালৈ'
পকে-মানে 'পকালৈ'
যায়-মানে 'যোৱালৈ'

(২)—কৈ · কণ্ঠ-কণ্ঠ-কৈ, কণ্ঠ-নকণ্ঠ-কৈ।

৫৪ ১ কিছুমান সৰ্বনাম-মূলৰ লগত কিছুমান ক্রিয়া-বিশেষণ-শব্দ লগ লগাই আন ক্রিয়া-বিশেষণ কিছুমান সজাব পাৰি। উদাহৰণ:

—অ'ত . ত-অ'ত, ত'ত, ক-অ'ত, ক'ত, য-অ'ত, য'ত।

—এতিয়া . ত-এতিয়া, তেতিয়া, ক-এতিয়া, কেতিয়া . য-এতিয়া, যেতিয়া।

—এনি . ত-এনি, তেনি, ক-এনি, কেনি, য-এনি, যেনি।

৫৪.২ আন কিছুমান ক্রিয়া-বিশেষণ-শব্দ এনেকুৱা :

সদায়, আকৌ, তত্তালিকে, কিয়, কেলেই, নিচেই, হুনাই, অভিশাত, সৌ, নিজৌ, কেনিবা, কাচিৎ, অন্যথা, বৰং, একেবাৰে, অকস্মাৎ,

তৎক্ষণাৎ, হঠাৎ, প্ৰায়ে, কদাচিত, তেন্তে, তেনে হ'লে, পুনৰ, পুনৰায়, আগে, আগেয়ে, আপোনা-আপুনি, অনতিবিলম্বে, হঠ হঠ, খৰৈ খৰৈ।

৫৫ ক্ৰিয়া-বিশেষণবোধক কেইটামান ভাগত ভাগ কৰিব পাৰি। তলত প্ৰত্যেকৰে উদাহৰণ দিয়া হল

(ক) **কালবাচক ক্ৰিয়া-বিশেষণ :** এতিয়া, তেতিয়া, কেতিয়া, কেতিয়াবা, যেতিয়া, কালি, কাইলৈ, পৰহি, পৰহিলৈ, আজি, আজিলৈ, প্ৰথমতে, সোনকালে, সদায়, বছৰে, বছৰে বছৰে, মাহে, মাহে মাহে, দিনে, দিনে দিনে, অলপতে, সদ্যহতে, পুৱাতে, ৰাতিপুৱা, দুপৰীয়া, আবেলি ইত্যাদি।

(খ) **স্থানবাচক ক্ৰিয়া-বিশেষণ :** ইয়াত, তাত, ক'ত, য'ত, ত'ত, অ'ত ত'ত, অ'লৈ ত'লৈ, য'তে ত'তে, য'লৈকে ত'লৈকে, বাহিৰে-ভিতৰে, ওচৰে-পাজৰে, তলত, ওপৰত, এইফালে, সেইফালে, এইপিনে, সেইপিনে, কোনফালে, কোনপিনে আদি।

(গ) **লক্ষণবাচক ক্ৰিয়া-বিশেষণ :** এনেকৈ, তেনেকৈ, কেনেকৈ, যেনেকৈ, এনেকুৱাকৈ, তেনেকুৱাকৈ, কেনেকুৱাকৈ, যেনে-কুৱাকৈ, লাহেকৈ, খাটাংকৈ, ভালকৈ, বেয়াকৈ, দেখাদেখিকৈ, ওচৰাউচৰীকৈ, ভালে ভালে, ভালে-কুশলে, অকলে, লাহে লাহে, বেগাই, টপৰাই ইত্যাদি।

(ঘ) **বিবিধবিষয়ক ক্ৰিয়া-বিশেষণ :** আৰু, বেছি, কম, অলপ, কিয়, মুঠেই ইত্যাদি।

৫৬ **ক্ৰিয়াবিশেষণৰ তুলনা :** ক্ৰিয়া-বিশেষণৰ তুলনাৰ পদ্ধতি বিশেষণৰ তুলনাৰ পদ্ধতিৰে সৈতে (পৰি ৩৫) একে। **উদাহৰণ :** এই কামটো মই তোমাতকৈ সোনকালে কৰিম। তেওঁ মোতকৈ বেছি জানে। কোন আটাইতকৈ সোনকালে উঠিছা ?

(৬)

৫৭ অব্যয় যিবোৰ শব্দৰ পাছত বচন আৰু লিঙ্গবাচক প্ৰত্যয় নাইবা শব্দ-বিভক্তি যোগ নহয়, কিন্তু কোনো কোনো ক্ষেত্ৰত জোৰ-বুজোৱা প্ৰত্যয় আৰু সম্বোধনবোধক-নিৰ্দিষ্টতাবাচক প্ৰত্যয় লগ লাগে সেইবোৰ অব্যয় শব্দ। তুমি আৰু মই যাম। এইটো তোমাৰ কাৰণে আনিছোঁ। তেওঁৰ পৰা পাঁচ টকা পালোঁ। এই বাক্যকেইটাত আৰু, কাৰণ, পৰা আদি শব্দৰ পাছত বচন, লিঙ্গবাচক প্ৰত্যয় নাইবা শব্দ-বিভক্তি যোগ হোৱা নাই আৰু নহয়ো কিন্তু, এইটো তোমাৰ কাৰণেই আনিছো, এইটো তোমাৰ কাৰণেহে আনিছোঁ, এইটো তোমাৰ কাৰণেও আনিম, তেওঁৰ পৰা-ই পাঁচ টকা পালোঁ, তেওঁৰ পৰা-হে পাঁচ টকা পালোঁ, তেওঁৰ পৰা-ও পাঁচ টকা পাম আদি ৰূপৰ বাক্য হ'ব পাৰে। আকৌ হে ভগৱান, হে-ৰ ধনবৰ, হে-ৰা গোবিন্দ, হে-বি ডাঙৰীয়া আদিৰ প্ৰয়োগ হয়। এইবোৰৰ পৰা এইটো বুজা গ'ল যে অব্যয় 'আৰু'ৰ পাছত একো প্ৰত্যয় লগ নালাগে, কিন্তু, কাৰণে, পৰা, হে আদিৰ পাছত আন প্ৰত্যয় লগ লাগিব পাৰে। কেতিয়াবা আকৌ বিশেষ্য-শব্দৰ পাছত শব্দ-বিভক্তিৰ প্ৰথমা বিভক্তি-এ নাইবা সপ্তমী বিভক্তি-ত যোগ দি সেইটো ৰূপকে অব্যয়ৰূপে ব্যৱহাৰ কৰা হয় যেনে, কাৰণ-এ কাৰণে, হক-এ, হকে, বাবে-এ, বাবে, ভিতৰ-ত, লগ-ত, পাছ-ত ইত্যাদি। কেতিয়াবা বিশেষ্য-শব্দটোৰ পাছত -কে প্ৰত্যয় লগ লগায়ো অব্যয় শব্দ সজা হয়, যেনে, হেতু-কে। অব্যয়-শব্দবোৰক পৰ-সৰ্গ আৰু বিভিন্ন বিষয়ক এই দুটা ভাগত ভাগ কৰিব পাৰি।

৫৮ পৰ-সৰ্গ : কোনো ক্ষেত্ৰতে কোনো পৰিৱৰ্তন নোহোৱা কিছুমান ৰূপক পৰ-সৰ্গ বোলা হৈছে। এইবোৰক আকৌ দুটা ভাগত ভগাব পাৰি। কিছুমান পৰ-সৰ্গ বিশেষ্য বা সৰ্বনাম-শব্দৰ পাছত ব্যৱহাৰ হয় আৰু কিছুমানৰ ক্ৰিয়া-ৰূপৰ পাছত ব্যৱহাৰ হয়। প্ৰথম

বিধক বিশেষ্যবাচক পৰ-সৰ্গ আৰু দ্বিতীয় বিধক ক্ৰিয়াবাচক পৰ-সৰ্গ বুলি ক'ব লাগিব। বিশেষ্যবাচক পৰ-সৰ্গবোৰ যোগ হোৱাৰ আগতে কোনো কোনো ক্ষেত্ৰত বিশেষ্য বা সৰ্বনাম-শব্দটোৰ পাছত সম্বন্ধ-পদৰ -ৰ বিভক্তি, কৰ্তা-কাৰকৰ -এ বিভক্তি, কাৰণ-কাৰকৰ -ৰে বিভক্তি, কৰ্মকাৰকৰ -ক বিভক্তি অথবা অধিকৰণ-কাৰকৰ -ত বিভক্তি লগ লাগে। কেতিয়াবা বিশেষ্য বা সৰ্বনাম-শব্দটোৰ পাছত কোনো বিভক্তি যোগ নোহোৱাকৈও থাকে। তলত প্ৰত্যেকাৰ উদাহৰণ দিয়া হ'ল।

(ক) বিশেষ্যবাচক পৰ-সৰ্গ ঃ

(১)—'ৰ'ৰ পাছত

অৰ্থে ধনৰ অৰ্থে, ভকতৰ অৰ্থে।

ওপৰ-ত ওপৰত আনৰ ওপৰত।

কাৰণ-এ, কাৰণে তোমাৰ কাৰণে।

দৰে মধুৰ দৰে (মানুহ)।

দ্বাৰা ঃ তেওঁৰ দ্বাৰা।

নিমিত্তে তোমাৰ নিমিত্তে।

নিচিনা ঃ ৰামৰ নিচিনা (বস্তা)।

পৰা ছাতৰ পৰা।

পাছ-ত, পাছত তাৰ পাছত।

পিন-এ পিনে আকাশৰ পিনে

প্ৰতি তৃষীয়াৰ প্ৰতি।

বাব-এ, বাবে মানুহৰ বাবে।

বাহিৰ-এ, বাহিৰে তোমাৰ বাহিৰে।

বিষয়-এ, বিষয়ে আপোনাৰ বিষয়ে।

ভিতৰ-ত, ভিতৰত সিহঁতৰ ভিতৰত।

মত-এ, মতে ঃ মোৰ মতে।

মাজ-ত, মাজত ঃ সিহঁতৰ মাজত।

লগ-ত, লগত : তাৰ লগত।
সম্বন্ধ-এ, সম্বন্ধে : তেওঁৰ সম্বন্ধে।
হক-এ, হকে দেশৰ হকে।
হতুৱাই তেওঁৰ হতুৱাই।

(২)—'এ'ৰ পাছত

তো মানুহ-এ, মানুহে তো (ক'বই)। সি তো (যাবই)।
দি বাট-এ, বাটে দি, দুৱাৰ-এ, দুৱাৰে দি,
নাও-এ নাৱে দি, মুখ-এ, মুখে দি
বিদ্যা-এ, বিদ্যাই দি গাল-এ, গালে দি,
মাজ-এ মাজে দি ওচৰ-এ, ওচৰে দি,
খিড়িকী-এ, খিড়িকীয়ে দি, বুকু-এ, বুকুৱে দি
তল-এ, তলে দি, পশ্চিম-এ, পশ্চিমে দি,
কাষ-এ কাষে দি।
দেখোন : সিহঁত-এ সিহঁতে দেখোন (ভাল পাইছে), মানুহ-এ, মানুহে দেখোন (কয়), সিহঁত দেখোন (গ'ল)।
নো মানুহ-এ মানুহে নো (কি ভাবিব), সি নো (কি কয়)
পতি মানুহ এ, মানুহে পতি, গা-ই পতি।
বা : মানুহ-এ মানুহে বা (কি ভাবে)।
হ'লে মানুহ-এ, মানুহে হ'লে (ভাল পোৱা নাই), তুমি হ'লে (আহিব লাগিব)।

(৩)—'ৰে'ৰ পাছত .

সৈতে ভক্তি-ৰে সৈতে, সহানুভূতি-ৰে সৈতে, বামে-ৰে সৈতে, বামে-ৰে বা বামে সৈতে, মানুহে সৈতে। অকল-ৰ বিভক্তিৰ পাছতো সৈতেৰ ব্যৱহাৰ চলিছে, যেনে, প্ৰধান মন্ত্ৰীৰ সৈতে।

(৪)—'ক'ৰ পাছত :

আদিকবি . তেওঁ-ক আদিকবি।

(৫)—'ত' ৰ পাছত

কৈ ৰাম হৰি-ত কৈ সৰু।

সি তেওঁ-ত কৈ ডাঙৰ।

(৬) বিভক্তি যোগ নোহোৱাকৈ :

অনুযায়ী কথা অনুযায়ী, এই অনুযায়ী।

অনুসৰি কথা অনুসৰি, এই অনুসৰি।

আদি তামোল-পাণ আদি।

কাৰণ-এ, কাৰণে তুমি কাৰণে, এই কাৰণে, সেই কাৰণে

দি থিয়-দণ্ডা দি, পৰা দি (অক্ষৰ পৰা দি)।

দেখি সেই দেখি।

ধৰণ-এ ধৰণে কোৱা ধৰণে দিয়া ধৰণে।

নিচিনা এই নিচিনা, সেই নিচিনা।

নিমিত্তে এই নিমিত্ত, সেই নিমিত্তে।

নাম-এ, নামে দশৰথ নামে।

পৰ্যন্ত এই পৰ্যন্ত, আজি পৰ্যন্ত।

পিন-এ পিনে এই পিনে, সেই পিনে।

ফাল-এ, ফালে এই ফালে, সেই ফালে।

বাব-এ, বাবে এই বাবে, সেই বাবে।

বিশেষ-এ, বিশেষে ঠাই বিশেষে।

বিষয়-এ, বিষয়ে এই বিষয়ে, সেই বিষয়ে।

বুলি এই বুলি, সেই বুলি, কি বুলি।

মত-এ, মতে এই মতে সেই মতে।

যেন তুই যেন, কোৱা যেন, কৰা যেন।

যোগ-এ, যোগে : বিবৃতি যোগে।

ৰকম-এ, ৰকমে এই ৰকমে।

সম্পৰ্ক-এ, সম্পৰ্কে এই সম্পৰ্কে, সেই সম্পৰ্কে।

সম্বন্ধ-এ, সম্বন্ধে, এই সম্বন্ধে, সেই সম্বন্ধে।

সহ কটো সহ।

হেতু-কে, হেতুকে এই হেতুকে, সেই হেতুকে।

হেন মই হেন।

(খ) **ক্ৰিয়াবাচক পৰ-সৰ্গ** ঃ কোনো এটা বিশেষ অৰ্থত নাইবা কোনো কাৰ্যক জোৰকৈ বুজাবলৈ ক্ৰিয়া-ৰূপৰ পাছত ব্যৱহাৰ কৰা পৰ-সৰ্গবোৰ ক্ৰিয়াবাচক পৰ-সৰ্গ। উদাহৰণ

(১) একা নিশ্চয়তাৰ ভাৱ প্ৰকাশ কৰে যেনে, মই নেখিম একা।

(২) গৈ ঃ সি ঘৰ পালে গৈ। পঢ় গৈ।

(৩) চাগৈ অনিশ্চয়তা, সম্ভাৱনা সন্দেহ আদি বুজায়, যেনে, সি যাব চাগৈ।

(৪) চোন মৃদু অনুৰোধ বা আশাৰ বিপৰীত অৰ্থ বুজায়, যেনে, আহিবা চোন। সি চাকৰিটো পালে চোন।

(৫) জানো অনিশ্চয়তা, সম্ভাৱনা, সন্দেহ আদি বুজায়, যেনে সি যাব জানো।

(৬) তো নিশ্চয়তা বুজায় যেনে শুনিছা তো। কৈছে তো।

(৭) দেই মৃদু অনুৰোধ বুজায়, যেনে, আহিবা দেই।

(৮) দেখোন আশাৰ বিপৰীত অৰ্থ বুজায়, যেনে, সি আহিল দেখোন। সি নাহিল দেখোন।

(৯) নে প্ৰশ্ন সোধোঁতে ব্যৱহাৰ হয়, যেনে, তুমি যাবা নে?

(১০) নেকি অনিশ্চয়তা, সম্ভাৱনা, সন্দেহ আদি বুজায়, যেনে, সি যাব নেকি।

(১১) নো অনিশ্চয়তা বুজায়, যেনে, পঢ়িলে নো কি হ'ব।

(১২) পাই অলপ জোৰ বুজায়, যেনে, নাজানো পাই।

(১৩) বুলি গুৰুত্বসূচক ভাব প্ৰকাশ কৰে, যেনে, সি আহিব বুলি শুনিছো।

(১৪) হবলা অনিশ্চয়তা, সন্দেহ আদি বুজায়, যেনে, সি যাব হবলা।

(১৫) হঁক ইচ্ছা বা অনুৰোধ অৰ্থত ব্যৱহাৰ হয়; যেনে, যাওঁ হঁক, যাবা হঁক।

(১৬) হয় সন্দেহ বুজায় যেনে, যত্ন কৰিছা হয়, ঈশ্বৰেহে জানে।

(১৭) হি সি ঘৰ পালে হি। সি ঘৰ পাব হি। পঢ় হি।

(১৮) হেঁতেন চৰ্তসাপেক্ষতা বুজাবলৈ ব্যৱহাৰ হয়, যেনে, চিঠি পালে গলোঁ হেঁতেন।

৫৯ বিবিধবিষয়ক অব্যয়:

(ক) যোজক অব্যয় যিবোৰ অব্যয়-শব্দই দুটা শব্দ বা দুটা বাক্যৰ মাজত থাকি সেই শব্দ দুটাৰ বা বাক্য দুটাৰ ইটোৰে সৈতে সিটোৰ সম্বন্ধ প্ৰকাশ কৰে, সেইবোৰ যোজক অব্যয়। উদাহৰণ: আৰু, অথচ, ৰবং, যেনে, এতেকে, তেন্তে তেনেহ'লে, কাৰণে, হেতুকে, গতিকে ইত্যাদি।

(খ) পৃথকবোধক অব্যয় দুটা শব্দ বা দুটা বাক্যৰ মাজত থাকি শব্দ দুটাক বা বাক্য দুটাক ভিন্নকৈ বুজাবলৈ ব্যৱহাৰ হোৱা অব্যয় পৃথকবোধক। উদাহৰণ বা, নাইবা, অথবা, নতুবা, তথাপি, কিন্তু, তেও, নহ'লে ইত্যাদি।

(গ) সন্দেহবোধক অব্যয় অনিশ্চয়তাভাবপ্ৰকাশক অব্যয়বোৰ সন্দেহবোধক অব্যয়। উদাহৰণ যদি, কিজানি, জানোচা ইত্যাদি।

(ঘ) ভাৱবোধক অব্যয়, যিবোৰ অব্যয় শব্দই সুখ, দুখ,

বেজাৰ, লাজ, ভয়, ঘৃণা, আশ্চৰ্য আদি ভাব প্ৰকাশ কৰে সেইবোৰ ভাৱবোধক অব্যয়। উদাহৰণ: অঃ, অহহ, আঃ (কি সুন্দৰ দৃশ্য), উঃ, ইচ, আও, আইঐ, আইঐ দেহি, ছিঃ, ছি ছি, হৰি হৰি, ৰাম ৰাম, হায় হায়।

(ঙ) সম্বোধনবোধক অব্যয়: কোনো লোকক মাতোঁতে ব্যৱহাৰ হোৱা অব্যয়বোৰ সম্বোধনবোধক অব্যয়। উদাহৰণ: অ' এ, ঐ, ঔ (অ নৰেন, নৰেন ঔ, এ গোপাল, ঐ ছোৱালী, ঐ ল'ৰা), হে (পৰি ২৪১)।

(চ) সন্নিধানবোধক অব্যয়: আন মানুহৰ কথা বা আচৰণৰ উত্তৰস্বৰূপে ব্যৱহাৰ হোৱা অব্যয়ৰ নাম সন্নিধানবোধক অব্যয়। উদাহৰণ ওঁ, এৰা ওঁহু, ওঁহো, হয় হৈছে বাৰু, ভাল। মান্যৱন্ত লোকে সোধা প্ৰশ্নৰ উত্তৰত হয় ব্যৱহাৰ হয়। বাৰু আৰু ভাল এই অব্যয় দুটাৰ ভিতৰত বাৰু সাধাৰণ বা সমনীয়া মানুহৰ অনুৰোধৰ উত্তৰত আৰু ভাল মান্যৱন্ত মানুহৰ অনুৰোধৰ উত্তৰত ব্যৱহাৰ কৰা হয়।

৬০ জোৰ-বুজোৱা ৰূপ: কেতিয়াবা বিশেষভাৱে বা জোৰকৈ বুজাবলৈ হ'লে বিশেষ্য, বিশেষণ, সৰ্বনাম, শব্দ-বিভক্তি, পৰ-সৰ্গ, ক্ৰিয়া, ক্ৰিয়া-বিশেষণ, সংখ্যাবাচক শব্দ, নিৰ্দিষ্টতাবাচক প্ৰত্যয়, আৰু অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ পাছত কিছুমান যুক্ত-ৰূপৰ ব্যৱহাৰ হয়। এই যুক্ত-ৰূপবোৰক জোৰ-বুজোৱা ৰূপ বোলা হৈছে। এইবোৰক আকৌ দুভাগত ভগাব পাৰি (ক) ওপৰঞ্চী ভাৱত ব্যৱহাৰ হোৱা আৰু (খ) ডাঠি কোৱা ভাৱত ব্যৱহাৰ হোৱা। ওপৰঞ্চী ভাৱত ব্যৱহাৰ হোৱা যুক্ত-ৰূপ হ'ল -ও। ডাঠি কোৱা ভাৱত ব্যৱহাৰ হোৱা যুক্ত ৰূপ -এ, -এই, -এই, -হে, -কে। -এত কৈ -এই ৰূপটোৱে বেছি জোৰ বুজায়। অকাৰান্ত আৰু আকাৰান্ত শব্দৰ পাছত -এ, -ই হয় দৈ। -কেৰ ব্যৱহাৰ কম। তলত প্ৰত্যেকৰে উদাহৰণ দিয়া হ'ল:

(ক) ওপৰৱৰ্তী ভাৱত :

(১) বিশেষ্য . গাধ ও, গাধও।

পাৰ-ও, পাৰও।

ল'ৰা-ও, ল ৰা-ও।

পুথি -ও, পুথিও।

বন্ধু-ও, বন্ধুও।

পিতৃ-ও, পিতৃও।

পাণ্ডে-ও, পাণ্ডেও।

ভাৱৈ-ও, ভাৱৈও।

লো-ও, লোও।

ঢৌ-ও, ঢৌও।

গাওঁ-ও, গাৱোঁ।

নাও-ও, নাৱো।

মানুহ-ও, মানুহো।

(২) বিশেষণ ভাল-ও, ভালো।

সক-ও, সকও।

ডাঙৰ-ও, ডাঙৰো।

(৩) সৰ্বনাম মই-ও, ময়ো।

তই-ও, তয়ো।

তেওঁ-ও, তেৱোঁ।

তুমি-ও, তুমিও।

সি-ও, সিও।

(৪) শব্দ-বিভক্তি তোমাৰ-ও, তোমাৰো।

ঘৰলৈ-ও, ঘৰলৈও।

মানুহে-ও, মানুহেও।

(৫) পৰ-সৰ্গ বামৰ হতুৱাই-ও, ৰামৰ হতুৱায়ো।
বামৰ পৰা-ও, ৰামৰ পৰাও।

(৬) ক্রিয়া খাওঁ-ও খায়োঁ।
খালে-ও, খালেও।
কৰিব ও, কৰিবও।

(৭) ক্রিয়া-বিশেষণ আজি-ও, আজিও।
তেনেকৈ-ও, তেনেকৈও।

(৮) সংখ্যাবাচক শব্দ এক ও, একো।
দুই-ও, দুয়ো।
দহ-ও, দহো।

(৯) নির্দিষ্টতাবাচক প্রত্যয় কিতাপখন-ও, কিতাপখনো।
মানুহজন-ও মানুহজনো।

(১০) অনির্দিষ্টতাবাচক প্রত্যয় ছুমাহমান-ও, ছুমাহমানো।
মানুহকেইজনমান-ও মানুহ-কেইজনমানো।

(খ) ভাঠি কোৱা ভাৱত

(১) বিশেষ্য কাছ-ই ভাল।
কাছ-হে ভাল।
টকা-ই নাই।
টকা-হে লাগে।
বস্তু-এ, বস্তুয়ে নাই।
বস্তু-এই, বস্তুয়েই নাই।
বস্তু-হে লাগে।

(২) বিশেষণ : সকলো-এ, সকলোয়ে ভাল।
সকলো-এই, সকলোয়েই ভাল।
সকলো-হে ভাল।

(৩) সৰ্বনাম : মই-এ, ময়ে ক'লোঁ।
মই এ-ই, ময়েই ক'লোঁ।
মই-হে কলোঁ।

(৪) শব্দ-বিভক্তি ঘৰলৈ-এ ঘৰলৈয়ে।
ঘৰলৈ-হে।
ঘৰলৈ-কে।
তোমাৰ-এ, তোমাৰে নাই।
তোমাৰ এ-ই, তোমাৰেই নাই।
তোমাৰ-হে নাই।

(৫) পৰ-সৰ্গ তাৰ দ্বাৰা-ই।
তাৰ দ্বাৰা হে।
তোমাৰ পৰা-ই।
তোমাৰ পৰা-হে।

(৬) ক্ৰিয়া খালোঁ-এ খালোঁয়ে।
খালোঁ এ-ই, খালোঁয়েই।
খালোঁ হে।

(৭) ক্ৰিয়া-বিশেষণ আজি-এ, আজিয়ে।
আজি-এ-ই, আজিয়েই।
আজি-হে।
আজিলৈ-কে।
কাইলৈ-কে।
ভালৈ-কে।
সঁচাসঁচিকৈ-এ-ই, সঁচাসঁচিকৈয়েই।

(৮) সংখ্যাবাচক শব্দ . তিনি-এ, তিনিয়ে বাজিল।
তিনি-এ-ই, তিনিয়েই বাজিল।
তিনি-হে বাজিল।

(৯) নিৰ্দিষ্টতাৱাচক প্ৰত্যয় কিতাপখন-এ, কিতাপখনে
কিতাপখন-এ-ই, কিতাপখনেই।
কিতাপখন-হে ।

(১০) অনিৰ্দিষ্টতাৱাচক প্ৰত্যয় ছুমাহমান-এ, ছুমাহমানে হ'ল।
ছুমাহমান-এ-ই, ছুমাহমানেই হ'ল ।
ছুমাহমান-হে হ'ল।

৬০ ১ কেতিয়াবা ক্ৰিয়া-ৰূপ এটা ছুবাৰ ব্যৱহাৰ কৰি প্ৰথম বাৰৰ ৰূপটোৰ লগত জোৰ-বুজোৱা প্ৰত্যয়বোৰ যোগ দিও জোৰ-বুজোৱা কাৰ্যৰ গাঢ়তা প্ৰকাশ কৰা হয়, যেনে, সি খাব-ই খাব। মই (খাম-এ ই) খামেই খাম। কথাটো শুনা-হে শুনো।

৬১ **পুনৰুক্তি :** কেতিয়াবা সমগ্ৰতা, অবিচ্ছিন্নতা, বাৰম্বাৰতা, গভীৰতা আদি ভাৱৰ প্ৰকাশৰ বাবে কোনো শব্দক ছুবাৰকৈ ব্যৱহাৰ কৰা হয়। ইয়াৰ নাম পুনৰুক্তি। উদাহৰণ

(ক) বিশেষ্য . ঘৰে ঘৰে, জাকে জাকে, মুখে মুখে।
(খ) বিশেষণ . ভাল ভাল (কাপোৰ), পকা পকা (চাই)।
(গ) সৰ্বনাম কি কি, কাক কাক।
(ঘ) সংখ্যাবাচক শব্দ শ শ, শই শই, হাজাৰ হাজাৰ, হাজাৰে হাজাৰে, ছুটা ছুটাকৈ।
(ঙ) ক্ৰিয়াৰ অসমাপিকা ৰূপ: কৈ কৈ, শুনি শুনি।
(চ) বৰ্ত্তমানকালিক কৃদন্ত : চাওঁতে চাওঁতে, শুনোতে শুনোতে।
(ছ) ক্ৰিয়া-বিশেষণ : মাহে মাহে, বছৰে বছৰে।

(৭)

৬২ **শব্দ-গঠন ঃ** ধাতু বা প্ৰাতিপদিকৰ পাছত বিৱিধ প্ৰত্যয় যোগ দি কিছুমান নতুন শব্দ সজাব পাৰি। ধাতুৰ পাছত যোগ হোৱা প্ৰত্যয়বোৰক কৃৎ-প্ৰত্যয় আৰু প্ৰাতিপদিকৰ পাছত যোগ হোৱা প্ৰত্যয়বোৰক তদ্ধিত প্ৰত্যয় বোলে। কৃৎ-প্ৰত্যয়ক মুখ্য প্ৰত্যয় আৰু তদ্ধিত-প্ৰত্যয়ক গৌণ প্ৰত্যয় বুলিও কোৱা হয়। মুখ্য বা কৃৎ-প্ৰত্যয়বোৰ ধাতুৰ পাছত যোগ দি কিছুমান বিশেষ্য আৰু বিশেষণ-শব্দ সজোৱা হয়। গৌণ বা তদ্ধিত-প্ৰত্যয়বোৰ বিশেষ্য-শব্দৰ পাছত যোগ দি নতুন বিশেষ্য-শব্দৰ সৃষ্টি কৰিব পাৰি নাইবা বিশেষ্য-শব্দৰ পৰা বিশেষণ-শব্দ সজাব পাৰি। কেতিয়াবা বিশেষণ-শব্দৰ পৰা অমূৰ্ত্ত ভাৱপ্ৰকাশক বিশেষ্য-শব্দ পাব পাৰি অথবা বিশেষণ-শব্দৰ পৰা বিশেষণ-শব্দ উৎপন্ন কৰাব পাৰি। তদ্ধিত প্ৰত্যয়ক আকৌ স্বাৰ্থিক প্ৰত্যয় আৰু ব্যুৎপত্তিমূলক প্ৰত্যয় এই দুটা ভাগত ভগাব পাৰি। স্বাৰ্থিক প্ৰত্যয়ৰ যোগত প্ৰাতিপদিকৰ অৰ্থৰ কোনো পৰিবৰ্ত্তন নহয়, যেনে, বাপ, বাপ> বোপ-আ, বোপা বোপা-ই মামা মামা>মোমা-ই, জী জী-আৰী, জীয়াৰী, হৰিণ, হৰিণ-আ হৰিণা চকল, চকল-আ, চকলা আদি। ব্যুৎপত্তিমূলক প্ৰত্যয়ৰ যোগত প্ৰাতিপদিকৰ অৰ্থ লৰে। শব্দৰ আগত কিছুমান ধ্বনি বা ধ্বনি-সংযোগ লগ লগায়ো কিছুমান নতুন শব্দ পাব পাৰি। এনে ধ্বনি-সংযোগক পূৰ্ব-প্ৰত্যয় বোলা হয়। অসমীয়াত ইয়াৰ সংখ্যা বেছি নহয়। তলত প্ৰত্যেকৰে উদাহৰণ দিয়া হ'ল। প্ৰত্যয় যোগ হ'লে সম্ভৱ-স্থলত সন্ধি আৰু কোনো কোনো ক্ষেত্ৰত শব্দৰ তিৰ্য্যক-ৰূপ হয়।

৬৩ **কৃৎপ্ৰত্যয় ঃ**

(১) —অক। বিশেষ্য-শব্দ সজা হয়, যেনে,

মৰ-অক, মৰক (মাৰি-মৰক)

(২)—অণ্ড বিশেষ্য-শব্দ সজা হয়, যেনে,
মৰ্-অণ্ড, মৰণ্ড

(৩)—অতি. বিশেষ্য-শব্দ সজা হয়, যেনে,
খজুৱা>খজু-অতি, খজুৱতি

(৪)—অতিয়াল. বিশেষণ-শব্দ সজা হয়, যেনে,
লাগ্-অতিয়াল লাগতিয়াল

(৫)—অতী বিশেষণ-শব্দ সজা হয়, যেনে,
বো-অতী, বোৱতী (মাটি)
ব>বো-অতী, বোৱতী (শুঁতি)
ক্ষীৰা>ক্ষীৰ-অতী, ক্ষীৰতী

(৬)—অতীয়া বিশেষণ-শব্দ সজা হয়, যেনে,
সাঁচ-অতীয়া, সাঁচতীয়া

(৭)—অন বিশেষ্য-শব্দ সজা হয়, যেনে,
উৰ-অন, উৰণ
কাট-অন, কাটন
খা-অন, খাৱন
চল্-অন, চলন
দোল্-অন, দোলন
নাচ্-অন, নাচন
পি অন, পিয়ন
পিন্ধ্-অন, পিন্ধন
ফুৰ্-অন, ফুৰণ
ব>বো-অন, বোৱন
বাঢ্-অন, বাঢন
বুল্-অন, বুলন

বুৰ-অন, বুৰণ
ভৰ্-অন, ভৰণ
ভাগ-অন, ভাগন
ভাগ>ভগ্-অন, ভগন
ভাঙ>ভঙ-অন, ভঙন
মাগ-অন, মাগন
মাৰ-অন মাৰণ
বান্ধ-অন, বান্ধন
লাগ-অন, লাগন
শো-অন, শোৱন

(৮)—অনা৹ বিশেষ্য-শব্দ সজা হয়৷ যেনে,

খুন্দ্-অনা, খুন্দনা
জাপ>জপ-অনা, জপনা
বাজ-অনা, বাজনা

(৯)—অনি৹ বিশেষ্য-শব্দ সজা হয়৷ যেনে,

উজা>উজ-অনি, উজনি, বিণ উজনী
কঁপ্-অনি, কঁপনি
কাচ্-অনি, কাচনি
কেঁকা>কেঁক্-অনি, কেঁকনি
গঢ়্-অনি, গঢনি ; বিণ গঢ়নী
গচক্-অনি, গচকনি
গোঁথা>গোঁথ্-অনি, গোঁথনি
জান্-অনি, জাননি
জিৰা>জিৰ্-অনি, জিৰণি
জুৰা>জুৰ্-অনি, জুৰণি

চাক্-অনি, চাকনি
ভিয়া>ভি-অনি ভিয়নি
নাচ্-অনি, নাচনি (ভাওশালৰ)
নাট্-অনি, নাটনি
নাম্-অনি, নামনি , বিণ নামনী
পক্-অনি পকনি
পাত্-অনি, পাতনি
কোপা>কোপ-অনি, কোপনি
বাহ্-অনি, বাহনি , বিণ বাহনা
বিচ-অনি, বিচনি
বুজ-অনি, বুজনি
বুল-অনি, বুলনি ;°বিণ বুলনী
ভৰ্-অনি, ভৰণি
ভুক্-অনি, ভুকনি
মথ-অনি, মথনি
বান্ধ-অনি, বান্ধনি স্ত্রী, বান্ধনী
শিক্-অনি, শিকনি
শাপ্>শপ্-অনি, শপনি
শুকা>শুক্-অনি, শুকনি

(১০)—অনিয়াৰ : বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,

মাগ্>মগ্-অনিয়াৰ, মগনিয়াৰ
চুকা>চুক্-অনিয়াৰ, চুকনিয়াৰ
দেখ্-অনিয়াৰ, দেখনিয়াৰ
সাঁচ-অনিয়াৰ, সাঁচনিয়াৰ

(১১)—অনী : বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,

খোঁচ্-অনী, খোঁচনী (যাবি)

দা-অনী, দায়নী
নাচ্-অনী, নাচনী
বো-অনী, বোৱণী

(১২)—অনীয়া বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,
খোজ-অনীয়া, খোজনীয়া।
চুকা > চুক্-অনীয়া, চুকনীয়া
জিৰা > জিৰ্-অনীয়া, জিৰণীয়া
বিলা > বিল্-অনীয়া, বিলনীয়া
সাঁচ্-অনীয়া, সাঁচনীয়া

(১৩)—অবীয়া বিশেষ্য-শব্দ সজা হয়, যেনে
খা-অবীয়া, খাইবীয়া
পলা > পল্-অবীয়া পলবীয়া

(১৪)—আক বিশেষ্য-শব্দ সজা হয়, যেনে,
ঘুঁজ-আক, ঘুঁজাক
লেখ্-আক, লেখাক
শিক্-আক, শিকাক

(১৫)—আল বিশেষ্য-শব্দ সজা হয়, যেনে,
সৰ্-আল, সৰাল (হাঁহিনীজনীয়ে পাখি সৰাল দিছে অৰ্থাৎ তাইৰ পাখি সৰিবলৈ ধৰিছে (বহুল ব্যাকৰণ)।

(১৬)—ই : বিশেষ্য-শব্দ সজা হয়, যেনে,
মাৰ্-ই, মাৰি
হাঁহ্-ই, হাঁহি

(১৭)—ঈয়া : বিশেষ্য-শব্দ সজা হয়, যেনে,
কাট্ > কট্-ঈয়া, কটীয়া (তু খৰিকটীয়া, বাটকটীয়া)
মাৰ্ > মৰ্-ঈয়া, মৰীয়া (তু পহুমৰীয়া)
ৰাখ্ > ৰখ-ঈয়া, ৰখীয়া (তু গো-ৰখীয়া, গৰখীয়া)

(১৮)—উক . বিশেষণ-শব্দ সজা হয়, যেনে,
মাৰ -উক, মাকক

(১৯)—উকা : বিশেষণ-শব্দ সজা হয়, যেনে,
বহ্-উকা, বহুকা (দ'বা)

(২০)—উণ্ডা · বিশেষণ-শব্দ সজা হয়, যেনে,
উৰ্-উণ্ডা, উকণ্ডা

(২১)—উৰা . বিশেষণ-শব্দ সজা হয়, যেনে,
কান্দ -উৰা কান্দুৰা
কাহ -উৰা, কাহুৰা
মুত্-উৰা, মুতুৰা
লুট্-উৰা, লুটুৰা

(২২)—উৰৈ · বিশেষ্য-শব্দ সজা হয়, যেনে,
পঢ -উৰৈ, পঢ়ুৰৈ

(২৩)—ওনা বিশেষ্য-শব্দ সজা হয়, যেনে,
পা-ওনা, পাওনা 'পাবলগীয়া টকা-পইছা'

৬৪ তদ্ধিত প্ৰত্যয় :

(১)—অক বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,
খেতি-অক, খেতিয়ক
বুধি-অক, বুধিয়ক
ফন্দি-অক, ফন্দিয়ক

(২)—অটীয়া : বিশেষণ-শব্দ সজা হয়, যেনে,
ঘৰ-অটীয়া, ঘৰটীয়া

(৩)—অভী · বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,
আগল-অভী, আগলভী
নাম-অভী, নামভী
ফুল-অভী, ফুলভী

বাপ-অতী, বাপতী

লাহ-অতী, লাহতী

(৪)—অতীয়া বিশেষণ-শব্দ সজা হয়, যেনে,

আগ-অতীয়া, আগতীয়া

জাক-অতীয়া, জাকতীয়া

তল-অতীয়া, তলতীয়া

বাপ-অতীয়া, বাপতীয়া

শেহ-অতীয়া, শেহতীয়া

(৫)—অনি বিশেষ্য-শব্দ সজা হয়, যেনে,

উলু-অনি, উলুৱনি

ঔ-অনি, ঔৱনি

কচু-অনি, কচুৱনি

কাঠ-অনি কাঠনি

কোন-কোন-অনি, কোন-কোননি

চুৱা পাত-অনি, চৱাপাতনি

তেল-অনি, তেলনি

দল-অনি, দলনি

দপ-দপ-অনি, দপ-দপনি

ধান-অনি, ধাননি

নাহৰ-অনি, নাহৰণি

পছুম-অনি, পছুমনি

পিৰ পিৰ-অনি, পিৰ-পিৰণি

ফুল-অনি, ফুলনি

বন-অনি, বননি

বুৰ-বুৰ অনি, বুৰ-বুৰণি

মাহ-অনি, মাহনি

শাক-অনি, শাকনি

(৬)—অনা : বিশেষণ শব্দ সজা হয়, যেনে,
হাত-অনী, হাতনী 'সততে ব্যৱহাৰ কৰা'

(৭)—অনীয়া . বিশেষণ-শব্দ সজা হয়, যেনে,
আঁঠু-অনীয়া, আঁঠুৱনীয়া

(৮)—অবি, অবী . বিশেষ্য-শব্দ সজা হয়, যেনে,
ভাল-অবি, ভালবি
লগ-অবী, লগবী
লাহ-অবী, লাহবী

(৯)—অবীয়া : বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,
নাও-অবীয়া, নাৱবীয়া
বন-অবীয়া, বনবীয়া
ভাও-অবীয়া, ভাৱবীয়া
লগ-অবীয়া, লগবীয়া

(১০)—অকৰা· বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,
আধা>আধ-অকৰা, আধকৰা
বাট-অকৰা, বাটকৰা
হাট-অকৰা, হাটকৰা

(১১)—অল : বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,
আগ-অল, আগল
দীঘ-অল, দীঘল

(১২)—অলি : বিশেষ্য-শব্দ সজা হয়, যেনে,
আগ-অলি, আগলি

(১৩)—অলী : বিশেষণ-শব্দ সজা হয়, যেনে,
বঙা>বাঙ-অলী, বাঙলী (পুৰুষ)

(১৪)—অলীয়া : বিশেষণ-শব্দ সজা হয়, যেনে,
গাওঁ-অলীয়া, গাৱঁলীয়া

মিছা > মিছ-অলীয়া, মিছলীয়া
মাজ > মজ-অলীয়া, মজলীয়া

(১৫) —অহ বিশেষণ-শব্দ সজা হয়, যেনে,
ৰূপ-অহ, ৰূপহ

(১৬) —আ : বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,
আহিন-আ, আহিনা
আঘণ-আ, আঘণা
কাতি-আ, কাতিয়া
কালি-আ, কালিয়া, 'কালি বজাওঁতা'
গছ-আ, গছা।
গাওঁ > গ'ই-আ, গঞা
গুটি-আ > গুটিয়া (কপাহগুটিয়া)
গুৱাহাটী > গুৱাহটী-আ, গুৱাহটীয়া
চ'ত > চৈত-আ, চৈতা
দাটী > দটী-আ, দটীয়া
দুখী-আ, দুখীয়া
নলবাৰী > নলবৰী-আ, নলবৰীয়া
পানী > পনী-আ পনীয়া
পুহ-আ, পুহা
ফাগুন-আ, ফাগুনা
ফাপৰ > ফপৰ-আ, ফপৰা
বৃহস্পতি-আ, বৃহস্পতিয়া
মণ্ডল-আ, মণ্ডলা
ৰঙ-আ, ৰঙা
ৰবি-আ, ৰবিয়া
ৰুগী-আ, ৰুগীয়া

শনি-আ, শনিয়া
শাওণ-আ, শাওনা
শুকুৰ-আ, শুকুৰা
সুখী-আ, সুখীয়া
হালধী-আ, হালধীয়া

(১৭) —আই বিশেষ্য-শব্দ সজা হয়, যেনে
বৰ-আই, বৰাই
মিঠা-আই, মিঠাই
মুনিহ>মুনিষ-আই, মুনিষাই

(১৮)—আক বিশেষ্য-শব্দ সজা হয যেন
জোন-আক, জোনাক

(১৯)—আকি বিশেষ্য-শব্দ সজা হয ; যেন
চিন-আকি, চিনাকি ; বিণ চিনাকী

(২০)—আঙ : বিশেষণ শব্দ সজা হয়, যেন
খৰ-আঙ, খৰাঙ, খৰা.
চোৰ-আঙ, চোৰাঙ চোৰা'
তৰ-আঙ, তৰাঙ তৰাং
থিৰ আঙ, থিৰাঙ, থিৰাং

(২১) —আম বিশেষণ-শব্দ সজা হয়, যেন,
ফুল আম, ফুলাম
সাত-আম, সাতাম (পুরুষ)

(২২)—আমি : বিশেষ্য-শব্দ সজা হয় যেন,
ঠগ-আমি, ঠগামি
কাত্ৰা-আমি, কাত্ৰামি
ভণ্ড>ভণ্ড্-আমি, ভণ্ডামি
মূৰ্খ>মূৰ্খ-আমি, মূৰ্খামি

(২৩) —আৰ : বিশেষ্য-শব্দ সজা হয়, যেনে,

কাঁহ>কঁহ-আৰ, কঁহাৰ

সূতা>সূত-আৰ, সূতাৰ 'বাটৈ'

(২৪) —আৰী : বিশেষ্য-শব্দ সজা হয়, যেনে,

জুৱা-আৰী, জুৱাৰী

পূজা-আৰী, পূজাৰী

সোণ-আৰী, সোণাৰী

(২৫)—আল. বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,

খণ্ড-আল, খণ্ডাল

গপ-আল, গপাল

গা-আল, গাৱাল 'গা-থকা'

গুৰি-আল, গুৰিয়াল

চকী-আল, চকীয়াল

চাকৰি-আল, চাকৰিয়াল

চাপৰি-আল, চাপৰিয়াল 'চাপৰিত থকা'

জোঙ-আল, জোঙাল

•তেজ-আল, তেজাল

দাঁতি-আল, দাঁতিয়াল 'দাঁতিত থকা'

নেজ-আল, নেজাল

নোম-আল, নোমাল

পেট-আল, পেটাল

মগুহ-আল, মগুহাল

মুখ-আল, মুখাল

বাগি-আল, বাগিয়াল

(২৬)—আলি : বিশেষ্য-শব্দ সজা হয়, যেনে,

অজলা-আলি, অজলালি

ওজা-আলি, ওজালি
খব-আলি, খবালি
ঘটক-আলি, ঘটকালি
চতুব-আলি, চতুবালি
টেঙব-আলি, টেঙবালি
পুকষ-আলি, পুকষালি
বলিয়া-আলি, বলিয়ালি,
বেজ-আলি, বেজালি
মইমত-আলি, মইমতালি
মিতিব-আলি, মিতিবালি
ল'বা-আলি, ল'বালি
সোবোপা-আলি, সোবোপালি

(২৭)—আলী. বিশেষণ-শব্দ সজা হয়, যেনে,
জোন-আলি, জোনালী
ভোগ-আলী, ভোগালী
বঙ-আলী, বঙালী
ৰূপ-আলী, ৰূপালী
সোণ-আলী সোণালী

(২৮)—আহ: বিশেষ্য-শব্দ সজা হয়, যেনে,
ছল-আহ, ছলাহ

(২৯)—আহী. বিশেষ্য আক বিশেষণ-শব্দ সজা হয়, যেনে,
মদ-আহী, মদাহী
ছল-আহী, ছলাহী

(৩০)—ই: বিশেষ্য-শব্দ সজা হয়, যেনে,
কোঁহ>কুঁহ-ই, কুঁহি

কম্পাউণ্ডাৰ-ই, কম্পাউণ্ডাৰি 'কম্পাউণ্ডাৰৰ ব্যৱসায়'
চাক-ই চাকি (ফুলৰ)
জুৱাচোৰ>জুৱাচুৰ-ই, জুৱাচুৰি
টেমা>টেম-ই, টেমি
ডোবা>ডুব-ই, ডুবি
পখা>পাখ-ই, পাখি
পাহ-ই, পাহি
প্ৰফেছৰ-ই, প্ৰফেছৰি 'প্ৰফেছৰৰ ব্যৱসায়'
বাহাদুৰ-ই, বাহাদুৰি
মাদল>মাদুল-ই, মাদুলি
মাষ্টৰ-ই, মাষ্টৰি 'মাষ্টৰৰ ব্যৱসায়

(৩১)—ইয়া • বিশেষ্য-শব্দ সজা হয়, যেনে,
মাজ>মজ-ইয়া, মজিয়া
পল-ইয়া, পলৈয়া 'পলৰে মাছ ধৰা লোক'

(৩২)—ইয়াল • বিশেষণ-শব্দ সজা হয়, যেনে,
মৰম-ইয়াল, মৰমিয়াল
বণ্ড-ইয়াল, বণ্ডিয়াল
সাহ-ইয়াল, সাহিয়াল

(৩৩) —ইলা • বিশেষণ-শব্দ সজা হয়, যেনে,
কাম-ইলা, কামিলা

(৩৪)—ইলি . ক্ৰিয়া-বিশেষণ-শব্দ সজা হয়, যেনে,
মাহ-ইলি, মাহিলি (মাহিলি পায়)

(৩৫) —ইলী : বিশেষণ-শব্দ সজা হয়, যেনে,
মাহ-ইলী, মাহিলী (কাকত)

(৩৬) —ঈ : বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,

অসম-ঈ, অসমী (আই)
কঙাল-ঈ, কঙালী (বিহু)
কথক-ই, কথকী 'কথা-কোৱা আৰু ক'ব-জনা'
কপাহ-ঈ, কপাহী
কাকত-ঈ, কাকতী
কাবুল-ঈ, কাবুলী
কামৰূপ-ঈ, কামৰূপী
কাঁহ-ঈ, কাঁহী
ছৰকাৰ-ঈ, ছৰকাৰী
জোনাক-ঈ, জোনাকী
জাপান-ঈ, জাপানী
জ্ঞান-ঈ, জ্ঞানী
তাম-ঈ, তামী
তেল-ঈ, তেলী
দান-ঈ, দানী
দীঘল-ঈ, দিঘলী (পুথুৰী)
দুৱাৰ>দুৱৰ-ঈ, দুৱৰী
দুখ-ঈ, দুখী
ধন-ঈ, ধনী
নির্বাচন-ঈ, নির্বাচনী
নেপাল-ঈ, নেপালী
বহাগ-ঈ, বহাগী (লুইত)
বাঁহ-ঈ, বাঁহী
বিজ্ঞান-ঈ, বিজ্ঞানী
বুলন-ঈ, বুলনী (ঘৰ)

ভঁৰাল-ঈ, ভঁৰালী
ভাগ-ঈ, ভাগী
ভাগৱত-ঈ, ভাগৱতী
ভাৰ-ঈ, ভাৰী
ভোগ>ভুগ-ঈ, ভুগী
মান-ঈ, মানী
ৰঙ-ঈ, ৰঙী (একৰঙী চিত্ৰ)
ৰোগ>ৰুগ-ঈ, ৰুগী
সুখ-ঈ, সুখী
হিন্দুস্থান-ঈ, হিন্দুস্থানী

(৩৭) —ঈন বিশেষণ-শব্দ সজা হয়, যেনে,
ৰঙ-ঈন, ৰঙীণ

(৩৮) —ঈয় বিশেষণ-শব্দ সজা হয়, যেনে,
দল-ঈয়, দলীয়

(৩৯) —ঈয়া বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,
এঘৰ-ঈয়া, এঘৰীয়া
কাণ>কণ-ঈয়া, কণীয়া (শহাকণীয়া)
কুল-ঈয়া, কুলীয়া
খোল>খুল-ঈয়া, খুলীয়া
গোঁফ>গুঁফ ঈয়া, গুঁফীয়া
চিৰকাল>চিৰকল-ঈয়া, চিৰকলীয়া
জগৰ-ঈয়া, জগৰীয়া
জোল>জুল-ঈয়া, জুলীয়া
টকা>টক-ঈয়া, টকীয়া (বহুটকীয়া)
ঢোল>ঢুল-ঈয়া, ঢুলীয়া
তেজপুৰ-ঈয়া, তেজপুৰীয়া

তেল-ঈয়া, তেলীয়া
দহজন-ঈয়া, দহজনীয়া
দিন-ঈয়া, দিনীয়া (সাতদিনীয়া)
দীঘল-ঈয়া, দীঘলীয়া
দেওবাৰ>দেওবৰ-ঈয়া, দেওবৰীয়া
ধম-ধম-ঈয়া, ধমধমীয়া
নাল>নল-ঈয়া, নলীয়া
নেজ>নেচ-ঈয়া, নেচীয়া (কুকুৰনেচীয়া)
নোমল>নুমল-ঈয়া, নুমলীয়া
পৰ্বত-ঈয়া, পৰ্বতীয়া
কাল>কল-ঈয়া, কলীয়া
বছৰ-ঈয়া, বছৰীয়া
বছৰেক-ঈয়া, বছৰেকীয়া
ববকথা>ববকথ-ঈয়া, ববকথীয়া
ভগন-ঈয়া, ভগনীয়া
ভঙন-ঈয়া, ভঙনীয়া
ভাদ>ভদ-ঈয়া, ভদীয়া
মাগন>মগন-ঈয়া, মগনীয়া
মাহ>মহ-ঈয়া, মহীয়া
যোৰ>যুৰ-ঈয়া, যুৰীয়া
লোণ>লুণ-ঈয়া, লুণীয়া
সমান>সমন-ঈয়া, সমনীয়া
সোমবাৰ>সোমবৰ-ঈয়া, সোমবৰীয়া

(৪০)—উ. বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,

আহাৰ>আহৰ-উ, আহৰু
বহাগ-উ, বহাগু

বাপ-উ, বাপু
বুধ>বুদ-উ, বুদু
মাজ-উ, মাজু

(৪১)—উনী বিশেষণ-শব্দ সজা হয়, যেনে,
দুখ-উনী, দুখুনী (জননী)

(৪২)—উৱা বিশেষণ-শব্দ সজা হয়, যেনে
দন্দ-উৱা, দন্দুৱা

(৪৩)—উলা : বিশেষণ-শব্দ সজা হয়, যেনে,
পেট-উলা, পেটুলা
ঠেহ্-উলা, ঠেহুলা

(৪৪)—উলি বিশেষ্য-শব্দ সজা হয়, যেনে,
মাজ-উলি, মাজুলি
ঠেঙ-উলি, ঠেঙুলি

(৪৫)—উৰা বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,
এলাহ>এলেহ-উৱা, এলেহুৱা
ঘৰ-উৱা, ঘৰুৱা
জাবৰ-উৱা, জাবৰুৱা
জেঠ-উৱা, জেঠুৱা
ডাল>ডল-উৱা, ডলুৱা, 'ডালত থকা'
থল-উৱা, থলুৱা
থাৰ>থৰ-উৱা, থৰুৱা
নট-উৱা, নটুৱা
পথাৰ>পথৰ-উৱা, পথৰুৱা
পলস-উৱা, পলসুৱা
পিতল-উৱা, পিতলুৱা
বজাৰ>বজৰ-উৱা, বজৰুৱা

বন-উৱা, বনুৱা
ভাণ্ড>ভণ্ড-উৱা, ভণ্ডুৱা
ভাত>ভত-উৱা, ভতুৱা
মাঘ>মঘ-উৱা, মঘুৱা
মাৰ>মৰ-উৱা, মৰুৱা
ৰণ-উৱা, ৰণুৱা
ৰাজহ উৱা, ৰাজহুৱা
সমাজ>সমজ উৱা, সমজুৱা
সাৰ উৱা সাৰুৱা

(৪৬)—উৱাল বিশেষণ শব্দ সজা হয়; যেনে,
ভিতৰ-উৱাল, ভিতৰুৱাল

(৪৭) উৱৈ বিশেষ্য শব্দ সজা হয় যেনে,
গছ-উৱৈ, গছুৱৈ
ঘাট উৱৈ, ঘাটুৱৈ
মাছ-উৱৈ, মাছুৱৈ
মেল উৱৈ, মেলুৱৈ

(৪৮)—এতীয়া বিশেষণ শব্দ সজা হয় যেনে,
তেল-এতীয়া, তেলেতীয়া

(৪৯)—ঐ বিশেষ্য-শব্দ সজা হয়, যেনে,
দুব-ঐ, দুবৈ

(৫০)-ওৱা বিশেষ্য-শব্দ সজা হয়, যেনে,
হাল-ওৱা, হালোৱা
জাল-ওৱা জালোৱা

(৫১)—ওৱাল বিশেষ্য-শব্দ সজা হয় যেনে,
ডাক-ওৱাল, ডাকোৱাল 'ডাক বিলোৱা লোক'

(৫২)—ওৱালী বিশেষণ-শব্দ সজা হয়, যেনে,
ৰূপ-ওৱালী, ৰূপোৱালী
সোণ ওৱালী, সোণোৱালী

(৫৩)—কৰী . বিশেষণ-শব্দ সজা হয়, যেনে,
অৰ্থ-কৰী (বিদ্যা)
জ্ঞান-কৰী (বিদ্যা)

(৫৪)—কাৰ বিশেষ্য-শব্দ সজা হয়, যেনে,
গল্প-কাৰ
গীতি-কাৰ
নাট্য-কাৰ
সুৰ কাৰ

(৫৫)—কাৰী বিশেষ্য আৰু বিশেষণ-শব্দ সজা হয়, যেনে,
অভিযোগ-কাৰী
পিকেটিং-কাৰী
ব্যাখ্যা-কাৰী
মঙ্গল-কাৰী

(৫৬)—কুৰি বিশেষ্য-শব্দ সজা হয়, যেনে,
বাট-কুৰি
হাট-কুৰি

(৫৭)—কুৰীয়া : বিশেষণ-শব্দ সজা হয়, যেনে,
লাজ-কুৰীয়া

(৫৮)—খিৰি . বিশেষ্য-শব্দ সজা হয়, যেনে,
উকীল-খিৰি
কেৰাণী-খিৰি
গুৰু-খিৰি
পাণ্ডা-খিৰি

এবেহন-গিৰি
বাবু-গিৰি
মহৰী-গিৰি
মাষ্টৰ-গিৰি
হাকিম গিৰি

(৫৯)—চুৱা · বিশেষণ-শব্দ সজা হয়, যেনে,
ৰং > ৰঙ-চুৱা, ৰঙচুৱা

(৬০)—ডলী বিশেষ্য-শব্দ সজা হয়, যেনে,
কঠীয়া-ডলী
ধান ডলী
মাহ-ডলী

(৬১)—তী বিশেষণ-শব্দ সজা হয়, যেনে,
পুৰা > পুৰ-তী, পুৰতী (নিকৰ)

(৬২)—দাৰ. বিশেষ্য-শব্দ সজা হয়, যেনে,
অংশ > অংশী-দাৰ, অংশীদাৰ

(৬৩) ধাৰী. বিশেষণ-শব্দ সজা হয়, যেনে,
আশা ধাৰী, আশাধাৰী (জীৱ)

(৬৪)—নি. বিশেষ্য-শব্দ সজা হয়, যেনে,
চপৰা-নি, চপৰাণি
নবা-নি, নবাণি

(৬৫)—ময়: বিশেষণ-শব্দ সজা হয়, যেনে

দুৰ্গন্ধ-ময়
ধূলি-ময়
বোকা-ময়
শিলা-ময়
হাবি-ময়

(৬৬)—লা । বিশেষ্য-শব্দ সজা হয়, যেনে,
অন্ধ-লা

(৬৭)—ৱালা । বিশেষ্য-শব্দ সজা হয়, যেনে,
তৰকাৰী-ৱালা
ফেৰি-ৱালা
কটা-ৱালা
ৰিক্সা ৱালা
লোফ-ৱালা

৬৫ পূৰ্ব-প্ৰত্যয় : অসমীয়া শব্দত লগ লগা পূৰ্ব-প্ৰত্যয় আৰু পূৰ্বপ্ৰত্যয়সূচক ৰূপ কিছুমান আছে। অসমীয়াত সচৰাচৰ ব্যৱহাৰ হোৱা সংস্কৃতীয়া শব্দ কিছুমানকো পূৰ্ব-প্ৰত্যয়ৰ নীতি অনুসাৰে গঠন-পদ্ধতিৰ বিশ্লেষণ কৰিব পাৰি। তলত সেইবোৰৰ উদাহৰণ দিয়া হ'ল

(১) অ —	অ-কামিলা	অ-বাট	অ-সময়
	অ-কাঠ	অ-ব্ৰাহ্মণ	অ-সমান
	অ-কাঠী	অ-ভদ্ৰ	অ-সহযোগ
	অ-কাল	অ-ভাৰতীয়	অ-সমৰ্থ
	অ-কাৰ্য	অ-ভূতপূৰ্ব	অ-সৱৰ্ণ
	অ-খ্যাত	অ-যুক্ত	অ-সাধাৰণ
	অ-খ্যাতি	অ-যাত্ৰী	অ-সুখ
	অ-ঘটন	অ-লাগতিয়াল	অ-সুখী
	অ-চিনাকী	অ-লৌকিক	অ-সুখীয়া
	অ-জ্ঞান	অ-শুদ্ধ	অ-সমাপিকা
	অ-বল	অ-শৃংখল	অ-সম্পূৰ্ণ
	অ-ধৰ্ম	অ-শলাগী	অ-সাংবিধানিক
	অ-প্ৰস্তুত	অ-শুৱনী	অ-স্বীকাৰ
	অ-পৈণত	অ-সৎ	অ-হিত

(২) অন — ঃ অন্-আৱশ্যক, অনাৱশ্যক
অন্-ইচ্ছা, অনিচ্ছা
অন্-উচিত, অনুচিত

(৩) অনা— অনা হক, অনাহকত
অনা-কটা
অনা অসমীয়া

(৪) অনু— অনু-ৰূপ 'ৰূপৰ নিচিনা'
অনু-ক্রম, অনুক্রমে 'ক্রমে ক্রমে'
অনু-ক্ষণ 'ক্ষণে ক্ষণে'

(৫) অৰ্ধ— অৰ্ধ চৰকাৰী
অৰ্ধ নগ্ন
অৰ্ধ শিক্ষিত

(৬) আ — আ কণ্ঠ 'কণ্ঠ পৰ্যন্ত'
আ-কৰ্ণ 'কাণলৈকে'
আ জানু 'আঁঠু পৰ্যন্ত'
আ-জীৱন 'জীৱন থকালৈকে'
আ-পাদমস্তক 'ভৰিৰ পৰা মূৰলৈকে'
আ-বালবৃদ্ধবনিতা 'লৰা-বুঢ়া-পুৰুষ-স্ত্রী পৰ্যন্ত'
আ-মৰণ 'মৰণলৈকে'
আ-মূল 'মূললৈকে'
আ-সমুদ্রহিমাচল 'সমুদ্রৰ পৰা হিমালয় পৰ্যন্ত'

(৭) আও— আও-পাক, আওপকীয়া
আও-বাট
আও-মৰণ
আও-কলি (মূল)

(৮) আধ — : আধ-অসমীয়া
আধ-চকল
আধ বয়সীয়া
আধ-সিজা

(৯) উপ— . উপ-কূল উপ-দ্বীপ
উপ দল উপ ভাষা
উপ-বন উপ-সভাপতি

(১০) এ— এ-লাগী

(১১) কা—: কা-পুৰুষ

(১২) কু — কু অভ্যাস কু-চক্ৰ কু-বুদ্ধি
কু-অভিসন্ধি কু-তৰ্ক কু ৰূপ
কু-অভিপ্ৰায় কু-দৃষ্টি কু-ৰুচি
কু-কাম কু-নাম কু লক্ষণ
কু-চৰ্চা কু পুত্ৰ কু-সংস্কাৰ
কু-চক্ৰান্ত কু-ফল

(১৩) দুৰ — . দুৰ্-কপাল, দুৰ্কপাল , দুৰ্কপলীয়া

(১৪) নি — : নি-খুঁত
নি-দুখী
নি-ভুৰা
নি-বহুৱা
নি-বীয়া
নি-ভাজ
নি-পাতী (মলাৰ)
নি-ঘৰজিয়াল
নি-মাত
নি-লাজ

(১৫) প্ৰতি   প্ৰতি-ধ্বনি   'ধ্বনিৰ সদৃশ'
প্ৰতি-মূৰ্ত্তি   'মূৰ্ত্তিৰ সদৃশ'
প্ৰতি-যোদ্ধা   'যুদ্ধৰ যোগ্য
প্ৰতি-ৰূপ   'ৰূপৰ যোগ্য'
প্ৰতি-শব্দ   'শব্দৰ যোগ্য'

(১৬) বদ—   বদ-নাম
বদ-হজম

(১৭) বি—   বি-পাক
বি-দেশ, বিদেশী
বি-জাত, বিজতীয়া
বি-ধৰ্মী
বি-চৈ

(১৮) বিনা—   বিনা-শ্ৰম (কাৰাৱাস)

(১৯) বে— : বে-আইনী
বে-চৰকাৰী
বে-দখল
বে-পৰোৱা

(২০) যথা—   যথা-বিধি 'বিধি অনুসৰি
যথা-শক্তি 'শক্তি অনুসৰি'

(২১) স— .   স-গোত্ৰ 'একে গোত্ৰৰ'
স-গৰ্ব, সগৰ্ব-এ, সগৰ্বে
স-গৌৰৱ-এ, সগৌৰৱে
স-জাতি (দল)
স-তীৰ্থ 'একে অধ্যাপকৰ তলত পঢ়া, সহপাঠী'
স-পৰিয়াল-এ, সপৰিয়ালে
স-বান্ধৱ-এ, সবান্ধৱে

স-বংশ-এ, সবংশে

স-যত্ন এ সযত্নে

স-শৰীৰ এ, সশৰীৰে

স-শ্ৰম (কাৰাদণ্ড)

(২২) সহ— সহ-অভিনয়

সহ-অৱস্থান

সহ-উদৰ, সহোদৰ, সোদৰ

সহ-চৰ

সহ-কৰ্মী

সহ-যোগ সহযোগী

সহ-পাঠী

(২৩) সু

সু-কবি	সু নাম
সু-কাঠী	সু-পুৰুষ
সু-কোমল	সু-ফল
সু গন্ধ (বায়ু)	সু বিখ্যাত
সু গন্ধী সুগন্ধী (ফুল)	সু-ব্যৱস্থা
সু-গায়ক	সু-যোগ্য
সু-দীৰ্ঘ	সু সাহিত্যিক

৬৬ **ধ্বন্যাত্মক শব্দ :** ধ্বন্যাত্মক শব্দ-মূল কিছুমানৰ পাছত প্ৰত্যয় লগ লগাই কেনেকৈ কিছুমান ধাতু সজাব পাৰি ওপৰত (পৰি ৪৫ প) আলোচনা কৰা হৈছে। ধ্বন্যাত্মক শব্দ মূলবোৰকে সংক্ষেপতে ধ্বন্যাত্মক শব্দ বুলি ক'ব পাৰি। ধাতুৰ উপৰিও কোনো বস্তু, কাৰ্য বা বস্তুৰ বিৱৰণ, নিস্তব্ধতা, গাঢ়তা আদি বিভিন্ন অৰ্থপ্ৰকাশকৰণে এই শব্দবোৰ ব্যৱহাৰ কৰিব পাৰি, যেনে, কিৰ-কিৰ-কৈয়া, কিৰকিৰীয়া (কাপোৰ) কিন-কিন কৈয়া, কিনকিনীয়া (বৰষুণ), ঘিট-ঘিট-কৈয়া, ঘিটঘিটীয়া (আন্ধাৰ), গুন গুন-কনি, গুন-গুননি, কল-কল-কনি,

কল কলনি, দপ-দপ-অনি, দপ-দপনি, গুন-গুন-কৈ, গুন-গুনকৈ, কল-কল-কৈ, কল-কলকৈ, দপ-দপ-কৈ দপ-দপকৈ ইত্যাদি। প্রত্যেকটো ধ্বন্যাত্মক শব্দৰ পৰা আটাইকেইটা ৰূপ পোৱা নাযায়।

৬৬। ধ্বন্যাত্মক শব্দবোৰৰ এটা বিশেষত্ব হৈছে এয়ে যে ইইত সচৰাচৰ দুটা অংশেৰে গঠিত। দ্বিতীয় অংশটো প্রথম অংশটোৰ পুনৰুক্তি। ইয়াৰ কোনো এটা অংশই সুকীয়াভাৱে কোনো অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। আন এক শ্ৰেণীৰ শব্দ হৈছে এনেকুৱা দ্বিতীয় অংশটো প্রথম অংশৰ পুনৰুক্তি যদিও ইয়াৰ প্রথম ধ্বনিটোৰ সলনি হয়। কিন্তু সেই সলনিক কোনো এটা নিয়মৰ বান্ধিব নোৱাৰি। এনে পৰিবৰ্তন ঘটোৱা ধ্বনিবোৰ হ'ল ব, ম, প, ক, জ। ধ্বন্যাত্মক শব্দবোৰক আৰু এক শ্ৰেণীত ভগাব পৰা যায়। এই শ্ৰেণীৰ শব্দবোৰৰ দ্বিতীয় অংশত হোৱা পৰিবৰ্তনক এটা নিৰ্দিষ্ট নিয়মৰ ভিতৰত পেলাব নোৱাৰি। তলত প্ৰত্যেক শ্ৰেণীৰ শব্দৰ কেইটামান উদাহৰণ দিয়া হ'ল।

প্রথম শ্রেণী	দ্বিতীয় শ্রেণী	তৃতীয় শ্রেণী
কচ-কচ	বক-বক	
কেঙ কেঙ	কাউ-বাউ	আমন জিমন
খচ খচ	ভজ-বজ	খুদুক-খানাক
গিজ-গিজ	কেও মেও	চুচুক-চামাক
জিব-জিব	ঘটং-মটং	টুলুং-ভুটুং
ধপ-ধপ	লটং-পটং	ভাবাং-ভিবিং
ফুচ ফুচ	লট-পট	
মল-মল	লব-জব	
হুব হুব	হুল-জুল	
হো-হো	কপো-জপো	
	নজন-বজন	
	আহুল-বহুল	

৬৭ প্ৰতিধ্বন্যাত্মক শব্দ : ধ্বন্যাত্মক শব্দৰে এটা বিভাগ হ'ল প্ৰতিধ্বন্যাত্মক শব্দ। ইয়াত একোটা শব্দৰ দুটা অংশ থাকে। প্ৰথম অংশটোৰ স্বকীয়া অৰ্থ থাকে আৰু তাৰ স্বাধীনভাৱে ব্যৱহাৰ হ'ব পাৰে। দ্বিতীয় অংশটোৰ কোনো অৰ্থ নাই। কিন্তু তাৰ সংযোগে প্ৰথমটোৰ অৰ্থ স্পষ্ট কৰি তোলে। এক ধৰণৰ বস্তুবুজোৱা অৰ্থত ইয়াৰ ব্যৱহাৰ হয়। ইয়াৰ গঠন-প্ৰণালীৰ বিশেষত্ব হ'ল দ্বিতীয় অংশটোৰ প্ৰথম ব্যঞ্জন-ধ্বনিটোৰ পৰিবৰ্তন। যদি প্ৰথম অংশত প্ৰথম ব্যঞ্জন ধ্বনিটো 'চ'ত বাহিৰে আন ব্যঞ্জন ধ্বনি হয়, তেনেহ'লে দ্বিতীয় অংশত সি 'চ' হ'ব। আৰু প্ৰথম ব্যঞ্জন-ধ্বনিটো 'চ হ'লে দ্বিতীয় অংশত সি 'ত' হ'ব। উদাহৰণ ঘৰ চৰ, মাছ-চাছ, ভাত-চাত, খৰি-চৰি, কিন্তু চুলি-তুলি, চাহ-তাহ, চেনি-তেনি।

৬৭ ১ প্ৰতিধ্বন্যাত্মক শব্দক আন কেইটামান ভাগতো ভগাব পাৰি:

(ক) ইয়াত স্বতন্ত্ৰ শব্দ এটাৰ প্ৰথম ব্যঞ্জন-ধ্বনিটোৰ লগত -আ লগ লগাই শব্দটোৰ আগত বহুৱাই দি শব্দটোৰ অৰ্থ বেছি স্পষ্ট কৰি তোলা হয় যেনে, খা-খবৰ, চা-চিনাকি, জা-জলপান, বা-বাতৰি, চা-চৰিয়া, পা পইছা, ডা-ডাঙৰীয়া।

(খ) কোনো এটা নিয়মৰ ভিত্তকম্মা কৰিব নোৱাৰা প্ৰতিধ্বন্যাত্মক শব্দ এশ্ৰেণীও আছে, যেনে, আহাৰ-যুহাৰ, খোৱা-লোৱা।

(গ) ইয়াত প্ৰথম অংশটোৰ লগত কোনো ধৰণৰ সাদৃশ্য অথবা, কোনো অৰ্থ অথবা ধ্বনি সংযোগ কিছুমান লগ লাগে, যেনে, আহিলা-পাতি, বিয়া-বাৰু, কাজিয়া-পেচাল, সক-সুৰা, কাবৌ-কোকোলি, খেতি-বাতি, গা-পা।

৬৮ সংযুক্ত শব্দ : ওপৰত আলোচনা কৰা কৃৎ আৰু তদ্ধিত প্ৰত্যয়ৰ সহায়ত এটা শব্দৰ পৰা আন এটা শব্দ কেনেকৈ সজাব পাৰি চোৱা হৈছে। অসমীয়া ভাষাৰ শব্দ-গঠনত আন এটা পদ্ধতিও মন কৰিবলগীয়া। এই পদ্ধতিক আমি সংযুক্ত শব্দৰ গঠন-পদ্ধতি

বুজিব পাৰে। ইয়াৰ দ্বাৰা দুটা বা তাতকৈ অধিক শব্দ একে লগ হৈ এটা শব্দৰ নিচিনা ৰূপ লয় আৰু ইয়াৰে দীঘলীয়া উক্তিক চুটিকৈ প্ৰকাশ কৰা হয়। সাতদিন জুৰি হোৱা বিহু এই উক্তি-কেবাৰ সাত-বিহু এই চটী ৰূপটোৰে বুজোৱা হ'ল আৰু সাত আৰু বিহু এই দুটা ৰূপেৰে গঠিত হ'লেও সাত-বিহু এটা শব্দৰ নিচিনাই হৈছে কাৰণ শব্দ-বিভক্তি আদি লগ লাগিলে তাৰ একে ধৰণৰ ৰূপ হ'ব যেনে সাত-বিহু-ত, সাত-বিহু-ৰ পৰা ইত্যাদি। আমাৰ ব্যাকৰণ বাৰত দুটা বা তাতকৈ অধিক শব্দ গোট খাই এটা শব্দত পৰিণত হোৱা ব্যৱস্থাক সমাস আখ্যা দিয়া হৈছে আৰু সংস্কৃত ব্যাকৰণৰ অনুকৰণত বিভিন্ন সমাসৰ অৱতাৰণা কৰা হৈছে। সেই আলোচনাত শব্দৰ গঠন পদ্ধতিৰ আলোচনাতকৈ শব্দৰ অৰ্থৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে। এই ক্ষেত্ৰত বহুব্ৰীহি-সমাস নামেৰে অভিহিত সমাসৰ কথাই প্ৰধানকৈ ক'ব পাৰি। উদাহৰণস্বৰূপ 'পীতাম্বৰ' শব্দটো পীত-অম্বৰ এই শব্দ দুটাৰে গঠিত এটা শব্দ। ইয়াৰ অৰ্থ হালধীয়া কাপোৰ হ'ব লাগিছিল। কিন্তু পীতাম্বৰ শব্দই হালধীয়া কাপোৰ পিন্ধা বিশেষ এজনকো (শ্ৰীকৃষ্ণ) বুজায়। সংস্কৃতত বহুব্ৰীহি-সমাসৰ দ্বাৰা সিদ্ধ অনেক শব্দ অসমীয়াত ব্যৱহাৰ হয়। তলত তাৰ কেইটামানৰ উল্লেখ কৰা হ'ল.

অন্যমনস্ক	'অন্যত মন যাৰ'
ঊৰ্ণনাভ	'ঊৰ্ণ (সূতা) নাভিত যাৰ মকৰা
কৃতবিদ্য	'কৃত বিদ্যা যাৰ'
চন্দ্ৰশেখৰ	'চন্দ্ৰ যাৰ শেখৰ, সদাশিৱ'
চক্ৰপাণি	'চক্ৰ পাণিত যাৰ, বিষ্ণু'
নদীমাতৃক (দেশ)	'নদী মাতৃ যাৰ'
পদ্মনাভ	'পদ্ম আছে নাভিত যাৰ, বিষ্ণু'
পদ্মলোচন	'পদ্মৰ নিচিনা লোচন (চকু) যাৰ, বিষ্ণু'

পুণ্ডৰীকাক্ষ	'পুণ্ডৰীকৰ (পদ্ম) নিচিনা অক্ষি (চকু) যাৰ, বিষ্ণু'
পূৰ্ণবয়স্ক	'পূৰ্ণ বয়স যাৰ'
বীণাপাণি	'বীণা আছে পাণিত যাৰ সৰস্বতী
শূলপাণি	'শূল পাণিত যাৰ শিৱ'
শূৰ্পনখা	'শূৰ্পৰ (কুলা) নিচিনা নখ যাৰ ৰাৱণৰ ভনীয়েক'
সহস্ৰাক্ষ	'সহস্ৰ অক্ষি যাৰ, ইন্দ্ৰ'
স্থিৰপ্ৰতিজ্ঞ	'স্থিৰ প্ৰতিজ্ঞা যাৰ'

অসমীয়া ভাষাত সংযুক্ত শব্দৰ যথেষ্ট ব্যৱহাৰ আছে। আমাৰ ব্যাকৰণ-বোৰত সমাসৰ ভিতৰুৱাকৈ আলোচনা কৰা আটাইবোৰ সমাসসিদ্ধ শব্দকে গঠন পদ্ধতিৰ দৃষ্টিৰে চাই সংযুক্ত শব্দ বুলি ক'ব পাৰি। এই সংযুক্ত শব্দবোৰে বিশেষ্য বা বিশেষণ শব্দৰ আকৃতি লয়। ইয়াৰ অন্যান্য কেইবা প্ৰকাৰো হ'ব পাৰে। তলত প্ৰত্যেকৰে উদাহৰণ দিয়া হ'ল

(১) মুক্ত ৰূপ + মুক্ত-ৰূপ দুটা মুক্ত ৰূপ লগ লাগিলে সিহঁতৰ দুটা ৰূপটো সচৰাচৰ দীঘল ৰূপটোৰ আগত বহে। পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ-বুজোৱা মুক্ত ৰূপৰ সংযোগ ঘটিলে কোনো কোনো ক্ষেত্ৰত স্ত্ৰীবাচক শব্দটো আগত বহে, আৰু কোনো কোনো ক্ষেত্ৰত পুৰুষবাচক শব্দটো আগত বহে। উদাহৰণ

আকাশ বন্তি	আকাশত (ওপৰত) ওলোমাই ৰখা বন্তি'
উকীল খানা	'উকীল বহা ঠাই বা কোঠা'
উজনি অসম	'উজনী অঞ্চলৰ অসম'
উনৈশ-বিশ	'উনৈশ বা বিশ, সামান্য প্ৰভেদ'
ওল-কবি	'ওলৰ নিচিনা কবি'
কফ-জ্বৰ	'কফ হৈ হোৱা জ্বৰ'

কথা-ছবি	'কথা-কোৱা ছবি, ছিনেমা'
কাপ-মৈলাম	'কাপ আৰু মৈলাম'
কম-বেছি	'কম বা বেছি
কৃষ্ণ-পক্ষ	'কৃষ্ণ (এন্ধাৰ হোৱা) পক্ষ
কাব্য জগত	'কাব্যৰ জগত
কালফুৰা-সফুৰা	'কালফুৰা আৰু সফুৰা'
কাণ খবিকা	'কাণ খজুৱাবলৈ খবিকা'
কেচু কুমটা	'কেচু, কুমটা আদি'
খবিকা দানি	'খবিকা থোৱা দানি (পাত্ৰ)'
খাগৰী-কাপ	'খাগৰীৰে কৰা কাপ'
গণ-আন্দোলন	'গণ বা জনসাধাৰণে কৰা আন্দোলন'
গাভৰু চা	গাভৰুসকলৰ বাবে সজা চা,
গুৰু গোসাঁই	'গুৰু গোসাঁই আদি'
চাৰি-আলি	'চাৰিটা দিশলৈ চাৰিটা আলি যোৱা ঠাই'
চতুৰ-ভুজ চতুৰ্ভুজ	'চাৰিখন বাহু থকা'
চুক্তি-পত্ৰ	'চুক্তি কৰা পত্ৰ'
চোৰ-ডকাইত	'চোৰ, ডকাইত আদি
ছবি-ঘৰ	'ছবি (ছিনেমা) দেখুওৱা ঘৰ'
ছাই-দানি	'ছাই থ'বলৈ ৰখা পাত্ৰ
ডাক্তৰ-খানা	'ডাক্তৰ বহা ঘৰ'
ডেকা-চাং	'ডেকাসকলৰ কাৰণে সজা চাং'
তৰ-চেঙেলী	'তৰত থকা চেঙেলী'
তল-ওপৰ	'তল আৰু ওপৰ
তীথা-নগৰী	'তীথা উৎপন্ন হোৱা নগৰী'
তেজ-মঙহ (ৰ)	'তেজ আৰু মঙহ (ৰ), আপোন, নিচেই তেজ-সম্পৰ্ক (ৰ)

ত্রি-লোচন	'তিনিটা চকু থকা, শিৱ
ত্রি-ভুজ	'তিনিটা ভুজ (বাহু) থকা'
দুৱাৰ-চুক	'দুৱাৰৰ চুক
দিন-ৰাতি	'দিন আৰু ৰাতি'
(দুই) দু-শ	'দুই শ সংখ্যাৰ'
দেশ-দ্রোহী	'দেশৰ দ্রোহ আচৰণ কৰোঁতা
দেশ-ভক্ত	'দেশৰ প্রতি ভক্তি থকাজন
দেশ-সেৱা	'দেশৰ প্রতি সেৱা'
দেশ-প্রেম	'দেশৰ প্রতি প্রেম'
ধাৰা-চাপৰ	'ধাৰা (প্রবল সোঁতৰ দৰে) চাপৰ'
ন-বোৱাৰী	'নকৈ অহা বোৱাৰী
ন-কইনা	'নকৈ অহা কইনা
ন-মাটি	'নকৈ লোৱা মাটি
নামনি-অসম	'নামনী অঞ্চলৰ অসম
নিয়ম-কানুন	'নিয়ম আৰু কানুন
পথালি-কোলা	'পথালিকৈ লোৱা কোলা
পাগ-মাৰি	'পাগৰ বাবে মাৰি'
পাত-পচলা	'পাত আৰু পচলা
পানী-জোলা	'পানী বোৱা জোলা
পানী-কেঁচুৱা	'পানীৰ নিচিনা খিৰ নধৰা কেঁচুৱা'
পিক-দান	'পিক পেলাবলৈ দান বা পাত্র'
পুৱা পথলি	'ৰাতিপুৱা আৰু পথুলি
পূৰ্ব-জন্ম	'পূৰ্বে হোৱা জন্ম'
পূৰ্ব-স্মৃতি	'পূৰ্বৰ স্মৃতি'
ফুল-চন্দন	'ফুল আৰু চন্দন'
ফুল-দানি	'ফুল সজাই থ'বলৈ বখা পাত্র'

বৰ-গীত	'বৰ যি গীত'
ৰাভৰি-কাকত	'ৰাভৰি যোগোৱা কাকত'
বাঘ-ভালুক	'বাঘ, ভালুক আদি'
বট-গছ	'বট নামৰ গছ'
বন-ভোজ	বনলৈ গৈ খোৱা ভোজ'
বালি-ভাত	বালিত পোৱা ভাত'
বালি-ভোজ	'বালিত পোৱা ভোজ
বিদ্যা-ধন	'বিদ্যাৰূপী ধন
বৈঠক খানা	'বৈঠক বহা ঠাই বা কোঠা
ভাল-বেয়া	'ভাল বা বেয়া, ভাল আৰু বেয়া
মহা-সভা	মহা যি সভা'
মহা-বিদ্যালয়	'মহা যি বিদ্যালয়
মহী-চুঙা	'মহী খোৱা চুঙা'
মাটি-কঠাল	'মাটিতে হোৱা কঠালৰ নিচিনা ফল'
মাতৃ-ভক্তি	'মাতৃৰ প্ৰতি ভক্তি'
মুক্তি-যুদ্ধ	'মুক্তিৰ বাবে যুদ্ধ'
মানে-কিতাপ	'মানে থকা কিতাপ নোট'
ৰাম-ৰাৱণ	'ৰাম আৰু ৰাৱণ'
ৰাজ-আলি	'ৰজাই বন্ধা আলি, ডাঙৰ আলি'
ৰাজ-অলঙ্কাৰ	'ৰজাই ব্যৱহাৰ কৰা অলঙ্কাৰ'
ৰাজ-কোঁৱৰ	'ৰজাৰ কোঁৱৰ'
ৰাজ-বাট	'ৰজাই বন্ধা বাট, ডাঙৰ বাট'
ৰাজ-ভোগ	'ৰজাই কৰা ভোগ'
ৰাজ-হাউলী	'ৰজাৰ হাউলী'
ৰাজ-হাঁহ	'ৰজা-শ্ৰেণীৰ হাঁহ'
লগ-ভাত	'একে লগ হৈ খোৱা ভাত, বালি-ভাত'

লাই-লেচাই	'লাই আৰু লেচাই'
লক্ষ্মী-নাৰায়ণ	'লক্ষ্মী আৰু নাৰায়ণ'
লাভ-লোকচান	'লাভ বা লোকচান'
শস্য-শিশু	'শস্যৰূপী শিশু'
শাক-পাচলি	'শাক আৰু পাচলি'
শুক্ল-পক্ষ	'শুক্ল (পোহৰ-হোৱা) পক্ষ'
সাত-পাঁচ	'সাত আৰু পাঁচ, ভূত ভৱিষ্যত'
সাত-বিহু	'সাত দিন জুৰি হোৱা বিহু'
সীতা-সাবিত্ৰী	'সীতা আৰু সাবিত্ৰী'
সংখ্যা-লঘিষ্ঠ	'সংখ্যাত লঘিষ্ঠ'
সংখ্যা-গৰিষ্ঠ	সংখ্যাত গৰিষ্ঠ'
হৰ গৌৰী	হৰ আৰু গৌৰী'
হাট-বজাৰ	হাট, বজাৰ আদি'
হাঁহি-মুখ	হাঁহিৰে ভৰা মুখ'
হোম খৰি	'হোমৰ নিমিত্তে খৰি'

(২) যুক্ত-ৰূপ+(যুক্ত+যুক্ত) ৰূপ :

আ'পান-(পেট আ) আ'পান-পেটা নিজৰ পেটটোহে মা'খান বুজাজন

আল-(ধৰ-আ) আল-ধৰা আল যি ধৰে'

কদম-(ফুল-ঈয়া) কদম-ফুলীয়া কদমৰ ফুলৰ নিচিনা বগা হোৱা'

কাণ—(খা>খো আ), কাণ-খোৱা 'কাণ যি খায়'

খৰি—(কাট>কট-ঈয়া) খৰি-কটীয়া 'খৰি যি কাটে'

গছ—(পক্-আ) গছ-পকা 'গছত পকা'

গছ—(সৰ-আ), গছ-সৰা 'গছৰ পৰা সৰা'

গছ—(ভৰ্-আ), গছ-ভৰা 'গছ ভৰি লগা'

গুৱা—(কাট্>কট্-ঈয়া), গুৱা-কটীয়া 'গুৱা যি কাটে'

ঢেঁকীয়া—(পাত>পত-ঈয়া) ঢেঁকীয়া-পতীয়া 'ঢেকীয়াৰ পাতৰ নিচিনা দাগ থকা'

তল—(সৰ-আ), তল-সৰা 'তলত সৰি থকা

তেজ—(পি-আ) তেজ-পিয়া 'তেজ যি পিয়ে'

ত্রি—(ফল-আ) ত্রি-ফলা 'তিনিবিধ ফলৰ সমাবেশ'

দবা—(ঘৰ-ঈয়া), দবা-ঘৰীয়া 'দবাৰ ঘৰৰ (পক্ষৰ)'

পিতল—(চকু-আ), পিতল-চকুৱা 'পিতলৰ নিচিনা ৰঙৰ চকুৰ'

পুথি—(ৰাখ>ৰখ্-আ) পুথি-ৰখা 'পুথি ৰাখিবলৈ নিযুক্ত কৰা'

পদূলি—(গুচ-আ) পদূলি গুচা 'পদূলিয়' পদূলিয়ে গুচি (ঘৰি) ফুৰা'

বেঙনা—(বোল>বুল-ঈয়া), বেঙেনা-বুলীয়া 'বেঙেনাৰ বোলৰ'

বাৰ—(মাহ-ঈ), বাৰ-মাহী 'বাৰ মাহক লৈ ৰচনা কৰা'

মূধা—(ফুট-আ) মূধা-ফুটা 'মূধা ফুটি যোৱা, শ্রেষ্ঠ'

মৌ—(মান>মন-আ) মৌ-মনা 'মৌৰে মনা'

শেন—(চা>চো-আ) শেন-চোৱা 'শেনক যি চায়'

(৩) (মুক্ত+যুক্ত) ৰূপ (যুক্ত+যুক্ত) ৰূপ

(আগ>অগ-আ)—(পিছ-আ) অগা-পিছা 'আগলৈ আৰু পিছলৈ যোৱা'

(উঠ্-ই)—(আহ>অহ-আ), উঠি-অহা 'ডাঙৰ হৈ অহা'

(ক>কো-আ)—(ক>কু-ই), কোৱা কুই 'ইজনে সিজনক কোৱা কাৰ্য'

(কাণ-এ)—(শুন্-আ), কাণে-শুনা 'কাণেৰে শুনা

(ঘূণ-এ)—(ধৰ-আ), ঘূণে-ধৰা 'ঘূণ যিহক ধৰিছে

(জান্>জন-আ)—(বুজ্-আ), জনা বুজা 'জনা আৰু বুজা'

(জুই-এ)—(পোৰ্-আ), জুয়ে পোৰা 'জুয়ে যাক বা যিহক পুৰিছে

(ধৰ-আ)—(বান্ধ্>বন্ধ্-আ), ধৰা-বন্ধা 'নির্ধাৰিত'
(পোক-এ)—(খা>খো-আ), পোকে-খোৱা 'পোকে বিহক খাইছে'
(মাৰ্>মৰ-আ)—(মৰ-ই), মৰা মৰি
'ইজনে সিজনক মৰা কাৰ্য'
(মুখ-আ)—(মুখ-ই), মুখা-মুখি 'ইজনে সিজনক মুখৰ আগত
লগ পোৱা'
(ৰঙ-আ)—(নীল-আ) ৰঙা-নীলা 'ৰঙা আৰু নীলা (পেখিলা)'
(হাত-এ)—(কাট্>কট্-আ), হাতে-কটা 'হাতেৰে কটা'
(হাত>হত-আ)—(হাত>হত-ই), হতা-হতি 'ইজনে সিজনেৰে
সৈতে হাতে হাতে লগা যুঁজ'

(৪) (যুক্ত+যুক্ত) ৰূপ+(যুক্ত+যুক্ত) ৰূপ+(যুক্ত+যুক্ত) ৰূপ
(চল-এ)—(বল-এ)—(কৌশল-এ), চলে-বলে-কৌশলে 'চল চাই
বল প্ৰয়োগ কৰি, আৰু কৌশলৰ
সহায় লৈ'

(৫) (যুক্ত+যুক্ত) ৰূপ+যুক্ত-ৰূপ
(খুদ-ঈয়া)—ৰবল, খুদীয়া-ৰবল 'খুদৰ নিচিনা সৰু ৰবল'
(গুলী-আ)—গুলী, গুলীয়া-গুলী 'পৰস্পৰে গুলী কৰা কাৰ্য'
(চুলি-আ)—চুলি চুলিয়া-চুলি 'পৰস্পৰে চুলিত ধৰি টনা-টনি
কৰি কৰা যুঁজ'
(ছাপ>ছপ-আ)—খানা, ছপা-খানা 'ছপা কৰা ঘৰ বা ঠাই'
(ভঁৰা>ভঁৰ-উৱা)—কদম, ভকৱা-কদম 'ভঁৰাৰ নিচিনা ভিলিকি
থকা সৰু কদম-ফুলৰ নিচিনা এবিধ
ফুল বা তাৰ গছ'
(নেজ-আল)—ভঁৰা, নেজাল-ভঁৰা 'নেজ থকা ভঁৰা'
(সাত-আম)—পুৰুষ, সাতাম-পুৰুষ 'সাতোটা পুৰুষ (পীঢ়ি)ক
লৈ হোৱা গোট'

(৬)—যুক্ত-ৰূপ + যুক্ত – ৰূপ + যুক্ত-ৰূপ

অসম-সাহিত্য-সভা-পত্ৰিকা 'অসমৰ সাহিত্যবিষয়ক সভাৰ পৰা উলিওৱা পত্ৰিকা'

টকা-কড়ি-পাই-পইচা 'টকা-পইচা আদি'

ঠেলা-হেঁচা-গতা 'ঠেলা, হেঁচা, গতা আদি'

ৰূপ-গঠন-পদ্ধতি 'ৰূপৰ গঠনৰ পদ্ধতি'

ল'ৰা-বুঢ়া-মতা-মাইকী 'ল'ৰা, বুঢ়া, মতা, মাইকী সকলো'

ভগনীয়া-উৰণীয়া-পমুৱা চকৰা 'ভগনীয়া, পমুৱা চকৰা আদি নানা লোক'

টকা-পৈচা-ঢোল-গহনা চিকুং-খাহী-বৰকাহ-নাগেৰা 'টকা, পৈচা, ঢোল, গহনা, চিকুং, খাহী বৰকাহ, নাগেৰা আদি বাদ্য'

ৰূপ-কাপোৰ গাখীৰ-মাছ-লোণ-চাউল (দি) 'টকা-পইচা, কাপোৰ-কানি, গাখীৰ, মাছ, লোণ, চাউল আদি (দি)

৮

৬৯ **বাক্য-গঠন:** এটা বিশেষ ক্ৰমত আবদ্ধ, ইটোৱ সিটোৰ লগত সম্বন্ধ থকা, আৰু এ'কাটা মনোভাৱ পূৰ্ণকৈ প্ৰকাশ কৰিব পৰা শব্দৰ সমষ্টিয় বাক্য। কেতিয়াবা অৱশ্যে এটা শব্দেৰেও বাক্য এটা হয়। এটাতকৈ অধিক শব্দ থকা বাক্যত শব্দবোৰৰ এটা ক্ৰম থাকে। সিইত ইটোৰ লগত আনটোৰে সৈতে সম্বন্ধিত। তুমি ভাত আছা নে? খালো। এই দুটা বাক্য। ইয়াৰ প্ৰথমটোত চাৰিটা শব্দ আছে। শব্দবোৰৰ ক্ৰম হ'ল সৰ্বনাম + ক্ৰিয়া-বিশেষণ + ক্ৰিয়া + ক্ৰিয়াবাচক অব্যয়। ইয়াত কৰ্তা তুমিৰ লগত ক্ৰিয়া আছাৰ সম্বন্ধও ৰক্ষিত হৈছে। ই এটা মনোভাৱ পূৰ্ণ কৰিছে। দ্বিতীয় বাক্যটোত এটা মাত্ৰ শব্দ আছে। সি ক্ৰিয়া-শব্দ। কোনো এটা ভাষাৰ বাক্যবোৰক লিখিত আৰু কথিত এই দুটা ভাগত ভগাব পাৰি। কথিত বাক্যবোৰ সাধাৰণতে চুটি হয়। লেখাতে দীঘল দীঘল বাক্যৰ ব্যৱহাৰ কৰিব পাৰি। অসমীয়া ভাষাৰ বাক্য-গঠন প্ৰণালী বিবিধ ধৰণৰ। ইয়াত বাক্যবোৰক প্ৰথমতে দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি। সেই দুটা হ'ল—ক্ৰিয়াবিহীন বাক্য আৰু ক্ৰিয়াযুক্ত বাক্য। এই বাক্যবোৰত সাধাৰণতে নিশ্চয়বাচক সৰ্বনাম শব্দবোৰ বিশেষ্য-শব্দৰ আগত বহে, বিশেষণ শব্দবোৰ বিশেষ্য-শব্দৰ আগত বহে, সম্বন্ধ-পদ-যুক্তোৱা শব্দবোৰ বিশেষ্য শব্দৰ আগত বহে, আৰু ক্ৰিয়া-বিশেষণ-শব্দবোৰ বিশেষণ-শব্দৰ আগত বহে। ইফালে ক্ৰিয়া-বিশেষণ শব্দ ক্ৰিয়াৰ আগত বহে। তুমুন্ত শব্দও ক্ৰিয়াৰ আগত বহে। কোনো কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে নাইবা ভাবাবেগৰ বশৱৰ্তী হ'লে বাক্যত শব্দবোৰৰ প্ৰচলিত ক্ৰমৰ সাল-সলনি ঘটে। উদাহৰণ: মই কাইলৈ গুৱাহাটীলৈ যাম। কাইলৈ মই গুৱাহাটীলৈ যাম। মই গুৱাহাটীলৈ কাইলৈ যাম। ওপৰত ক্ৰিয়াবিহীন আৰু ক্ৰিয়াযুক্ত

বিবিধ ধৰণৰ অসমীয়া বাক্য কিছুমান আৰু সেইবোৰত ব্যৱহাৰ হোৱা শব্দবোৰৰ ক্ৰমবোৰৰ উল্লেখ কৰা হ'ল।

৭· ক্ৰিয়াবিহীন বাক্য:

(১) সৰ্ব + বি .—এইখন কিতাপ।
এইটো ঘৰ।
এইবোৰ কথা।
আমি অসমীয়া।

(২) সৰ্ব + সৰ্ব + বি —এইখন তেওঁৰ কিতাপ।
এইটো তেওঁৰ ঘৰ।
এইখন আমাৰ দেশ।
সিহঁত আমাৰ শত্ৰু।

(৩) সৰ্ব + বিণ — এইটো ভাল।
এইবোৰ বেয়া।
সি দুষ্ট।
আমি দুখীয়া।
সিহঁত ধনী।

(৪) সৰ্ব + বিণ + বি —এইখন ভাল কিতাপ।
এইটো ভাল ঘৰ।
এইবোৰ ভাল কাম।
এওঁলোক ভাল মানুহ।

(৫) সৰ্ব + ক্ৰি-বিণ + বিণ + বি —এইখন বৰ ভাল কিতাপ।
এইবোৰ বৰ ভাল ঘৰ।
এওঁলোক বৰ ভাল মানুহ

সৰ্ব = সৰ্বনাম, বি = বিশেষ্য, বিণ = বিশেষণ, ক্ৰি = ক্ৰিয়া-পদ, ক্ৰি-বিণ = ক্ৰিয়া-বিশেষণ, অব্য = অব্যয়, ক্ৰিয়া-অব্য = ক্ৰিয়াবাচক অব্যয়, সং-বি = সংখ্যাবাচক বিশেষ্য, হুকুম = হুকুমৰ ক্ৰিয়া-পদ।

(৬) সৰ্ব + সৰ্ব + বিণ + বি —

এইখন তেওঁৰ ভাল কিতাপ।

এইটো তেওঁৰ ভাল ঘৰ।

এওঁলোক তেওঁৰ আত্মীয় মানুহ।

(৭) সৰ্ব + সৰ্ব + ক্ৰি-বিণ + বিণ + বি —

এইখন তেওঁৰ বৰ ভাল কিতাপ।

এওঁলোক তেওঁৰ বৰ আত্মীয় মানুহ।

(৮) সৰ্ব + বি + সৰ্ব —তোমাৰ নাম কি ?

তোমাৰ ধৰ্ম কি ?

তোমাৰ ব্যৱসায় কি ?

(৯) সৰ্ব + বি + বি —মোৰ নাম জনাৰ্দন।

মোৰ ঘৰ গোৱালপাৰাত।

মোৰ দেউতা শিক্ষক।

এইটো ৰামৰ ঘৰ।

(১০) সৰ্ব + বি + বিণ —তাৰ নবাটো ভাল।

তাৰ ঘৰটো ভাল।

এই ন'বাটো ভাল।

এই কথা-ছবিখন ভাল।

(১১) সৰ্ব + বি + ক্ৰি-বিণ + বিণ —তেওঁলোকৰ ভলি একেবাৰে উজং (সত্যনাথ বৰা)।

(১২) সৰ্ব + বি + অব্য .—তাই মাকৰ নিচিনা।

(৩) সৰ্ব + বি + বিণ + বি + বি + বি :—ই শতৰঞ্জৰ অনুভৱৰ লেখনীৰ অনুভৱ ধাৰ (বেজবৰুৱা)।

(১৪) বি : নমস্কাৰ। ৰাজ-আলিবাট। ঢপৰীয়া। নলীৰপুৰ। আহাৰ-খাৰ। কুম্ভাতিবাৰ।

(১৫) বি + বি :—খৰ ব্ৰহ্ম।

(১৬) সৰ্ব —কোন ? কি ?

(১৭) বি+বিণ — বছৰ নতুন (সত্যনাথ বৰা)।

পৃথিৱী পুৰণি (সত্যনাথ বৰা)।

অসমীয়া সুখীয়া (বেজবৰুৱা)।

(১৮) বি+বি+বি —এন্দুৰ গণেশৰ বাহন।

মানুহ ঈশ্বৰৰ সন্তান।

দিল্লী ভাৰতৰ ৰাজধানী।

যৌৱন জীৱনৰ বসন্ত-কাল (সত্যনাথ বৰা)

ন'বা-কৃষ্ণৰ লীলা-ক্ষেত্ৰ ব্ৰজ (বাণীকান্ত কাকতি)।

(১৯) বি+সৰ্ব+বি —অসম আমাৰ জন্মভূমি।

(২০) বি+বি+অব্য —জেগ বাঁয়ধনুৰ দৰে।

(২১) বি+বি+বিণ+বি —মৰণটো মানুহৰ বৰ ভয়।

(২২) বি+বি+বি+বিণ+বি —অসমীয়াৰ মুখে মুখে ৰুক্মিণী-হৰণ-পুথিৰ সুমধুৰ পদ (বেজবৰুৱা)।

(২৩) বি+অব্য+বি+বিণ+বি —জীৱনৰ প্ৰতি মানুহৰ বৰ মৰম (সত্যনাথ বৰা)।

(২৪) বি+স' বি+বি —নতুন-বছৰ এটি কল্পনা (সত্যনাথ বৰা)।

(২৫) বি+সং-বি+বিণ+বি ভাৰতবৰ্ষ এখন বিশাল দেশ।

(২৬) বিণ+বি+বিণ+বি+বি —জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিবিম্ব (বেজবৰুৱা)।

(২৭) বিণ+বি+বি+অব্য —নিষ্কৰ্মা মানুহ ইহঁতৰ নিচিনা (সত্যনাথ বৰা)।

৭১ ক্ৰিয়াযুক্ত বাক্য :—

(১) সৰ্ব+ক্ৰি —মই খাওঁ।

আমি খাওঁ।

সিহঁতে খায়

(১) সৰ্ব + বি + ক্রি —মই ভাত খাওঁ।

মই কিতাপ পাঢ়োঁ।

সি স্কুললৈ যায়।

(৩) সৰ্ব + বিণ + বি + ক্রি —মই গৰম ভাত খাওঁ।

মই ভাল কিতাপ পাঢ়োঁ।

সি ভাল গান গায়।

(৪) সৰ্ব + ক্রি - বিণ + বিণ + বি + ক্রি —

মই বৰ গৰম ভাত নাখাওঁ।

সি বৰ ভাল গান গায়।

(৫) সৰ্ব + স -বি + বি + ক্রি —

মই এখন ছিনেমা চালোঁ।

তেওঁৰ দুজন পুতেক আছিল।

(৬) সৰ্ব + স -বি + বিণ + বি + ক্রি -মই এখন ভাল ছিনেমা চালোঁ।

মই এখন ভাল কিতাপ পঢ়িলোঁ।

(৭) সৰ্ব + স বি + ক্রি বিণ + বিণ + বি + ক্রি —

মই এখন বৰ ভাল ছিনেমা চালোঁ।

মই এখন বৰ ভাল কিতাপ পঢ়িলোঁ।

(৮) সৰ্ব + ক্রি-বিণ + ক্রি —সি কাইলৈ আহিব।

সি ভালদৰে ক'ব।

(৯) সৰ্ব + ক্রি বিণ + ভূমুন + ক্রি —সি কাইলৈ পঢ়িবলৈ আহিব।

(১০) সৰ্ব + সৰ্ব + অব্য + সৰ্ব + ক্রি —সি, তুমি, আৰু মই যাম।

(১১) সৰ্ব + অব্য + সৰ্ব + ক্রি —সি আৰু মই যাম।

তুমি আৰু মই যাম।

সি আৰু তুমি যাবা।

(১২) বি + ক্রি —মানুহ মৰে।

ব্যক্তি পুৱাল।

ধৰষুণ আনিলে।

যোৱাসকল গ'ল।

(১৩) বি + বি + ক্রি – গোলাপে কিতাপ পঢ়ে।
গোলাপ ফুলবৈ যায়।

(১৪) বি + বিণ + ক্রি :– কামৰ সক-বৰ নাই (কেজৰকৰা)

(১৫) বি + বিণ + বি + ক্রি :– গোলাপে ভাল কিতাপ পঢ়ে।
গোলাপে ভাল গান গায়।

(১৬) বি + ক্রি-বিণ + বিণ + বি + ক্রি – গোলাপে বৰ ভাল গান গায়।

(১৭) বি + বি + ক্রি-বিণ + ক্রি :– গোলাপে গান ভাল গায়।

(১৮) বি + বি + ক্রি-বিণ + ক্রি-বিণ + ক্রি – গোলাপে গান বৰ ভাল গায়।

(১৯) বি + ক্রি বিণ + ক্রি – গোলাপে ভালদৰে পঢ়ে।

(২০) বি + ক্রি বিণ + ভুমুন + বি :– হৰিনাথ কাইলৈ পঢ়িবলৈ আহিব।

(২১) ক্রি —আহা। বহা। কোৱা।

(২২) ক্রি + অবা আহিবা চোন। কোৱা চোন।

(২৩) ক্রি-বিণ + ক্রি – আকৌ আহিবা।
ক'ত থাকা?
ভালকৈ পঢ়া।

(২৪) ক্রি-বিণ + ক্রি-বিণ + ক্রি :– এতিয়া ইয়াতে থাকোঁ।
তেতিয়া তাত আছিলোঁ।

(২৫) ক্রি-বিণ + বি + ক্রি :—সদায় আঠ মী ন'থাকে।

(২৬) সং-বি + বি + ক্রি এজন বজা আছিল।

(২৭) ক্রি বিণ + সং-বি + বি + ক্রি —এসময়ত এজন বজা আছিল।

(২৮) ক্রি-বিণ + বি + অবা + সং-বি + বি + ক্রি — এসময়ত মগধ
নামে এজন বজা আছিল।

৭২ ভাৱৰ ভিন্নতা পৰা বাক্যক আক কিছুমান ভাগত ভগাব পাৰি। তলত তাৰ কেইটামান দিয়া হল।

(১) বৰ্ণনাত্মক : সি পঢ়ে।

(২) নিষেধাত্মক : সি নপঢ়ে।

(৩) আজ্ঞাসূচক তই পঢ়।

(৪) প্ৰশ্নসূচক ঃ তই পঢ় নে? তোৰ নাম কি? তই ক'ত থাক?

(৫) বিস্ময়সূচক কি তই পঢ়া নাই!

(৬) সাংশয়সূচক সি পঢ়িছে হবলা।

সি পঢ় জানো?

সি পঢ় চাগৈ।

সি পঢ় নেকি?

সি বোধহয় পঢ়িছে।

(৭) ইচ্ছাসূচক ভগৱানে তোমাৰ মঙ্গল কৰক (দ্ৰষ্টব্য • ক্ৰিয়াবাচক পৰ-সৰ্গ। পৰি ৫৮ খ)

৭৩ বাক্য সুৰ বা সুৰ-লহৰ অনুযায়ীও বাক্যৰ বিভিন্ন অৰ্থ প্ৰকাশিত হ'ব পাৰে যেনে, তুমি[১] আহিবা[১]। তুমি[১] আহিবা[২]? তুমি[৪] আহিবা[৪]। এই বাক্যতিনিটাৰ প্ৰথমটোত আজ্ঞা, দ্বিতীয়টোত প্ৰশ্ন, আৰু তৃতীয়টোত বিস্ময়ৰ ভাৱ প্ৰকাশ পাইছে।

৭৪ গঠন পদ্ধতিৰ ফালৰ পৰা বাক্যবোৰক আন তিনিটা ভাগত ভগাব পাৰি (১) সৰল বাক্য, (২) মিশ্ৰ বাক্য, (৩) সংযুক্ত বাক্য। যি বাক্যৰ কোনো এটা অংশও আন এটা অংশৰ অধীন নহয় সিয়ে সৰল বাক্য। উদাহৰণ -মানুহ মৰে। গৰুৱে ঘাঁহ খায়, আমি ভাত খাও বেলি পূব ফালে ওলায় মোৰ নাম হৰিধন ইত্যাদি। যি বাক্যৰ কোনো এটা অংশ আন অংশৰ অধীনহিচাপে থাকে তাক মিশ্ৰ বাক্য বোলে যেনে, সিহঁত যেতিয়া টোপনি যায়, তেতিয়া আমি ভাত খাওঁ। তোমাৰ যে অসুখ হৈছিল মই জনা নাছিলোঁ। এই বাক্য দুটাৰ প্ৰথমটোৰ তেতিয়া আমি ভাত খাওঁ এই অংশটো প্ৰধান আৰু সিহঁত যেতিয়া টোপনি যায় অংশটো প্ৰধান বাক্যটোৰ অধীন। দ্বিতীয় বাক্যটোৰ মই জনা নাছিলোঁ, এই অংশটো প্ৰধান আৰু তোমাৰ যে অসুখ হৈছিল এই অংশটো

প্ৰধান অংশটোৰ অধীন। মিশ্ৰ বাক্যৰ অপ্ৰধান অংশক উপ-বাক্য বুলিব পাৰি। উপ বাক্যবোৰ তিনি প্ৰকাৰৰ হ'ব পাৰে। কেতিয়াবা কোনো উপ-বাক্য প্ৰধান বাক্যটোৰ কোনো শব্দৰে সৈতে বিশেষ্য-শব্দৰূপে সংযোজিত হ'ব পাৰে। কেতিয়াবা কোনো উপ-বাক্য প্ৰধান বাক্যটোৰ কোনো শব্দৰ বিশেষণৰূপে থাকিব পাৰে আৰু কেতিয়াবা কোনো উপ-বাক্য প্ৰধান বাক্যটোৰ কোনো শব্দৰ লগত ক্ৰিয়া বিশেষণৰ সম্বন্ধ স্থাপন কৰিব পাৰে। সেই অনুযায়ী উপ-বাক্যবোৰ বিশেষ্যৰূপে ব্যৱহৃত বিশেষণৰূপে ব্যৱহৃত আৰু ক্ৰিয়া-বিশেষণৰূপে ব্যৱহৃত উপ-বাক্য বুলি পৰিচিত হ'ব। তোমাৰ যে অসুখ হৈছিল, মই জনা নাছিলোঁ। এই বাক্যটোৰ তোমাৰ যে অসুখ হৈছিল এই উপ-বাক্যটোৰ প্ৰধান বাক্যত থকা জনা নাছিলোঁ ক্ৰিয়া-ৰূপৰ কৰ্মৰ নিচিনা ব্যৱহাৰ হৈছে। যি জনে এনেকৈ কৈছিল, তেওঁ বৰ্তমান ইয়াত নাই। এই বাক্যটোত যিজনে এনেকৈ কৈছিল এই উপ-বাক্যটো প্ৰধান বাক্যত থকা তেওঁৰ (সেই মানুহজন) বিশেষণৰূপে ব্যৱহৃত হৈছে। যদি খেতি-বাতি ভাল হয়, তেতিয়া-হ'লে সাধাৰণ মানুহৰ দুখ গুচিব। এই বাক্যটোত যদি খেতি-বাতি ভাল হয়, এই উপ-বাক্যটো প্ৰধান বাক্যত থকা গুচিব এই ক্ৰিয়া-ৰূপৰ লগত বিশেষভাৱে সম্বন্ধিত। অৰ্থাৎ এইটো ক্ৰিয়া-বিশেষণৰূপে ব্যৱহৃত উপ-বাক্য। যি বাক্যত দুটা বা অধিক সৰল বাক্য বা মিশ্ৰ বাক্য যোজক অব্যয়ৰ সহায়ত লগ লাগে তাক সংযুক্ত বাক্য বোলে। আৰু, কিন্তু, বৰং, তেন্তে, এতেকে, কিয়নো নাইবা, বা, নতুবা আদি অব্যয়েৰে সৰল বা মিশ্ৰ বাক্যবোৰ সাধাৰণতে যোগ হৈ সংযুক্ত বাক্যৰ গঠনত সহায় কৰে। উদাহৰণ —আমি ভাত খাওঁ আৰু সিহঁতে কটী খায়। তাক আমি বিশ্বাস কৰিব নোৱাৰোঁ যদিও জানো যে সি আমাৰ দূৰ সম্পৰ্কীয় লোক। যেতিয়া আমাৰ অৱস্থা ভাল আছিল আৰু সকলোৱে আমাক মানিছিল, তেতিয়া আমি তোমাক চাইছিলোঁ।

৭৫ অসমীয়া ভাষাত সৰল বাক্যৰ প্ৰচলনহে বেছি। দৰ্কাৰ অনুসৰি সৰল বাক্যযুক্ত সংযুক্ত বাক্যবো ব্যৱহাৰ কৰা হয়। মিশ্ৰ বাক্যভকৈ অনেক সময়ত সৰল বাক্যহে বেছি শুৱলা হৈ পাৰে। যিজনে এনেকৈ কৈছিল, তেওঁ বৰ্ত্তমান ইয়াত নাই। এই বাক্যটোক এনেকৈ কোৱাজন বৰ্ত্তমান ইয়াত নাই এনেদৰেও ক'ব পাৰি। যদি খেতি-বাতি ভাল হয়, তেতিয়াহ'লে সাধাৰণ মানুহৰ দুখ গুচিব। এই বাক্যটোক খেতি বাতি ভাল হ'লে সাধাৰণ মানুহৰ দুখ গুচিব, এনেদৰে ব্যৱহাৰ কৰিলে বাক্যটো বেছি শুৱলা হ'ব। বাক্যৰ এনে ধৰণৰ পৰিবৰ্ত্তনক বাক্য সংযোজন বোলা হৈছে। ভাব-প্ৰকাশৰ সুবিধাৰ কাৰণে কেতিয়াবা সৰল বাক্যক মিশ্ৰ বাক্যলৈ, মিশ্ৰ বাক্যক সৰল বাক্যলৈ, সৰল বাক্যক সংযুক্ত বাক্যলৈ, সংযুক্ত বাক্যক সৰল বাক্যলৈ বা সংযুক্ত বাক্যক মিশ্ৰ বাক্যলৈ পৰিবৰ্ত্তন কৰা হয়। তলত তাৰ কেইটামান উদাহৰণ দিয়া হ'ল

সৰল বাক্য অসৎ লোকক কোনেও ভাল নাপায়।
মিশ্ৰ বাক্য যিজন লোক অসৎ, তেওঁক কোনেও ভাল নাপায়।
মিশ্ৰ বাক্য যেতিয়া কিতাপ পঢ়া, তেতিয়া বেছিকৈ নবজাবা।
সৰল বাক্য কিতাপ পঢ়া-সময়ত বেছিকৈ নবজাবা।
সৰল বাক্য ইমানবোৰ সুবিধা পায়ো সি ভাল হ'ব নোৱাৰিলে।
সংযুক্ত বাক্য সি যথেষ্ট সুবিধা পাইছিল, কিন্তু সি ভাল নহ'ল।
সংযুক্ত বাক্য তেওঁ সাধাৰণভাৱে জীৱন কটাইছিল, কিন্তু মানুহে তেওঁক যথেষ্ট সন্মান কৰিছিল।
সৰল বাক্য সাধাৰণভাৱে জীৱন কটালেও তেওঁ মানুহৰ পৰা যথেষ্ট সন্মান পাইছিল।

৭৬ বাক্যবোৰক ইচ্ছা অনুসৰি চুটি-দীঘল কৰিবও পাৰি। বাক্যত ব্যৱহাৰ হোৱা শব্দবোৰৰ ঠাইত বিভিন্নৰূপে সৰচিত হোৱা শব্দ বা খণ্ড-বাক্য (পৰি ৬৭) আদি ব্যৱহাৰ কৰিলে বাক্যবোৰ দীঘল

হয়। মই খাওঁ। এই বাক্যটোক মই ভাত খাওঁ, মই গৰম ভাত খাওঁ, মই বৰ গৰম ভাত নাখাওঁ, এনেদৰে দীঘল বাক্যবোৰ সজাব পাৰি। আকৌ চোৰটো মনে মনে সোমাল। এই বাক্যটোক হাতত সাৰে ভৰিত সাৰে চোৰ'টো ঘৰৰ ভিতৰ সোমাল, এনেদৰে দীঘলকৈ ব্যৱহাৰ কৰিব পাৰি। চুটি বাক্যৰ দীঘল ৰূপত ব্যৱহাৰৰ নাম বাক্য-সম্প্ৰসাৰণ। দীঘল বাক্যকো আৱশ্যক অনুযায়ী চুটিকৈ ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ নাম বাক্য-সংকোচন। ওপৰত মিশ্ৰ বাক্য আৰু সংযুক্ত বাক্যক সৰল বাক্যলৈ ৰূপান্তৰিত কৰা উদাহৰণবোৰে চুটি বাক্যৰ চানেকি দাঙি ধৰিছে। সংযুক্ত শব্দৰ প্ৰয়োগৰ দ্বাৰা আৰু কৃৎ-তদ্ধিত-পূৰ্বপ্ৰত্যয় আদিৰ সহায়ত বাক্য সংকোচনৰ কাম কৰিব পাৰি। তাৰ চকু দুটা পিতলৰ বৰণৰ, ল'ৰাটোৱে বৰকৈ কান্দি থাকে, সি আটাইতকৈ শেহত জন্মিছে, ফুল-থকা গামোচাখন দিয়া, গোটেই জীৱনটো তেওঁৰ কষ্টত গ'ল। এই বাক্যকেইটাক তলত দিয়াধৰণে চুটি কৰিব পাৰি সি পিতল-চকুৱা, ল'ৰাটো বৰ কান্দুৰা, সি শেহতীয়া, ফুলাম গামোচাখন দিয়া, আজীৱন তেওঁ কষ্ট কটালে।

৭৭ খণ্ডবাক্য আৰু জতুৱা খণ্ডবাক্য কোনো এটা বাক্যত দুটা বা তাতকৈ অধিক শব্দ লগ লগা গোট একোটা এটা শব্দৰ নিচিনা ব্যৱহাৰ হ'লে শব্দৰ গোটটোক খণ্ড-বাক্য বোলা হয়। ফুল থকা গামোচাখন দিয়া এই বাক্যটোত ফুল আৰু থকা এই দুটা শব্দৰ গঠিত গোটটোৱে এটা বিশেষণ-শব্দৰ নিচিনা হৈ গামোচাখন এই শব্দটোৰে সৈতে সম্বন্ধ স্থাপন কৰিছে। সেই কাৰণে ফুল-থকা এই শব্দ দুটাক এটা খণ্ড-বাক্য বুলিব পাৰি। খণ্ড-বাক্য একোটা বিশেষ্য, বিশেষণ, ক্ৰিয়া বা ক্ৰিয়াবিশেষণৰূপে ব্যৱহৃত হ'ব পাৰে, যেনে, মই তাৰ চকুৰ কুটা দাঁতৰ শাল (শত্ৰু); তেওঁ হাত দীঘল (ক্ষমতাশালী) মানুহ, তাৰ বাপেকে চকু মুদিলে

(মৰিল), সেই দুৰ্ঘটনাটোত সি কাণে কাণ মাৰি (কোনোমতে) সাৰিছে। উপৰ্যুক্ত খণ্ড-বাক্যবোৰত মন কৰিবলগীয়া কথা এয়ে যে যিবোৰ শব্দেৰে খণ্ড বাক্যবোৰ গঠিত হৈছে সেইবোৰ শব্দই সাধাৰণতে যি অৰ্থ প্ৰকাশ কৰে খণ্ড-বাক্যহিচাপে ব্যৱহাৰ হোৱাত সিহঁতৰ অৰ্থ সুকীয়া হৈছে গৈ। শব্দবোৰৰ নিজৰ অৰ্থৰ সলনি সিহঁতৰ সংযোগে আন অৰ্থ প্ৰকাশ কৰা হেতুকে সেইবোৰক জতুৱা খণ্ড-বাক্য বুলি কব পাৰি। অসমীয়া ভাষাত এনে ধৰণৰ অসংখ্য খণ্ড-বাক্যৰ প্ৰয়োগ দেখা যায়। সেইবোৰৰ ভিতৰত আকৌ ক্ৰিয়াবাচক খণ্ড-বাক্য প্ৰচুৰ। তলত আটাইবোৰৰ কিছুমান চানেকি দাঙি ধৰা হল। ক্ৰিয়াবাচক খণ্ড-বাক্যবোৰৰ ক্ষেত্ৰত ক্ৰিয়া ৰূপ হব পৰা ধাতু-ৰূপবোৰহে দিয়া হৈছে।

আঁকৰা মৈত উঠ কোনো কাৰ্যত হাত দি তাতে লাগি থাক্
আঠুৱা-তলৰ মহ 'সাধাৰণ প্ৰাণী'
আকাশী চৰণ ভাগি পৰ 'অকস্মাৎ বিষম দুৰ্ঘটনা উপস্থিত হ'
আঙুলিৰ মূৰত লেখিব পৰা 'অলপসংখ্যক'
উঠি পৰি লাগ অত্যন্ত চেষ্টা কৰ
উঠি বঢ়া 'ক্ষমতাশালী পুৰুষ'
উপজি পুৱা 'নিচেই বাল্যিপুৱা'
উৰহীৰ গুৰ 'কোনো কাৰ্য বা কথাৰ মূল'
উশাহ পা 'সকাহ পা'
উধৰ পৰা মূৰলৈ 'গোটেই'
কঁকাল ভাগ 'দুৰ্বল হ'
কঁকাল ভাঙ 'বলৰ প্ৰধান কাৰণ নষ্ট কৰ্'
কঁকাল পৰ্ 'দুৰ্বল হ, বুঢ়া হ'
কঁকাল বান্ধ্ 'মুঁজলৈ সাজু হ'
কঁকাল পাৰ্ 'বলৰ প্ৰধান কাৰণ নষ্ট কৰ্'

কটা ঘাত চেঙা তেল দি 'দুখতে দুখ দি'
কণ-কঠীয়া মাৰ 'এ'কবাৰে ধ্বংস কৰ, বীজ মাৰ'
কপালৰ ঘাম মাটিত পেলা 'অতিপাত পৰিশ্ৰম কৰ'
কপাল ফুল 'সুভাগ্য উপস্থিত হ
কপাল ফুট 'দুৰ্ভাগ্য উপস্থিত হ'
কপাল খা 'সুচল হেৰুৱা
কাণ কটা 'টেঙৰ, নিলাজ
কাণ দি 'মন দি শুন
কা'ণ কাণ মাৰি 'কোনামতে
কা'ণ কা'ণ ফুচফুচাই
কাণত পৰ্‌ 'ঘন্ত নকৰাকৈ শুন'
কাণত পেলা 'শুনা
কাণ থিয় কৰ 'শুনিবলৈ আগ্ৰহ কৰ'
কাণ পাত 'শুনিবলৈ সাজু হ
কান সমনীয়া 'ডেকা
কাণ সৰালি মাৰ 'শুনা ভাও জুৰি মনে মনে থাক্'
কাণ বাগৰা 'আনৰ মুখে শুনা'
কাহ পৰি জীণ যা 'হাই উকমি নাইকীয়া হ'
কুন্দত কটা 'ধুনীয়া'
খৰি দি 'মৰা মানুহ দাহন কৰ্‌
খাই পাত ফাল্‌ 'অপলাপ কৰ, উপকাৰ অস্বীকাৰ কৰ'
গছত তুলি গুৰি কাট বিশ্বাসঘাতকতা কৰ্‌'
গাখীৰত ম'হৰ ৰ'ঙি 'সুখৰ উপৰি সুখ'
গা ৰ 'কোনোমতে ৰক্ষা পৰ'
গা পাতি ল 'লোকৰ কৰ্ম নিজৰ বুলি ক'
গাত ল 'লৈ কাঢ়, দায়ী হ'

গা নৰিয়া 'গৰ্ভৱতী'
গা এৰা দি 'উদাসীন ভাৱ দেখুৱা'
গা কৰ্ 'উদগতি কৰ'
গা ধৰ 'শকত হ
গা ভঙা 'নৰিয়াৰ পৰা ভাল হ
গা ধ 'পনীয়াকৈ শৌচ কৰ
গা বন্ধ হ 'গৰ্ভৱতী হ
গা তোল 'উঠ, উদগাই দি
গা উঠ 'কোনো কাম কৰিবলৈ আগ্ৰহ হ ।
গা সাৰ 'টানৰ পৰা উদ্ধাৰ হ
গা খেলা 'কাম-বন নকৰি ধুন মাৰি ফুৰ
গা থ থাউনি পা
গা দা, নৰিয়াৰ পৰা উঠ
গাই বাই চা 'যত্ন কৰি চা
গোৰ মাৰি গঙ্গাত পেলা 'অনিচ্ছাবশত উপকাৰ কৰ
ঘৰ পাত্ 'বিয়া কৰাই দি
ঘৰ ভাঙ 'গিৰীয়েক-ঘৈণীয়েকৰ মাজত দন্দ লগাই গৃহস্থিত বেমেজালি লগা
ঘৰ ল 'পোহনীয়া জন্তু গিৰীহঁতৰ ঘৰৰ পৰা নোযোৱা হ ঘৰত থাকিবলৈ আৰম্ভ কৰ'
ঘৰ গোসা 'সদায় ঘৰত থকা
চকু মেলি চা 'অনুগ্ৰহ কৰ
চকুত লগা 'ভাল্লী
চকুৰ পচাৰতে 'তুৰন্তে
চকু দি 'চোৱা-চিতা কৰ্
চকুত পৰ্ 'দৃষ্টি-গোচৰ হ'

চকুত ধূলি দি 'ঠগ'

চকু লাগ 'চৌপনিস্ত চকু মুদ খা

চকু মুদ 'মৰ

চকু মুৰা 'ওপাৰ ওপাৰে চা

চকুৰ কুটা দাঁতৰ শাল শত্রু

চকু চৰহা 'আনৰ ভাল দেখি বেজাৰ পোৱা

চকুত লগা 'দেখনিযাৰ

চাহ এৰ 'ক্রমে ক্রমে এৰি দি

চিলিম ছিগ 'আশাৰ তেতু নোহোৱা হ

জুলুকি জুলুকি শিকা 'নানাভাবে আহুকাল কৰ

টকালি পাৰি খা 'তৃপ্তিৰে ভোজন কৰ

টিঙিৰি তুলা হ 'হঠাৎ খঙত জলি উঠ"

টুপাই বুৰ মাৰ 'অস্বীকাৰ কৰ

ঠৈ নচুৱাই থাক 'এলাহত সময় অতিবাহিত কৰ

ডিঙিৰ হাড়মাল 'এৰিবও নোৱৰা ধৰিবও নোৱৰা কাৰ্য বা মানুহ

ঢোলত খৰ মাৰ 'জঞ্জালৰ ভিতৰত আঙুলি উলিয়া

তিনি গধূলি 'সন্ধ্যা সময়'

তিলাকে তাল কৰ বঢ়াই ক

তেজক পানী কৰ 'কঠোৰ পৰিশ্রম কৰ

দলনিত পোনা মেল 'নিৰাশ্রয় কৰি এৰি দি'

দাঁতে ওঁঠে নালাগ 'সমূলি দন্ত-কাজিয়া নালাগ'

দুখে কুলাই পাচিয়ে নধৰ 'অতি কষ্ট পা'

দুই নাৱত দুই ভৰি হ 'দোধাৰামাৰত পৰ'

ধনাৰ বাবু 'শেষৰ আশা'

খোদৰ পচলা 'অকামিলা, এলেহুৱা

নকৰিবৰ চকৰি কৰ 'অত্যন্ত দুৰ্দশাগ্ৰস্ত কৰ'

ন দি ক 'ডাঠি ক

নাকনি কাণনি কৰ কষ্ট দি অস্থিৰ কৰ

নোম টেঙৰ 'অতি টেঙৰ

পৰ্বতত কাছ কণী বিচাৰ 'যত্ৰ বস্তু এটা পোৱা নাযায় তাতে বিচাৰ

পে'ট পেটে 'নিজৰ মনতে

পেট পা মনৰ ভাব জান

পেটত হাত-ভৰি লুকা আচৰিত হ, স্তম্ভিত হ, বেজাৰ পা'

পে'ট ভাতে খা কোনোমতে খাই থাক

পেট ভাটৌ মুখেৰে প্ৰকাশ নকৰি পেটত কথা লৈ থকা

পানী কৰ্ 'নষ্ট কৰ, বুজিবলৈ সহজ কৰ'

পানী হ নষ্ট হ

পানীত পৰ 'অথলে যা'

পানীৰ মিঠৈ 'সজাই কোৱা মিছা কথা'

পানী লাগ 'নাকেৰে পানী বোৱা ৰোগ হ

বাঘৰ আগ-ভেল খোৱা 'অঘাইটং

বাট চা 'অপেক্ষা কৰি থাক'

বাটকুৰি বা 'ঘনে পতি অহা-যোৱা কৰ

বাৰ কুৰি 'বহুসংখ্যক'

বিধি পথালি কৰ 'কামত বিঘিনি বা বাধা জন্মা

বু বু বা বা কৰ 'কলহ প্ৰচাৰ কৰ

বুকুৰ তেজ পানী কৰ্ 'কষ্টৈ পৰিশ্ৰম কৰ্'

বুঢ়া ভাঠ 'সাহিয়াল'

ভাত মৰ্ 'জীৱিকাৰ উপায় নাইকিয়া হ'

ভাত মাৰ 'জীৱিকাৰ উপায় নাইকিয়া কৰ'
ভাত উঠ 'আয়ুস শেষ হ
ভাতে ভঁৰালে খা 'ধন-সম্পত্তি কৰি খাই-বৈ থাক
ভূতৰ ওপৰত দানহ 'বিপদৰ উপৰি বিপদ'
ভোটা তৰা 'বিখ্যাত লোক
মন কৰ 'গুৰুত্ব দি
মনত কৰ সোঁৱৰ
মন পা আশ্ৰয় পা, অভিপ্ৰায় বুজ
মন চা 'ছল কৰি অভিপ্ৰায় বুজ'
মন দি 'মনোযোগ দি
মন যা 'ইচ্ছা হ
মন মাৰ 'উৎসাহ এৰ'
মনত পৰ 'পাহৰা কথাৰ সোঁৱৰণ হ
মন বান্ধ 'আকাঙ্ক্ষা এৰ'
মন মেল্ 'ইচ্ছা কৰ'
মন বহ্ 'ভাল লগা হ'
মন পুতি 'মনোযোগ দি
মনে ধৰ্ 'বিশ্বাস হ'
মৰোঁ জীওঁ সোঁ আধিকৈ 'মৰ মৰোঁৰ প্ৰাণ উঠুৰ্গি'
মাছ বুলি নাথাই জিজি বুলি খা 'পোণপটীয়াকৈ নকৰি আওপাকে কৰ'
মাটি কৰ 'নষ্ট কৰ্'
মাটি হ 'নষ্ট হ'
মাটি খা 'মাটি দখল কৰ্'
মুখৰ কথা 'মিছা আশ্বাস দিয়া কথা, প্ৰমাণ নোহোৱা কথা'।
মুখলৈ চাই 'এনাৰ নোৱাৰি'

মুখ বান্ধ 'বাছি খা

মুখত দি 'খা, চাক্'

মুখ সলা 'সদায় খোৱা বস্তু এৰি আন বস্তু খা'

মুখৰ ওপৰত ক 'ভয় নকৰাকৈ বা সন্মান নকৰাকৈ সমুখত ক'

মুখ লাগ আনৰ চকুত পৰাৰ বাবে শ্ৰীহীন হ

মুখৰ ছাই গুচা মৰা মানুহৰ শৰাধ কৰি শুচি হ

মৰ দি উঠ্ 'উদ্গতি কৰ ডাঙৰ হ

মূৰ দোৱা সেৱা কৰ, মান্য কৰ

মূৰ ঘমা চিন্তা কৰ

মূৰে ভৰি কাঢ় বিপৰীতভাৱে কাৰ্যকৰ'

ৰাতিক দিন কৰি 'অত্যন্ত পৰিশ্ৰমৰ দ্বাৰা'

বোৰটাকে টোটো কৰ বঢ়াই ক'

সৰু পানী লো 'মূত্ৰ ত্যাগ কৰ'

সাঁ ঘাটৰ চোঙলী 'টেঙৰ'

সাত শত্ৰু 'মহা শত্ৰু'

সান্দহ খোৱা বালি তল যা 'সুখ-ভোগৰ অন্ত হ'

সোণৰ সোলেং 'বহুমূলীয়া বস্তু'

হাত সাবটি থাক এলাহত কাম-কাজ নকৰাকৈ থাক্
উপযুক্ত ব্যৱস্থা নকৰাকৈ থাক'

হাতে ভৰিয়ে ধৰ 'কাকৌ-কোকালি কৰ'

হাত কৰ 'নিজৰ আয়ত্তাধীন কৰ

হাত লৰ 'চোৰ স্বভাৱৰ

হাত দীঘল 'ক্ষমতাশালী'

হাতত ল 'কৰিবলৈ ল'

হাত ধো 'সম্পৰ্ক এৰ'

হাত উঠ 'ব্যৱসায়ত উন্নতি হ'

হামৰাও কাঢ় 'ব্যাকুলভাবে কোনো বস্তুৰ কাৰণে অভিলাষ কৰ'

হাড় পেলা প্ৰাণ এৰ'

হা-হা কা-কা কৰ 'দুখ কষ্টত পৰি দিন কটা'

ক্ষুদ্ৰ শৌচ কৰ 'মূত্ৰ ত্যাগ কৰ'

৭৮ উক্তি কথা কওঁতে বা লেখোঁতে কেতিয়াবা কোনো এজনে কোনো এষাৰ কথা যিধৰণে কৈছিল ঠিক তেনেধৰণে কোৱা হয় বা লেখা হয়। কেতিয়াবা আকৌ আনে কোৱা কথাখিনিক নিজৰ ধৰণেৰে কোৱা হয় বা লেখা হয়। কওঁতাই কোৱা কথাখিনি হুবহুৰূপে প্ৰকাশ পালে প্ৰত্যক্ষ উক্তি আৰু কওঁতাৰ কথাখিনিৰ ভাব আনৰ কথাৰে প্ৰকাশ কৰিলে হয় পৰোক্ষ উক্তি। প্ৰত্যক্ষ-উক্তি বুজাবলৈ কওঁতাৰ কথাখিনি উদ্ধৃতি-চিহ্নৰ দ্বাৰা (" ") বুজোৱা হয়। সচৰাচৰ যে, বুলি, বোলে, হেনো আদি অব্যয় শব্দ ব্যৱহাৰ কৰি প্ৰত্যক্ষ-উক্তিৰ ভাব অনুসৰি পৰোক্ষ-উক্তিৰ বাক্য সজা হয়। তলত কেইটামান উদাহৰণ দিয়া হ'ল

প্ৰত্যক্ষ-উক্তি মই তেওঁক ক'লো "মই আজি বজাৰলৈ নাযাওঁ"।

পৰোক্ষ-উক্তি মই তেওঁক ক'লো যে মই আজি বজাৰলৈ নাযাওঁ।

বা মই আজি বজাৰলৈ নাযাওঁ বুলি তেওঁক ক'লো।

প্ৰত্যক্ষ-উক্তি সি ক'লে "মই আজিৰ পৰা এনে কাম নকৰোঁ।"

পৰোক্ষ-উক্তি সি ক'লে যে সি হেনো ভৱিষ্যতে তেনে কাম নকৰে।

প্ৰত্যক্ষ-উক্তি নেতাজীয়ে ক'লে 'মইতো এই বিষয়ে একো নাজানো"।

পৰোক্ষ-উক্তি নেতাজীয়ে ক'লে যে তেওঁ বোলে সেই বিষয়ে একো নাজানে।

বা তেওঁ সেই বিষয়ে একো নাজানে বুলি নেতাজীয়ে ক'লে।

প্ৰত্যক্ষ-উক্তি দেউতাই মোক কৈছিল "সকলো হাবিত বাঘ নাথাকে"।

পৰোক্ষ-উক্তি সকলো হাবিত বাঘ নাথাকে বুলি দেউতাই মোক কৈছিল।

বা দেউতাই মোক কৈছিল যে সকলো হাবিত বাঘ নাথাকে।

প্ৰত্যক্ষ-উক্তি . বকৰাই কৈছে "আমি আটায়ে অহা মাহত বালি-ভাত খাবলৈ যাম"।

পৰোক্ষ-উক্তি অহা মাহত তেওঁলোক আটায়ে বালি-ভাত খাবলৈ যাব বুলি বকৰাই কৈছে।

বা বকৰাই কৈছে যে তেওঁলোক আটায়ে অহা মাহত বালি-ভাত খাবলৈ যাব।

প্ৰত্যক্ষ-উক্তি : এজনে আহি ক'লে "আপোনালোক ইয়াৰ পৰা গুচি যাওঁক।"

পৰোক্ষ-উক্তি আমাক তাৰ পৰা গুচি আহিবলৈ এজনে আহি আদেশ দিলে।

প্ৰত্যক্ষ-উক্তি তেখেতে ক'লে "তোমালোকৰ মঙ্গল হওক"।

পৰোক্ষ-উক্তি তেখেতে আমাৰ মঙ্গল কামনা কৰিলে।

দ্বিতীয় খণ্ড

৯

৭৯ অসমীয়া ভাষাত সংস্কৃতীয়া ৰূপ : অসমীয়া ভাষাত কথিত আৰু লিখিত দুয়োটা ৰূপতে অনেক সংস্কৃতীয়া প্ৰয়োগ চলি আছে। সেইবাবে সম্যক জ্ঞান জন্মিবলৈ হ'লে সংস্কৃত ব্যাকৰণৰ কিছুমান কথা জনাটো অপৰিহাৰ্য হৈ উঠে। সত্যনাথ বৰাই লেখিছে "অসমীয়া ভাষাত সংস্কৃত শব্দ প্ৰচুৰ পৰিমাণে ব্যৱহাৰ হয় আৰু সেই শব্দবিলাকৰ ভিতৰত অনেক সন্ধি আছে। তেনেবিলাক শব্দৰ ব্যাখ্যাৰ নিমিত্তে সন্ধিৰ নিয়ম প্ৰয়োজন।" সন্ধিৰ উপৰিও সংস্কৃতৰ বৰ্ণমালা, ণত্ব-ষত্ব-বিধান সংখ্যাবাচক শব্দ, বিশেষণৰ তুলনা, কৃৎ-তদ্ধিত-স্ত্ৰীপ্ৰত্যয় আৰু উপসৰ্গৰ বিষয়ে এটা স্পষ্ট ধাৰণাৰ আৱশ্যক। তলত প্ৰত্যেকৰে সংক্ষিপ্ত আলোচনা দিয়া হ'ল।

৮০ সংস্কৃতৰ বৰ্ণমালা : সংস্কৃতত সৰ্বমুঠ আঠচল্লিশটা বৰ্ণ বা আখৰ আছে। সেইবোৰৰ ভিতৰত তেৰটা স্বৰ-বৰ্ণ আৰু পঁয়ত্ৰিশটা ব্যঞ্জন-বৰ্ণ। স্বৰবৰ্ণৰ ভিতৰত অ ই ঋ উ, ঌ এই পাঁচোটা হ্ৰস্ব। আ, ঈ, ঊ, ৠ, এ ও এইকেইটা দীৰ্ঘ স্বৰ। ঐ আৰু ঔ দ্বি-স্বৰ। স্বৰ-বৰ্ণৰ গুণ আৰু বৃদ্ধি-ৰূপো আছে। ব্যঞ্জন-বৰ্ণৰ ভিতৰত 'ক'ৰ পৰা 'ম'লৈকে এই পঁচিশটাক স্পৰ্শ বৰ্ণ বোলে। স্পৰ্শ-বৰ্ণবোৰক আকৌ পাঁচটা ভাগত, তাৰে প্ৰত্যেকৰ প্ৰথম বৰ্ণ অনুযায়ী পাঁচটা বৰ্গৰ নামকৰণ কৰা হৈছে যেনে, ক-বৰ্গ, চ বৰ্গ, ট বৰ্গ ত-বৰ্গ প বৰ্গ। শ, ষ স হ এইকেইটা বৰ্ণ উষ্ম-বৰ্ণ। উষ্ম-বৰ্ণ আৰু স্পৰ্শ-বৰ্ণৰ মাজত থকা য, ৰ, ল, ৱ এইকেইটা বৰ্ণ অন্তঃস্থ-বৰ্ণ। (অনুস্বাৰ) আৰু : (বিসৰ্গ) এই দুটা বৰ্ণৰ নাম অযোগবাহ-বৰ্ণ। স্বৰ-বৰ্ণ আৰু ব্যঞ্জন-বৰ্ণৰ ভিতৰত সিহঁতৰ যোগ বা উল্লেখ নাই কিন্তু 'বাহ' বা ব্যৱহাৰ আছে সেই কাৰণে অযোগবাহ। সংস্কৃতত বৰ্ণ আৰু

ধ্বনিৰ মাজত পাৰ্থক্য নাই। স্পৰ্শ-বৰ্ণৰ ভিতৰত প্ৰত্যেক বৰ্গৰ প্ৰথম, দ্বিতীয় বৰ্ণ আৰু শ, ষ, স এইকেইটা বৰ্ণ বা ধ্বনি অঘোষ[১]। বৰ্গৰ তৃতীয়, চতুৰ্থ, পঞ্চম বৰ্ণ, আৰু য, ৰ, ল, ৱ, হ এইকেইটা বৰ্ণ বা ধ্বনি ঘোষ।[২] বৰ্গৰ দ্বিতীয় আৰু চতুৰ্থ বৰ্ণ মহাপ্ৰাণ।[৩] বৰ্গৰ প্ৰথম তৃতীয়, আৰু পঞ্চম বৰ্ণ অল্পপ্ৰাণ।[৪] (পৃষ্ঠা ১৬৯)।

৮০। স্বৰ-বৰ্ণ অ আ ই ঈ

উ ঊ ঋ ৠ ঌ

এ ঐ ও ঔ

৮১। স্বৰ বৰ্ণবোৰক আকৌ তলৰ তালিকা অনুযায়ী ভাগ কৰিব পাৰি

সবল স্বৰ বৰ্ণ	গুণ স্বৰ বৰ্ণ	বৃদ্ধি স্বৰ বৰ্ণ
অ, আ	অ	আ
ই, ঈ	এ	ঐ
উ, ঊ	ও	ঔ
ঋ, ৠ	অৰ	আৰ
ঌ	অল	×

১ যি ধ্বনি উচ্চাৰণ কৰোঁতে কণ্ঠ-তন্ত্ৰীৰ (কণ্ঠ-নলৰ ভিতৰৰ মাংস-পেশী দুডাল) কম্পন নুঠে তাক অঘোষ ধ্বনি বোলে

৮০ ৩ ব্যঞ্জন-বৰ্ণ

স্পৰ্শ-বৰ্ণ ক খ গ ঘ ঙ — ক বৰ্গ
চ ছ জ ঝ ঞ — চ বৰ্গ
ট ঠ ড ঢ ণ — ট-বৰ্গ
ত থ দ ধ ন — ত-বৰ্গ
প ফ ব ভ ম — প-বৰ্গ

অন্তঃস্থ বৰ্ণ য ৰ ল ৱ
উষ্ম বৰ্ণ শ ষ স হ

অযোগবাহ বৰ্ণ

৮০ ৪ ব্যঞ্জন বৰ্ণবোৰক তলৰ তালিকা অনুযায়ীও ভাগ কৰিব পাৰি

কণ্ঠ্য বৰ্ণ	ক	খ	গ	ঘ	ঙ		হ
তালব্য বৰ্ণ	চ	ছ	জ	ঝ	ঞ	য	শ
মূৰ্দ্ধন্য বৰ্ণ	ট	ঠ	ড	ঢ	ণ	ৰ	ষ
দন্ত্য বৰ্ণ	ত	থ	দ	ধ	ন	ল	স
ওষ্ঠ্য বৰ্ণ	প	ফ	ব	ভ	ম	ৱ	

২ যি ধ্বনি উচ্চাৰণ কৰোঁতে কণ্ঠ তন্ত্ৰীৰ কম্পন উঠে তাক ঘোষ-ধ্বনি বোলে।

৩ কোনো ধ্বনিৰ সৃষ্টি হোৱাৰ লগে লগে যদি অলপ বতাহ বেছিকৈ ওলায়, তেন্তে তাক মহাপ্ৰাণ-ধ্বনি বোলে।

৪ লগে লগে অধিক মাত্ৰাৰ বতাহ নোলোৱা ধ্বনি অল্পপ্ৰাণ-ধ্বনি।

৮১ ণত্ব-বিধি : কোনো শব্দত ঋ, ৠ, ৰ, ষ বৰ্ণৰ পাছত দন্ত্য ন থাকিলে আৰু দন্ত্য 'ন'ৰ পাছত স্বৰ বৰ্ণ, ন ম, য, ৱ থাকিলে দন্ত্য নটো মূৰ্ধন্য ণ হয়। একে পৰিস্থিতিতে ঋ, ৠ, ৰ ষ, আৰু ন'ৰ মাজত স্বৰ-বৰ্ণ কণ্ঠ্য বৰ্ণ, ওষ্ঠ্য বৰ্ণ, য, আৰু অনুস্বাৰ থাকিলেও ন, ণ হ'ব। এই ক্ষেত্ৰত ঋ, ৠ, ৰ, ষ আৰু নৰ মাজত কিমান বৰ্ণ থাকিব পাৰে তাৰ কোনো নিৰ্ধাৰিত সীমা নাই। উদাহৰণ-স্বৰূপে ৰামায়ণ শব্দটোত ৰ আৰু 'ণ'ৰ মাজত পাঁচটা বৰ্ণ আছে। ওপৰৰ কথাখিনি তলত দিয়া অনুযায়ী তালিকাভুক্তভাবে দেখুৱাব পাৰি।

ঋ ৠ ৰ ষ	মাজত (স্বৰ-বৰ্ণ কণ্ঠ্য বৰ্ণ ওষ্ঠ্য বৰ্ণ, য আৰু) থাকিলেও	ন > ণ	যদি পাছত (স্বৰ বৰ্ণ, ন ম য, ৱ) থাকে।

৮১.১ ণত্ব বিধি অনুযায়ী সিদ্ধ হোৱা শব্দ কেইটামান এনেকুৱা : ঋণ, তৃণ কণ বৰ্ণ, কাৰণ অৰুণ, কৃপণ, গ্ৰহণ, ব্ৰাহ্মণ বাৰণ, নাৰায়ণ, উত্তৰায়ণ পৰায়ণ চান্দ্ৰায়ণ শূৰ্পণখা, পূৰ্বাহ্ণ, পৰাহ্ণ অপৰাহ্ণ, প্ৰণাম প্ৰণয় পৰিণাম পৰিণতি, প্ৰণতি, পৰিণয় প্ৰণিপাত প্ৰণিধান, প্ৰয়াণ, প্ৰমাণ, পৰিমাণ। (অসমীয়াত লেখাতে ঋণ তৃণ আদি শব্দৰ পাছত একো বৰ্ণ নাই যেন লাগে। কিন্তু সংস্কৃতত হ'লে সেইবোৰৰ পাছত 'অ স্বৰ-বৰ্ণ যুক্ত হৈ আছে)। কিছুমান শব্দত অৱশ্যে ন ণ নহয়, যেনে ৰঘুনাথ, ৰঘুনন্দন, হৰিনাৰায়ণ, ত্ৰিনয়ন, ত্ৰিনেত্ৰ, সৰ্বনাম, দুৰ্নাম। কিছুমান শব্দৰ ন স্বভাৱতে মূৰ্ধন্য : যেনে, বাণিজ্য, কণ গুণ শণ, বাণী বাণ, বেণু, বীণা, মণি, কোণ, কণা, নিপুণ, কল্যাণ, গৌণ, শোণিত, পুণ্য, কণ্টক, পিণ্ড ইত্যাদি।

৮২ ষত্ব-বিধি অ, আ বৰ্ণৰ বাহিৰে আন স্বৰ-বৰ্ণ আৰু ক, ৰ বৰ্ণৰ পাছত দন্ত্য স থাকিলে আৰু দন্ত্য 'স'ৰ পাছত স্বৰ-বৰ্ণ,

ত, থ, ন, ম, য, ৰ থাকিলে দন্ত্য 'স'টো মূৰ্দ্ধন্য 'ষ' হয়। এনে পৰি-স্থিতিত অ, আ বৰ্ণৰ বাহিৰে আন স্বৰ-বৰ্ণ আৰু 'স'ৰ মাজত ং, ঃ থাকিলেও স, ষ হ'ব। ইয়াকো তলত দিয়া অনুযায়ী তালিকাভুক্ত-ভাৱে দেখুৱাব পাৰি

(অ, আ বৰ্ণৰ বাহিৰে আন) স্বৰ বৰ্ণ ক ৰ	অ, আ ভিন্ন স্বৰৰ পাছত ( ) থাকিলেও	স>ষ	যদি পাছত(স্বৰ-বৰ্ণ, ত, থ, ন, ম, য, ৰ) থাকে।

৮২ ষত্ব বিধি অনুযায়ী সিদ্ধ হোৱা শব্দ কেইটামান এনেকুৱা: শ্ৰদ্ধাস্পদেষু, মুমূৰ্ষু, শ্ৰীচৰণেষু বিষাদ, নিষেধ, বিষণ্ণ, অভিষেক, প্ৰতিষ্ঠা, অনুষ্ঠান, ভূমিষ্ঠ, অঙ্গুষ্ঠ, গোষ্ঠ, যুধিষ্ঠিৰ, চাক্ষুষ, ভবিষ্যত। কিছুমান ব্যতিক্ৰমো নোহোৱা নহয়, যেনে, বিসৰ্গ, বিস্ময় বিসৰ্জন, পৰিস্থিতি অনুসৰণ, ধূলিসাৎ, ভূমিসাৎ, অগ্নিসাৎ। কিছুমান শব্দত স্বভাৱতে মূৰ্দ্ধন্য ষ ব্যৱহাৰ হয়, যেনে, ভাষা, পুষ্প, আষাঢ় পাষাণ, ইত্যাদি।

৮৩ সন্ধি: এটা শব্দৰ শেষ-বৰ্ণ আৰু আন এটা শব্দৰ আদি-বৰ্ণ লগ লাগি যি পৰিবৰ্তন ঘটে তাক সন্ধি বোলে। ইয়াত শব্দ বুলি কওঁতে কোনো মুক্ত-ৰূপকে বুজোৱা হৈছে। কিন্তু কোনো কোনো ক্ষেত্ৰত মুক্ত-ৰূপ আৰু যুক্ত-ৰূপৰ ভিতৰতো সন্ধি হয়, যেনে, উৎ+জ্বল=উজ্জ্বল, শে+অন=শয়ন। স্বৰ-বৰ্ণৰ স্বৰ-বৰ্ণৰ লগত, ব্যঞ্জন-বৰ্ণৰ ব্যঞ্জন-বৰ্ণৰ লগত, আৰু ব্যঞ্জন-বৰ্ণৰ স্বৰ-বৰ্ণৰ লগত সন্ধি হয়। সন্ধি হ'লে কেতিয়াবা সন্ধি হোৱা দুয়োটা বৰ্ণ একে লগ লাগে, কেতিয়াবা আগৰটো বৰ্ণ বিকৃত হয়, কেতিয়াবা পাছৰটো বিকৃত হয়, কেতিয়াবা দুয়োটা বৰ্ণই বিকৃত হয়। কোনো কোনো ক্ষেত্ৰত আগৰ বৰ্ণ আৰু কোনো কোনো ক্ষেত্ৰত পাছৰ বৰ্ণৰ লোপ হয়। তলত প্ৰত্যেকৰে উদাহৰণ দিয়া হৈছে। স্বৰ-বৰ্ণৰ স্বৰ-বৰ্ণৰ লগত হোৱা

সন্ধি স্বৰ-সন্ধি, ব্যঞ্জন-বৰ্ণ'ৰ ব্যঞ্জন-বৰ্ণ'ৰ লগত নাইবা ব্যঞ্জন-বৰ্ণ'ৰ স্বৰ-বৰ্ণ'ৰ লগত হোৱা সন্ধি ব্যঞ্জন-সন্ধি। সন্ধিৰ উদাহৰণবোৰত ( ) এই চিন নিদিয়া বৰ্ণবোৰ অকাৰন্ত বুলি ধৰিব লাগিব)।

৮৪ স্বৰ-সন্ধি :

(১) অ + অ = আ নীল অচল — নীলাচল।
হীম + অচল = হীমাচল।
শশ + অঙ্ক = শশাঙ্ক।
দেৱ + অসুৰ দেৱাসুৰ।
দীপ + অম্বিতা — দীপাম্বিতা।
গৌৰ + অঙ্গ = গৌৰাঙ্গ।
পুষ্প + অঞ্জলি — পুষ্পাঞ্জলি।
গীত + অঞ্জলি — গীতাঞ্জলি।

কিন্তু কুল + অটা = কুলটা সাৰ + অঙ্গ = সাৰঙ্গ, অন্য + অন্য = অন্যোন্য

(২) অ + আ = আ হিম + আলয় — হিমালয়।
ৰত্ন + আকৰ — ৰত্নাকৰ।
দেৱ + আলয় = দেৱালয়।
দীপ + আৱলী = দীপাৱলী।
দশ + আনন = দশানন।
শোক + আকুল — শোকাকুল।
কুশ + আসন = কুশাসন।
মেঘ + আচ্ছন্ন = মেঘাচ্ছন্ন।
গ্ৰন্থ + আলয় — গ্ৰন্থালয়।
সংগ্ৰহ + আলয় = সংগ্ৰহালয়।

(৩) আ + অ = আ সীমা + অন্ত = সীমান্ত ।
আশা + অতীত = আশাতীত ।
আশা + অনুৰূপ = আশানুৰূপ ।

(৪) আ + আ = আ বিদ্যা + আলয় = বিদ্যালয় ।
ক্ষুধা + আতুৰ = ক্ষুধাতুৰ ।
উমা + আনন্দ = উমানন্দ ।
সদা + আনন্দ = সদানন্দ ।
শৃঙ্খলা + আবদ্ধ = শৃঙ্খলাবদ্ধ ।

(৫) ই + ই = ঈ গিৰি + ইন্দ্ৰ = গিৰীন্দ্ৰ ।
মণি + ইন্দ্ৰ = মণীন্দ্ৰ ।
অভি + ইষ্ট = অভীষ্ট ।
অতি + ইত = অতীত ।

(৬) ই + ঈ = ঈ ক্ষিতি + ঈশ = ক্ষিতীশ ।
প্ৰতি + ঈক্ষা = প্ৰতীক্ষা ।
পৰি + ঈক্ষা = পৰীক্ষা ।
গিৰি + ঈশ = গিৰীশ ।

(৭) ঈ + ই = ঈ মহী + ইন্দ্ৰ = মহীন্দ্ৰ ।
বলী + ইন্দ্ৰ = বলীন্দ্ৰ ।

(৮) ঈ + ঈ = ঈ গৌৰী + ঈশ্বৰ = গৌৰীশ্বৰ ।
লক্ষ্মী + ঈশ = লক্ষ্মীশ ।

(৯) উ + উ = ঊ কটু + উক্তি = কটূক্তি ।

(১০) উ + ঊ = ঊ . বায়ু + ঊৰ্মি = বায়ূৰ্মি ।

(১১) ঊ + উ = ঊ . বধূ + উৎসৱ = বধূৎসৱ ।

(১২) ঊ + ঊ = ঊ : ভূ + ঊৰ্ধ্ব = ভূৰ্ধ্ব ।

(১৩) ঋ + ঋ = ৠ ভ্ৰাতৃ + ঋদ্ধি = ভ্ৰাতৄদ্ধি ।

(১৪) অ + ই = এ দেৱ + ইন্দ্ৰ = দেৱেন্দ্ৰ ।
উপ + ইন্দ্ৰ = উপেন্দ্ৰ ।
খগ + ইন্দ্ৰ = খগেন্দ্ৰ ।
হৰ + ইন্দ্ৰ = হৰেন্দ্ৰ ।

(১৫) অ + ঈ = এ গণ + ঈশ = গণেশ ।
পৰম + ঈশ্বৰ = পৰমেশ্বৰ ।
কাম + ঈশ্বৰ = কামেশ্বৰ ।
শুক্ৰ + ঈশ্বৰ = শুক্ৰেশ্বৰ ।
বাণ + ঈশ্বৰ = বাণেশ্বৰ ।
ৰুদ্ৰ + ঈশ্বৰ = ৰুদ্ৰেশ্বৰ ।

(১৬) আ + ই = এ মহা + ইন্দ্ৰ = মহেন্দ্ৰ ।
যথা + ইষ্ট = যথেষ্ট ।

(১৭) আ + ঈ = এ ৰমা + ঈশ = ৰমেশ ।
মহা + ঈশ্বৰ = মহেশ্বৰ ।
লঙ্কা + ঈশ্বৰ = লঙ্কেশ্বৰ ।

(১৮) অ + উ ও নীল + উৎপল = নীলোৎপল
চন্দ্ৰ + উদয় = চন্দ্ৰোদয় ।
পাদ + উদক = পাদোদক ।

(১৯) অ + ঊ = ও এক + ঊনবিংশতি = একোনবিংশতি ।

কিন্তু অক্ষ + ঊহিনী = অক্ষৌহিনী প্ৰ + ঊঢ = প্ৰোঢ (প্ৰৌঢ)

(২০) আ + উ = ও মহা + উৎসৱ = মহোৎসৱ ।
গঙ্গা + উদক = গঙ্গোদক ।
যথা + উপযুক্ত = যথোপযুক্ত ।

(২১) আ + ঊ = ও মহা + ঊৰ্মি = মহোৰ্মি ।
গঙ্গা + ঊৰ্মি = গঙ্গোৰ্মি ।

(২২) অ + ঋ = অৰ   দেৱ + ঋষি = দেৱৰ্ষি ।

(২৩) আ + ঋ = অৰ   মহা + ঋষি = মহৰ্ষি ।

ৰাজা + ঋষি = ৰাজৰ্ষি ।

কিন্তু শোক + ঋত = শোকাৰ্ত   তৃষ্ণা + ঋত = তৃষ্ণাৰ্ত

ক্ষুধা + ঋত = ক্ষুধাৰ্ত ।

(২৪) অ + এ = ঐ   জন + এক = জনৈক ।

(২৫) অ + ঐ = ঐ   মত + ঐক্য = মতৈক্য ।

(২৬) আ + এ = ঐ   তথা + এৱচ = তথৈৱচ ।

(২৭) আ + ঐ = ঐ   মহা + ঐশ্বৰ্য = মহৈশ্বৰ্য

(২৮) অ + ও = ঔ   জল + ওকা = জলৌকা ।

(২৯) অ + ঔ = ঔ   ভৱ + ঔষধ = ভৱৌষধ ।

(৩০) আ + ও = ঔ   মহা + ওষধি = মহৌষধি ।

(৩১) আ + ঔ = ঔ   মহা + ঔষধ = মহৌষধ ।

(৩২) ই + অ = য + অ   যদি + অপি = যদ্যপি ।

অতি + অধিক = অত্যধিক ।

(৩৩) ঈ + অ = য + অ   নদী + অম্বু = নদ্যম্বু ।

(৩৪) ই + আ = য + আ . ইতি + আদি = ইত্যাদি ।

প্ৰতি + আশা = প্ৰত্যাশা ।

অতি + আচাৰ = অত্যাচাৰ ।

অতি + আৱশ্যকীয় = অত্যাৱশ্যকীয় ।

ধ্বনি + আত্মক = ধ্বন্যাত্মক ।

প্ৰতিধ্বনি + আত্মক = প্ৰতিধ্বন্যাত্মক ।

(৩৫) ই + উ = য + উ   অতি + উত্তম = অত্যুত্তম ।

প্ৰতি + উপকাৰ = প্ৰত্যুপকাৰ

অভি + উদয় = অভ্যুদয় ।

(৩৬) ই + এ = য + এ . প্ৰতি + এক = প্ৰত্যেক ।

(৩৭) উ + অ = ৱ + অ   সু + অস্তি = স্বস্তি ।
অনু + অয় = অন্বয় ।

(৩৮) উ + আ = ৱ + আ   সু + আগত = স্বাগত ।

(৩৯) উ + ই = ৱ + ই   অনু + ইত = অন্বিত ।

(৪০) উ + এ = ৱ + এ   অনু + এষণ = অন্বেষণ ।

(৪১) ঋ + অ = ৰ + অ   পিতৃ + অনুমতি = পিত্ৰনুমতি

(৪২) ঋ + আ = ৰ + আ   পিতৃ + আলয় = পিত্ৰালয় ।

(৪৩) ঋ + ই = ৰ + ই   পিতৃ + ইচ্ছা = পিত্ৰিচ্ছা ।

(৪৪) এ + অ = অয় + অ   শে + অন = শয়ন ।

(৪৫) ঐ + অ = আয় + অ   নৈ + অক = নায়ক ।
গৈ + অক = গায়ক ।

(৪৬) ও + অ = অৱ + অ   পো + অন = পৱন ।
ভো + অন = ভৱন ।
শ্ৰো + অন = শ্ৰৱণ ।

কিন্তু গো + অক্ষ = গৱাক্ষ ।

(৪৭) ঔ + অ = আৱ + অ   পৌ + অক = পাৱক ।

(৪৮) ঔ + ই = আৱ + ই   নৌ + ইক = নাৱিক ।

(৪৯) ঔ + উ = আৱ + উ   ভৌ + উক = ভাৱুক ।

৮৫ **ব্যঞ্জন-সন্ধি** ব্যঞ্জন-বৰ্ণৰ ব্যঞ্জন-বৰ্ণৰ লগত যি সন্ধি হয় সেই সন্ধি প্ৰকৃততে সমীভৱনহে । ব্যঞ্জন-বৰ্ণ আৰু স্বৰ-বৰ্ণৰ মাজৰ সন্ধিও কোনো কোনো ক্ষেত্ৰত সমীভৱন অনুযায়ী হয় । দুটা বিভিন্ন ধ্বনি ওচৰা-উচৰীকৈ থাকিলে এটাৰ প্ৰভাৱত আনটোৰ পৰিৱৰ্তন ঘটি সমৰূপতা লাভ কৰাৰ নাম সমীভৱন । ওচৰা-উচৰীকৈ থকা বিভিন্ন ধ্বনি বুলি ক'লে এটা ব্যঞ্জন আনটো স্বৰ এটা ঘোষ, আনটো অঘোষ এটা দন্ত্য, আনটো মূৰ্ধন্য বা তালব্য আদি ধ্বনিৰ ভিন্নতা বুজায় । সংস্কৃতৰ দিগন্ত আৰু জগন্নাথ শব্দ-দুটা যদি চোৱা

হয়, তেনেহ'লে দেখা যাব যে সিহঁত দিক + অন্ত = দিগন্ত আৰু জগৎ + নাথ = জগন্নাথ, এনেদৰে সিদ্ধ হৈছে। ইয়াৰ প্ৰথমটোত প্ৰথম শব্দটোৰ শেষত 'ক' ব্যঞ্জন আৰু তাৰ পাছত 'অ' স্বৰ-বৰ্ণ আছে। অ-বৰ্ণ ঘোষ বৰ্ণ (স্বৰ-বৰ্ণবোৰ ঘোষ বৰ্ণ)। কিন্তু 'ক' বৰ্ণটো অঘোষ। সেইবাবে ঘোষ-বৰ্ণৰ লগত ক-বৰ্ণৰ ঘোষ-বৰ্ণ (ক-বৰ্গৰ তৃতীয় বৰ্ণ) গ ৰ যোগ হৈ দিগ + অন্ত = দিগন্ত হ'ল। তেনেকৈ ত-বৰ্ণটো অঘোষ, ন বৰ্ণটো ঘোষ। গতিকে ন বৰ্ণৰ লগত ত-বৰ্ণৰ ঘোষ বৰ্ণ (ত-বৰ্গৰ তৃতীয় বৰ্ণ) 'দ' হৈ জগদ + নাথ = জগন্নাথ হ'ল। আকৌ নি + চয় এই সন্ধিটোত প্ৰথমৰ বিসৰ্গৰ ঠাইত 'স' হ'ল। কিন্তু পিছত তালব্য 'চ' আছে। সেই কাৰণে আগৰ দন্ত্য 'স'ৰ ঠাইত তালব্য 'শ' হৈ নিশ্চয় শব্দটো হ'ল। এয়ে সমীভৱন সমীভৱন তিনি প্ৰকাৰৰ প্ৰগত, পৰাগত, আৰু অন্যোন্য। পূৰ্ববৰ্তী ধ্বনিয়ে পৰবৰ্তী ধ্বনিৰ পৰিবৰ্তন ঘটালে প্ৰগত, পৰবৰ্তী ধ্বনিৰ প্ৰভাৱত পূৰ্ববৰ্তী ধ্বনিৰ পৰিবৰ্তন হ'লে পৰাগত, আৰু পৰস্পৰৰ প্ৰভাৱত দুয়োটা ধ্বনিৰে পৰিৱৰ্তন হ'লে হয় পাৰস্পৰিক বা অন্যান্য সমীভৱন। প্ৰগত, পৰাগত, আৰু অন্যোন্য সমীভৱন অনুসৰি সংস্কৃতৰ ব্যঞ্জন-সন্ধি কেনেকৈ নিষ্পন্ন হৈছে তলৰ উদাহৰণবোৰৰ পৰা বুজা যাব। সংস্কৃতৰ সন্ধিত প্ৰগত সমীভৱনতকৈ পৰাগত সমীভৱনৰ উদাহৰণহে প্ৰচুৰ।

৮৫। (ক) প্ৰগত সমীভৱন

যাচ + না = যাচ্ঞা।

যজ + ন = যজ্ঞ।

উৎকৃষ + ত = উৎকৃষ্ট।

প্ৰবিষ্ + ত = প্ৰবিষ্ট।

ষষ + থ = ষষ্ঠ।

(খ) পৰাগত সমীভৱন

উৎ + চাৰণ = উচ্চাৰণ।
উৎ + ছেদ = উচ্ছেদ।
উৎ + ছন্ন = উচ্ছন্ন।
উৎ + জ্বল = উজ্জ্বল।
সৎ + চৰিত্ৰ = সচ্চৰিত্ৰ।
সৎ + জন = সজ্জন।
জগৎ + জননী = জগজ্জননী
উৎ + লিখিত = উল্লিখিত।
উৎ + লেখ = উল্লেখ।
উৎ + নতি = উন্নতি।
উৎ + মত্ত = উন্মত্ত
বাক্ + ময় = বাঙ্ময়।
দিক্ + গজ = দিগ্‌গজ।
তৎ + উপৰি = তদুপৰি
দিক্ + অন্ত = দিগন্ত।
বাক্ + ঈশ = বাগীশ।
গম্ + তব্য = গন্তব্য।
জগৎ + ঈশ = জগদীশ।
জগৎ + ঈশ্বৰ = জগদীশ্বৰ।
জগৎ + বন্ধু = জগদ্বন্ধু।
সৎ + উপদেশ = সদুপদেশ।
অপ্ + জ = অব্জ।
অপ্ + দ = অব্দ।
মৃৎ + ময় = মৃন্ময়।
কিম্ + চিৎ = কিঞ্চিৎ।

কিম + কৰ = কিঙ্কৰ ।

কিম + তু = কিন্তু ।

সম + গীত = সঙ্গীত ।

সম + কীর্ণ = সঙ্কীর্ণ ।

সম + গতি = সঙ্গতি ।

সম + চয় = সঞ্চয় ।

সম + তাপ = সন্তাপ ।

শাম + তি = শান্তি ।

(গ) অন্যোন্য সমীভৱন :

শৰৎ + শশী = শৰচ্ছশী

উৎ + হাৰ = উদ্ধাৰ ।

উৎ + হৃত = উদ্ধৃত ।

তৎ + হিত = তদ্ধিত ।

উৎ + শৃঙ্খল = উচ্ছৃঙ্খল ।

উৎ + শ্বাস = উচ্ছ্বাস ।

৮৫ ২ কিছুমান সন্ধি অনিয়মিতৰূপে সিদ্ধ হৈছে যেনে, উৎ + স্থান = উত্থান, উৎ + স্থাপন = উত্থাপন সম + কৃত = সংস্কৃত পৰিঃ + কাৰ = পৰিষ্কাৰ, সম + কাৰ = সংস্কাৰ, গো + য = গব্য, সীমন্ + অন্ত = সীমন্ত ।

৮৫ ৩ অন্তঃস্থ-বৰ্ণ বা উষ্ম-বৰ্ণ পাছত থাকিলে আগৰ ম>ং, যেনে, সম্ + যম = সংযম, সম + যোগ = সংযোগ, সম্ = যুক্ত = সংযুক্ত, সম্ + বাদ = সংবাদ, সম্ + লগ্ন = সংলগ্ন, সম্ + সৰ্গ = সংসৰ্গ

কিন্তু সম্ + ৰাট = সম্ৰাট, সম + ৰাজ্ঞী = সম্ৰাজ্ঞী ।

৮৫ ৪ বিসৰ্গৰ পাছত আন বৰ্ণ থাকিলে কোনো কোনো ক্ষেত্ৰত বিসৰ্গটো 'ৰ্' হয় আৰু পাছৰ বৰ্ণৰ লগত লগ লাগে ।

উদাহৰণ

পুনঃ + আগত = পুনৰাগত।
পুনঃ + অপি = পুনৰপি।
পুনঃ + জন্ম = পুনৰ্জন্ম।
প্ৰাতঃ + উত্থান = প্ৰাতৰুত্থান।
দুঃ + মূল্য = দুৰ্মূল্য।
দুঃ + লভ = দুৰ্লভ।
দুঃ + ভাৱনা = দুৰ্ভাৱনা।
দুঃ + ঘোৰ = দুৰ্ঘোৰ।
দুঃ + অৱস্থা = দুৰৱস্থা।
দুঃ + আকাঙ্ক্ষা = দুৰাকাঙ্ক্ষা।
দুঃ + গম = দুৰ্গম।
নিঃ + আকাৰ = নিৰাকাৰ।
নিঃ + মূল = নিৰ্মূল।
অন্তঃ + আত্মা = অন্তৰাত্মা।
অন্তঃ + গত = অন্তৰ্গত।
আশীঃ + বাদ = আশীৰ্বাদ।
অন্তঃ + অঙ্গ = অন্তৰঙ্গ।
বহিঃ + অঙ্গ = বহিৰঙ্গ।
বহিঃ + আগত = বহিৰাগত।
বহিঃ + গত = বহিৰ্গত।
ধনুঃ + ধৰ = ধনুৰ্ধৰ।

৮৫ ৫ বিসৰ্গৰ পাছত 'ৰ' বৰ্ণ থাকিলে বিসৰ্গটো লোপ হয় আৰু আগত থকা ই, ঈ হয়। যেনে, নিঃ+ৰস=নীৰস, নিঃ+ৰৱ=নীৰৱ, নিঃ+ৰোগ=নীৰোগ।

৮৫ ৬ *বিসৰ্গৰ পাছত আন বৰ্ণ থাকিলে কোনো কোনো ক্ষেত্ৰত*

বিসৰ্গটো 'স' হয় আৰু পাছৰ বৰ্ণৰ লগ লাগে, যেনে মনঃ+কামনা=মনস্কামনা নম +কাৰ=নমস্কাৰ, পুৰ+কাৰ=পুৰস্কাৰ, তিৰ+কাৰ=তিৰস্কাৰ মন +তাপ=মনস্তাপ নিঃ+তেজ=নিস্তেজ ভা +কৰ=ভাস্কৰ। কোনো কোনো ক্ষেত্ৰত বিসৰ্গৰ ঠাইত হোৱা 'স' পৰৱৰ্তী বৰ্ণৰে সৈতে সমীভূত হোৱাও দেখা যায়, যেনে, নি >নিস্+চয়=নিশ্চয়, শিৰ >শিৰস্+ছেদ=শিৰচ্ছেদ।
ক, খ প ফ পাছত থাকিলে নিঃ, আবিঃ, বহিঃ, দুঃ, চতুঃ আদিৰ বিসৰ্গৰ স, ষ হয়, যেনে, নিঃ পাপ=নিষ্পাপ, নিঃ+কাম=নিষ্কাম, নি +ফল=নিষ্ফল, আবিঃ+কৃত=আবিষ্কৃত, আবি +কাৰ=আবিষ্কাৰ বহি +কৃত=বহিষ্কৃত দুঃ+কৰ=দুষ্কৰ; চতুঃ কোণ=চতুষ্কোণ।

৮৫ ৭ কোনো কোনো ক্ষেত্ৰত অকাৰৰ পাছত বিসৰ্গ থাকিলে আৰু তেনে শব্দৰ লগত অ বা বৰ্গৰ তৃতীয় চতুৰ্থ, পঞ্চম বৰ্ণ, য ৰ, ল, ব হ যোগ হ'লে, পূৰ্বৰ শব্দৰ অ আৰু বিসৰ্গ দুয়োটাৰ ঠাইত ও হয় আৰু পাছৰ অকাৰ লুপ্ত হয় যেনে মন । অভিলাষ =মনোভিলাষ তত +অধিক=ততোধিক, অধ +গতি=অধোগতি মনঃ+যোগ=মনোযোগ মন +মত=মনোমত, মন +হৰ=মনোহৰ মন +ৰম=মনোৰম অত +নষ্ট=অতোনষ্ট, তত +ভ্ৰষ্ট=ততোভ্ৰষ্ট, পুৰঃ+হিত=পুৰোহিত, তপ +বন=তপোবন সদ্যঃ+জাত=সদ্যোজাত, শিৰ +মণি=শিৰোমণি

৮৫ ৮ কোনো কোনো ক্ষেত্ৰত বিসৰ্গৰ কোনো পৰিবৰ্তন নঘটে, যেনে, অন্তঃকৰণ, শিৰঃপীড়া, মনঃকষ্ট, অধঃপাত, তেজঃপুঞ্জ, বয়ঃপ্ৰাপ্ত।

৮৬ সংখ্যাবাচক বিশেষ্য-শব্দ:

১ এক	৪ চতুৰ
২ দ্বি	৫ পঞ্চ
৩ ত্ৰি	৬ ষষ, ষট

৭ সপ্ত
৮ অষ্ট
৯ নৱ
১০ দশ
১১ একাদশ
১২ দ্বাদশ
১৩ ত্ৰয়োদশ
১৪ চতুৰ্দশ
১৫ পঞ্চদশ
১৬ ষোড়শ (ষোড়শ)
১৭ সপ্তদশ
১৮ অষ্টাদশ
১৯ নৱদশ, (ঊনবিংশতি)
২০ বিংশতি
২১ একবিংশতি
২২ দ্বাবিংশতি
২৩ ত্ৰয়োবিংশতি
২৪ চতুৰ্বিংশতি
২৫ পঞ্চবিংশতি
২৬ ষড্‌বিংশতি
২৭ সপ্তবিংশতি
২৮ অষ্টাবিংশতি
২৯ ঊনত্ৰিংশৎ
৩০ ত্ৰিংশৎ
৩১ একত্ৰিংশৎ
৩২ দ্বাত্ৰিংশৎ
৩৩ ত্ৰয়স্ত্ৰিংশৎ
৩৪ চতুস্ত্ৰিংশৎ
৩৫ পঞ্চত্ৰিংশৎ
৩৬ ষট্ ত্ৰিংশৎ
৩৭ সপ্তত্ৰিংশৎ
৩৮ অষ্টাত্ৰিংশৎ,
৩৯ নৱত্ৰিংশৎ, ঊনচত্বাৰিংশৎ
৪০ চত্বাৰিংশৎ
৪১ একচত্বাৰিংশৎ
৪২ দ্বিচত্বাৰিংশৎ, দ্বাচত্বাৰিংশৎ
৪৩ ত্ৰিচত্বাৰিংশৎ, ত্ৰয়শ্চত্বাৰিংশৎ
৪৭ চতুশ্চত্বাৰিংশৎ
৪৫ পঞ্চচত্বাৰিংশৎ
৪৬ ষট্‌ চত্বাৰিংশৎ
৪৭ সপ্তচত্বাৰিংশৎ
৪৮ অষ্টচত্বাৰিংশৎ, অষ্টাচত্বাৰিংশৎ
৪৯ নৱচত্বাৰিংশৎ, ঊনপঞ্চাশৎ
৫০ পঞ্চাশৎ
৫১ একপঞ্চাশৎ
৫২ দ্বিপঞ্চাশৎ, দ্বাপঞ্চাশৎ
৫৩ ত্ৰিপঞ্চাশৎ, ত্ৰয়ঃপঞ্চাশৎ
৫৪ চতুঃপঞ্চাশৎ
৫৫ পঞ্চপঞ্চাশৎ
৫৬ ষট্‌পঞ্চাশৎ
৫৭ সপ্তপঞ্চাশৎ
৫৮ অষ্টপঞ্চাশৎ, অষ্টাপঞ্চাশৎ

৫৯	নৱপঞ্চাশৎ, ঊনষষ্টি	৮২	দ্ব্যশীতি
৬০	ষষ্টি	৮৩	ত্র্যশীতি
৬১	একষষ্টি	৮৪	চতুৰশীতি
৬২	দ্বিষষ্টি, দ্বাষষ্টি	৮৫	পঞ্চাশীতি
৬৩	ত্রিষষ্টি, ত্রয় ষষ্টি	৮৬	ষডশীতি
৬৪	চতু ষষ্টি	৮৭	সপ্তাশীতি
৬৫	পঞ্চষষ্টি	৮৮	অষ্টাশীতি
৬৬	ষট্‌ষষ্টি	৮৯	নৱাশীতি, ঊননৱতি
৬৭	সপ্তষষ্টি	৯০	নৱতি
৬৮	অষ্টষষ্টি, অষ্টাষষ্টি	৯১	একনৱতি
৬৯	নৱষষ্টি, ঊনসপ্ততি	৯২	দ্বিনৱতি, দ্বানৱতি
৭০	সপ্ততি	৯৩	ত্রিনৱতি
৭১	একসপ্ততি	৯৪	চতুৰ্ণৱতি
৭২	দ্বিসপ্ততি দ্বাসপ্ততি	৯৫	পঞ্চনৱতি
৭৩	ত্রিসপ্ততি, ত্রয়ঃসপ্ততি	৯৬	ষন্নৱতি
৭৪	চতু সপ্ততি	৯৭	সপ্তনৱতি
৭৫	পঞ্চসপ্ততি	৯৮	অষ্টনৱতি, অষ্টানৱতি
৭৬	ষট সপ্ততি	৯৯	নৱনৱতি
৭৭	সপ্তসপ্ততি	১০০	শত
৭৮	অষ্টসপ্ততি, অষ্টাসপ্ততি	১,০০০	সহস্র
৭৯	নৱসপ্ততি, ঊনাশীতি	১০০,০০০	লক্ষ
৮০	অশীতি	১০,০০০০০	নিযুত
৮১	একাশীতি	১০০,০০০০০	কোটি

৮৬১ সংখ্যাবাচক বিশেষণ-শব্দ একৰ পৰা দশ সংখ্যালৈকে থ (ত), ম, য়, ঈয় প্ৰত্যয় নাইবা এইবোৰৰ ভিতৰত কেইটামান ছুটাৰ সংযোগ ঘটাই সংখ্যাবাচক বিশেষণ-শব্দ সজোৱা হয়। যেনে,

প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, পঞ্চম, ষষ্ঠ, সপ্তম, অষ্টম, নৱম, দশম। এখাৰৰ পৰা উনৈশ সংখ্যালৈকে সংখ্যাৱাচক বিশেষ্য-শব্দবোৰেই সংখ্যাৱাচক বিশেষণ শব্দ ৰূপেও ব্যৱহাৰ হয়, যেনে, একাদশ, দ্বাদশ নৱদশ বা উনবিংশ। বিশ ত্ৰিশ আদি সংখ্যাৰ বিশেষণ-ৰূপ পাবলৈ হ'লে সংখ্যাবাচক বিশেষ্য-শব্দবোৰক অলপ সংক্ষিপ্তকৈ ব্যৱহাৰ কৰা হয় নাইবা সংখ্যাৱাচক বিশেষ্য শব্দবোৰৰ পাছত তম প্ৰত্যয় যোগ দিয়া হয়। তলত সেইবোৰ উল্লেখ কৰা হ'ল

বিংশ	বিংশতিতম।	ষষ্টিতম।
ত্ৰিংশ,	ত্ৰিংশত্তম।	সপ্ততিতম।
চত্বাবিংশ	চত্বাবিংশত্তম	অশীতিতম।
পঞ্চাশ,	পঞ্চাশত্তম।	নৱতিতম।
		শততম।

৮৭ **বিশেষণৰ তুলনা** দুটাৰ মাজত তুলনা কৰিবলৈ হ'লে বিশেষণ শব্দৰ পাছত -তৰ নাইবা -ঈয়স্ প্ৰত্যয় লগ লগাব লাগে আৰু দুটাতকৈ অধিক বা বহুতৰ মাজত এটাক তুলনা কৰিবলৈ হ'লে বিশেষণ-শব্দৰ পাছত -তম নাইবা -ইষ্ঠ প্ৰত্যয় যোগ দিব লাগে। প্ৰত্যয়বোৰ যোগ দিয়াৰ পাছত মূল শব্দটোৰ কিছু পৰিৱৰ্ত্তন ঘটে। তলত উদাহৰণকেইটামান দিয়া হ'ল।

বিশেষণ-শব্দ	দুটাৰ মাজত তুলনা	বহুতৰ মাজত তুলান
গাঢ (গাঢ়)	গাঢতৰ (গাঢ়তৰ)	গাঢতম (গাঢ়তম)
ক্ষিপ্ৰ	ক্ষিপ্ৰতৰ	ক্ষিপ্ৰতম
ক্ষুদ্ৰ	ক্ষুদ্ৰতৰ	ক্ষুদ্ৰতম
গুৰু	গৰীয়স, গুৰুতৰ	গৰিষ্ঠ, গুৰুতম
দীৰ্ঘ	দীৰ্ঘতৰ	দীৰ্ঘতম
দূৰ	দূৰতৰ	দূৰতম
দৃঢ (দৃঢ়)	দৃঢতৰ (দৃঢ়তৰ)	দৃঢতম (দৃঢ়তম)

পাপী	পাপীয়স্	পাপিষ্ঠ
পুণ্য	পুণ্যতৰ	পুণ্যতম
প্ৰশস্ত	শ্ৰেয়স্ (শ্ৰেয়ঃ)	শ্ৰেষ্ঠ
প্ৰিয়	প্ৰিয়তৰ	প্ৰিয়তম
বলী	বলীয়স্	বলিষ্ঠ
মহৎ	মহত্তৰ	মহত্তম
মৃদু	মৃদুতৰ	মৃদুতম
যুবা	কনীয়স্	কনিষ্ঠ
লঘু	লঘীয়স্, লঘুতৰ	লঘিষ্ঠ, লঘুতম
বৃদ্ধ	জ্যেয়স্	জ্যেষ্ঠ

৮৮ **স্ত্ৰী-প্ৰত্যয় ;** সংস্কৃতত স্ত্ৰী-প্ৰত্যয় তিনিটা - -আ,-আনী, ঈ। এই প্ৰত্যয়বোৰ যোগ দিলে মূল শব্দৰ শেষৰ বৰ্ণ আৰু প্ৰত্যয়ৰ আদি বৰ্ণৰ মাজত সন্ধয়-স্থলত সন্ধি হয় আৰু মূল শব্দৰ কোনো কোনো ক্ষেত্ৰত ভিৰ্যক-ৰূপেও দেখা দিয়ে। তলৰ উদাহৰণবোৰৰ পৰা কথাখিনি স্পষ্ট হ'ব।

—আ অচল, অচলা ; প্ৰবল, প্ৰবলা প্ৰথম প্ৰথমা ; দ্বিতীয়, দ্বিতীয়া ; তৃতীয়, তৃতীয়া ; গায়ক>*গায়িক, গায়িকা নায়ক> *নায়িক, নায়িকা পাঠক>*পাঠিক, পাঠিকা ; নাটক>*নাটিক, নাটিকা ; পালক>*পালিক পালিকা বালক>*বালিক বালিকা জ্যেষ্ঠ জ্যেষ্ঠা কনিষ্ঠ, কনিষ্ঠা।

—আনী ; ভৱ ভৱানী ; ইন্দ্ৰ, ইন্দ্ৰাণী ; ৰুদ্ৰ ৰুদ্ৰাণী, শিৱ, শিৱানী।

—ঈ কুমাৰ, কুমাৰী; কিশোৰ, কিশোৰী সুন্দৰ সুন্দৰী ; তৰুণ, তৰুণী ; পাত্ৰ, পাত্ৰী ; সাধু, সাধ্বী ; পিতামহ, পিতামহী ; মাতামহ, মাতামহী নদ, নদী ; নট, নটী ; গোপ, গোপী নিশাচৰ, নিশাচৰী ; দাতৃ, দাত্ৰী ধাতৃ, ধাত্ৰী ; কৰ্তৃ, কৰ্ত্ৰী ; শিক্ষয়িতৃ, শিক্ষয়িত্ৰী ;

(মায়াৱী) মায়াৱিন, মায়াৱিনী, (তপস্বী) তপস্বিন্, তপস্বিনী (বিলাসী) বিলাসিন, বিলাসিনী, (অধিকাৰী) অধিকাৰিন অধিকাৰিণী, (উপকাৰী) উপকাৰিন্, উপকাৰিণী, (অনুৰাগী) অনুৰাগিন, অনুৰাগিণী, (মনোহাৰী) মনোহাৰিন, মনোহাৰিণী (শ্ৰীমান) শ্ৰীমৎ, শ্ৰীমতী, (বুদ্ধিমান) বুদ্ধিমৎ, বুদ্ধিমতী, (পুত্ৰৱান) পুত্ৰৱৎ, পুত্ৰৱতী, (বলৱান) বলৱৎ, বলৱতী, (মহিয়ান) মহীযস্, মহিয়সী (বিদ্বান) বিদ্বস্, বিদুষী, প্ৰেয়স্, প্ৰেয়সী গৰীয়স্ গৰীয়সী অৰ্থকৰ, অৰ্থকৰী, চতুৰ্থ, চতুৰ্থী পঞ্চম, পঞ্চমী ষষ্ঠ, ষষ্ঠী, সপ্তম, সপ্তমী, অষ্টম, অষ্টমী, নৱম, নৱমী দশম, দশমী, একাদশ, একাদশী দ্বাদশ, দ্বাদশী ত্ৰয়োদশ, ত্ৰয়োদশী, চতুৰ্দশ, চতুৰ্দশী ষোড়শ, ষোড়শী (ষোড়শী), দয়াময়, দয়াময়ী, স্বৰ্ণময়, স্বৰ্ণময়ী মৃণ্ময়, মৃণ্ময়ী হিৰণ্ময়, হিৰণ্ময়ী নৰ্তক, নৰ্তকী মানৱ, মানৱী বৈষ্ণৱ, বৈষ্ণৱী দ্ৰৌপদ, দ্ৰৌপদী পাঞ্চাল, পাঞ্চালী মাগধ, মাগধী মৈথিল, মৈথিলী পাৰ্বত, পাৰ্বতী পৌত্ৰ, পৌত্ৰী, দৌহিত্ৰ, দৌহিত্ৰী যাদৃশ, যাদৃশী, সদৃশ, সদৃশী।

৮৮। ঈ প্ৰত্যয়ান্ত এই শব্দকেইটাও মন কৰিবলগীয়া। দ্বিপদী, ত্ৰিপদী চতুষ্পদী, বহুপদী, শতপদী।

১০

৮৯ কৃৎ—প্ৰত্যয় ধাতুৰ পাছত প্ৰত্যয় লগ লাগোঁতে কোনো কোনো ঠাইত ধাতুত থকা স্বৰ-বৰ্ণৰ গুণ আৰু বৃদ্ধি ৰূপ হয়। কেতিয়াবা ধাতুৰ তিৰ্যক-ৰূপ দেখা দিয়ে আৰু সকলো ক্ষেত্ৰতে ধাতু আৰু প্ৰত্যয়ৰ মাজৰ বৰ্ণৰ সন্ধি হয়। তলত সচৰাচৰ ব্যৱহাৰ হোৱা কৃৎপ্ৰত্যয়যুক্ত শব্দ কিছুমানৰ আলোচনা দিয়া হ'ল।

—অ কুম্ভ—কৃ—অ=কুম্ভকাৰ।

শাস্ত্ৰ—কৃ—অ=শাস্ত্ৰকাৰ।

মালা—কৃ—অ=মালাকাৰ।

সূত্ৰ—ধৃ—অ=সূত্ৰধাৰ।

ভাষ্য-কৃ—অ=ভাষ্যকাৰ।

দিবা—কৃ—অ=দিবাকৰ।

নিশা—কৃ-অ=নিশাকৰ।

চিত্ৰ-কৃ-অ=চিত্ৰকৰ।

জল-চৰ-অ=জলচৰ।

স্থল-চৰ-অ=স্থলচৰ।

নিশা-চৰ-অ=নিশাচৰ।

খে-চৰ-অ=খেচৰ।

শত্ৰু-হন্-অ=শত্ৰুঘ্ন।

পাপ-হন-অ=পাপঘ্ন।

গো-হন্-অ=গোঘ্ন।

কৃত-হন্-অ=কৃতঘ্ন।

মিত্ৰ-হন্—অ=মিত্ৰঘ্ন।

পাদ-পা-অ=পাদপ।

ধন-দা-অ=ধনদ।

জল — দা — অ = জলদ ।

সৰ্ব — জ্ঞা — অ = সৰ্বজ্ঞ ।

সংস্কৃত — জ্ঞা — অ = সংস্কৃতজ্ঞ ।

পূজা — অৰ্হ — অ = পূজাৰ্হ

গৃহ — স্থা — অ = গৃহস্থ ।

মধ্য — স্থা — অ = মধ্যস্থ ।

সু — স্থা — অ = সুস্থ ।

নি — স্থা — অ = নিষ্ঠ ।

প্ৰকৃতি — স্থা — অ = প্ৰকৃতিস্থ ।

সৰ্ব — জন — অ = সাৰ্বজ ।

অপ — জন — অ = অজ ।

জল — জন — অ = জলজ ।

পঙ্ক — জন — অ = পঙ্কজ ।

সৰসি — জন — অ = সৰসিজ ।

মন — জন — অ = মনোজ ।

মনসি — জন — অ = মনসিজ ।

অণ্ড জন — অ = অণ্ডজ ।

সহ — জন অ = সহজ ।

অম্বু — জন — অ = অম্বুজ ।

অগ্ৰ — জন — অ = অগ্ৰজ ।

দ্বি — জন — অ = দ্বিজ ।

শোক — হৃ — অ = শোকহৰ ।

ৰোগ — হৃ — অ = ৰোগহৰ ।

নিন্দা — অৰ্হ — অ = নিন্দাৰ্হ ।

পৰম — তপ — অ = পৰন্তপ (শত্ৰুক জয় কৰোঁতা) ।

সু - গম - অ = সুগম।

সু - লভ - অ = সুলভ।

সু - কৃ - অ = সুকৰ।

দুঃ - গম - অ = দুৰ্গম।

দু - কৃ - অ = দুষ্কৰ।

দু - লভ - অ = দুৰ্লভ।

দু - বহ - অ = দুৰ্বহ।

চল্ - অ = চল ধৃ - অ = ধৰ ; হৃ - অ = হৰ।

পত (পক্ষ) - গম - অ = পতগ (পতঙ্গ পতঙ্গম)

ভুজ (বক্র) - গম - অ = ভুজগ (ভুজঙ্গ ভুজঙ্গম)।

তুৰ - গম - অ = তুৰগ (তুৰঙ্গ, তুৰঙ্গম)।

উৰ - গম - অ = উৰগ (উৰঙ্গ, উৰঙ্গম)।

বিহ (বিহায়স্) - গম্ - অ = বিহগ (বিহঙ্গ বিহঙ্গম)।

পচ - অ = পাক , ত্যজ - অ = ত্যাগ , নশ - অ = নাশ

তেনেকৈ, শুচ শোক, ভুজ - ভোগ, ৰুজ ৰোগ, বস্ বাস, বদ্ - বাদ, শপ - শাপ, তপ - তাপ, দহ - দাহ, ক্ৰু - ক্ৰায়, লভ - লাভ, পঠ - পাঠ, যুজ - যোগ, হ্ৰস্ - হ্ৰাস বহ্ - বাহ (তু বাহন), স্বদ - স্বাদ, মদ্ - মাদ (তু মাদক), লস - লাস, যজ্ - যাগ, ৰন্জ - ৰাগ, ভন্জ - ভঙ্গ, সন্জ - সঙ্গ, ক্ষি - ক্ষয়, জি - জয়, নী নয়, ৰু - ৰৱ, স্তু - স্তৱ, ভূ - ভৱ (জন্ম, মূল), ভী - ভয়, বৃষ্ বৰ্ষ, জপ্ - জপ, চি - চয় (সংগ্ৰহ), মদ - মদ, ৰুষ - ৰোষ, মুহ - মোহ, দ্ৰুহ - দ্ৰোহ, ক্ৰুধ্ - ক্ৰোধ, কুপ - কোপ, ক্ষুভ - ক্ষোভ, তুষ - তোষ, বুধ - বোধ, খিদ্ - খেদ, স্পৃশ - স্পৰ্শ, মৃশ - মৰ্শ (তু পৰামৰ্শ), ভ্ৰন্শ - ভ্ৰংশ (তু অপভ্ৰংশ), ভিদ - ভেদ, হৃষ - হৰ্ষ।

- অক নী > নৈ - অক = নায়ক , কৃ - অক = কাৰক , স্মৃ - অক = স্মাৰক। তেনেকৈ ভূ - ভাৱক, নশ - নাশক,

পঠ – পাঠক, বুধ – বোধক, শুষ – শোষক, দা – দায়ক গৈ – গায়ক, জনি – জনক, পালি – পালক, যোজি – যোজক, বিচ – বেচক, পচ – পাচক, গ্ৰহ – গ্ৰাহক হন ঘাতক বচ – বাচক, চালি – চালক, পুষ – পোষক। আ'কৌ খন – খনক, নৃত্ – নৰ্তক্ বনজ – বঞ্জক।

– অন গম অন = গমন ভুজ – অন = ভোজন শী > শে – অন = শয়ন আ – ৰুহ – অন = আৰোহণ। সেইদৰে চল্ – চলন, পত – পতন, স্খল্ – স্খলন, ৰক্ষ – ৰক্ষণ, ভক্ষ – ভক্ষণ, ক্ষৰ – ক্ষৰণ, গৰ্জ গৰ্জন, লঙ্ঘ – লঙ্ঘন স্পন্দ – স্পন্দন, তৃপ – তৰ্পন, মন – মনন, আধ – ই – অন = অধ্যয়ন, খণ্ড খণ্ডন দা = দান, গৈ – গান, ঘ্ৰা – ঘ্ৰাণ, জ্ঞা – জ্ঞান, বি – ধা – অন = বিধান, আ – দা অন = আদান, প্ৰ – দা - অন = প্ৰদান, মা – মান (জোখ), স্না – স্নান, চি – চয়ন, শ্ৰু – শ্ৰৱণ, কৃ – কৰণ, ভৃ – ভৰণ, মৃ – মৰণ বৃ – বৰণ, স্মৃ – স্মৰণ, হৃ – হৰণ, দৃশ্ – দৰ্শন, অঙ্ক – অঙ্কন, জ্বল – জ্বলন, তপ – তপন, সহ্ – সহন, দহ্ – দহন দম – দমন, নী > নে – অন, নয়ন, যা – যান।

– অনীয়। কৃ – অনীয় = কৰণীয়, স্মৃ – অনীয় = স্মৰণীয়, ৰম – অনীয় = ৰমণীয়, শুভ্ – অনীয় = শোভনীয়। শুচ্ – অনীয় = শোচনীয়, দৃশ্ – অনীয় = দৰ্শনীয়, ৰক্ষ্ – অনীয় = ৰক্ষনীয়, পূজি – অনীয় = পূজনীয়, অৰ্চি – অনীয় = অৰ্চনীয়, স্থাপি – অনীয় = স্থাপনীয়, পালি – অনীয় = পালনীয়।

- ইন (ঈ) : বদ্-ইন্ = বাদিন (বাদী) বস -ইন = বাসিন্ (বাসী, ৱাসী), প্ৰ বস -ইন্ = প্ৰবাসিন (প্ৰবাসী, প্ৰৱাসী), অধি-বস -ইন = অধিবাসিন (অধিবাসী, অধিৱাসী)। তেনেকৈ ভূ-ভাৱী, স্থা-স্থায়ী কথ -বোধী বি-কথ = বিবাধী দ্ৰুহ দ্ৰোহী বি-দ্ৰুহ = বিদ্ৰোহী অধি-কৃ = অধিকাৰী অপ-ৰাধ = অপৰাধী সম -সৃ = স সাৰী, সম -চৰ = সঞ্চাৰী, দ্বিষ-দ্বেষী, বি দ্বিষ = বিদ্বেষী অভি-লষ = অভিলাষী চিৰ-স্থা = চিৰস্থায়ী পিতৃ -হন = পিতৃঘাতী, আত্ম-হন = আত্মঘাতী সত্য বদ = সত্যৱাদী, শয্যা-শী = শয্যাশায়ী অনু-যা = অনুযায়ী মনস্-হৃ = মনোহাৰী হৃদয়-গ্ৰহ = হৃদয়গ্ৰাহী অনু-গম = অনুগামী সহ-গম = সহগামী মিথ্যা বদ = মিথ্যাৱাদী যুজ-যোগী, প্ৰতি-যুজ = প্ৰতিযোগী ত্যজ - ত্যাগী ৰনজ ৰাগী বি ৰনজ = বিৰাগী অনু-ৰনজ = অনুৰাগী, শ্ৰম - শ্ৰমী পৰি শ্ৰম = পৰিশ্ৰমী প্ৰ-সৃ = প্ৰসৰী।

- ইষ্ণু সহ -ইষ্ণু = সহিষ্ণু বৃধ -ইষ্ণু = বৰ্দ্ধিষ্ণু বৃত -ইষ্ণু = বৰ্তিষ্ণু (বৰ্দ্ধিশীল) চৰ্-ইষ্ণু - চৰিষ্ণু (অস্থায়ী)।

- উ ভিক্ষ-উ ভিক্ষু জিজ্ঞাস উ = জিজ্ঞাসু, ইষ উ = ইচ্ছু, পিপাস-উ = পিপাসু

- উক কম—উক = কামুক ভূ—উক = ভাৱুক, হন—উক = ঘাতুক।

- ঊক জাগৃ—ঊক = জাগৰূক (জাগি থকা জন)

- উৰ ভনজ - উৰ = ভঙ্গুৰ, ভাস - উৰ = ভাস্বৰ, বিদ - উৰ = বিদুৰ (বিজনে জানে)।

- ত , জ্ঞা—ত = জ্ঞাত, স্না - ত = স্নাত জি - ত = জিত ক্ৰী - ত = ক্ৰীত, নী - ত = নীত। তেনেকৈ, ভী—ভীত,

শ্রু—শ্রুত, কৃ—কৃত, ধৃ—ধৃত, মৃ—মৃত, স্তৃ—স্তৃত, হৃ—হৃত, শক্—শক্ত, মুচ—মুক্ত, ত্যজ—ত্যক্ত, ভজ—ভক্ত, ভুজ—ভুক্ত, যুজ—যুক্ত, সৃজ—সৃষ্ট, ক্রুধ—ক্রুদ্ধ, বুধ—বুদ্ধ, যুধ—যুদ্ধ, রুধ—রুদ্ধ, শুধ—শুদ্ধ, সিধ—সিদ্ধ, আপ—আপ্ত ক্ষিপ—ক্ষিপ্ত, তপ—তপ্ত, তৃপ—তৃপ্ত লিপ—লিপ্ত, লুপ—লুপ্ত, শপ—শপ্ত লভ—লব্ধ দিশ—দিষ্ট, দৃশ—দৃষ্ট, কৃষ—কৃষ্ট তুষ—তুষ্ট, দুষ—দুষ্ট, পুষ—পুষ্ট, শিষ শিষ্ট, শ্লিষ—শ্লিষ্ট দহ দগ্ধ দিহ—দিগ্ধ, লিখ লিখিত, বঞ্চ—বঞ্চিত, বাঞ্ছ—বাঞ্ছিত, বেষ্ট—বেষ্টিত পঠ্—পঠিত, লুণ্ঠ—লুণ্ঠিত পণ্ড—পণ্ডিত, ব্যথ—ব্যথিত, নিন্দ—নিন্দিত বিদ—বিদিত বাধ—ব্যাধিত কম্প্—কম্পিত, গল—গলিত, চল—চলিত, মিল—মিলিত, স্খল—স্খলিত, ত্বর—ত্বরিত ধাব ধাবিত, ঈক্ষ—ঈক্ষিত কাঙ্ক্ষ—কাঙ্ক্ষিত, ভূষ—ভূষিত, বক্ষ—বক্ষিত, শিক্ষ—শিক্ষিত, ঘট্—ঘটিত লস—লসিত, হস—হসিত, গর্হ গর্হিত বহ—বহিত, পালি—পালিত, স্থাপি—স্থাপিত, রোপি—রোপিত জনি জনিত, পূ—পূত, ভূ—ভূত শ্রি—শ্রিত, ইষ—ইষ্ট, গুপ—গুপ্ত, লুপ—লুপ্ত, অস—অস্ত গ্রস—গ্রস্ত, ঘৃষ—ঘৃষ্ট, গুহ—গুঢ (গূঢ) স্নিহ—স্নিগ্ধ, মুহ—মুগ্ধ, মূঢ (মূঢ) ক্লম—ক্লান্ত, ক্ষম—ক্ষান্ত, শম—শান্ত, শ্রম—শ্রান্ত, জন—জাত, নম্—নত যম—যত, মন্—মত হন—হত, রন্জ—রক্ত (বং দিয়া, বঙা), সন্জ—সক্ত (তু আসক্ত) বন্ধ—বদ্ধ, স্তন্ভ্—স্তব্ধ, ভ্রন্শ—ভ্রষ্ট, ধ্বন্স—ধ্বস্ত, মন্থ—মথিত,

ক্লিদ—ক্লিন্ন, ক্ষুদ্—ক্ষুণ্ণ, ছিদ—ছিন্ন, ভিদ—ভিন্ন, রুজ—রুগ্ন, বিজ—বিগ্ন, (তু উদ্বিগ্ন), ভন্জ্—ভগ্ন, মস্জ—মগ্ন, পূৰ্—পূৰ্ণ, চুৰ—চুৰ্ণ, কৃ—কীৰ্ণ, জৄ—জীৰ্ণ, তৄ—তীৰ্ণ (তু উত্তীৰ্ণ), শৄ—শীৰ্ণ, স্তৄ—স্তীৰ্ণ, ম্লা—ম্লান, ত্ৰৈ—ত্ৰাণ, ত্ৰাত, ক্লিশ্—ক্লিষ্ট, হৃষ—হৃষ্ট, বি-শ্বস = বিশ্বস্ত, ছাদি—ছন্ন, জপি—জপ্ত, স্ফায—স্ফীত, মা—মিত (জোখা), স্থা—স্থিত, দা—দত্ত, ধা—হিত, গ্ৰহ—গৃহীত, হ্বে—হূত, ক্ষুধ—ক্ষুধিত, বচ—উক্ত, স্বপ—সুপ্ত, গৈ—গীত, পচ—পক্ক, শুষ—শুষ্ক।

— তব্য দা-তব্য = দাতব্য মন তব্য = মন্তব্য, কৃ-তব্য = কৰ্তব্য, বচ-তব্য = বক্তব্য, গম-তব্য = গন্তব্য দৃশ-তব্য = দ্ৰষ্টব্য।

— তি খ্যা-তি = খ্যাতি গৈ-তি = গীতি মা-তি = মিতি (জোখ) স্থা-তি স্থিতি। তেনেকৈ নী—নীতি, প্ৰী—প্ৰীতি, ভী—ভীতি, চ্যু—চ্যুতি শ্ৰু—শ্ৰুতি স্তু—স্তুতি, কৃ—কৃতি, স্মৃ—স্মৃতি, শক—শক্তি, মুচ—মুক্তি, বচ—উক্তি, যুজ—যুক্তি, ভজ—ভক্তি, সৃজ—সৃষ্টি, বৃত—বৃত্তি, ঋধ—ঋদ্ধি, বৃধ—বৃদ্ধি বুধ—বুদ্ধি, শুধ—শুদ্ধি, সিধ—সিদ্ধি, ক্ষণ—ক্ষতি, মন—মতি, আপ—আপ্তি (তু প্ৰাপ্তি), তৃপ—তৃপ্তি, দীপ—দীপ্তি, স্বপ—সুপ্তি, লভ—লব্ধি, ক্ৰম—ক্ৰান্তি, ক্লম—ক্লান্তি ক্ষম—ক্ষান্তি গম—গতি নম—নতি, ভ্ৰম—ভ্ৰান্তি যম—যতি, শম—শান্তি, শ্ৰম্—শ্ৰান্তি, দৃশ—দৃষ্টি, তুষ—তুষ্টি পুষ—পুষ্টি, বৃষ—বৃষ্টি।

—তৃ (তা) দা-তৃ = দাতৃ (দাতা), পা-তৃ = পিতৃ (পিতা), মা-তৃ = মাতৃ (মাতা)। তেনেদৰে নী—নেতা, ধা—ধাতা, ত্ৰৈ—ত্ৰাতা, পা—পাতা, জি—জেতা, শ্ৰু—শ্ৰোতা ভৃ—ভৰ্তা, বিদ—বেত্তা, হন্—হন্তা, বচ—বক্তা, সৃজ—স্ৰষ্টা, যুধ্—যোদ্ধা।

—ত্ৰ, নী > নে-ত্ৰ-নেত্ৰ, শস্-ত্ৰ = শস্ত্ৰ।

—ন যত—ন=যত্ন, যজ-ন=যজ্ঞ, স্বপ্-ন=স্বপ্ন প্রচ্ছ-ন=প্রশ্ন, ৰত-ন=ৰত্ন।

—মান বিদ-মান=বিদ্যমান মৃ-মান=মৃয়মান, দৃশ-মান=দৃশ্যমান

—য (১) কৃ-য=কার্য, ধৃ-য=ধার্য, বচ-য=বাচ্য, বাক্য। তেনেদৰে হৃ—হৰ্য ত্যজ – ত্যাজ্য, ভজ—ভাজ্য, ভুজ – ভোজ্য, বুধ – বোধ্য, ছিদ—ছেদ্য, ভিদ – ভেদ্য, মন – মান্য, ভক্ষ – ভক্ষ্য, হস—হাস্য, বহ—বাহ্য। আৰু জি – জেয় নী – নেয় শ্ৰ—শ্ৰব্য, ভূ – ভব্য, দা—দেয়, ধা—ধেয়, পা—পেয়, গা—গেয়, শক – শক্য, সহ — সহ্য, লভ—লভ্য, গম—গম্য, ৰম—ৰম্য গদ গদ্য মদ—মদ্য, চৰ—চৰ্য, বি-চৰ=বিচাৰ্য ভৃ – ভৃত্য, শাস—শিষ্য পণ্ডিত—মন= পণ্ডিতমন্য (যিজনে নিজক পণ্ডিত বুলি ভাবে)।

—ৰ নম-ৰ=নম্ৰ, হিন স-ৰ=হিংস্ৰ অজস-ৰ=অজস্ৰ।

—ৱৰ স্থা ৱৰ=স্থাৱৰ, নশ-ৱৰ=নশ্বৰ ঈশ-ৱৰ=ঈশ্বৰ, ভাস-ৱৰ= ভাস্বৰ (উজ্জ্বল)।

—স্নু স্থা-স্নু=স্থাস্নু (স্থাৱৰ)।

৯০ **তদ্ধিত-প্ৰত্যয়ঃ** তদ্ধিত-প্ৰত্যয়বোৰ যোগ হ'লেও কৃৎ-প্ৰত্যয়ৰ নিচিনা মূল শব্দৰ শেষৰ স্বৰ-বৰ্ণৰ গুণ-বৃদ্ধি ৰূপ হয় আৰু কোনো কোনো ক্ষেত্ৰত মূল শব্দৰ দ্বিৰ্যক-ৰূপো হয়।

—অ ঃ মনু-অ=মানৱ পাণ্ডু-অ=পাণ্ডৱ, যদু-অ=যাদৱ, কুৰু-অ=কৌৰৱ, দনু-অ=দানৱ, কুশিক-অ=কৌশিক, পৃথু-অ=পাৰ্থ কশ্যপ অ=কাশ্যপ পুত্ৰ-অ=পৌত্ৰ দুহিতৃ-অ=দৌহিত্ৰ। আৰু বন্ধু-অ=বান্ধৱ, গুৰু-অ=গৌৰৱ, লঘু-অ=লাঘৱ, শিশু-অ শৈশৱ। তেনেকৈ. বিষ্ণু—বৈষ্ণৱ, শিৱ—শৈৱ, শক্তি—শাক্ত, বিধি—বৈধ, অবিধি—অবৈধ, ব্যাকৰণ—বৈয়াকৰণ, শৰৎ—শাৰদ, ভূমি—ভৌম, পৃথিৱী—

পাৰ্থিৱ, পয়স—পায়স, তিল—তৈল, কুতূহল—কৌতূহল, মুনি—মৌন, পুৰুষ—পৌৰুষ, কুশল—কৌশল।

—আকিন (আকী) এক-আকিন = একাকিন্ (একাকী)।

—আয়ন নৰ অায়ন = নাৰায়ণ, কত্য-আয়ন = কাত্যায়ন (স্ত্রী) কাত্যায়নী।

—আলু দয়া-আলু = দয়ালু, নিদ্রা-আলু = নিদ্রালু কৃপা-আলু = কৃপালু শ্রদ্ধা-আলু = শ্রদ্ধালু, তন্দ্রা-আলু = তন্দ্রালু।

—ই দশৰথ-ই = দাশৰথি বল্মীক-ই = বাল্মীকি।

—ইক দেহ-ইক = দৈহিক, শৰীৰ-ইক = শাৰীৰিক, মনস-ইক = মানসিক। তেনেদৰে বৰ্ষ—বাৰ্ষিক, দিন—দৈনিক, মাস—মাসিক, প্ৰথম—প্ৰাথমিক, সমাজ—সামাজিক, অনুমান—আনুমানিক, লোক—লৌকিক, মুখ-মৌখিক, মূল—মৌলিক, যোগ—যৌগিক, ন্যায়-নৈয়ায়িক, অস্তি—আস্তিক, নাস্তি—নাস্তিক, অহ্ন—আহ্নিক, বেদান্ত—বৈদান্তিক, পুৰাণ—পৌৰাণিক, বেদ—বৈদিক, অলঙ্কাৰ-আলঙ্কাৰিক, সমুদ্ৰ-সামুদ্রিক, সৰ্বকাল—সাৰ্বকালিক, সম্প্ৰতি—সাম্প্ৰতিক, অধ্যাত্ম-আধ্যাত্মিক, অধিভূত—আধিভৌতিক, অধিদৈৱ—আধিদৈৱিক, নগৰ—নাগৰিক, পুনঃপুনঃ—পৌনঃপুনিক।

—ইন (স্ত্ৰী) ধন-ইন = ধনিন (ধনী), গুণ-ইন্ = গুণিন (গুণী), সেইদৰে, মান—মানী, জ্ঞান—জ্ঞানী, সুখ—সুখী, দুখ—দুঃখী (দুখী), হস্ত—হস্তী সাহস—সাহসী, উৎসাহ—উৎসাহী।

—ঈন বিশ্বজন-ঈন্ = বিশ্বজনীন, সৰ্বজন-ঈন = সৰ্বজনীন, সাৰ্বজনীন।

—ইত পুষ্প-ইত = পুষ্পিত দুখ-ইত = দুঃখিত (দুখিত) কলঙ্ক-ইত = কলঙ্কিত। তেনেকৈ অঙ্কুৰ—অঙ্কুৰিত, মঞ্জৰী—মঞ্জৰিত, পুলক-পুলকিত, আনন্দ-আনন্দিত, পণ্ডা—পণ্ডিত, বুভুক্ষা—বুভুক্ষিত, ৰোমাঞ্চ—ৰোমাঞ্চিত, তৃষ্ণা—তৃষিত, হৰ্ষ—হৰ্ষিত, প্ৰতিবিম্ব—প্ৰতিবিম্বিত, মূৰ্ছা—মূৰ্ছিত, দীক্ষা দীক্ষিত।

—ইমন্ (ইমা) লঘু-ইমন = লঘিমন (লঘিমা), মহৎ-ইমন্ = মহিমন্ (মহিমা)। সেইৰূপে নীল – নীলিমা, বক্র – বক্রিমা, দীর্ঘ – দ্ৰাঘিমা, গুৰু – গৰিমা, মধুৰ—মধুৰিমা, অণু—অণিমা, বহু—ভূমা।

– ইম. অগ্ৰ-ইম = অগ্ৰিম, অন্ত-ইম = অন্তিম।

– ইল ফেন-ইল = ফেনিল, পঙ্ক-ইল = পঙ্কিল, জটা-ইল = জটিল কুট-ইল = কুটিল

– এয় অগ্নি-এয় = আগ্নেয়।

—ঠ কর্ম-ঠ = কর্মঠ।

—তন ঊর্ধ্ব-তন = ঊর্ধ্বতন, প্ৰাক্-তন = প্ৰাক্তন।

– তস (ত) সাধাৰণ-ত = সাধাৰণত, দুৰ্ভাগ্যবশ ত = দুৰ্ভাগ্য-বশত, স্বভাৱ-ত = স্বভাৱত, অন্ত-ত = অন্তত, প্ৰসঙ্গ-ত = প্ৰসঙ্গত, মুখ্য-ত = মুখ্যত, মূল-ত = মূলত।

—ত্ব দেৱ-ত্ব = দেৱত্ব, অমৰ-ত্ব = অমৰত্ব, প্ৰভু-ত্ব = প্ৰভুত্ব, গুৰু-ত্ব = গুৰুত্ব। তেনেদৰে মনুষ্য—মনুষ্যত্ব, পশু—পশুত্ব, লঘু—লঘুত্ব দূৰ—দূৰত্ব, মহৎ—মহত্ত্ব, হ্ৰস্ব—হ্ৰস্বত্ব, দীর্ঘ—দীর্ঘত্ব।

– ত্য. দক্ষিণা-ত্য = দাক্ষিণাত্য; পশ্চাৎ-ত্য = পাশ্চাত্য।

– তা উচ্চ-তা = উচ্চতা ভদ্ৰ-তা = ভদ্ৰতা। তেনেদৰে নম্ৰ—নম্ৰতা, শিষ্ট—শিষ্টতা, সবল—সবলতা, দুৰ্বল—দুৰ্বলতা, কৃশ—কৃশতা, জন—জনতা, দেৱ—দেৱতা, চপল—চপলতা, অলস—অলসতা, অন্ধ—অন্ধতা, মূৰ্খ—মূৰ্খতা, মূক-মূকতা, ন্যূন—ন্যূনতা, ভীৰু—ভীৰুতা, উষ্ণ—উষ্ণতা, জড় (জড)—জড়তা (জডতা), শীত—শীততা পটু—পটুতা, মৃদু—মৃদুতা, দৃঢ় (দৃঢ)—দৃঢ়তা (দৃঢতা), হ্ৰস্ব—হ্ৰস্বতা, দীর্ঘ—দীর্ঘতা।

—থা সর্ব-থা = সৰ্বথা, অন্য-থা = অন্যথা।

—দা. সর্ব-দা = সৰ্বদা, সদা।

- ধা শত-ধা = শতধা , দ্বি-ধা = দ্বিধা ।

—বৎ (বান) ধন-বৎ = ধনবৎ (ধনবান) গুণ-বৎ—গুণবৎ (গুণবান)। তেনেকৈ বিদ্যা—বিদ্যাবান, ৰূপ—ৰূপবান, বল - বলবান, ক্ষমতা - ক্ষমতাবান, লাভ—লাভবান ।

- বিন (বী) মেধা-বিন = মেধাবিন (মেধাবী) , মায়া-বিন = মায়াবিন (মায়াবী) । তেনেকৈ তেজস - তেজস্বী, তপস্ - তপস্বী, যশস - যশস্বী ।

— ম আদি-ম = আদিম মধ্য-ম = মধ্যম ।

— মৎ (মান) । বুদ্ধি-মৎ = বুদ্ধিমৎ (বুদ্ধিমান) , শক্তি-মৎ = শক্তিমৎ (শক্তিমান) । সেইৰূপে শ্ৰী—শ্ৰীমান, মূৰ্তি - মূৰ্তিমান, ভক্তি - ভক্তিমান খ্যাতি - খ্যাতিমান ।

— ময় স্বৰ্ণ ময় = স্বৰ্ণ ময় বস্তু-ময় = বস্তুময় জল-ময় = জলময় । সেইদৰে কৃপা - কৃপাময়, দয়া - দয়াময় মৃৎ - মৃণ্ময় (মাটিৰ সজা), পাপ - পাপময় ভোগ - ভোগময় অমৃত - অমৃতময় , গৌৰব - গৌৰবময় ।

—মাত্ৰ অণু-মাত্ৰ = অণুমাত্ৰ নাম - মাত্ৰ = নামমাত্ৰ ।

--য (১) অদিতি-য = আদিত্য , ধীৰ-য = ধৈৰ্য । তেনেকৈ গম্ভীৰ—গাম্ভীৰ্য, দীৰ্ঘ—দৈৰ্ঘ্য, চঞ্চল—চাঞ্চল্য, করুণা—কারুণ্য, সমীপ—সামীপ্য ভৰতম—ভাৰতম্য । আৰু গ্ৰাম—গ্ৰাম্য, বন—বন্য, বৰ্গ—বৰ্গ্য, কণ্ঠ—কণ্ঠ্য, দন্ত—দন্ত্য, তালু—তালব্য, ওষ্ঠ—ওষ্ঠ্য, অন্ত—অন্ত্য, আদি--আদ্য, পদ—পাদ্য, অৰ্ঘ—অৰ্ঘ্য, নৱ—নব্য, সন্নিধি—সান্নিধ্য মৰ্ত—মৰ্ত্য, সভা—সভ্য, অতিথি-আতিথ্য, ন্যায়—ন্যায্য পথ—পথ্য, বিষম—বৈষম্য, উদাসীন—ঔদাসীন্য, কৃপণ—কাৰ্পণ্য, উদাৰ—ঔদাৰ্য, সুজন—সৌজন্য, অধিক—আধিক্য, চোৰ—চৌৰ্য, শূৰ—শৌৰ্য, বীৰ—বীৰ্য, দূত—দৌত্য, জড (জড়)—জাড্য (জাড্য), মন্দ—মান্দ্য,

সুভগ—সৌভাগ্য, মধুৰ—মাধুৰ্য, পুৰোহিত—পৌৰোহিত্য, পণ্ডিত—পাণ্ডিত্য, অনুকূল—আনুকূল্য, সুহৃদ—সৌহার্দ্য নিপুণ—নৈপুণ্য।

—ৰ. পাণ্ডু-ৰ পাণ্ডুৰ, মুখ—মুখৰ (স্ত্রী মুখৰী)। তেনেকৈ উষ—উষৰ, মধু—মধুৰ, নগ—নগৰ।

—ল : শীত-ল = শীতল শ্রী-ল = শ্রীল, বৎস-ল = বৎসল তেনেকৈ শ্যাম—শ্যামল মাংস—মাংসল, কুশ—কুশল মৃদু—মৃদুল।

—শ কর্ক-শ = কর্কশ।

—সাৎ ভস্ম সাৎ = ভস্মসাৎ আত্মন সাৎ = আত্মসাৎ অগ্নি সাৎ = অগ্নিসাৎ, ভূমি-সাৎ = ভূমিসাৎ।

৯০। আগেয় নাছিল, এতিয়া হ'ল এই অর্থত কিছুমান ৰূপৰ পিছত কৃ ধাতুৰ পৰা উৎপন্ন ৰূপ আৰু ভূ ধাতুৰ কৃদন্ত ৰূপ থাকিলে আগৰ ৰূপটোৰ অন্ত্য অৰ ঠাইত ঈ' হয় আৰু আন অন্ত্য হ্রস্ব স্বৰ দীর্ঘ হয় যেনে দূৰ-ভূত = দূৰীভূত দূৰ-কৰণ = দূৰীকৰণ বশ-ভূত = বশীভূত লঘু-কৰণ = লঘূকৰণ আর্য—কৰণ = আর্যীকৰণ।

৯১ **উপসর্গ :** কিছুমান ধ্বনি বা ধ্বনি-সংযোগ ধাতুৰ আগত লগ লাগে। সেইবোৰ সৰ নিজৰ অর্থ নাই। কিন্তু সেইবোৰ লগ লাগিলে লগ হোৱা ধাতুবোৰৰ মূল-অর্থৰ সলনি ঘটে।* উদাহৰণস্বৰূপ 'হৃ' ধাতুৰ অর্থ হৰণ কৰা। কিন্তু আহাৰ, বিহাৰ, প্রহাৰ, পৰিহাৰ আদি শব্দত ধাতুৰ অর্থটো সলনি হৈ শব্দবোৰৰ আন অর্থহে প্রকাশ কৰিছে। ধাতুৰ আগত বহি ধাতুৰ অর্থ সলনি কৰা ধ্বনি বা ধ্বনি-সংযোগ উপসর্গ। সংস্কৃতত বিশটা উপসর্গ আছে। সেইবোৰৰ উদাহৰণ তলত দিয়া হ'ল

প্র— প্রক্রিয়া, প্রকৃতি প্রচ্ছন্ন, প্রণাম, প্রদান, প্রবন্ধ, প্রভাত, প্রমাণ, প্রয়াণ, প্রলাপ, প্রবাহ প্রস্থান, প্রহাৰ, প্রসাদ, প্রমাদ।

---

* উপসর্গেণ ধাত্বর্থো বলাদন্যত্র নীয়তে
প্রহাৰাহাৰ সংহাৰ বিহাৰ পৰিহাৰবত্।

পৰা—ঃ পৰাক্ৰম, পৰাজয়, পৰাভৱ, পৰায়ণ, পৰামৰ্শ।

অপ—ঃ অপমান, অপকাৰ, অপঘাত, অপচয়, অপমৃত্যু, অপযশ, অপবাদ, অপব্যয়, অপহৰণ।

সম্—ঃ সংযোগ, সংযম, সংসৰ্গ সংস্কাৰ, সংহাৰ, সঙ্কল্প, সম্পৰ্ক, সম্ভৱ, সম্মোহ।

নি—ঃ নিয়ম, নিষেধ, নিমন্ত্ৰণ নিগ্ৰহ, নিগম, নিপাত, নিক্ষেপ, নিশ্বাস।

অৱ—ঃ অৱকাশ, অৱতাৰ, অৱসৰ, অৱতৰণ।

অনু— অনুকৰণ, অনুগ্ৰহ, অনুতাপ, অনুধাৱন, অনুপান, অনুমান, অনুৰাগ অনুৰোধ অনুবাদ, অনুষ্ঠান, অনুসন্ধান, অনুসৰণ, অনুচৰ।

নিৰ—ঃ নিৰ্দ্দেশ, নিৰ্ণয়, নিৰ্যাস, নিৰ্দোষ, নিৰ্গম, নিৰ্ম্মাণ।

দুস—(দুৰ) দুঃসহ, দুৰাচাৰ, দুষ্কৰ দুষ্কৃতি, দুৰ্মতি দুৰ্গতি।

বি— বিকাৰ, বিকৃতি বিক্ৰম, বিকৰ্ষণ, বিজয়, বিজ্ঞান, বিবেক, বিয়োগ, বিপত্তি, বিশ্ৰাম, বিস্তাৰ, বিস্ময়।

অধি—ঃ অধিকাৰ, অধিবাস।

সু—ঃ সুকৃতি, সুকৰ, সুগম সুলভ, সুযোগ।

উৎ—ঃ উচ্ছ্বাস উচ্ছেদ, উৎকৰ্ষ, উত্তাপ, উত্থান, উৎপত্তি, উদ্গম, উৎসৰ্গ, উৎসাহ, উন্নতি, উৎকৃষ্ট, উদ্ধত, উৎপাত।

পৰি— পৰিচয়, পৰিণতি, পৰিণয়, পৰিণাম, পৰিত্ৰাণ, পৰিতাপ, পৰিবৰ্জন, পৰিশিষ্ট, পৰীক্ষা।

প্ৰতি—ঃ প্ৰতিকাৰ, প্ৰতিকৃতি, প্ৰতিক্ৰিয়া, প্ৰতিজ্ঞা, প্ৰতিপত্তি, প্ৰতিবাদ, প্ৰতিষ্ঠা প্ৰতিবোধ, প্ৰতিপন্ন, প্ৰত্যয়।

অভি—ঃ অভিবাদন অভিমান, অভিনয়, অভিজ্ঞান (চিহ্ন), অভিশাপ, অভিলাষ, অভিৰুচি।

অতি—ঃ অতিক্ৰম, অতিপাত, অতীত, অতিৰিক্ত।

অপি—ঃ অপিধান (আৱৰণ)।

উপ— উপকাৰ, উপকৰণ, উপচাৰ, উপদেশ, উপভোগ, উপশম, উপবাস উপহাৰ, উপসৰ্গ, উপযুক্ত ।

আ— আকাৰ, আক্ষেপ, আগম, আগমন, আঘাত, আচাৰ, আজ্ঞা, আদান, আধাৰ ।

৯২ তদ্ধিত-প্ৰত্যয়ৰ নিচিনা প্ৰায়ে ব্যৱহাৰ হোৱা তলত দিয়া সংস্কৃতীয়া ৰূপবোৰো মন কৰিবলগীয়া

(১)—গ্ৰস্ত অভাৱগ্ৰস্ত, ৰোগগ্ৰস্ত, বিপদগ্ৰস্ত, ভাষাতঙ্কৰোগগ্ৰস্ত ।

(২)—জনক মঙ্গলজনক, আতঙ্কজনক ।

(৩)—জ্ঞাপক আত্মপৰিচয়জ্ঞাপক ।

(৪)—তুল্য পিতৃতুল্য, দেৱতুল্য, ঋষিতুল্য ।

(৫)—দায়ক কুশলদায়ক ।

(৬)—পূৰ্ণ অনাস্থাপূৰ্ণ, ভক্তিপূৰ্ণ, শান্তিপূৰ্ণ, সংঘাতপূৰ্ণ ।

(৭)—বদ্ধ প্ৰতিজ্ঞাবদ্ধ, সঙ্ঘবদ্ধ ।

(৮)—বিষয়ক ৰাজনীতিবিষয়ক ।

(৯)—বিহীন সংজ্ঞাবিহীন, নৈতিকতাবিহীন, মেৰুদণ্ডবিহীন ।

(১০)—বোধক সম্বোধনবোধক, সন্নিধানবাধক ।

(১১)—মূলক আকৃতিমূলক, ধ্বনিমূলক ভক্তিমূলক, দেশপ্ৰেমমূলক, গঠনমূলক, বুৰঞ্জীমূলক ।

(১২)—যুক্ত সন্দেহযুক্ত ।

(১৩)—যোগ্য গ্ৰহণযোগ্য, প্ৰণিধানযোগ্য, উল্লেখযোগ্য ।

(১৪)—ৰূপী বাইজৰূপী (নাৰায়ণ) ।

(১৫)—ৱৰ্ধক শোভাৱৰ্ধক ।

(১৬)—ৱাচক সংখ্যাৱাচক, বিশেষ্যৱাচক, ক্ৰিয়াৱাচক ।

(১৭)—শালী ক্ষমতাশালী, প্ৰভাৱশালী, প্ৰতাপশালী ।

(১৮)—শীল মৰণশীল, দয়াশীল, হৃদয়শীল, মননশীল, পৰিৱৰ্তনশীল, যত্নশীল ।

(১৯)—শূন্য . কাণ্ডজ্ঞানশূন্য, বিবেকশূন্য, বিবেচনাশূন্য, জনশূন্য।

(২০)—সম্পন্ন : প্রতিভাসম্পন্ন, ক্ষমতাসম্পন্ন, দায়িত্বসম্পন্ন, ৰুচিসম্পন্ন।

(২১)—সম্বন্ধীয় ধৰ্মসম্বন্ধীয়, ৰাজনীতিসম্বন্ধীয়।

(২২)—সম্পৰ্কীয় চাকৰিসম্পৰ্কীয়।

(২৩)—সংক্ৰান্ত চাকৰিসংক্ৰান্ত।

(২৪)—সংখ্যক : বৃজনসংখ্যক, অধিকসংখ্যক, বেছিসংখ্যক, কম-সংখ্যক।

(২৫)—সাধ্য সহজসাধ্য।

(২৬)—সুলভ বালকসুলভ।

(২৭)—সূচক সম্বন্ধসূচক।

(২৮)—স্থানীয় পিতৃস্থানীয়, ছাত্ৰস্থানীয় গুৰুস্থানীয়, নেতৃস্থানীয়।

—০—

পৰিশিষ্ট

যতি-চিন

১ কোনো এষাৰ কথা কওঁতে আমি কথাষাৰত ব্যৱহাৰ হোৱা আটাইবোৰ শব্দক একেলেথাৰিয়ে ক'তো নোবোৱাকৈ নকওঁ। কবৰাত অলপ সময় আৰু কবৰাত অলপ বেছি সময় ৰওঁ। কবৰাত ৰোৱা বা বিৰামেই যতি। তাৰ দ্বাৰা কথাষাৰৰ অৰ্থখিনি বেছি স্পষ্ট হৈ উঠে। কথা কওঁতে আমি বিৰাম বুজাবলৈ কোনো চিন ব্যৱহাৰ কৰিব নোৱাৰোঁ। লেখোঁতে হ'লে পাৰোঁ। কথা এষাৰ লেখোঁতে বা বাক্য-ৰচনা কৰোঁতে বাক্যত ব্যৱহাৰ হোৱা শব্দবোৰৰ সম্পৰ্ক বুজাবলৈ আৰু অৰ্থ বেছি স্পষ্ট কৰিবলৈ কিছুমান চিন ব্যৱহাৰ কৰা হয়। সেইবোৰকে যতি-চিন বোলে। যতি-চিন প্ৰধানকৈ এইকেইটা. লঘু যতি বা কমা (,), গুৰু-যতি বা ছেমিকোলন (;), দাৰি (।), ভাববোধক যতি (!), প্ৰশ্নবোধক যতি (?), কোলন বা কোলন-ডেছ (: ,:—), ডেছ (—), যোগ-ৰেখা বা হাইফেন (-), উদ্ধৃতি-চিহ্ন (" ", ' '), বন্ধনী ( ), বৰ্জন চিহ্ন ( ), আৰু তাৰকা-চিহ্ন (*)।

২ লঘু-যতি বা কমা (,) একে ধৰণৰ তিনিটা বা তাতকৈ অধিক শব্দ একেলগে ব্যৱহাৰ কৰিলে, আৰু শেষৰ দুটা সংযোজক অব্যয়েৰে সংযুক্ত হ'লে লঘু-যতি ব্যৱহাৰ কৰা হয়, যেনে, সি, তুমি, আৰু মই যাম। শেষৰ শব্দ দুটা অব্যয়ৰ দ্বাৰা সংযুক্ত নহলেও লঘু-যতিৰ ব্যৱহাৰ হ'ব, যেনে, মই আজি ঘৰলৈ বুলি আপেল, আনাৰস, আম, লেচু আদি আনিছোঁ। কাৰবাক সম্বোধন কৰিলেও লঘু-যতি ব্যৱহাৰ কৰা হয়, যেনে, দেউতা, আজি মোক দুটকা দিব লাগিব। দুৰ্ভসাপেক্ষতা বুজোৱা বাক্য বা উপ-বাক্যৰ পাছতো লঘু-

যতিৰ ব্যৱহাৰ আছে, যেনে, তুমি অহা হ'লেহেঁতেন, মই গলোঁহেঁতেন। তুমি যে তেতিয়া তাত আছিলা, মই জনা নাছিলোঁ।

৩ গুৰু-যতি বা ছেমিকোলন (;) লঘু-যতিতকৈ বেছি বিৰামৰ আৱশ্যকতা অনুভৱ হ'লে গুৰু-যতি ব্যৱহাৰ কৰা হয়। বাক্যত ব্যৱহাৰ হোৱা যিটো অংশৰ লগত যিটো অংশৰ বেছি সম্বন্ধ তাক বুজাবলৈ, নাইবা দুটা বাক্যৰ মাজৰ সম্পৰ্ক সূচাবলৈ এই চিন ব্যৱহাৰ কৰা হয়। উদাহৰণ তোমাৰ জীৱন সোনকালে নষ্ট হ'ব; সেই কাৰণে তাক ভাল কামত লগা। মানুহে তেওঁক দেশ-দ্ৰোহী বুলি ভাবিছিল; কিন্তু আচলতে তেওঁৰ অন্তৰ দেশৰ কাৰণে কান্দিছিল।

৪ দাৰি (।) বাক্যৰ অৰ্থৰ পূৰ্ণতা বুজাবলৈ এই চিনৰ ব্যৱহাৰ হয় যেনে, মানুহ মৰণশীল। দেশতকৈ মাতৃ ডাঙৰ নহয়।

৫ ভাববোধক যতি (!) মনৰ তীব্ৰ অনুভূতি বা আবেগ প্ৰকাশ কৰা কথাৰ শেষত এই চিনৰ ব্যৱহাৰ হয় যেনে, উঃ কি ভয়ঙ্কৰ দৃশ্য!

৬ প্ৰশ্নবোধক যতি (?) প্ৰশ্নবোধক বাক্যৰ পাছত এই চিনৰ ব্যৱহাৰ হয় যেনে, তেওঁ ঘৰত আছে নে?

৭ কোলন বা কোলন ডেচ্ (:—) লেখকৰ ইচ্ছা অনুযায়ী কোলন-চিন বা তাৰ লগত ডেচৰ সৈতে কোলন-চিনৰ ব্যৱহাৰ হয়। সাধাৰণতে কোনো এষাৰ কথাক প্ৰথমে উল্লেখ কৰি লগতে তাৰ বিৱৰণ বা ব্যাখ্যা দিয়া হয়, তেতিয়াহ'লে এই চিন ব্যৱহাৰ কৰা হয় যেনে লেখক : শ্ৰীজগদীশ চন্দ্ৰ অধিকাৰী। মূল্য : চাৰি টকা মাথোন।

৮ ডেচ্ (—): বাক্যত প্ৰকাশ কৰা মনোভাৱৰ হঠাৎ ব্যাঘাত হোৱা বুজাবলৈ, নাইবা ভাব এটাই বিশেষ গতি লোৱাৰ ভাব বুজাবলৈ এই চিনৰ ব্যৱহাৰ হয়। উদাহৰণ: তুমি ভালদৰে পঢ়া-শুনা কৰা, ভাল মানুহ হোৱা—এয়ে মনৰ কামনা।

৯ যোগ-ৰেখা বা হাইফেন (-) সংযুক্ত-শব্দ বুজাবলৈ যোগ-ৰেখা বা হাইফেনৰ চিন ব্যৱহৃত হয় যেনে, বৰ্ত্তমান সময়ত ভাত-কাপোৰৰ সমস্যাই আটাইতকৈ ডাঙৰ সমস্যা হৈ উঠিছে।

১০ উদ্ধৃতি চিহ্ন (" ", ' ') নিজে লেখা কথাৰ ভিতৰত আনৰ কোৱা কথা হুবহু সুমুৱালে, নাইবা কোনোবাই কোৱা কথাক হুবহু প্ৰকাশ কৰিব বিচাৰিলে উদ্ধৃতি চিহ্নৰ প্ৰথম যোৰা ব্যৱহাৰ কৰা হয়। কাৰবাৰ কথাৰ এটা বাক্য বা তাৰ ক্ষুদ্ৰ অংশ এটা হুবহু তুলি দিলে নাইবা কোনো এখন পুথিৰ নাম বা কোনো এটা শব্দক বিশেষকৈ বুজাব খুজিলে উদ্ধৃতি-চিহ্নৰ দ্বিতীয় যোৰা ব্যৱহাৰ কৰা হয়। উদাহৰণ জ্ঞানীসকলে কৈছে "ভুল কৰা মানুহৰ আৰু ক্ষমা কৰা ঈশ্বৰৰ গুণ'। তেওঁ ক'লে, "মই এনে সময়ত এৰি কৰিব নোৱাৰো। আমি অসমীয়া নহও দুখীয়া' বুলি বেজবৰুৱাই কৈ গৈছে। ঋ, ৰ, ষৰ পাছত থকা ন মূৰ্দ্ধন্য 'ণ' হয়।

১১ বন্ধনী-চিন ( ) এটা প্ৰধান বাক্যৰ মাজত কোনো শব্দৰ অৰ্থ বা বিশেষ অৰ্থ সূচনা কৰিবলৈ, নতুবা বাক্যত প্ৰকাশ কৰা কোনো কথাৰ কোনো প্ৰাসঙ্গিক কথাৰ সূচনা কৰিবলৈ এই চিন ব্যৱহাৰ কৰা হয়, যেনে, পণ্ডিতম্মন্য (যি নিজকে পণ্ডিত বুলি ভাবে)।

১২ বৰ্জ্জন-চিন (   ) উদ্ধৃত কথাৰ কোনো অংশ বাদ দিলে এই চিন ব্যৱহাৰ কৰা হয়।

১৩ তাৰকা চিন (*) কোনো শব্দ বা কোনো কথাৰ কাৰণ যদি কিবা সবিশেষ বিৱৰণ, নাইবা কোনো গ্ৰন্থ আৰু গ্ৰন্থকাৰৰ উল্লেখ লগে লগে নকৰি পাদটীকাস্বৰূপে উল্লেখ কৰা হয়, তেতিয়া এই চিন ব্যৱহৃত হয়।

১৪ যতি-চিনৰ প্ৰকৃত ব্যৱহাৰ বুজিবলৈ কেইগৰাকীমান প্ৰসিদ্ধ লেখকৰ ৰচনাৰ চানেকি তলত দিয়া হ'ল।

(ক) আমাৰ যাই অভিপ্ৰায়, শঙ্কৰদেৱৰ জীৱনৰ কিছুমান কথা

আলচ কৰি মুকলি কৰিবৰ চেষ্টা কৰা, আৰু তেওঁৰ অমূল্য গ্রন্থ বোৰত থকা ৰচনাৰ সৌন্দর্য্য, ওখ জ্ঞানোপদেশ আৰু শিক্ষা আদিলৈ আঙুলিয়াই দি, পাৰিলে সেইবোৰলৈ লোকৰ মনোযোগ আকর্ষণ কৰা।—(বেজবৰুৱা)।

(খ) শঙ্কৰৰ জন্মৰ তিনি দিনৰ ভিতৰতে মাক সত্যসন্ধাৰ মৃত্যু হয় সেই দেখি বুঢ়ীমাক (কুসুম্বৰৰ মাক) খেৰশুতীয়া শঙ্কৰক ডাঙৰ দীঘল কৰে।—(বেজবৰুৱা)।

(গ) মূৰতে শঙ্কৰদেৱৰ কল্পিণীহৰণ অসমীয়া মতা মানুহৰ কাণৰ লং-কেক, হাতৰ গাম-খাৰু, আঙুলিৰ বাখৰ-পতোৱা আঙঠি আৰু তিকতা মানুহৰ ডিঙিৰ কোট-মণি, গল-পতা আৰু সাতশৰী হাৰ। (বেজবৰুৱা)।

(ঘ) এই কথা শুনি বামণৰূপী বিষ্ণুৱে ক'লে—"কি কৰিবাৰ আউৰ তোক ইন্দ্র পদ পাই॥ কৈত শুনি আছ ভকতৰ ভয় আছে। কৰে গদা ধৰি ৰাখি ফুৰোঁ পাছে পাছে॥" (বেজবৰুৱা)।

(ঙ) কামাখ্যা মন্দিৰ নৰনাৰায়ণ বজাই আকৌ সজাই দি কামাখ্যাৰ প্রতিষ্ঠা কৰোঁতে ১৪০ টা মানুহ বলি দিয়া হৈছিল।*
(বেজবৰুৱা)

(চ) এই বুৰঞ্জীৰ পৰা খৃষ্টীয় অষ্টাদশ শতিকাৰ অসমৰ ৰজাঘৰৰ নানান ৰীতি-নীতি, সমাজৰ আচাৰ-ব্যৱহাৰ, আহোমসকলৰ মৰম লগা মাত, আৰু অসমীয়া গাৱঁলীয়া ৰাইজৰ ভিতৰুৱা অৱস্থা আৰু হেঁপাহ-অভিলাষৰ এটি নিখুঁত ছবি পোৱা যায়। তাত গোচৰীয়া পদকীয়াৰ জবানবন্দী, ডাঙৰীয়া, ৰৰবৰুৱা আৰু ফুকন আদি বিষয়া-সকলৰ মন্তব্য, আৰু অৱশেষত স্বর্গদেৱৰ চূড়ান্ত আজ্ঞা এই সকলো লিপিবদ্ধ আছে। (সূর্য্যকুমাৰ ভূঞা)।

(ছ) ক্রম অনুসাৰে গ্রীষ্ম ঋতু সকলোৰে প্রথম, তাৰ পাচত

---

* দেওধাই বুৰঞ্জী চোৱা

বৰ্ষা, তাৰ পাচত শৰৎ, তাৰ পাচত হেমন্ত, তাৰ পাচত শীত, আৰু সকলোৰে শেষত বসন্ত ঋতু পাব। (সত্যনাথ বৰা)।

(জ) যি ভাষাত কমতাপুৰ ৰাজ্যৰ শাসনকৰ্ত্তা মহাৰাজ দুৰ্লভ-নাৰায়ণ, ইন্দ্ৰনাৰায়ণ, আৰু তাম্ৰধ্বজে ১৩ শতিকাত হেম সৰস্বতী, হৰিহৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী আদি কবিসকলক 'প্ৰহ্লাদ চৰিত', 'সাত্যকী প্ৰৱেশ' আদি কাব্যবোৰ ৰচনা কৰিবলৈ ধন আৰু ভূমি দান কৰি অশেষ উদগনি দিছিল সেই ভাষা বঙ্গভাষাৰ অপভ্ৰংশ নে?— (জ্ঞাননাথ বৰা)।

(ঝ) অসমীয়াৰ বাবে 'আই' শব্দত যি মোহনী আছে, 'মা'ত নাই, 'পানী' শব্দত যি শীতলতা আছে 'জল'ত নাই। — (ডিম্বেশ্বৰ নেওগ)।

পারিভাষিক শব্দ-সূচী

অকর্মক ক্রিয়া রূপ ৯৩

অঘোষ ধ্বনি ১৬৮

অধিকরণ-কারক ৪৩

অনাক্ষরিক স্বর-ধ্বনি ৫

অনির্দিষ্টতাবাচক সর্বনাম ৫৮

অনির্দিষ্টতাবাচক প্রত্যয় ৩৭

অনিয়মিত ধাতু ৮৩

অনুজ্ঞা-ভাব ৭১

অনুনাসিক ধ্বনি ৪

অন্তঃস্থ-বর্ণ ১৬৭

অন্যোন্য সমীভবন ১৭৭, ১৭৯

অপাদান-কারক ৪২

অব্যয় ১০১

অযোগবাহ-বর্ণ ১৬৭

অর্ধ স্বর ৫

অল্পপ্রাণ ধ্বনি ১৬৮, ১৬৯

অসমাপিকা ক্রিয়া ৯১

অসমীয়া স্বর-সন্ধি ১৫

অসমীয়া ব্যঞ্জন-সন্ধি ১৮

অক্ষর ৫

আংশিক সংখ্যাবাচক শব্দ ৭১

আখর ৭

আজ্ঞাসূচক বাক্য ১৫৪

আক্ষৰিক ধ্বনি ৫
ইচ্ছামূলক বাক্য ১৫৪
উক্তি ১৬৫
উপ-বাক্য ১৫৫
উপসর্গ ১৯৮
উষ্ম-বর্ণ ১৬৭
ওষ্ঠ্য বর্ণ ১৬৯
কণ্ঠ্য বর্ণ ১৬৯
কৰণ-কাৰক ৪১
কর্তা-কাৰক ৪১
কর্তৃ-বাচ্য ৯৫
কর্ম ৯৩
কর্ম-কাৰক ৪১
কর্ম-বাচ্য ৯৫
কাৰক ৩৮
কাল ৭২
কালবাচক ক্রিয়া-বিশেষণ ১০০
কৃৎ-প্রত্যয় ১২, ১১২, ১৮৭
কৃদন্ত ৯১
ক্রিয়া-শব্দ ৭২
ক্রিয়াবাচক খণ্ড-বাক্য ১৫৮
ক্রিয়াবাচক পৰ-সর্গ ১০৫
ক্রিয়া-বিভক্তি ৭১, ৭৭
ক্রিয়া-বিশেষণ ৯৬
ক্রিয়াবিহীন বাক্য ১৪৯
ক্রিয়াযুক্ত বাক্য ১৫১

ক্রিয়াৰ অবিচ্ছিন্নতা ৯৪
ক্রিয়াৰ ন্যস্ত্যর্থক ৰূপ ৯১
ক্লীব লিঙ্গ ২৪, ৫৪, ৫৬
খণ্ড-বাক্য ১৫৭
গুণ স্বৰ-বর্ণ ১৬৮
গুণবাচক বিশেষণ ৫২
গৌণ ধাতু ৮৪
গৌণ প্রত্যয় ১২
ঘোষ ধ্বনি ১৬৮, ১৬৯
ছর্ভসা/পক্ষতা ৯৫
জতুৱা খণ্ড-বাক্য ১৫৮
জোৰ বুজোৱা ৰূপ ১০৭
ণত্ব-বিধি ১৭০
তদ্ধিত প্রত্যয় ১২, ১১৭
তাৎকালিক বর্তমান ৭২
তালব্য বর্ণ ১৬৯
তির্যক ৰূপ ১৩
তুমুলন্ত ক্রিয়া-ৰূপ ৯১
দন্ত্য বর্ণ ১৬৯
দ্বিকর্মক ক্রিয়া ৯৩
দ্বি-স্বৰ ৫, ১৬৭
দ্বিস্বৰ-ধ্বনি ৫
দীর্ঘ স্বৰ ১৬৭
ধ্বনি ২
ধ্বনি-যন্ত্র ৩
ধ্বনিসাপেক্ষতা ১৮

ধ্বন্যাত্মক ধাতু ৮৪, ৮৮
ধ্বন্যাত্মক শব্দ ১২৩, ১৩৬
ধাতু ১৩, ৭২
নাম-ধাতু ৮৪, ৮৬
নিকটস্থ অঙ্গ ১৯
নিজবাচক সর্বনাম ৫৮
নিত্য বর্ত্তমান ৭২
নিমিত্ত-কাৰক ৪২
নির্দিষ্টতাবাচক প্রত্যয় ৩১
নির্দেশক ভাব ৭২
নিশ্চয়বাচক সর্বনাম ৫৭
নিষেধাত্মক বাক্য ১৫৩
পৰ-প্রত্যয় ১১
পৰ সৰ্গ ১০১
পৰাগত সমীভৱন ১৭৭, ১৭৮
পৰিমাণবাচক বিশেষণ ৫২
পৰোক্ষ-উক্তি ১৬৫
পৰোক্ষ-কর্ম ৪২, ৯৩
পাঁচনি ধাতু ৮৪
পুনৰুক্তি ১১১
পুৰুষ ৫৫
পুৰুষবাচক-সর্বনাম ৫৬
পুৰুষবাচক-নির্দিষ্টতাবাচক প্রত্যয় ৩৫
পুং লিঙ্গ ২৪
পূৰণবাচক-সংখ্যাবাচক শব্দ ৭১
পূর্ণ বর্ত্তমান-কাল ৭২

পূৰ্ণ ভূত-কাল ৭২
পূৰ্ব-প্ৰত্যয় ১১, ১৩২
পৃথকবোধক অব্যয় ১০৬
প্ৰকৃতি ১৩
প্ৰগত সমীভৱন ১৭৭
প্ৰতিধ্বন্যাত্মক শব্দ ১৩৮
প্ৰত্যয় ১১
প্ৰত্যক্ষ উক্তি ১৬৫
প্ৰত্যক্ষ কৰ্ম ৪২, ৯০
প্ৰশ্নবাচক সৰ্বনাম ৫৮
প্ৰশ্নসূচক বাক্য ১৫৪
প্ৰাতিপাদিক ১৩
বচন ১২
বৰ্ণ ৭
বৰ্ণনাত্মক বাক্য ১৫৩
বৰ্তমান-কাল ৭২
বৰ্তমানকালিক কৃদন্ত ৯১, ৯২
বাক্য ৪৮
বাক্য-গঠন ১৪৮
বাক্য-সংকোচন ১৫৭
বাক্য-সংযোজন ১৫৬
বাক্য-সম্প্ৰসাৰণ ১৫৭
বাচ্য ৯৫
বিভক্তিমূলক প্ৰত্যয় ১১, ১২
বিশিষ্ট-ধ্বনি ৪
বিশিষ্ট স্বৰ-ধ্বনি ৪

বিশিষ্ট ব্যঞ্জন-ধ্বনি ৫

বিশেষণ ৫০

বিশেষ্য-শব্দ ২১

বিশেষ্যৱাচক পৰ-সৰ্গ ১০২

বিস্ময়সূচক বাক্য ১৫৪

বৃদ্ধি স্বৰ বৰ্ণ ১৬৮

ব্যঞ্জন-ধ্বনি ৩

ব্যঞ্জন-বৰ্ণ ১৬৭

ব্যঞ্জন-সন্ধি ১৭৬

ব্যাকৰণ ২

ব্যুৎপত্তিমূলক প্ৰত্যয় ১১, ১১

ভৱিষ্যত কাল ৭২

ভৱিষ্যৱাচক কৃদন্ত-শব্দ ৯২

ভাব ৭২

ভাব-বাচ্য ৯৫

ভাববোধক অব্যয় ১০৬

ভাষা ১, ২

ভূত কাল ৭২

ভূতকালিক কৃদন্ত ৯২

মধ্য প্ৰত্যয় ১১

মহাপ্ৰাণ-ধ্বনি ১৬৮, ১৬৯

মিশ্ৰ বাক্য ১৫৪

মিশ্ৰ শব্দ ১৪

মুক্ত ৰূপ ১১

মুখ্য ধাতু ৮৪

মুখ্য প্ৰত্যয় ১২

মূৰ্দ্ধন্য বৰ্ণ ১৬৯
যুক্ত ৰূপ ১১
যোজক অব্যয় ১০৬
ৰূপ ২, ১১
ৰূপসাপেক্ষতা ১৮
লক্ষণবাচক ক্রিয়া-বিশেষণ ১০০
লিঙ্গ ২৪
শব্দ ১৪
শব্দ-গঠন ১১২
শব্দ-বিভক্তি ৩৯
শব্দ মূল ১৩
শ্রুতি-ধ্বনি ৬
ষত্ব বিধি ১৭০
সকৰ্মক ক্রিয়া ৯৩
সন্দেহবোধক অব্যয় ১০৬
সান্দেহসূচক বাক্য ১৫৪
সন্ধি ১৪, ১৭১
সমষ্টিবাচক সৰ্বনাম ৫৮
সমাপিকা ক্রিয়া ৯২
সন্নিধানবোধক অব্যয় ১০৭
সমীভৱন ১৭৭
সম্প্ৰদান-কাৰক ৪২
সম্বন্ধ-পদ ৪৩
সম্বন্ধবাচক সৰ্বনাম ৫৭
সমধাতু কৰ্ম ৪২
সম্বোধনবোধক অব্যয় ১০৭

সম্বোধনবোধক-নিৰ্দিষ্টতাবাচক প্ৰত্যয় ৩৬
সম্ভাব্য ভূত কাল ৯৫
সৰল বাক্য ৫৪
সৰল স্বৰ-বৰ্ণ ১৬৮
সংখ্যাবাচক শব্দ ৬৯
সংখ্যাবাচক বিশেষ্য শব্দ ৬৯, ১৮১
সংখ্যাবাচক বিশেষণ-শব্দ ৭১, ৮৩
সংযুক্ত বাক্য ১৫৪, ১৫৫
সংযুক্ত ধাতু ৮৪, ৮৮
সংযুক্ত শব্দ ১৪, ১৩৮
সৰ্বনাম ৫৪
স্ত্ৰী প্ৰত্যয় ২৫, ১৮৫
স্ত্ৰী লিঙ্গ ২৪
স্থানবাচক ক্ৰিয়া-বিশেষণ ১০০
স্পৰ্শ বৰ্ণ ১৬৭
স্বৰ-ধ্বনি ৩
স্বৰ-বৰ্ণ ১৬৭
স্বৰ-সন্ধি ১৭২
স্বাৰ্থিক প্ৰত্যয় ১১২
হ্ৰস্ব স্বৰ ১৬৭

— x —

গ্ৰন্থ-পঞ্জী

1 Bloch and Trager Outline of Linguistic Analysis

2 Brown Grammatical Notes on Assamese Language, 1982

3 Davis, A I Basic Colloquial Maithili, 1984

4 Goswami, U An Introduction to Assamese

5 Herndon, J H A survey of Modern Grammars

6 Kakati, B Assamese, its formation and Development

7 Macdonell, A A Sanskrit Grammar for Students

8 Nida, E A Morphology The Descriptive Analysis of words

9 Palmer, F Grammar, 1983

10 Roberts, Paul Understanding Grammar

11 Stageberg, N C An Introductory English Grammar

১২। গোস্বামী, উপেন্দ্ৰনাথ : অসমীয়া ভাষাৰ ৰূপ-কথা

১৩। গোস্বামী, উপেন্দ্ৰনাথ : ভাষা-বিজ্ঞান

১৪। তিৱাৰী, ভোলানাথ : ভাষা-বিজ্ঞান

১৫। বন্দোপাধ্যায়, হৰলাল (সম্পাদিত) : ব্যাকৰণ কৌমুদী

১৬। বৰা, সত্যনাথ : অসমীয়া ভাষাৰ ব্যাকৰণ

১৭। বৰুৱা, হেমচন্দ্ৰ : অসমীয়া ব্যাকৰণ

১৮। মেধি, কালিৰাম : অসমীয়া ব্যাকৰণ আৰু ভাষা-তত্ত্ব।